

ডিগবৈ মহাবিদ্যালয়

# আলোচনী

সপ্তত্রিংশত্তম সংখ্যা, ২০১৫-১৬ বৰ্ষ

তত্ত্বাৱধায়িকা ঃ ড° চন্দনা চেতিয়া

সম্পাদিকা ঃ দীপশিখা বৰুৱা

# বিশিষ্ট ব্যক্তিসকলৰ মহাবিদ্যালয় ভ্ৰমণ ২০১৬



অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰাণ শ্বাহ



BHNS ৰ সঞ্চালক ড° দীপক আপটে



প্ৰাক্তন ভাৰতীয় ৰাষ্ট্ৰদূত জৈমিনী ভাগৱতী




ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অলক কুমাৰ বুঢ়াগোহাঁই



কটন কলেজ মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ধ্ৰুৱজ্যোতি শইকীয়া



বিখ্যাত উদ্ভাৱক উদ্ধৱ ভৰালী



এবছৰত অধিক বিভিন্ন প্ৰকাৰৰ চৰাই চাই
ৱৰ্ল্ড ৰেকৰ্ড বনোৱা ন'হা ষ্ট্ৰাইকাৰ




ভাৰতৰ 'অৰণ্য মানৱ' যাদৱ পায়েং

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
২০১৬-১৭ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুব মহোৎসৱত
আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত
প্ৰথম পুৰস্কাৰ প্ৰাপ্ত

ডিগবৈ মহাবিদ্যালয়

# আলোচনী

সপ্তত্ৰিংশত্তম সংখ্যা, ২০১৫-১৬ বৰ্ষ




তত্ত্বাৱধায়িকা ঃ ড° চন্দনা চেতিয়া
সম্পাদিকা ঃ দিপশিখা বৰুৱা




ডিগবৈ মহাবিদ্যালয় আলোচনী (সপ্তত্রিংশত্তম সংখ্যা ২০১৫–১৬ বৰ্ষ) ঃ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত, দিপশিখা বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু দি অসম কম্পিউটাৰচ্ তিনিচুকীয়াত মুদ্ৰিত

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° দীপ শইকীয়া |
| উপ-সভাপতি | ঃ | শ্ৰীযুত কেদাৰনাথ টিমচিনা |
| মুখ্য উপদেষ্টা | ঃ | ড° চন্দনা চেতিয়া |
| উপদেষ্টা | ঃ | পবিত্ৰ কুমাৰ ভৰালী |
| | | সঞ্জয় দাস |
| | | প্ৰদীপ কুমাৰ খাউণ্ড |
| | | ড° প্ৰদীপ কুমাৰ ভাৰতী |
| | | সীমান্ত বৰদলৈ |
| | | দেৱৰ্ষি গগৈ |
| সম্পাদিকা | ঃ | দিপশিখা বৰুৱা |
| সদস্য / সদস্যা | ঃ | বিশ্বজিৎ গগৈ |
| | | বিজয় বিকাশ কোঁৱৰ |
| | | শ্বেতা দে' |
| | | পল্লৱজ্যোতি মৰাণ |
| | | শব্দ প্ৰকাশ জয়ছোৱাল |
| বেটুপাত | ঃ | দেৱৰ্ষি গগৈ |
| অলংকৰণ | ঃ | কিশলয় ভট্টাচাৰ্য, দেৱৰ্ষি গগৈ |
| অংগসজ্জা | ঃ | লুইত চেতিয়া, সীমান্ত চেতিয়া |
| ডি.টি.পি. | ঃ | জয়ন্ত গগৈ |
| মুদ্ৰণ | ঃ | দি অসম কম্পিউটাৰচ্ |
| | | তিনিচুকীয়া - ৭৮৬১২৬, অসম |
| | | দূৰভাষ - ২৩৩০৪২৪ |

# শ্ৰদ্ধাৰ্ঘ্য



গুৰুপদ ভট্টাচাৰ্য্য



গিয়াচ্ছুদ্দিন আহমেদ

*শ্ৰদ্ধাৰ্ঘ্য সেই মহীৰুহ সকলোলৈ যাৰ ত্যাগ আৰু সাধনাৰে মহীয়ান ডিগবৈ মহাবিদ্যালয়*



# উছৰ্গা









*হে মহান মনাধিপ*
*বিশ্ব জীৱন জ্যোতি*
*প্ৰণতি*
*প্ৰণতি*
*প্ৰণতি*





স্ব–প্ৰতিভাৰে প্ৰোজ্জ্বলিত
হৈ
সমাজ–জীৱনক প্ৰকাশিত কৰি
''গোটেই জগত অমৃত আনন্দময়''
কৰিব খোজা –



প্ৰেৰণ কৰি সুস্থ সংস্কৃতিৰ বাৰ্তা –
মানৱৰ হৃদয়ে হৃদয়ে
প্ৰদীপ জ্বালি
বিলুপ্তি ঘটা পাৰ্থিৱ শৰীৰ
অথচ
''কল্পান্ত স্থায়ীনু গুণাঃ''ৰে
বিকিৰিত

স্বনামধন্য মহীৰুহ
মহিম বৰা
নলিনীধৰ ভট্টাচাৰ্য
তিলক হাজৰিকা
অচ্যুৎ লহকৰ
শ্ৰীনিবাস কুমাৰ সিন্‌হা
গুণাৰাম খনিকৰ
আৰু
ফ্ৰিডেল কেষ্ট্ৰ'ৰ পৱিত্ৰ
স্মৃতিত
তমোঘ্ন
উৎসৰ্গিত।

সশ্ৰদ্ধাৰে
সম্পাদনা সমিতি



# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
সূৰুজমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ – শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ–মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ।।

# মহাবিদ্যালয়ৰ মূলমন্ত্ৰ

মহাবিদ্যালয়ৰ মূলমন্ত্ৰ ''বিদ্যা দদাতি বিনয়''য়ে বিনয় প্ৰদায়ক জ্ঞানৰ তাৎপৰ্য বহন কৰিছে। জ্ঞান প্ৰদত্ত বিনয়ীভাৱৰ সৈতে নম্ৰতা, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ একাত্ম। বিনয়ে এটা সমৃদ্ধময় জীৱনৰ বাটকাটিবলৈ যোগ্যতা নিশ্চিত কৰি ব্যক্তিৰ আত্মসন্তুষ্টি আৰু অন্তৰাত্মাৰ আনন্দক চিৰস্থায়ী কৰে।

এই বিধিবাক্য সাৰোগত কৰি এই মহাবিদ্যালয়ে প্ৰচেষ্টা কৰে ছাত্ৰ সমাজৰ চেতনাত বিনয়, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ জাগ্ৰত কৰিবলৈ যাতে তেওঁলোকে সু লক্ষ্য স্থিৰ কৰাৰ লগতে সাৰ্বিক সমাজৰ হিতৈষী কাৰ্যত অৰিহণা যোগাব পাৰে।

# মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী

মহাবিদ্যালয়খনৰ সৰ্বদা দৃষ্টি উৎকৃষ্ট শিক্ষা প্ৰদানৰ। উৎকৃষ্ট শিক্ষাই ছাত্ৰ সমাজক ভাৰতীয় সংস্কৃতি, ঐতিহ্য তথা মূল্যবোধৰ বিষয়ে উপদেশ প্ৰদান কৰাৰ লগতে আধুনিক কাৰিকৰী কৌশলসমৃদ্ধ আৰু গোলকীকৃত সমাজখনৰ চাহিদাসমূহ পূৰণৰ পথ নিৰ্দেশনা দিব।

# আমাৰ সংকল্প

আমাৰ মহাবিদ্যালয়ে সংকল্প কৰে —

ক) শিকাৰুক এনে শিক্ষা প্ৰদান কৰাৰ — যিয়ে তেওঁলোকক দায়বদ্ধ আৰু নৈতিক গুণসম্পন্ন নাগৰিক হিচাপে গঢ় দিয়াৰ লগতে সৃষ্টিশীল তথা যুক্তিবাদী সমালোচক কৰিব আৰু তেওঁলোকক ফলপ্ৰসূভাৱে ভাৱ প্ৰকাশৰ কৌশল শিকাব;

খ) শিকাৰুৱে সৎ, দৃঢ় প্ৰতিজ্ঞ আৰু সৌম্যভাবেৰে শিক্ষা আৰ্জিব পাৰে সেই উদ্দেশ্যে তেওঁলোকক উৎসাহ যোগাব;

গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমানৰ যোগ্যতা গঢ়ি তুলিব যাতে তেওঁলোকে জীৱনৰ অনাগত সুযোগ আৰু প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে;

ঘ) শৈক্ষিক পৰিৱেশ সুস্থ কৰি তুলিব যাতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান তথা সংবৰ্ধন কৰিব পৰা যায়;

ঙ) সামূহিক কৰ্ম, নব্য কৌশল আৰু শিখৰ প্ৰাপ্তিৰ বাবে কৰা কৰ্ষণৰ যোগেদি ইয়াৰ সাংগাঠনিক অংশসমূহৰ মাজত অটুট বন্ধন গঢ়ি তুলিব;

চ) সকলো জাতি, ধৰ্ম সম্প্ৰদায় আঁকোৱালিব পৰা ৰাষ্ট্ৰীয় একতা আৰু বিশ্বজনীন সংস্কৃতিৰ ভাব জগাই তুলিব।

# আমাৰ বিশ্বাস

আমি বিশ্বাসী যে —

ক) সকলো ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সমাজৰ এজন মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে বিকশিত হৈ উঠিবৰ বাবে অফুৰন্ত শক্তি অন্তৰ্নিহিত হৈ আছে।

খ) এজন ব্যক্তিৰ শিক্ষা ফলদায়ক হয় যেতিয়া তেওঁ শিক্ষাৰ প্ৰসাৰ ঘটায় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰযত্ন লয়।

গ) শিক্ষা এক আজীৱন প্ৰক্ৰিয়া আৰু অৰ্থ সম্পন্ন শিক্ষাই জ্ঞান অৰ্জনৰ বাবে অনন্ত দিগন্তৰ পথ নিৰ্দেশনা দিয়ে।

ঘ) নিয়মানুৱৰ্তিতাৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰি তোলাৰ লগতে দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়ে।

ঙ) এজন ব্যক্তিক সমাজৰ উপযোগী হোৱাকৈ গঢ় দিবলৈ হ'লে বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক শিক্ষাৰ লগত নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানসম্পন্ন শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব।

# মহাবিদ্যালয়ৰ প্ৰতীক

মহাবিদ্যালয়ৰ প্ৰতীকটোৰ আৰ্হি চিত্ৰিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব মহাবিদ্যালয় পৰিদৰ্শক প্ৰয়াত বিমল গগৈ ডাঙৰীয়া আৰু সেই সময়ৰ বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ তথা শেষ জীৱনত নেপালৰ ৰাজ কবিৰূপে প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত হৰি ভক্ত কটোৱালে।

প্ৰতীকটোত অংকিত অৰ্ধগোলাকৃতিৰ গোলকটোৰ ওপৰত জখলাসদৃশ এটা স্তম্ভ আছে যি এছিয়াৰ প্ৰথম তৈল নগৰী ডিগবৈৰ ঐতিহ্যক সোঁৱৰাই। লগতে এই স্তম্ভ জ্ঞানৰ জখলাৰ প্ৰতীক যি আমাক দিগন্ত প্ৰসাৰী লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ কৰি তোলে। প্ৰতীকটোৰ তলৰ ফালে থকা ডেউকা দুখনে এই তাৎপৰ্য বহন কৰে যে শিক্ষাৰ যোগেদি আমি জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তিৰ বাবে আগবাঢ়িব পাৰোঁ। প্ৰতীকটোত থকা সূৰ্যৰ ৰশ্মিয়ে তাৎপৰ্য বহন কৰিছে আশা আৰু জ্ঞানৰ পোহৰৰ যি জীৱনৰ তমসা নাশ কৰিব আৰু সমগ্ৰ বিশ্ব জ্যোতিষ্মান কৰি তুলিব। এই প্ৰতীকটো মহাবিদ্যালয়খনে বিশ্বাস কৰা নৈতিকতা আৰু মূল্যবোধৰ নিদৰ্শন যাক মহাবিদ্যালয়খনে সমাজৰ আন্তঃগাঁথনিত গ্ৰন্থিত কৰিব বিচাৰে। প্ৰতীকটোৰ অধঃস্থানত থকা 'হিতোপদেশৰ পৰা উদ্ধৃত বাক্যশাৰীয়ে মহাবিদ্যালয়ৰ মূলমন্ত্ৰক দাঙি ধৰে'।

উৎস ঃ Digboi College Prospectus 2013-14

অনুবাদ ঃ শ্ৰীপবিত্ৰ ভৰালী (সহঃ অধ্যাপক) আৰু ৰক্তিম বৰগোহাঁই (উ:মা: ২য় বৰ্ষ)

ডিগবৈ মহাবিদ্যালয়

DIGBOI COLLEGE

विद्या ददाति विनयं

ESTD 1965

সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



সত্যমেৱ জয়তে

দিছপুৰ
১৯-১২-২০১৬

## শুভেচ্ছাবাণী

তিনিচুকীয়া জিলাৰ ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনৰ ৩৭ তম্ সংখ্যা প্ৰকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই মই হৰষিত হৈছো।

শিক্ষাৰ্থীসকলে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হোৱাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান এখনৰ ভূমিকা গুৰুত্বপূৰ্ণ। শিক্ষাৰ্থীসকলৰ মানসিক উৎকৰ্ষ সাধনত শিক্ষানুষ্ঠানৰ মুখপত্ৰ এখনে বহু সমল যোগায়। এখন ৰাজ্যৰ বিকাশৰ পৰ্যায় নিৰ্ণয়ত নতুন প্ৰজন্মৰ ভূমিকা অপৰিসীম। আধুনিক প্ৰতিযোগিতামুখী বিশ্বত শিক্ষাৰ্থীক আগুৱাই নিয়াৰ ক্ষেত্ৰত মুখপত্ৰ এখনৰ বিভিন্ন লিখনীয়ে তেওঁলোকক উদ্গণি যোগায়।

আনহাতে, শিক্ষানুষ্ঠানৰ মুখপত্ৰ এখনে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক চিন্তা-চৰ্চা আৰু মূল্যবোধৰ শিক্ষা দিয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। মুখপত্ৰ এখনে শিক্ষাৰ্থীসকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। এনে মুখপত্ৰত শিক্ষক, শিক্ষাবিদ আৰু বিদ্যানুৰাগী ব্যক্তিসকলে বিদ্যায়তনিক দিশবোৰৰ ওপৰত আলোকপাত কৰি লিখা লিখনী সমূহে শিক্ষাৰ্থীসকলক নতুন দিশৰ সন্ধানৰ বাবে আগ্ৰহী কৰি তোলে। আনহাতে তেওঁলোকৰ মতামত আৰু দিহা-পৰামৰ্শই গুণগত শিক্ষাৰ উন্নয়ন আৰু প্ৰসাৰত সহায় কৰে। ডিগবৈ মহাবিদ্যালয়ৰ মুখপত্ৰখনে শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোৰ শৈক্ষিক উন্নয়নলৈ অৱদান আগবঢ়াব আৰু শিক্ষাৰ্থীসকলৰ প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া মুখপত্ৰখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)



**Dr. Hiren Gohain**
Prominent Critic & Thinker
Former HoD, Deptt. of English
Guwahati University

# Message

Dear Prof.in charge
Digboi College Magazine

Please accept my hearty felicitations to all of you who are working for the magazine.The college,I understand,was founded in 1965,a year after Dr.D.S. Kothari had submitted his sumptuous and visionary report on higher education.

The great goals of higher education he and his team had put before the nation have been greatly compromised by lack of proper support from political authorities.It is no fault of teachers and students that many could not match their expectations when resources were so scarce and the rulers so unhelpful.But the importance of those goals remains.

Today there is a new threat when higher education is stripped of its proper perspective.Everything must now serve the tycoons and the tyrants.But can a civilized society subsist with such narrow,selfish goals.Human beings are to be educated,not used like material that can used and then thrown into the dustbin.

Hope and fervently wish the college will remain true to the high goals the Kothari Commission set before the nation.Wish all teachers and students and other staff a happy new year.

Sincerely yours,
**Hiren Gohain**



**ইমৰাণ শ্বাহ**
বিশিষ্ট সাহিত্যিক আৰু বুদ্ধিজীৱি

# শুভেচ্ছাবাৰ্তা

ডিগবৈ মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ প্ৰস্তুতি চলি থকা বুলি জানি আনন্দ পালো।

এই মহাবিদ্যালয়ৰ পৰা আমি অনেক আশা কৰো। কাৰণ ডিগবৈৰ বিশেষত্বৰ লগত অসমৰ বহুতো দিশ জড়িত। আশা কৰো আলোচনীখনক সৰ্ব্বাঙ্গ সুন্দৰ সংৰক্ষণ যুগুত হ'ব।

আন্তৰিক শুভেচ্ছাৰে
ইমৰাণ শ্বাহ
১০।১।১৬



**Jaimini Bhagawati**
*Former Indian Ambassador to UK*

# Message

It gives me great pleasure to pen this message for the college magazine. It was my privilege to speak at an event organised to celebrate the 50th anniversery of Digboi college. I was heartened by my interaction with the students, teachers and Principal I am sure Digboi College will have a wonderful future.

**Jaimini Bhagawati**
**11/1/2016**

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/16/1172

Date: 20.12.2016

## শুভেচ্ছা বাণী

**প্ৰতি**

**দিপশিখা বৰুৱা**
আলোচনী সম্পাদিকা
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৫-১৬ বৰ্ষ
ডিগবৈ



**মৰমৰ দিপশিখা,**

ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **'ডিগবৈ মহাবিদ্যালয় আলোচনী'**ৰ ২০১৫-১৬ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ।

মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লেখা প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ বিভিন্ন তথ্যপাতি লিপিবদ্ধ কৰাত সহায় কৰে। মই আশা কৰিছো ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনেও মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা ৰচিত উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

**'ডিগবৈ মহাবিদ্যালয় আলোচনী'**ৰ ২০১৫-১৬ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰ বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

**অলক কুমাৰ বুঢ়াগোহাই**



# অধ্যক্ষৰ মেজৰ পৰা

পঞ্চাছ বছৰৰ এক গৌৰৱোজ্জ্বল ইতিহাস বিজড়িত ডিগবৈ মহাবিদ্যালয় অসমৰ পূব প্ৰান্তৰ এখনি অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান। কলা, বিজ্ঞান, বাণিজ্যৰ লগতে অন্যান্য বহুমুখী পাঠ্যক্ৰমৰ এইখন পূৰ্ণাঙ্গ মহাবিদ্যালয়লৈ প্ৰতিবছৰে অসমৰ বিভিন্নস্থানৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল, মণিপুৰ, নাগালেণ্ডৰ অনেক শিক্ষাৰ্থী অধ্যয়নৰ বাবে আহে। মহাবিদ্যালয়খনিৰ অপৰূপ প্ৰাকৃতিক শোভা আৰু অন্যান্য জৈৱ-বিচিত্ৰতাই সকলোৰে মন সততে আকৃষ্ট কৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু অভিভাৱক সকলৰ সমন্বিত ঐকান্তিক প্ৰচেষ্টাত গঢ় লোৱা শিক্ষাৰ্থীকেন্দ্ৰিক বিদ্যায়তনিক বাতাৱৰণে বৰ্তাই ৰাখিছে শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আদি প্ৰায়বোৰ ক্ষেত্ৰত আমাৰ শিক্ষাৰ্থী-শিক্ষকৰ ধাৰাবাহিক উৎসাহোদ্দীপক পাৰদৰ্শী প্ৰদৰ্শন। আন্তঃগাঠনিৰ পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনেৰে ত্বৰান্বিত হৈছে মহাবিদ্যালয়খনিৰ উন্নয়নৰ গতি। মানৱ সম্পদ গঠন প্ৰক্ৰিয়ালৈ আহিছে ন-উদ্যম, নতুন প্ৰাণ।

২০১৬ বৰ্ষত ডিগবৈ মহাবিদ্যালয়ে প্ৰশস্ত কৰিছে উচ্চ শিক্ষাৰ শিখৰ আৰোহণৰ এক পথ। গুণোৎকৰ্ষি, উচ্চভিলাসী ছাত্ৰ-ছাত্ৰীৰ মনলৈ আহিছে নতুন আশা। পঞ্চাছ বছৰ গৰকা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিক গৰিমামণ্ডিত কৰি পদাৰ্থ বিজ্ঞান বিভাগত সংযোজিত হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নিয়মীয়া দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম। ২০১৬ চনৰ ৫ আগষ্টৰ দিনা কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য তথা পদাৰ্থ বিজ্ঞানৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট বিজ্ঞানী অধ্যাপক ধ্ৰুৱজ্যোতি শইকীয়াই উদ্বোধন কৰে ডিগবৈ মহাবিদ্যালয়ৰ এই উৰ্দ্ধগামী শৈক্ষিক যাত্ৰাৰ। কটন কলেজৰ পিছতে পদাৰ্থ বিজ্ঞানৰ দৰে বিজ্ঞানৰ অতিশয় গুৰুত্বপূৰ্ণ বিষয়ত স্নাতকোত্তৰ পাঠদান আৰম্ভ কৰা ৰাজ্যৰ দ্বিতীয়খন উল্লেখনীয় কলেজৰূপে ডিগবৈ মহাবিদ্যালয় স্বীকৃত হ'ল। উচ্চ শিক্ষা জগতৰ উত্তৰণৰ এক সপোন যেন দিঠকত পৰিণত হ'ল।

২০১৬ বৰ্ষৰ এটি স্মৰণীয় ঐতিহাসিক কাৰ্য্যক্ৰম আছিল মহাবিদ্যালয়খনিৰ বৰ্ষজোৰা সোণালী জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান। ১০, ১১ আৰু ১২ জানুৱাৰী, ২০১৬ তাৰিখে অনুষ্ঠিত বৰ্ণাঢ্য কাৰ্য্যসূচীৰ এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অভিভাৱক, প্ৰাক্তন শিক্ষাৰ্থী আৰু ডিগবৈৰ ৰাইজে সক্ৰিয় অংশগ্ৰহণ কৰে। অধ্যক্ষৰ দ্বাৰা পতাকা উত্তোলন তথা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দ্বাৰা স্মৃতি তৰ্পন কাৰ্য্যসূচীৰে শুভাৰম্ভ হোৱা হোৱা প্ৰথম দিনাৰ কাৰ্য্যক্ৰমৰ অন্যতম আকৰ্ষণীয় কাৰ্য্যসূচী আছিল অসমৰ বাবে ৰহণীয়া সাংস্কৃতিক প্ৰতিনিধিত্ব কৰি ওলোৱা সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক মুগ্ধজ্যোতি মহন্তই। সহস্ৰাধিক লোকৰে পৰিবেশিত এই বৰ্ণিল শোভাযাত্ৰা ডিগবৈবাসীৰ মানসপটত দীৰ্ঘকালৰ বাবে যে স্মৰণীয় হৈ ৰ'ব সেয়া নিশ্চিত। উক্ত দিনাই গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ তদানীন্তন বিধায়ক প্ৰদুৎ বৰদলৈয়ে। 'বৰেণ্য বন্দন' শীৰ্ষক মহাবিদ্যালয়খনিৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলৰ সম্বৰ্ধনানুষ্ঠানৰ মুখ্য অতিথি আছিল প্ৰখ্যাত কথাশিল্পী আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰাণ শ্বাহ। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে উন্মোচিত হয় ৪৭০ পৃষ্ঠাৰ মেটমৰা সাহিত্য তথা তথ্য সমৃদ্ধ সম্ভাৰে সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'হিৰন্ময়'। দ্বিতীয় দিনাৰ কাৰ্য্যসূচীৰ মুখ্য আকৰ্ষণ আছিল আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন উদ্ভাৱক ড° উদ্ধৱ ভৰালীৰে ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ আৰু ভাৰত চৰকাৰৰ অৱসৰপ্ৰাপ্ত ৰাষ্ট্ৰদূত প্ৰখ্যাত অৰ্থনীতিবিদ তথা অৱসৰপ্ৰাপ্ত বিশ্ববেংকৰ ঔদ্যোগিক বিত্ত বিভাগৰ প্ৰধান ড° জৈমিনী ভাগৱতীৰ জ্ঞান গৰ্ভা অতুল্য বক্তৃতা। উক্তদিনাই অনুষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নামজ্বলা চিকিৎসক ডাঃ নাৰায়ণ উপাধ্যায়ৰ দ্বাৰা উদ্বোধিত ন-পুৰণি বিদ্যাৰ্থীৰ মিলন সমাৰোহ আৰু গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ শিল্পী সকলৰ দ্বাৰা পৰিবেশিত বিশেষ সাংস্কৃতিক সন্ধিয়াই সোণত সোৱগা চৰাইছিল। শেষৰ দিনা বিশিষ্ট শিক্ষাবিদ, কবি তথা সমাৰোহখনিৰ সভাপতি হিতেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত বহা মুকলি সভাত উপস্থিত

আছিল– ডিব্রুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য ড০ অলক কুমাৰ বুঢ়াগোহাঁই, অসম চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰধান সচিব পৱন বৰঠাকুৰ, তিনিচুকীয়া জিলাৰ উপায়ুক্ত পুৰু গুপ্তা, অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড০ বলেন্দ্ৰ কুমাৰ দাস, অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি নৰেণ চাংমাই, ডিগবৈ বন সংমণ্ডলৰ বন প্ৰাধিকাৰী আৰু ডুমডুমা, দুলীয়াজান, তিনিচুকীয়া কৰ্মাচ, লিডু তথা মাৰ্ঘেৰিটা কলেজ সমূহৰ অধ্যক্ষ সকল।

শিক্ষক–শিক্ষাৰ্থীৰ শৈক্ষিক উৎকৰ্ষ সাধনাৰ্থে ডিগবৈ মহাবিদ্যালয়ে সময়ে সময়ে হ্ৰস্ব তথা দীৰ্ঘ ম্যাদি কাৰ্য্যসূচী হাতত লৈ আহিছে। এনে কাৰ্য্যসূচীৰ অংশৰূপে ২১ মাৰ্চ, ২০১৬ তাৰিখে স্বাক্ষৰিত হয় নাকৰ 'এ' গ্ৰেড প্ৰাপ্ত 'কলিয়াবৰ কলেজ' আৰু আমাৰ মহাবিদ্যালয়ৰ মাজত 'শিক্ষাৰ্থী–শিক্ষকৰ পাঠ্যগ্ৰহণ–পাঠদান বিনিময় কাৰ্য্যসূচী'ৰ এক বুজা–বুজিৰ চুক্তি। এই চুক্তিৰ আধাৰত আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ স্নাতক শাখাৰ সন্মানৰ ছাত্ৰ–ছাত্ৰী আৰু শিক্ষক–শিক্ষয়িত্ৰীৰ এটা দলে ২১ আৰু ২২ মাৰ্চ, ২০১৬ তাৰিখে কলিয়াবৰ কলেজত পাঠ গ্ৰহণ তথা পাঠদান বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এনে কাৰ্যসূচী ৰূপায়ণে দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ–ছাত্ৰী তথা শিক্ষক–শিক্ষয়িত্ৰীক যথেষ্ট পৰিমাণে উপকৃত কৰা পৰিলক্ষিত হয়।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক সমাজে শিক্ষা–সম্প্ৰসাৰণ কাৰ্যসূচীৰে ডিগবৈ তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ হিত সাধন কৰি আহিছে। এনে এক প্ৰসংশনীয় কাৰ্যসূচী আছিল ডিগবৈ মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত সেয়া আছিল বিবেকানন্দ বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ কলা আৰু বিজ্ঞান শাখাৰ ছাত্ৰ–ছাত্ৰীক পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিদিনে চাৰি ঘণ্টাকৈ (২৭ অক্টোবৰ ২০১৬ আৰিখৰ পৰা ২৬ নৱেম্বৰ তাৰিখৰলৈ) আমাৰ মহাবিদ্যালয়ৰ ১৯ গৰাকী শিক্ষক–শিক্ষয়িত্ৰীয়ে আগবঢ়োৱা বিনামূলীয়া পাঠদান কাৰ্যসূচী। এই সন্দৰ্ভত বিদ্যালয়খনিৰ লগত আমাৰ মহাবিদ্যালয়ৰ এখন বুজা–বুজিৰ চুক্তিও স্বাক্ষৰিত হয়। এই কাৰ্যসূচীৰ দ্বাৰা বিবেকানন্দ বিদ্যালয়ৰ ছাত্ৰ–ছাত্ৰী বাৰুকৈ উপকৃত হোৱা দেখা যায়। এনে দৰ্শনীয় পদক্ষেপৰ বাবে মহাবিদ্যালয়ৰ শিক্ষক গোট ধন্যবাদৰ পাত্ৰ।

বিগত বছৰটোৰ দৰে এইবেলিও আমাৰ ছাত্ৰ–ছাত্ৰীৰ উৎসাহোদ্দীপ পৰীক্ষাৰ ফলাফলে মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। ২০১৬ বৰ্ষৰ স্নাতক শিক্ষান্ত পৰীক্ষাত মেজৰ বিষয়ত কলা শাখাত ৩৪ জন, বিজ্ঞান শাখাত ৪৯ জন আৰু বাণিজ্য শাখাত ১০ জনেৰে মুঠ ৯৩ জনে প্ৰথম শ্ৰেণী দখল কৰিছে।আনহাতে সাধাৰণ বিষয়ত কলাত আঠজন, বিজ্ঞানত এজন আৰু বাণিজ্যত এজনেৰে মুঠ দহজনে প্ৰথম বিভাগ লাভ কৰিছে। ২০১৬ বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক গৰাকীয়ে লাভ কৰা শতকৰা নম্বৰ হৈছে ৮৬.৩৫%।

কলা–সাংস্কৃতিক ক্ষেত্ৰতো মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০১৫–১৬ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ শিক্ষাৰ্থীয়ে লাভ কৰিছে দুটা স্বৰ্ণ, দুটা ৰূপ আৰু এটি ব্ৰঞ্জৰ পদক।

মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ–ছাত্ৰীক উৎসাহিত কৰাৰ অৰ্থে প্ৰতিবছৰে আগবঢ়োৱা হয় কেইবাটিও শৈক্ষিক বঁটা। নৱাগত আদৰণী সভাৰ লগতে অনুষ্ঠিত কৰা কৃতী ছাত্ৰ–ছাত্ৰীৰ বঁটা প্ৰদানৰ সম্বৰ্ধনা সভাত এইবেলি উপস্থিত আছিল কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য অধ্যাপক ধ্ৰুৱজ্যোতি শইকীয়া মহোদয়। এইবেলি প্ৰদান কৰা বঁটা সমূহৰ লগত নকৈ সংযোজিত হ'ল– মহাবিদ্যালয়ৰ পূৰ্বৰ অধ্যক্ষা স্বৰ্গীয়া স্বৰ্ণলতা গগৈৰ পূণ্য স্মৃতিত তেওঁৰ পৰিয়ালে আগবঢ়োৱা 'স্বৰ্ণলতা গগৈ সোঁৱৰণী শৈক্ষিক বঁটা।' এই বঁটাৰ জৰিয়তে মহাবিদ্যালয়ৰ তিনিজন শ্ৰেষ্ঠ কলা স্নাতকক নগদ ধন, মানপত্ৰ আৰু উপহাৰ প্ৰদান কৰা হয়। মহাবিদ্যালয়লৈ আগবঢ়োৱা এই বঁটাৰ বাবে আমি স্বৰ্গীয়া গগৈ বাইদেউৰ পৰিয়ালৰ শলাগ লৈছোঁ।

২০১৬ বৰ্ষৰ এটি চকুত পৰা দিশ হ'ল মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন.এচ.এচ) গোটৰ সজীৱ ৰূপ। এই গোটৰ বিদ্যাৰ্থীসকলে নিয়মিয়া কাৰ্য্য আঁচনিৰে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ লগতে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্য্যায়ত আয়োজিত শিবিৰ সমূহত পাৰদৰ্শিতাৰে যোগদান কৰি সুখ্যাতি অৰ্জন কৰিছে।

২০১৬ বৰ্ষৰ আন এটি উল্লেখনীয় কাৰ্য্য হ'ল– মহাবিদ্যালয়ৰ ছাত্ৰ–ছাত্ৰীৰ ক্ৰীড়া আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ অৰ্থে স্থায়ীৰূপত শাৰিৰীক শিক্ষকৰ নিযুক্তি কৰণ।

শেষত ডিগবৈ মহাবিদ্যালয় আলোচনীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

১৭ জানুৱাৰী, ২০১৭

(ড° দীপ শইকীয়া)
অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়

# From the Desk of the Chief Adviser......



Art says William Morris, is man's expression of his joy in labour . And ,we all agree with Keats that a thing of beauty is a joy forever. In the modern world of materialism, activities for the sake of sheer beauty and pleasure are rather on the decline. It is a discouraging trend. It is really important that beauty for beauty's sake or the concept of 'art for art's sake' is upheld.

The college magazine encourages and offers ample opportunities for the students to develop their personality and widen their mental horizon. The magazine is an instance of the annual and fascinating process through which the students of the college think, dream, write, draw and decorate and finally print and bind their dreams and talents in the form of the magazine.

Every magazine is the culmination of an effort , a ceaseless thirst for excellence and artistic expression. It must reflect the myriad colours and gaiety and enthusiasm of the young hearts that beat as one when it comes to an appreciation of the thing beautiful.

I, as the adviser of this beautiful effort, had the opportunity to watch this labour of love from close quarters and appreciate the intensity and variety of their creative quest. We have augmented the pages this time and are happy with the response of the write-ups in the various sections. The short stories are not very many and there is scope for future writers in this direction. Poems are plenty.... No dearth of the poets ( many deeply in love too, as befits their trade !!!) Each photograph in the magazine hope , captures a new dimension of the panorama of the Digboi College life as it unfolds every year with its own rhythm. The cover page and the art and the photograph sections inside hope live upto the standard of excellence that is expected of this institution in every field of endeavour. We have introduced the hindi section this year and hope to continue it in future.

The college magazine provides a good opportunity for the students at this college , to give expression to their creative imagination in writing or other art forms such as sketching

and painting. Such creative activities go a long way in shaping a successful personality. I appeal to the student community to contribute articles to the college magazine in large numbers. Whether they are published or not, ( It was really surprising to see the overwhelming response from the students but due to the constraints of space , we had to sift and select among the vast body of student writing talent we got) the sheer effort taken in writing, drawing , painting etc will certainly yield several conspicuous and inconspicuous benefits. We need to be more and more different and the sky is the limit in search for the exact manifestation of the artistic in the students.

Thanks are due to the Principal , Dr. Dip Saikia , for his continuing interest in the magazine and his valuable association at every stage of the work. I appreciate the work of the editorial board who have carried out the meticulous work of reading and correcting proof, selecting articles and other routine jobs relating to publishing the magazine. I would like to thank Mrs Baby Ritu Phukan and Dr. Mrinal Kumar Gogoi for their help and support. I would also like to place on record the excellent service rendered by Mr. Deborshee Gogoi especially his cover page design and sketches for the various articles. A sincere word of praise and appreciation goes to Deepsikha Baruah , the editor of this issue of the college magazine. She has strived hard to encourage students contribute to the magazine and all the behind—the—scene chores. I am also thankful to the entire staff at the press ,The Assam Computers, who tried their best to expedite the printing of this magazine and to the various other officials of the college who helped in bringing this out.

As you will see , the entire reading here is imagined in terms of a voyage..... so let the journey begin. Do give us the feedback so we can improve and take the magazine to the hearts of the student folk where it truly belongs.

Enjoy Reading!!!

**Dr. Chandana Chetia**
Chief Adviser
Digboi College Magazine
(37th Issue, Session 2015-16)

## সম্পাদকীয়



# সমাজ, সমস্যা আৰু বৰ্তমান

সমাজ মানৱ জীৱনৰ মূল। সমাজ অবিহনে কোনো মানুহ জীয়াই থাকিব নোৱাৰে। সমাজে মানুহক সভ্যতাৰ সৈতে চিনাকি কৰাই দিয়ে। সমাজ এনে এক প্ৰক্ৰিয়া য'ত বিভিন্নতাৰ মিলনেই সক্ৰিয় ৰূপ ধাৰণ কৰে। নতুনত্বৰ ধ্যান-ধাৰণাৰে মুকলি মঞ্চখনেই হ'ল - সমাজ। সমাজত আৰম্ভ হয় এক নতুন নিয়মৰ আৰু ভংগ হয় পুৰণি নীতি-নিয়মৰ। সভ্যতাৰ মূল গৃহ হ'ল- সমাজ আৰু তাৰ এক অভিনৱ ৰূপ হ'ল সংস্কৃতি। মানৱ আৰু সমাজ ইটো সিটোৰ পৰিপূৰক। এটাৰ অবিহনে আনটো কল্পনাতীত; যিদৰে সুবাস অবিহনে ফুল অৰ্থহীন; চিয়াঁহী অবিহনে কলম মূল্যহীন। এই লোকালয়ত বিভিন্ন সময়ত বিভিন্ন ধৰণে সংস্কাৰ কৰা হৈছে; যাক সমাজ সংস্কাৰ বুলি ক'ব পাৰি। এই সংস্কাৰ কেৱল মুষ্টিমেয় লোকৰ প্ৰচেষ্টাত সম্ভৱ নহয়। ই সম্ভৱ হ'ব, সাধাৰণ শ্ৰেণীৰ সকলো লোকৰ মনৰ ধাৰণা আৰু মানসিকতা সলনি কৰাৰ সহায়ত। এইটো তেতিয়াহে সম্ভৱপৰ যেতিয়া উৎকৃষ্ট মানদণ্ডৰ শিক্ষাৰে প্ৰতিজন ব্যক্তি শিক্ষিত হ'ব। তেওঁলোকৰ মনৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস, বিদ্বেষ ভাৱ নাইকিয়া হ'ব।

মানৱ জীৱনত সমস্যাৰ অন্ত নাই। সেয়ে হয়তো কোৱা হয় যে, সমস্যাৰ সন্মুখীন হ'লেহে সত্যক জানিব পাৰিবা আৰু উন্নতিৰ স্তম্ভৰ দিশে গতি কৰিবা। কোনো ব্যক্তি বিশেষে ক'ব নোৱাৰে যে তেওঁৰ জীৱনত কোনোধৰণৰ সমস্যা নাই। সেইটো আমাৰ ওপৰত নিৰ্ভৰশীল আমি কিদৰে সমস্যা সমাধানৰ পথ বাছি উলিওৱাও। সমাধানেই সমস্যাৰ প্ৰত্যুত্তৰ, ইয়াৰ পৰিপন্থী নাই। সমস্যাৰ সন্মুখীন হ'বলৈও সাহসৰ প্ৰয়োজন। ভয়ত আতুৰ হয় কোনোৰে সমস্যাৰ সমাধান কৰিব নোৱাৰে। সমস্যা বিভিন্ন ধৰণৰ হ'ব পাৰে, যেনে- ব্যক্তিগত, সামাজিক, আঞ্চলিক, ৰাজ্যিক, ৰাজনৈতিক অৰ্থনৈতিক আদি। ব্যক্তিগত সমস্যা বহু পৰিমাণে সমাধান কৰিব পাৰি যদিও বাকীকেইটা সমস্যা সমাধান কৰা সহজ নহয়।

সামাজিক সমস্যা সমাজৰ লগত জড়িত হোৱা হেতুকে সমাজ অবিহনে ইয়াৰ সমাধান অসম্ভৱ। ঠিক সেইদৰে অঞ্চলভেদে হোৱা সমস্যাও ভিন্ন আৰু প্ৰতিখন ৰাজ্যৰ সমস্যাৰ মাজত পাৰ্থক্য সাদৃশ্য। অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যায়ে এখন দেশৰ ছবিকে সলনি কৰি দিব পাৰে। মানুহৰ জীৱনৰ বাস্তৱিকতাক অন্য দিশে ঘূৰাই দিব পাৰে। সলনি কৰি দিয়ে সকলোবোৰ। কিছুমান সমস্যায়ে সক্ৰিয় কৰি তোলে কিছুমান ব্যৱস্থা আৰু কিছুমান ব্যৱস্থা লুপ্ত হৈ যায়। এতিয়া সেইটো নিৰ্ভৰ কৰিব সমাধান প্ৰক্ৰিয়াৰ ওপৰত। বিভিন্ন সমস্যাৰে মানৱ জীৱন জৰ্জৰিত হ'লেও তেওঁলোকে কিন্তু উধাবলৈ এৰা নাই। যিমানেই সময় কঠোৰতাৰ

পৰা কঠোৰতম হৈছেগৈ সিমানেই মানৱে ন-ন কৌশলেৰে সময়ৰ জাল ভেদি আগবাঢ়ি গৈছে। স্থবিৰ হোৱা নাই তেওঁলোক আৰু হ'ব দিয়া নাই তেওঁলোকৰ ভৰিৰ খোজকও আগুৱাই যোৱা মন্ত্ৰৰে মন্ত্ৰপুত সকলো.....।

বৰ্তমান হ'ল নতুন দিন। য'ত আধুনিকতাৰ পৰশ; মানসিকতাৰ পৰিৱৰ্তিত তথা পৰিবৰ্ধিত ৰূপ। জ্ঞানৰ জ্যোতিৰে জ্যোৰ্তিময় কৰিব খোজা বৰ্তমানৰ স্বৰগমত মুগ্ধ সকলো। কিন্তু, এই বৰ্তমান সভ্যতা-সংস্কৃতি, সমাজৰ পৰা বহু দূৰত। ইয়াত নিজস্বতাই সৰ্বস্ব আৰু নিজৰ উন্নতিয়েই সৰ্বপ্ৰথম। আহৰি কাৰো নাই আনৰ বাবে অথবা সু-কামৰ বাবে। ব্যক্তিগত সমস্যাই মূল আৰু প্ৰধান আৰু চিন্তাত বিভোৰ হৈ সমাধানৰ পথ প্ৰশস্ত।

এতিয়াৰ সমাজৰ সমস্যা আগতকৈ ভিন্ন। যুৱ উচ্ছৃংখলতা, নৈতিক স্খলন, অসহিঞ্চুতা, বিমুদ্ৰাকৰণ আদি প্ৰধান। এই সমস্যাসমূহৰ সমাধানৰ পথ বিচাৰি পোৱা মানেই সোণৰ কণী হাতত বিচাৰি পোৱা।

বৰ্তমান সমাজৰ এক অন্যতম ৰূপে অসহিঞ্চুতা। অসহিঞ্চুতাৰ অৰ্থ হ'ল-অসহনশীলতা। বৰ্তমান সমাজত থকা মানুহৰ মাজৰ পৰা যেন নিঃশেষ হৈ আহিছে সহন শক্তি। সহিঞ্চুতা নামৰ শব্দটো এক অবাঞ্চিত শব্দৰূপে গণ্য হৈছে। তিলকে তাল কৰাটো সকলোৰে স্বভাৱত পৰিণত হৈছে। তাৰ সমানেই বৃদ্ধি পাইছে যুৱ-উচ্ছৃংখলতাৰ আৰু দেখা গৈছে নৈতিক স্খলন। নৈতিক স্খলনে এনে এক পৰ্যায় পাইছেগৈ যে ই অসহিঞ্চুতাৰ ৰূপত উদ্ভাসিত হৈছে। কাৰোৰে কাৰো কথা ধৈৰ্য্য সহকাৰে শুনাৰ সময় নাই। ধেমালি কৰাটোও যেন এক পাপ। কিবা ভুল ক'লেই হ'ল আৰু মাৰ-পিট, ঘুচিয়া-ঘুচি আৰু কেতিয়াবা হত্যা পৰ্যন্ত। যি অসহিঞ্চুতাৰ ভয়াৱহ ৰূপ। ইয়াৰ পৰা হাত সাৰিবলৈ হ'লে মূল্যবোধ শিক্ষাৰ খুবেই প্ৰয়োজন হৈছে।

ক'লা টকাৰ বিৰুদ্ধেই প্ৰস্তুত কৰা পৰিকল্পনাই হৈছে বিমুদ্ৰাকৰণ। ভ্ৰষ্টাচাৰ, দুৰ্নীতিয়ে আমাৰ সমাজখনক হেঁচা মাৰি ধৰাৰ সময়ত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে। বিমুদ্ৰাকৰণৰ এই পৰিকল্পনা বহুলাংশে সফলও হৈছে। সলনি হৈছে অৰ্থনৈতিক ব্যৱস্থা। কিন্তু ইয়াৰ এক কু-ফল হৈছে বহু অসক্ষম লোকে নিজৰ খাদ্যকণকে যোগাৰ কৰিব পৰা নাই। ঠায়ে ঠায়ে দুৰ্ভিক্ষই গা কৰি উঠিছে। সময়ৰ লগত এই বিমুদ্ৰাকৰণ নীতিৰ সাল-সলনি কৰি ব্যৱস্থা সহজ কৰি তোলা হ'ব। সেই হেতুকে দেশৰ সকলো নাগৰিকৰে সহায় সহযোগৰ প্ৰয়োজন। সাহসেৰে যদি এই সমস্যাৰ সন্মুখীন হ'ব পাৰি তেন্তে বিপদ সোনকালে আঁতৰিব।

সমাজ, সমস্যা আৰু বৰ্তমানক ধৰিয়েই আমি আগুৱাই যাব লাগিব।

**বেটুপাতৰ ভাষাৰে ঃ**

নাৰী সভ্যতা-সংস্কৃতিৰ মূল। নাৰীয়েই সৃষ্টি ধাৰা আৰু আশাৰ এক বতৰা। নিজ কৰ্মৰে সুগন্ধি বিয়পাই জগতক আপ্লুত কৰাৰ প্ৰয়াস কৰে নাৰীয়ে তেওঁৰ ৰূপ ভিন্ন- মাতৃ, ভগ্নী, স্ত্ৰী, জী আৰু ক'ত ৰূপেৰে ধৰা দিয়ে সকলোকে। সম্বন্ধৰ ডোলেৰে সকলোকে বান্ধি ৰখাৰ প্ৰচেষ্টাৰে নতুনৰ সন্ধান কৰে। এজোপা বৃক্ষই যিদৰে ফলে-ফুলে জাতিস্কাৰ হৈও জকমকাই থাকে; সেইদৰে নাৰীয়েও এখন সমাজ তমস্কাৰ কৰি ৰাখে। বৃক্ষই জীৱক জীৱন দিয়ে, খাদ্য দিয়ে, ছাঁ দিয়ে; সেইদৰে নাৰীয়েও সমাজ জীৱনক পুষ্পিত কৰি ৰাখে। আমাৰ সমাজত নাৰীক তুচ্ছ জ্ঞান কৰি সদায় অসন্মান কৰে। 'লাউ সদায় পাতৰ তল' – এই ধাৰণাকে সঙ্গ কৰি চলি থকা মানুহে নাৰীৰ মূল্য নুবুজে। হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে নাৰীৰো বৈৰীৰ অন্ত নাই। তথাপিও ফুলে সুবাস বিয়পাই থকাৰ দৰে নাৰী সমাজেও নিজৰ কৰ্ম চিন্তাৰে সমাজক গঢ়ি তোলাৰ প্ৰয়াস কৰে।

**আলোচনী প্ৰসংগত ঃ**

সম্পাদিকা ৰূপে এই গুৰু দায়িত্বভাৰ গ্ৰহণ কৰোতে কিছুমান পৰিকল্পনা কৰিছিলো। আলোচনীখন সুন্দৰভাৱে অলংকৃত কৰাৰ যি স্বপ্ন আছিল সেয়া বাস্তৱত কিমান সাফল্যমণ্ডিত সেয়া পঢ়ুৱৈ সমাজৰ বিচাৰ্যৰ বিষয়।

কৃতাঞ্জলি ঃ

আলোচনীখনৰ কাৰ্যত সহায়-সহযোগ আগবঢ়াই সততে উৎসাহ-উদ্দীপনা যোগোৱাৰ বাবে মহাবিদ্যালয় অধ্যক্ষ ড° দীপ শইকীয়া, উপাধ্যক্ষ কেদাৰনাথ টিমচিনা, তত্বাৱধায়িকা ড° চন্দনা চেতিয়া আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা আৰু শলাগ জনালো। লেখনি সমূহ বাচনি কৰি দিয়াৰ বাবে অসমীয়া, ইংৰাজী আৰু হিন্দী বিভাগৰ ড° ভাৰতী ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ড° নগেন শইকীয়া ছাৰৰ সাক্ষাৎকাৰ গ্ৰহণৰ বাবে সুযোগ আনি দিয়া দুলাল মহন্ত আৰু প্ৰশ্নসমূহ যুগুত কৰি দিয়া মৃণাল কুমাৰ গগৈ ছাৰক মোৰ অশেষ ধন্যবাদ থাকিল। যিসকল লেখক-লেখিকাই আলোচনীখনিৰ বাবে সাহিত্য সম্ভাৰ দি উপকৃত কৰিলে তেওঁলোকলৈ মোৰ মৰম আৰু শুভেচ্ছা থাকিল। মুদ্ৰণ আৰু প্ৰিণ্টিংৰ কাম কৰি আলোচনীখনি সৰ্বাংগ সুন্দৰ কৰি তোলাৰ বাবে দি অসম কম্পিউটাৰচ্ৰ স্বত্বাধিকাৰী ৰাজৰ্ষি গগৈ আৰু সমূহ কৰ্মকৰ্তালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আপোনালোকৰ হাতত যদিও শ্ৰেষ্ঠ মানদণ্ডৰ আলোচনী তুলি দিব পৰা নাই তথাপি আদৰি ল'ব বুলি আশা কৰিলোঁ।

অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ক্ৰটিৰ ক্ষমা প্ৰাৰ্থনাৰে-

**দিপশিখা বৰুৱা**
আলোচনী সম্পাদিকা
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# সম্পাদনা সমিতি ২০১৫-১৬



ড° দীপ শইকীয়া
সভাপতি



কেদাৰ নাথ টিমচিনা
উপ-সভাপতি



ড° চন্দনা চেতিয়া
মুখ্য উপদেষ্টা



সীমান্ত বৰদলৈ
উপদেষ্টা



প্ৰদীপ খাউণ্ড
উপদেষ্টা



পবিত্ৰ ভৰালী
উপদেষ্টা



সঞ্জয় দাস
উপদেষ্টা



ড° প্ৰদীপ কুমাৰ ভাৰতী
উপদেষ্টা



দেৱৰ্ষি গগৈ
উপদেষ্টা



দিপশিখা বৰুৱা
সম্পাদিকা



শ্বেতা দে'
সদস্যা



বিশ্বজিৎ গগৈ
সদস্যা



বিজয় বিকাশ কোঁৱৰ
সদস্যা



পল্লৱজ্যোতি মৰাণ
সদস্যা

# ডিগবৈ মহাবিদ্যালয়
# ছাত্র একতা সভা
# ২০১৫-১৬ বৰ্ষ


কিশলয় ভট্টাচাৰ্য
সভাপতি


শব্দপ্ৰকাশ জয়ছোৱাল
উপ-সভাপতি


পল্লৱজ্যোতি মৰাণ
সাধাৰণ সম্পাদক


অনুজ প্ৰতীম বৰা
সহঃ সাধাৰণ সম্পাদক


দিপশিখা বৰুৱা
আলোচনী সম্পাদিকা


ৰোহিত বৰঠাকুৰ
মুখ্য ক্ৰীড়া সম্পাদক


বিপুল ডেকা
লঘু ক্ৰীড়া সম্পাদক


বিজয় বিকাশ কোঁৱৰ
সাধাৰণ ক্ৰীড়া সম্পাদক


অৰ্পিতা কুৰ্মী
সাংস্কৃতিক সম্পাদিকা


শুভজিৎ সৰকাৰ
তৰ্ক আৰু আলোচনা সম্পাদক


প্ৰেম শৰ্মা
শৰীৰ চৰ্চা সম্পাদক


যুৱৰাজ উপাধ্যায়
ছাত্ৰ জিৰণী কোঠা সম্পাদক


শ্বেতা দে
ছাত্ৰী জিৰণী কোঠা সম্পাদিকা


অঞ্জনা ছেত্ৰী
সমাজ সেৱা সম্পাদিকা

## মহাবিদ্যালয়ৰ কৃতি

# ছাত্ৰ-ছাত্ৰীসকল

## কলা শাখা


অজয় আচাৰ্য
১ম শ্ৰেণী
৫০ তম্ স্থান (অসমীয়া বিভাগ)


নয়নমণি গগৈ
১ম শ্ৰেণী
৫১ তম্ স্থান (অসীময়া বিভাগ)


পূজা বৰুৱা
১ম শ্ৰেণী
৯১ তম্ স্থান (অসীময়া বিভাগ)


গিতুমণি চেতিয়া
১ম শ্ৰেণী
১১৬ তম্ স্থান (অসীময়া বিভাগ)


নিকুমণি সোনাৰ
১ম শ্ৰেণী
১২৯ তম্ স্থান (অসীময়া বিভাগ)


মণিকা সোনাৰ
১ম শ্ৰেণী
১৭৭ তম্ স্থান (অসীময়া বিভাগ)


মনুম মিলি
১ম শ্ৰেণী
৫৮ তম্ স্থান (ইংৰাজী বিভাগ)


অনিন্দিতা হাজৰিকা
১ম শ্ৰেণী
৫৯ তম্ স্থান (ইংৰাজী বিভাগ)


স্নিগ্ধা জ্যোৎস্না শইকীয়া
১ম শ্ৰেণী
২৪ তম্ স্থান (অৰ্থনীতি বিভাগ)


শান্তিপ্ৰিয় চাক্মা
১ম শ্ৰেণী
২৪ তম্ স্থান (ৰাজনীতি বিভাগ)


স্মৃতিৰেখা দত্ত
১ম শ্ৰেণী
২৯ তম্ স্থান (ৰাজনীতি বিভাগ)


মৌচুমী শইকীয়া
১ম শ্ৰেণী
৪৬ তম্ স্থান (ৰাজনীতি বিভাগ)

**স্বৰ্ণলতা গগৈ সোঁৱৰণী বঁটাৰে বিভূষিত**


বিক্ৰম গুৰুং
১ম শ্ৰেণী
৫৬ তম্ স্থান (ৰাজনীতি বিভাগ)


শোভাৰাণী ছেত্ৰী
১ম শ্ৰেণী
৫৯ তম্ স্থান (ৰাজনীতি বিভাগ)


খেমৰাজ বাচকটা
১ম শ্ৰেণী
৬৭ তম্ স্থান (ৰাজনীতি বিভাগ)


প্ৰিয়ংকা ভাৰতী
১ম শ্ৰেণী
৬৯ তম্ স্থান (ৰাজনীতি বিভাগ)


ৰঞ্জিতা কলিতা
১ম শ্ৰেণী
৭৮ তম্ স্থান (ৰাজনীতি বিভাগ)


মিৰান্দা ৰাজকুমাৰী
১ম শ্ৰেণী
৯১ তম্ স্থান (ৰাজনীতি বিভাগ)


মৌ নাহা
১ম শ্ৰেণী
৯৭ তম্ স্থান (ৰাজনীতি বিভাগ)


টুম্পা দাস
১ম শ্ৰেণী
১০৮ তম্ স্থান (ৰাজনীতি বিভাগ)


অৰ্ণৱ কুমাৰ চাক্মা
১ম শ্ৰেণী
১২০ তম্ স্থান (ৰাজনীতি বিভাগ)


হোমেন গগৈ
১ম শ্ৰেণী
১৪৩ তম্ স্থান (ৰাজনীতি বিভাগ)


ৰবি চাক্মা
১ম শ্ৰেণী
১৬০ তম্ স্থান (ৰাজনীতি বিভাগ)


ৰঞ্জন তেলী
১ম শ্ৰেণী
১৭৩ তম্ স্থান (ৰাজনীতি বিভাগ)


দুৰ্গা বাহাদুৰ ছেত্ৰী
১ম শ্ৰেণী
১৮৮ তম্ স্থান (ৰাজনীতি বিভাগ)


লক্ষ্যজ্যোতি শইকীয়া
১ম শ্ৰেণী
২২৪ তম্ স্থান (ৰাজনীতি বিভাগ)


পুষ্পা ছেত্ৰী
১ম শ্ৰেণী
৩৯ তম্ স্থান (দৰ্শন বিভাগ)


পূৰবী দাস
১ম শ্ৰেণী
৪৩ তম্ স্থান (দৰ্শন বিভাগ)


অৰুণ গোহাঁই
১ম শ্ৰেণী
৬৭ তম্ স্থান (দৰ্শন বিভাগ)


নন্দিতা নাথ
১ম শ্ৰেণী
৯৬ তম্ স্থান (দৰ্শন বিভাগ)


বিনীতা দাস
১ম শ্ৰেণী
৯৮ তম্ স্থান (দৰ্শন বিভাগ)


ময়ূৰাক্ষী ভড়া
১ম শ্ৰেণী
১১৪ তম্ স্থান (দৰ্শন বিভাগ)


সিদ্ধাৰ্থ শইকীয়া
১ম শ্ৰেণী
১২৪ তম্ স্থান (দৰ্শন বিভাগ)


পূজা ছেত্ৰী
১ম শ্ৰেণী
১৩৯ তম্ স্থান (দৰ্শন বিভাগ)

মহাবিদ্যালয়ৰ কৃতি
# ছাত্ৰ-ছাত্ৰীসকল

## কলা শাখা


মনিন্দ্ৰ শ্বাহ
১ম শ্ৰেণী (কলা বিভাগ)


সঙ্গম উপাধ্যায়
১ম শ্ৰেণী (কলা বিভাগ)


চাৰুক নাগ
১ম শ্ৰেণী (কলা বিভাগ)


মেৰি পুষ্পাঞ্জলি ওৰিয়া
১ম শ্ৰেণী (কলা বিভাগ)


বীণা মজুমদাৰ
১ম শ্ৰেণী (কলা বিভাগ)


সীতা আলে
১ম শ্ৰেণী (কলা বিভাগ)


সুষমা ছেত্ৰী
১ম শ্ৰেণী (কলা বিভাগ)


তনুজা ৰায়
১ম শ্ৰেণী (কলা বিভাগ)

## বাণিজ্য শাখা


সোমা দে
১ম শ্ৰেণী
৯৭ তম্ স্থান (একাউণ্টিং এণ্ড ফাইনেন্স)


বিকি দাস
১ম শ্ৰেণী
৯৭ তম্ স্থান (একাউণ্টিং এণ্ড ফাইনেন্স)


জে. পদ্মাৱতী
১ম শ্ৰেণী
১৪১ তম্ স্থান (একাউণ্টিং এণ্ড ফাইনেন্স)


চন্দ্ৰা দাস
১ম শ্ৰেণী
১৪৭ তম্ স্থান (একাউণ্টিং এণ্ড ফাইনেন্স)


অভিষেক নাথ
১ম শ্ৰেণী
২০০ তম্ স্থান (একাউণ্টিং এণ্ড ফাইনেন্স)


মানস প্ৰতীম বড়া
১ম শ্ৰেণী
১০ তম্ স্থান (মাৰ্কেটিং)
শ্ৰেষ্ঠ বাণিজ্য স্নাতক বঁটাৰে বিভূষিত
ড০ এ.পি.জে আব্দুল কালাম সোঁৱৰণী শৈক্ষিক বঁটাৰে বিভূষিত


শোভা ৰিমাল
১ম শ্ৰেণী
৪৪ তম্ স্থান (মাৰ্কেটিং)


দীনেশ ছেত্ৰী
১ম শ্ৰেণী
৪৫ তম্ স্থান (মাৰ্কেটিং)


কিশলয় ভট্টাচাৰ্য্য
১ম শ্ৰেণী
৫৫ তম্ স্থান (মাৰ্কেটিং)


চন্দ্ৰন এচ বড়া
১ম শ্ৰেণী
৭১ তম্ স্থান (মাৰ্কেটিং)


বিপুল নাথ
১ম শ্ৰেণী
(বাণিজ্য বিভাগ)

## বিজ্ঞান শাখা


দেৱাশিষ বড়া
১ম শ্ৰেণী
চতুৰ্থ স্থান (উদ্ভিদ বিজ্ঞান)
পাপৰি কলিতা সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা


ৰহিচুদ্দিন খান
১ম শ্ৰেণী
ষষ্ঠ স্থান (উদ্ভিদ বিজ্ঞান)


আগু পাটিন
১ম শ্ৰেণী
সপ্তম স্থান (উদ্ভিদ বিজ্ঞান)

উপেন্দ্ৰ নাথ কোঁৱৰ সোঁৱৰণী বঁটাৰে বিভূষিত


দিব্যানী নাথ
১ম শ্ৰেণী
৩৮ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


কল্পনা প্ৰধান
১ম শ্ৰেণী
৪০ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


জুলি মানচে
১ম শ্ৰেণী
৪৪ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


ৰ্বণালী হাজৰিকা
১ম শ্ৰেণী
৪৬ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


জখং চিংফৌ
১ম শ্ৰেণী
৬১ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


ৰমেশ ভট্টৰায়
১ম শ্ৰেণী
৬৯ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


হিতেশ্বৰ দেউৰী
১ম শ্ৰেণী
৯১ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


হিমা গগৈ
১ম শ্ৰেণী
৯২ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


মনোজ কুমাৰ
১ম শ্ৰেণী
৯৪ তম্ স্থান (উদ্ভিদ বিজ্ঞান)

## বিজ্ঞান শাখা

# মহাবিদ্যালয়ৰ কৃতি
# ছাত্ৰ-ছাত্ৰীসকল


চুমী চেতিয়া
১ম শ্ৰেণী
১০৪ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


পূজা দেৱী শৰ্মা
১ম শ্ৰেণী
১১০ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


কিৰণ সোণাৰ
১ম শ্ৰেণী
১১৭ তম্ স্থান (উদ্ভিদ বিজ্ঞান)


স্বপ্নালী বড়া
১ম শ্ৰেণী
৩০ তম্ স্থান (ৰসায়ন বিজ্ঞান)


ত্ৰিবেণী ছেত্ৰী
১ম শ্ৰেণী
৩১ তম্ স্থান (ৰসায়ন বিজ্ঞান)


পূৰ্ণিমা গগৈ
১ম শ্ৰেণী
৩৭ তম্ স্থান (ৰসায়ন বিজ্ঞান)


প্ৰশান্ত সিং
১ম শ্ৰেণী
১০০ তম্ স্থান (ৰসায়ন বিজ্ঞান)


তাপস বাচক
১ম শ্ৰেণী
১৭ তম্ স্থান (গণিত বিভাগ)


কৈলাশ গিৰি
১ম শ্ৰেণী
৫২ তম্ স্থান (গণিত বিভাগ)


বিকশিত বৰুৱা
১ম শ্ৰেণী
১১ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


সুভম কুমাৰ গুপ্তা
১ম শ্ৰেণী
১৬ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


জাহিদ জুলকাৰনাইন
১ম শ্ৰেণী
২২ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


চিণ্টু কোঁৱৰ
১ম শ্ৰেণী
২৩ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


জয় ৰয়
১ম শ্ৰেণী
১০৩ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


কমলদ্বীপ নন্দী
১ম শ্ৰেণী
১০৭ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


বিকাশ তিৱাৰী
১ম শ্ৰেণী
১২৭ তম্ স্থান (পদাৰ্থ বিজ্ঞান)


গায়ত্ৰী হাজৰিকা
১ম শ্ৰেণী
২৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


ৰশ্মি দাস
১ম শ্ৰেণী
৪০ তম্ স্থান (প্ৰাণী বিজ্ঞান)


ৰেণু গগৈ
১ম শ্ৰেণী
৪৮ তম্ স্থান (প্ৰাণী বিজ্ঞান)


অভিজিৎ ছেত্ৰী
১ম শ্ৰেণী
৫৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


সুমিত্ৰা বৰগোহাঁই
১ম শ্ৰেণী
৫৬ তম্ স্থান (প্ৰাণী বিজ্ঞান)


জিপ্সী শইকীয়া
১ম শ্ৰেণী
৬১ তম্ স্থান (প্ৰাণী বিজ্ঞান)


জুনু গগৈ
১ম শ্ৰেণী
৬৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


ৰৌছন তাৰা
১ম শ্ৰেণী
৭১ তম্ স্থান (প্ৰাণী বিজ্ঞান)


অনিল কুমাৰ প্ৰসাদ
১ম শ্ৰেণী
৮৩ তম্ স্থান (প্ৰাণী বিজ্ঞান)


নাং হেমা মানলং
১ম শ্ৰেণী
৮৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


কৃতিকা দাস
১ম শ্ৰেণী
১০৭ তম্ স্থান (প্ৰাণী বিজ্ঞান)


বিপাশা গগৈ
১ম শ্ৰেণী
১১৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


দিব্যাশ্ৰী চেড়াই
১ম শ্ৰেণী
১১৫ তম্ স্থান (প্ৰাণী বিজ্ঞান)


সুমন বৰ্মন
১ম শ্ৰেণী
১১৭ তম্ স্থান (প্ৰাণী বিজ্ঞান)


প্ৰিয়ংকা দে
১ম শ্ৰেণী
১২০ তম্ স্থান (প্ৰাণী বিজ্ঞান)


ৰজত কৰ্মকাৰ
১ম শ্ৰেণী
১২৭ তম্ স্থান (প্ৰাণী বিজ্ঞান)


মন্দিৰা দাহাল
১ম শ্ৰেণী
১৩৮ তম্ স্থান (প্ৰাণী বিজ্ঞান)


আৰ্য মিত্ৰ জ্যোতি চাক্‌মা
১ম শ্ৰেণী
১৪২ তম্ স্থান (প্ৰাণী বিজ্ঞান)


কবিতা শইকীয়া
১ম শ্ৰেণী
১৫৪ তম্ স্থান (প্ৰাণী বিজ্ঞান)


প্ৰিয়া ছেত্ৰী
১ম শ্ৰেণী
১৫৮ তম্ স্থান (প্ৰাণী বিজ্ঞান)


শিৱ সোনাৰ
১ম শ্ৰেণী
১৬০ তম্ স্থান (প্ৰাণী বিজ্ঞান)


গুণপ্ৰকাশ মহন
১ম শ্ৰেণী
(বিজ্ঞান বিভাগ)

## মহাবিদ্যালয়ৰ কৃতী
# ছাত্ৰ–ছাত্ৰীসকল

### উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ–ছাত্ৰী



অমিত বিশ্বকৰ্মা
(বাণিজ্য শাখা)



আকিফ চুলেমান
(বিজ্ঞান শাখা)



প্ৰতিমা ছেত্ৰী
(কলা শাখা)

# মহাবিদ্যালয় গৌৰৱ
### আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ (সুৰজমল কানৈ মহাবিদ্যালয়)



বনিফেচ হেমৰণ
গীতাৰ বাদন প্ৰতিযোগিতাত সোণৰ পদকেৰে বিভূষিত



শ্যামল হাজৰিকা
গগণা বাদন প্ৰতিযোগিতাত ৰূপৰ পদকেৰে বিভূষিত



জ্যোতিস্মান মৰাণ
সত্ৰীয়া নৃত্য আৰু আধুনিক নৃত্য প্ৰতিযোগিতাত ক্ৰমে সোণ আৰু ৰূপৰ পদকেৰে বিভূষিত



পল্লৱ ৰয়
খোলবাদন প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদকেৰে বিভূষিত

## International Conference



**Dr. Dip Saikia**
He attended and presented his Keynote Lecture entitled "A review on hygroscopic properties of plant fibers" as Invited Speaker in the "11th Asian Thermophysical Properties Conference (ATPC2016)" held at Yokohama, Japan on 2-6 October 2016. He also chaired a technical session in that conference. Further, Dr. Saikia has been nominated as an Executive Member of the "International Organizing Committee of 12th Asian Thermophysical Properties Conference (ATPC2019)" to be held at China in the year 2019. He has been also nominated as as an Executive Member of the "International Scientific Committee of Asian Thermophysical Properties Conference" for 2016-2019.



**Dr. J. Lahkar**
Associate Prof. Deptt. of Mathematics
Presented a paper at the 7th International Conference on "Chemical Reaction, Heat & Mass Transfer on Unsteady MHD flow along a vertical stretching sheet with Heat Generation/Absorption and Variable Viscosity." He also chaired a session as Chairperson for the "Mini - Symposium MS - 033 Fluid-Structure Interaction and Multiphysics problems in Aerospace Engineering & Complex Flows" organised by University of California, Berkley, US from 1st to 4th August, 2016

## Ph.D Degree, 2016



**Dr. Sangeeta Saikia**
Assistanat Professor, Department of Geography was conferred the Degree of Philosophy by the Dibrugarh University on 24th Oct, 2016 for her thesis entitled "Pattern of Urbinasation in Dibrugarh and Tinsukia Districts Region, Assam

# মহাবিদ্যালয়ৰ গৌৰৱ

## মহাবিদ্যালয় ক্রীড়া সপ্তাহ
## ২০১৫–১৬ বৰ্ষ



নিবেন শইকীয়া
মিঃ ডিগবৈ মহাবিদ্যালয়



পল্লৱ ৰয়
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ চিত্ৰশিল্পী



জ্যোতিষ্মান মৰাণ
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নৃত্যশিল্পী আৰু শ্ৰেষ্ঠ গায়ক



Krishna Mech
1st Prize in Extempore Speech Competition in The Northeast NSS Youth Festival 2016-17 held at Guwahati University.



মমিতা ডেকা
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা খেলুৱৈ



অভিলাষ দত্ত
চেম্পিয়ন অৱ দা চেম্পিয়ন
পাঞ্জা প্ৰতিযোগিতা (ল'ৰা শাখা)



খগেন ডেকা
মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ খেলুৱৈ



Gourav Das



Subhajit Sarkar

1st Prize in Inter College Quiz Competition held at Ledo and Margherita College
1st Prize in Quiz Competition Organized by Voters Awareness Unit, on the eve of National Voters Day, 25th January, 2016



Pranayjit Dey
Won the 'Man of the Series Award' at the Inter College Cricket Tournament organised under Dibrugarh University in 2016



Students of H.S. 1st Year (Science) who participated at the "Ishan Vikash - A National Intiative programme for childfren of North Eastern States (MHRD, Government of India, New Delhi), IIT, Roorkee from June 22 - July 03, 2016

বিদায় সভাৰ মুহূৰ্ত






নৱাগত আদৰণী সভা







বিভিন্ন অনুষ্ঠানৰ ফটোৰ ৰেখাচিত্ৰ











# সূচীপত্ৰ

## অতিথি শিতান ঃ


| | | |
|---|---|---|
| ছবি আৰু কবিতা | – ৰবেন্দ্ৰনাথ বৰঠাকুৰ | ১ |
| বজাৰ সৰ্বস্বতা আৰু আমাৰ... | – উদয়াদিত্য ভৰালী | ২ |
| Suryya Kumar Bhuyan, Buranji... | – Arupjyoti Saikia | ৬ |
| Myth in Twenty-First Century..... | – Mridul Bordoloi | ১২ |
| Mission of Life..... | – Nita Paul | ১৯ |
| Star Gazing & Astrophotography | – R.L. Sharma | ২১ |


## ছাত্ৰ-ছাত্ৰী শিতান ঃ

### প্ৰবন্ধমালা

### সাহিত্য ঃ


| | | |
|---|---|---|
| জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত... | – শব্দ প্ৰকাশ জয়ছোৱাল | ৩৩ |
| সাংবাদিকতা, বাতৰিকাকত... | – নয়নমণি গগৈ | ৩৮ |
| ৰজনীকান্ত বৰদলৈৰ উপন্যাসত... | – ভাগ্যশ্ৰী বৰুৱা | ৪০ |
| আমাৰ অসমৰ সংস্কৃতি | – সুনীতা ছেত্ৰী | ৪৬ |
| বৰগীত আৰু জিকিৰ | – হাছান আখটাৰ ফৰিদ | ৪৮ |
| অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ... | – মনিষা ডেকা | ৫২ |


### বিজ্ঞান-প্ৰযুক্তি ঃ


| | | |
|---|---|---|
| জৈৱ তথ্য প্ৰযুক্তি | – চুইটী বৰা | ৫৪ |
| প্ৰথম পৰমাণু বিজ্ঞানী মহিলা... | – মৌমনজ্যোতি বড়া | ৫৭ |
| কেইবিধমান পুষ্টিকাৰক ফলৰ... | – চুমি চেতিয়া | ৫৮ |
| Cyber Relationship & Networking | – Pankaj Das | ৫৯ |
| Science & Religion | – Rituparna Chetia | ৬১ |
| The Amazing Wildlife | – Zimpi Saikia | ৬৩ |


### অৰ্থনীতি ঃ


| | | |
|---|---|---|
| A brief History of Money | – Aslam Ali | ৬৫ |
| Look Beyond Employment | – Anil Phukan | ৬৮ |
| Black Money : A hidden... | – Punam Chanda | ৭০ |
| Women Empowerment | – Rahul Saha | ৭১ |


### সমাজ ঃ


| | | |
|---|---|---|
| অসমৰ চাহ্ জনজাতি-অতীত... | – হেমৰাজ লখ্ৰা | ৭২ |
| মাদক দ্ৰব্য আৰু ইয়াৰ কু-প্ৰভাৱ | – ধনজিৎ মৰাণ | ৭৫ |
| মানুহৰ জীৱন এখনি বগা কাপোৰৰ দৰে... | – পাপু থাপা | ৭৭ |
| Domestic Violence & Abuse... | – Sumi Seal | ৭৮ |
| Assamese Tradition ..... | – Nabin Kumar Das | ৮০ |
| History of Gurkha... | – Surendra Bd. Karki | ৮২ |
| The fault in our Gender | – Nitali Deka | ৮৩ |
| Chakma Tribes | – Ritu Chakma | ৮৫ |
| लड़का-लड़की एक समान | – अनुप देव | ৮৭ |


### শিক্ষা ঃ


| | | |
|---|---|---|
| শিক্ষাৰ বাণিজ্যিকীকৰণ... | – অমৰজ্যোতি গগৈ | ৮৮ |
| Travelling as Education | – Payal Sarkar | ৮৯ |
| Relevance of Sanskrit... | – Sneha Paul | ৯০ |
| Illiteracy - A curse | – Satabdi Chakraborty | ৯১ |
| Magazine | – Tultul Borah | ৯২ |


### ধৰ্ম আৰু সংস্কৃতি ঃ


| | | |
|---|---|---|
| Indian Classical Music - The Science... | – Pranami Tamuli | ৯৩ |
| Formation of the First Sangha... | – Anindita Barua | ৯৫ |
| भगवान बुद्ध का जीवन... | – विश्वजीत बनीया | ৯৬ |
| सत्य, अहिंसा और शान्ति | – धीराज कुमार बनिया | ৯৭ |

# সূচীপত্র


**অনুভৱৰ পাত ঃ**

| | | |
|---|---|---|
| ভূমিকম্পৰ কিছু অভিজ্ঞতা | – দ্বীপশিখা শৰ্মা | ৯৮ |
| আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ... | – জ্যোতিস্মান মৰাণ | ১০০ |
| মোৰ অনুভৱৰ স্বৰত... | – ময়ূৰী কলিতা | ১০১ |
| Starlight (The rewinding...) | – Violina Lahon | ১০২ |

**অন্যান্য ঃ**

| | | |
|---|---|---|
| Why we need more Women... | – Nidhi Mishra | ১০৩ |
| Do you day dream ? | – Jyotishman Moran | ১০৪ |
| Sports & Games... | – Rohit Kahar | ১০৫ |

## গল্পগুচ্ছ

| | | |
|---|---|---|
| মৃত্যুৰ ফেণ্টাছী | – শ্যামল হাজৰিকা | ১০৬ |
| ৰজাৰ হ'ল জ্ঞান | – অমৰনাথ চাহু | ১০৭ |
| 'ক.........?' | – গায়ত্ৰী হাজৰিকা | ১০৮ |
| আধৰুৱা প্ৰেম | – সৰিতা ছেত্ৰী | ১০৯ |
| অপেক্ষা মাথোঁ... | – মাধুৰী মৰাণ | ১১১ |
| বিষন্নতাৰ আঁৰে আঁৰে... | – শিখাজ্যোতি মৰাণ | ১১৩ |
| তুমি কাষত নাথাকিলে...? | – পিঙ্কু ফুকন | ১১৫ |
| প্ৰকৃত প্ৰেমৰ বিষাদবোধ... | – মমিতা ডেকা | ১১৬ |
| ভালপোৱা এখন শব্দ চোতাল | – বিশ্বজিৎ গগৈ | ১১৭ |
| ঘাত-প্ৰতিঘাটৰ মাজত... | – সৌৰভ শইকীয়া | ১২১ |
| অসমাপ্ত কিছু প্ৰেমৰ গদ্য... | – উপাসনা তালুকদাৰ | ১২৪ |

## কবিতাকুঞ্জ ১২৬–১৪৬

## সাক্ষাৎকাৰৰ শিতান

| | |
|---|---|
| ড° নগেন শইকীয়াৰ সৈতে এখন্তেক | ১৪৭ |
| জৈমিনী ভাগৱতীৰে বাৰ্তালাপ | ১৪৯ |

**শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান ঃ**

| | | |
|---|---|---|
| আধুনিক জীৱন যাত্ৰাত বন্দী শৈশৱ.... | – প্ৰদীপ দত্ত | ১৫৫ |
| More on Mars | – Dr. Chandan Siam | ১৫৭ |
| If there is Paradise.... | – Dr. Rashmi Patowari | ১৬২ |
| Indian thought on..... | – Dr. Itu Das | ১৬৫ |
| NSS, Digboo College... | – R.R. Tariang | ১৬৮ |

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

| | | |
|---|---|---|
| An Introduction about Sonowal.... | – Rimpi Sonowal | ১৭১ |
| আত্ম অহংকাৰ | – দীপেন কুমাৰ বড়া | ১৭৫ |
| Golden Life | – K. Bhattacharjee | ১৭৮ |
| Resource Allocation.... | – S. Arandhara | ১৭৯ |
| কুঁহিপাত | – হেমেন শইকীয়া | ১৮২ |

## পুৰস্কাৰপ্ৰাপ্ত শিতান

| | | |
|---|---|---|
| মা | – পাৰ্থ প্ৰতীম গগৈ | ১৮৫ |
| চন্দ্ৰমাৰ চকুলো... | – মমিতা শইকীয়া | ১৮৬ |
| সমাজ ব্যৱস্থাত সলনি কৰাত... | – বিদীপ বৰুৱা | ১৮৭ |
| দৰিদ্ৰতা দূৰণীকৰণত.... | – উৎপল শইকীয়া | ১৮৮ |
| দৰিদ্ৰতা দূৰণীকৰণত.... | – চুমি চেতিয়া | ১৮৮ |
| এ.পি.জে. আব্দুল কালাম | – উৎপল শইকীয়া | ১৮৯ |

## স্মৃতিৰ পাতৰ পৰা

| | | |
|---|---|---|
| অশান্ত হৃদয়ৰ.... | – অশ্বিনী শইকীয়া | ১৯২ |
| The Wolfman and the Flesh... | – Palitra Bharali | ২০৩ |
| মাজ নিশাৰ সাক্ষাৎকাৰ | – প্ৰফুল্ল কুমাৰ দাস | ২০৭ |
| হেৰুৱা সুবাস | – দিতিমণি চেতিয়া | ২১০ |

Secretarial Reports
Results of College Week 2015-16

# ছবি আৰু কবিতা

**হৰেন্দ্ৰ নাথ বৰঠাকুৰ**
বিশিষ্ট নাট্যকাৰ, শিশু সাহিত্যিক

শ্ৰীমান কঙ্কন দাস তিনিচুকীয়াৰ এজন উদীয়মান চিত্ৰ-শিল্পনী। পানী আৰু তেল ৰঙৰ তেওঁৰ ছবিৰ কেইবাখনো প্ৰদৰ্শনী ইতিপূৰ্বে তিনিচুকীয়াত হৈ গৈছে আৰু কলাৰসিকসকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। সম্প্ৰতি তেওঁৰ ছবি বিখ্যাত জাহাঙ্গীৰ কলা-বিথিকাৰ প্ৰদৰ্শনীৰ বাবে নিৰ্বাচিত হৈছে।

তেওঁৰ এখন একক প্ৰদৰ্শনীত ঠাই পোৱা দুখন ছবি চাই এই লেখক অতিশয় আপ্লুত হৈছিলোঁ। ছবি দুখনৰ মৰ্মবস্তুৱে প্ৰদৰ্শনীৰ দৰ্শকসকলকো আকৰ্ষণ কৰিছিল আৰু আটায়ে নিজৰ নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিছিল আৰু শিল্পীৰ অঙ্কন-শৈলী আৰু দৃষ্টিভঙ্গীত প্ৰকাশ পোৱা ব্যতিক্ৰমী বৈশিষ্ট্যক উচ্চ প্ৰশংসা কৰিছিল। ছবি দুখনে মোৰ মনত সৃষ্টি কৰা প্ৰতিক্ৰিয়াক শব্দেৰে প্ৰকাশ কৰি পদ্যৰ (কবিতা বোলাৰ দুঃসাহস কৰা নাই) ৰূপত শিল্পীজনলৈ উচৰ্গা কৰিলোঁ। কবিতা আৰু ছবিৰ মাজত নিচেই ওচৰ সম্পৰ্ক। কবিতা শব্দৰে আঁকা ছবিয়েই



## চিঠিৰ পেৰা

কোনেও নিলিখা হ'ল
চিঠি আজিকালি
ৰঙা টুপী পিন্ধি
গাত লৈ ধূলি-বালি,
ৰাজআলি, চাৰিআলি, তিনিআলিৰ চুকত
ৰৈ থাকে ভোকত, মুখ মেলি মেলি
ৰঙামুৱা চিঠিৰ পেৰা, পেটটো তাৰ খালী।
গাড়ীয়ে খুন্দিয়াই যায়, পাৰি যায় গালি —
'কাম-বন নোহোৱা
অকামিলা ধদুৱা
কেনে মজা পালি?'



## চাইকেল

বাটে বাটে শাৰী শাৰী
সৰু-বৰ গাড়ী
চাইকেলে নাপায় তাত পাত্তা,
গাড়ীত যোৱা চহকীয়ে কৈ যায় চিঞৰি
গুচ্ গুচ্ এৰি দে ৰাস্তা
মুখত বেঁকা হাঁহি, কপালত চেলাউৰি
চাৰনিত খং নে ঠাট্টা
বোলে, গাড়ী-মটৰ নাই যদি
চাইকেলত তে দি
শুই থাক, ঘৰতে খাই নাস্তা।
চাইকেল চাইকেল চাইকেল
একৈশ শতিকাত তই নেছেল নেছেল
নহয় নহয় তোৰ নতুন মডেল
তোৰ তো নহয় ৰি-চেল্।

# বজাৰ সৰ্বস্বতা আৰু আমাৰ শিক্ষা ব্যৱস্থাৰ সংকট



**উদয়াদিত্য ভৰালী**
প্ৰাক্তন অধ্যক্ষ, কটন কলেজ

বজাৰ সৰ্বস্বতা আৰু আমাৰ শিক্ষা ব্যৱস্থাৰ সংকট — এই বিষয়টো সম্পৰ্কে কিছু আলোচনা কৰিব খুজিছোঁ। আৰম্ভণিতেই কৈ থব খোজো, প্ৰসংগটোৰ আদি ভাগ বিষয়ীগতভাৱে (Subjectively) অৰ্থনীতিৰ প্ৰসংগ। মই অৰ্থনীতিৰ ছাত্ৰ নহয়। ইতিহাস চৰ্চাৰহে ছাত্ৰ। তথাপি এই বিষয়ে আলোচনা কৰিব খুজিছোঁ দুটা বিশেষ কাৰণত।

প্ৰথম কাৰণটো হ'ল — বিষয়ীগতভাৱে (Subjectively) প্ৰসংগটো, অৰ্থাৎ বজাৰ সৰ্বস্বতা (Market Determinism) যদিও অৰ্থনীতিৰ প্ৰসংগ, কিন্তু বিষয়গতভাৱে (Objectively) তাৰ পৰিধিয়ে সমগ্ৰ সমাজ জীৱনত সামৰিছে। এক তুলনামূলক উদাহৰণ হিচাপে বৰ্তমানে সমগ্ৰ দেশ তোলপাৰ লগাই থকা ভাৰত চৰকাৰৰ নতুন মুদ্ৰানীতিলৈকে আঙুলিয়াব পাৰি। পুৰণা এহেজাৰ আৰু পাঁচশ টকীয়া নোট নিষিদ্ধ কৰি নতুন নোটৰ প্ৰচলনেৰে যি নতুন মুদ্ৰানীতি কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰিছে সেইটো যদিও অৰ্থনীতিৰ বিষয়, কিন্তু সেই বিমুদ্ৰাকৰণে দেশৰ প্ৰতিটো পৰিয়ালৰ বাবে সৃষ্টি কৰিছে সমস্যা। ফলত ই মাথোন অৰ্থনীতিৰ বিষয়েই হৈ থকা নাই। ই ধাৰণ কৰিছে বহুমাত্ৰিক ৰূপ। 'বজাৰ সৰ্বস্বতা'ৰ ক্ষেত্ৰতো একে কথাই খাটে। ই মাথোন অৰ্থনীতিৰ বিষয় হৈ থকা নাই। ই বহুমাত্ৰিক ৰূপতো ধৰিছেই লগতে সেই বহুমাত্ৰিকতা হৈ পৰিছে সৰ্বগ্ৰাসী আৰু সাৰ্বজনীন ৰূপেৰে বিশ্ব বিয়পা।

'বজাৰ সৰ্বস্বতা'ৰ অৰ্থ হ'ল — এইটো কৰি মই কিমান মুনাফা সৰকাব পাৰিম — এই মুনাফাসৰ্বস্ব চিন্তাৰ গ্ৰাসত পৰি জীৱনক সম্পূৰ্ণ বজাৰকেন্দ্ৰিক দৃষ্টিভংগীৰে পৰিচালিত কৰাটো। বজাৰ যেনেকৈ টকা-পইছাৰ মুনাফাৰ হিচাবেৰে চলে তেনেকৈ জীৱনৰ প্ৰতিটো খোজক, সমাজৰ প্ৰতিটো দিশক মুনাফাৰ হিচাবেৰে চলাব খোজা হয়। ফলত সততা, ত্যাগ, সমাজসেৱা, নিকা জাতিপ্ৰেম, নিভাঁজ দেশপ্ৰেম ইত্যাদি গুণে সমাজত গুৰুত্ব হেৰুৱাবলৈ ধৰে।

বৰ্তমানৰ বিশ্বত এনে কোনো সমাজ নাই যি সমাজ বজাৰ সৰ্বস্বতাৰ গ্ৰাসত পৰা নাই। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, বৌদ্ধিক, শৈক্ষিক ইত্যাদি সমাজৰ এনে কোনো দিশ নাই যিটো বজাৰ সৰ্বস্বতাৰ ভীষণ ধুমুহাৰ কবলত সম্প্ৰতি নপৰাকৈ আছে। আমাৰ সমাজৰো আন দিশবোৰৰ লগতেই বৌদ্ধিক তথা শৈক্ষিক ক্ষেত্ৰখনক যিহেতু বজাৰ সৰ্বস্বতাই গ্ৰাস কৰিব ধৰিছে আৰু এই লিখাটো যিহেতু উচ্চ শিক্ষাৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ আলোচনীৰ বাবে প্ৰস্তুত কৰা হৈছে, সেয়ে মই অৰ্থনীতিৰ বিশাৰদ নোহোৱা সত্ত্বেও এই বিষয়টো সম্পৰ্কে ইতিহাস চৰ্চাৰ দৃষ্টিকোণৰ পৰা কিছু আলোচনা কৰিব খুজিছোঁ।

এই বিশেষ বিষয়টো সম্পৰ্কে আলোচনা কৰিব খোজাৰ দ্বিতীয় কাৰণ হ'ল — মই ইতিহাস চৰ্চাৰ ছাত্ৰ। বজাৰ সৰ্বস্বতা যে পুঁজিবাদৰ সৃষ্টি তাক সুধী মহলে জানে। পুঁজিবাদৰ ইতিহাসে কয়, যদিও বজাৰ সৰ্বস্বতাই আজিৰ দৰে বিশাল ৰূপৰ সভ্যতাৰ মহাসংকটৰ সৃষ্টি পূৰ্বে কাহানিও কৰা নাছিল, কিন্তু ই পুঁজিবাদৰ পুৰণা বেমাৰ। বজাৰৰ ওপৰতেই পুঁজিপতি বৰ্তি থাকে, আৰু প্ৰতিজন পুঁজিপতি, অথবা পুঁজিপতিৰ গোষ্ঠীয়ে (তাৰেই সৰ্ববৃহৎ গোষ্ঠীবোৰক 'কৰ্পৰেট অথবা 'মাল্টি নেচনেল কৰ্প'ৰেচন' বোলা হয়, প্ৰথমে যিবোৰক 'কাৰ্টেল' বোলা হৈছিল।) কিমান অধিক বজাৰ দখল কৰিব পাৰে তাৰ ওপৰতেই সম্পূৰ্ণ নিৰ্ভৰ কৰে তেওঁলোকৰ সমৃদ্ধি। সেয়ে প্ৰতিজন পুঁজিপতিৰ দৃষ্টিভংগী বজাৰ সৰ্বস্ব হ'বলৈ

বাধ্য। আনহাতে মুনাফা অবিহনে পুঁজিপতিৰ বজাৰ চলিব নোৱাৰে। সেয়ে পুঁজিপতি বৰ্তি থাকিবলৈ আৰু তেওঁৰ শ্ৰীবৃদ্ধিৰ বাবে তেওঁৰ মানসিকতা মুনাফা সৰ্বস্ব হ'বই লাগিব। বজাৰ দখা আৰু মুনাফা অৰ্জন অবিহনে পুঁজিপতি টিকি থকা অসম্ভৱ। ইয়েই পুঁজিবাদৰ ধৰ্ম। বজাৰ সৰ্বস্বতা আৰু মুনাফা সৰ্বস্বতা পুঁজিবাদী মুদ্ৰাটোৰ ইপিঠি-সিপিঠি। বজাৰ সৰ্বস্বতাই ভয়ানক পৰিস্থিতিৰ সৃষ্টি তলত দিয়া কাৰণত কৰে।

প্ৰতিখন দেশৰ নিৰ্দিষ্ট সীমা আছে। পৃথিৱীৰো শেষ সীমা আছে। সেয়ে প্ৰতিটো বস্তুৰ বাবে বজাৰৰো এটা চূড়ান্ত সীমা আছে। কাৰণ পৃথিৱীৰ শেষ সীমাৰ বাহিৰত কোনো বজাৰ থাকিব নোৱাৰে। আনহাতে পুঁজিবাদৰ উৎপাদন ক্ষমতাৰ কোনো সীমা নাই। পুঁজিপতিয়ে নিজ খুচি মতে উৎপাদন বঢ়াব পাৰে। যিমান পাৰে অধিক বজাৰ নিজৰ দখললৈ নি যিমান পাৰে অধিক মুনাফা ঘটাৰ প্ৰতি থকা প্ৰতিজন পুঁজিপতিৰ লোভৰো কোনো সীমা নাই। ফলত পুঁজিপতিয়ে বিক্ৰীৰ বাবে বজাৰলৈ উলিয়াই দিয়া অফুৰন্ত সামগ্ৰী আৰু বজাৰৰ সীমাৱদ্ধতা, অৰ্থাৎ গ্ৰাহকৰ সংখ্যাৰ সীমাৱদ্ধতা — এই দুটাৰ মাজৰ অংকং ক্ৰমান্বয়ে নিমিলাহৈ আহে আৰু এই অমিল বাঢ়ি গৈ থাকে।

বিষয়টো স্পষ্ট কৰিবলৈ এটা উদাহৰণ লোৱা হওক। বৰ্তমানৰ ভাৰতীয় বজাৰত ইটোৰ পিছত সিটো কোম্পানীয়ে ইখনৰ পিছত সিখন বিলাসী গাড়ী বিক্ৰীৰ বাবে উলিয়াই দিছে। নিজ কোম্পানীৰ গাড়ী বিক্ৰী নোহোৱাকৈ সেই কোম্পানী টিকি থাকিব নোৱাৰে। দিনৌ নতুন গাড়ী উলিয়াবই লাগিব। কিন্তু সেই অনুপাতে গাড়ী কিনিব পৰা মানুহৰ সংখ্যা দিনৌ বঢ়াটো সম্ভৱ নহয়। ফলত এটা সময়ত গৈ গাড়ী কোম্পানীকেইটাৰ বাবে বজাৰৰ সংকটে দেখা দিবই। যেনেকৈ কুৰি শতিকাৰ দ্বিতীয় ভাগত আশীৰ দশকলৈকে ভাৰতীয় অট'ম'বাইল গাড়ীৰ বজাৰ 'এম্বেচাডৰ' আৰু 'ফিয়েট' গাড়ীয়ে দখল কৰি থৈছিল। নব্বৈৰ দশকত বজাৰলৈ আহিল 'মাৰুতি ছুজুকি'। এই নতুন কোম্পানীৰ অট'ম'বাইল গাড়ীয়ে ভাৰতৰ বজাৰ এনেকৈ দখল কৰিলে যে বিৰলাৰ মালিকানাত থকা 'হিন্দুস্তান মটৰ্চে' 'এম্বেচাডৰ' গাড়ীৰ উৎপাদন এটা সময়ত গৈ বন্ধই কৰি দিবলগাত পৰিল। এইটো পুঁজিবাদে নিজ বজাৰৰ সংকট নিজেই সৃষ্টি কৰি লোৱাৰ এটা দৃষ্টান্ত মাথোন।

সাংবাদিক তথা বাতৰি কাকত আৰু পাঠকৰ সম্বন্ধ সূত্ৰডাল কেতিয়াও ছিণ্ডিব নোৱাৰা বিধৰ। সাংবাদিকে সংগ্ৰহ কৰা তথ্য আৰু সংবাদ বাতৰি কাকতত প্ৰকাশ পায় আৰু বাতৰি কাকতৰ পৰা তাক পাঠকে গ্ৰহণ কৰে। সত্য প্ৰকাশ কৰাটোৱেই হ'ল সাংবাদিকৰ অন্যতম প্ৰধান উদ্দেশ্য। কিন্তু সত্য প্ৰকাশৰ নামত যাতে কোনো প্ৰকাৰৰ উদ্দেশ্য তাত জাপি দিয়া নহয় তাৰ প্ৰতি এজন সাংবাদিক সততেই সতৰ্ক হৈ থাকিব লাগিব। অৰ্থাৎ সত্য প্ৰকাশত নিৰপেক্ষ হ'ব লাগে। তদুপৰি, প্ৰকৃত উৎস নজনাকৈ কোনো সাংবাদিকে কোনো সংবাদ প্ৰেৰণ কৰা বা প্ৰকাশ কৰা উচিত নহয়। 'বিশ্বস্ত সূত্ৰে জনা গৈছে' নাইবা 'এইটো জনা গৈছে' নাইবা 'ই বুজায় যে' — ইত্যাদি বাক্যাংশৰ ব্যৱহাৰ, নাইবা 'হেনো', 'বোলে' ইত্যাদি শব্দৰ ব্যৱহাৰ প্ৰকৃত সাংবাদিকতাৰ পৰিত্যাজ্য।

আক্ষৰিক অৰ্থত সাংবাদিকতা হ'ল এটা পেছা বা বৃত্তি। অৰ্থাৎ যি বৃত্তিৰ যোগেদি সংবাদ বা খবৰ আৰু ইয়াৰ বিষয়ে আলোচনা জনসাধাৰণৰ ওচৰলৈ লৈ যায় সিয়েই হ'ল সাংবাদিকতা। আমেৰিকাৰ বিশিষ্ট সাংবাদিক লেমলি ষ্টিফেন্সে সাংবাদিকতাৰ বিষয়ে কৈছে যে, সাংবাদিকতা হৈছে বিভিন্ন ঠাইৰ পৰা সংবাদ সংগ্ৰহ কৰি, তাক নিখুঁতভাৱে, অন্তৰ্দৃষ্টিৰে সৈতে চাই দ্ৰুতভাৱে, সত্য ৰূপত পৰিৱেশন কৰা, যাতে অতিশীঘ্ৰে সম্ভৱ নহ'লেও লাহে লাহে বিষয়টোৰ সত্যতা স্পষ্ট হৈ উঠে। অৰ্থাৎ জনসাধাৰণ বা পাঠকে জানিবলৈ বিচাৰে তাক জনোৱাটোৱেই হ'ল সাংবাদিকতা বা যি সত্য পাঠকৰ জনাটো প্ৰয়োজন তাক জনোৱাৰ পদ্ধতিয়েই হৈছে সাংবাদিকতা। প্ৰখ্যাত সংবাদ লেখক ডেভিদ ওয়েনৰাইটৰ মতে — "Journalism is information it is the event of the day distilled into a few words, sounds or pictures processed by the mechanics of communication to satisfy the human curiosity of a world that is always eager to know what is new."

এখন দেশ তথা এখন সমাজত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। ভাৰতৰ নিচিনা গণতান্ত্ৰিক দেশত সংবাদ-মাধ্যমবোৰে বিচাৰক তথা সচেতন প্ৰহৰীৰূপে স্থান দখল কৰি লৈছে। সকলো ধৰণৰ সামাজিক, ৰাজনৈতিক, প্ৰশাসনিক, অৰ্থনৈতিক, অন্যায়-অবিচাৰৰ প্ৰতি লক্ষ্য ৰাখি তাৰ যোগেদি জনমত সৃষ্টি কৰি শাসনযন্ত্ৰক নিয়ন্ত্ৰিত কৰি ৰখাত এই সংবাদ মাধ্যমবোৰে বিশেষ দায়িত্ব পালন কৰি আহিছে। বাতৰি কাকতৰ লক্ষ্য হ'ল জনমত গঠন আৰু প্ৰশাসনৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰতিটো দিশত জনসাধাৰণৰ বাবে নিৰ্ভৰযোগ্য সংবাদৰ যোগান ধৰা। সাংবাদিক আৰু বাতৰি কাকত দুয়োটাই সমাজৰ প্ৰতি দায়বদ্ধ। ছাত্ৰ সমাজৰ প্ৰতিও বাতৰি কাকতৰ বিশেষ দায়বদ্ধতা থকা উচিত।

বাতৰি কাকত হৈছে গণসংযোগৰ এক গুৰুত্বপূৰ্ণ ছপা মাধ্যম। ব্যাপক প্ৰভাৱশীলতাৰ বাবে বাতৰি কাকতক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে অভিহিত কৰা হয়। এখন বাতৰি কাকতে সাধাৰণতে চলিত সামাজিক স্থিতিটোৰ প্ৰতিফলন ঘটাই ৰাজনৈতিক, বৌদ্ধিক, সাহিত্যিক, সাংস্কৃতিক আদি সমাজৰ বিভিন্ন দিশত আলোকপাত কৰে। এখন উন্নত আৰু উন্নয়নশীল সমাজৰ গঠনত বাতৰি কাকত বা সংবাদ পত্ৰৰ ভূমিকা প্ৰণিধানযোগ্য। সমাজ এখনক গঠনমুখী দিশলৈ আগবঢ়াই নিয়াত বাতৰি কাকতে গুৰুত্বপূৰ্ণ ভূমিকা

গ্ৰহণ কৰিব পাৰে। একবিংশ শতিকাৰ পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত বাতৰি কাকতৰ ভূমিকা বিশেষভাৱে গুৰুত্বপূৰ্ণ। বাতৰি কাকতে সৃষ্টিশীল সাহিত্যৰ প্ৰতিনিধিত্ব নকৰিলেও সমাজত ইয়াৰ প্ৰভাৱ অনস্বীকাৰ্য। সৃষ্টিশীল সাহিত্যৰ তুলনাত বাতৰি কাকতত সমাজৰ বাস্তৱিক ৰূপটো বহুগুণে স্পষ্ট ৰূপত প্ৰকট হয়। সমাজৰ প্ৰাসংগিক সকলো দিশৰ লগতে বাতৰি কাকত জড়িত।

ভাৰতৰ ইতিহাসত বাতৰি কাকতৰ প্ৰথম আৰম্ভণি ঘটে অষ্টাদশ শতিকাত। ১৭৮০ চনৰ ২৯ জানুৱাৰীত কলিকতাত প্ৰকাশিত 'বেঙ্গল গেজেট' বা 'কেলকাতা জেনেৰেল এডভাৰটাইজাৰ' কাকতখনেই হ'ল ভাৰতৰ প্ৰথমখন বাতৰি কাকত। অসমত ঊনবিংশ শতিকাত বেপ্টিষ্ট মিছনেৰীসকলৰ আগমনৰ পিছত 'অৰুণোদই' (১৮৪৬) কাকতৰ যোগেদি বাতৰি কাকতৰ আৰম্ভণি ঘটে। সাম্প্ৰতিক কাল পৰ্যন্ত যোৱা ডেৰ শতাধিক বছৰত অসমত ভালেসংখ্যক বাতৰি কাকত প্ৰকাশ পাইছে। সম্প্ৰতি অসমত অসমীয়া ভাষাত ১২ খন দৈনিক বাতৰি কাকত, ৩খন অৰ্দ্ধসাপ্তাহিক, ৬৪খন সাপ্তাহিক, ৩৭খন পষেকীয়া, ৫৬খন মাহেকীয়া, ১২খন তিনিদিনীয়া, ১০খন ছমহীয়া আদিকে ধৰি প্ৰায় ২০০ খন কাকত-আলোচনী প্ৰকাশ পায়। সেইদৰে অসমত বাংলা, ইংৰাজী, হিন্দী ভাষাৰ কাকত-আলোচনীও প্ৰচলিত।

অসমত পাঁচখন বিশ্ববিদ্যালয়কে ধৰি হাজাৰ হাজাৰ বিদ্যালয়-মহাবিদ্যালয় প্ৰতিষ্ঠিত হৈছে। এই শিক্ষানুষ্ঠানসমূহত লাখ লাখ শিক্ষাৰ্থীয়ে বিভিন্ন পাঠ্যক্ৰমত শিক্ষালাভ কৰি আছে। বাতৰি কাকত পঢ়োঁতাসকলৰ ভিতৰত শিক্ষাৰ্থীসকলো অন্তৰ্ভুক্ত। সেয়েহে ছাত্ৰ সমাজত বাতৰি কাকতৰ প্ৰভাৱ আৰু ইয়াৰ উপযোগিতা সম্পৰ্কে অধ্যয়ন এটি গুৰুত্বপূৰ্ণ বিষয়। ব্যক্তিৰ বাতৰি কাকত পঢ়াৰ কাৰণ সুকীয়া সুকীয়া হ'ব পাৰে। ছাত্ৰ সমাজৰো বাতৰি কাকত পঢ়াৰ কাৰণ বহুতো হ'ব পাৰে। যেনে — দেশ-বিদেশৰ খবৰ জানিবলৈ, বিভিন্ন ক্ষেত্ৰৰ তথ্য আহৰণৰ বাবে, বিনোদনৰ বাবে, আজৰি সময় কটাবলৈ, ইংৰাজী ভাষা আয়ত্ত কৰিবলৈ ইংৰাজী কাকত পঢ়ে, সাহিত্যৰ শিতানবোৰ পঢ়িবলৈ, নিয়োগ সম্পৰ্কীয় বাতৰি জানিবলৈ বাতৰিকাকত পঢ়ে। ছাত্ৰ সমাজত বাতৰি কাকতৰ উপযোগিতা বহুখিনি আছে। ৰাজনীতিৰ বাহিৰেও বাতৰি কাকতত শৈক্ষিক, ক্ৰীড়া সম্পৰ্কীয় তথা সাহিত্য আদি সম্পৰ্কীয় বিষয়েও স্থান পায়। ইয়াৰ উপৰিও বাতৰি কাকজে ছাত্ৰ সমাজত এক প্ৰকাৰৰ সামাজিক সচেতনতাৰ সৃষ্টি আৰু বৃদ্ধিত প্ৰভূত সহায় কৰিছে। আজিৰ শিক্ষাৰ্থীখিনিয়েই ভৱিষ্যতে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰতিনিধিত্ব কৰিব। গতিকে ছাত্ৰ সমাজ লাভৱান্বিত হোৱাৰ অৰ্থ সমাজৰ লাভ । বাতৰি কাকতত পৰাই ছাত্ৰই বাস্তৱ জীৱনৰ স্বৰূপটো বুজিবলৈ সুবিধা পায়। লগতে ক'ব পাৰি যে বাতৰি কাকতৰ পৰা ছাত্ৰ সমাজৰ জ্ঞানৰ পৰিধি বিস্তৃত হৈছে। বাতৰি কাকতে ছাত্ৰ সমাজক বিভিন্ন ধৰণৰ তথ্যৰ যোগান ধৰে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে বাতৰি কাকতে ছাত্ৰ সমাজক এক ইতিবাচক দিশত আগবঢ়াই নিছে।

বাতৰি কাকতে ছাত্ৰ সমাজক ইতিবাচক দিশেৰে আগবঢ়াই নিলেও কিন্তু ই ছাত্ৰ সমাজক নেতিবাচক দিশেৰেও ঠেলি নিদিয়াকৈ থকা নাই। অশুদ্ধ বাতৰিৰ প্ৰচাৰে বাতৰি কাকতৰ নিৰ্ভৰযোগ্যতা কেতিয়াবা বহু পৰিমাণে হ্ৰাস কৰে। বাতৰি কাকতত অশুদ্ধ, বিভ্ৰান্তিকৰ খবৰ-তথ্য প্ৰচাৰ সততে পৰিলক্ষিত হয়। বিষয়বস্তুৰ তৰাং বিশ্লেষণ বাতৰি কাকতৰ নিৰ্ভৰযোগ্যতা হ্ৰাসৰ অন্য এটা কাৰণ। সত্যক প্ৰাধান্য নিদি কোনো ঘটনা সম্পৰ্কে চাঞ্চল্য বা বিষয়ৰ প্ৰতি আকৰ্ষণ সৃষ্টি কৰিবলৈ গৈ বাতৰি কাকতযোগে কেতিয়াবা বিকৃত ধাৰণা আগবঢ়োৱা হয়। বাতৰি কাকতত কিছুমান ভাষাৰ ভুল, অবাঞ্চনীয় শব্দৰ প্ৰয়োগ, ভ্ৰান্তিকৰ তথ্যৰ প্ৰকাশ হয়। এইবোৰে ছাত্ৰ সমাজক প্ৰভাৱ পেলায়। সমাজৰ প্ৰতিটো দিশকে সামৰি লোৱাৰ সলনি এইসমূহক কম গুৰুত্ব দি বাতৰি কাকতে কেৱল ৰাজনৈতিক বিষয়ক বেছি প্ৰাধান্য দিয়াৰ বাবে কেতিয়াবা ই পঢ়ুৱৈৰ মনত বিৰক্তিৰ সৃষ্টি কৰিব পাৰে।

ছাত্ৰ তথা জনসাধাৰণৰ মাজত ইলেক্ট্ৰনিক মাধ্যমৰ প্ৰবল আক্ৰমণৰ সময়তো বাতৰি কাকতৰ গুৰুত্ব পূৰ্বৰ সমানেই দেখা যায়। সাহিত্যৰ প্ৰতি আগ্ৰহী তথা অন্য প্ৰকাৰেও এটা সাংস্কৃতিক মন গঢ়ি তোলাৰ ক্ষেত্ৰত বাতৰি কাকতৰ ভূমিকা প্ৰণিধানযোগ্য। বাতৰি কাকতসমূহত প্ৰকাশ পোৱা সাহিত্যৰ অতিৰিক্ত ক্ৰীড়া আৰু সংস্কৃতি সম্পৰ্কীয় শিতানবোৰে ছাত্ৰ সমাজত সুৰুচিবোধ গঢ়ি তোলাত সহায় কৰিছে। ছাত্ৰ সমাজৰ কলাত্মক প্ৰবৃত্তিৰ বিকাশৰ সুবিধাও বাতৰি কাকতসমূহে বিভিন্ন ধৰণেৰে আগবঢ়াইছে। সমাজৰ প্ৰকৃত অৱস্থা-ব্যৱস্থাৰ সৈতে ছাত্ৰ সমাজক পৰিচয় কৰোৱাই বাতৰি কাকতে গুৰুত্বপূৰ্ণ সামাজিক ভূমিকা পালন কৰি আছে। বাস্তৱ জীৱন আৰু সমাজ সম্পৰ্কে বাতৰি কাকতে বিভিন্ন জ্ঞান আৰু শিক্ষা ছাত্ৰসকলক প্ৰদান কৰে। সমাজৰ ভাল-বেয়া দুয়োটা দিশক জনাৰ সুবিধা বাতৰি কাকতৰ পৰা পোৱা হয়। গতিকে বাতৰি কাকতসমূহ নিৰ্ভীক আৰু স্পষ্টবাদী হোৱা প্ৰয়োজন, যাতে অকৃত্ৰিম তথ্যৰ যোগান ধৰি সমাজখনক গঠনমুখী আৰু সজাগ কৰিব পাৰে। ছাত্ৰ সমাজে সেয়েহে বাতৰি কাকতৰ ভাল-বেয়া দিশ বিচাৰ কৰি তাৰ জ্ঞান আয়ত্ত কৰিব লাগে।■



# ৰজনীকান্ত বৰদলৈৰ উপন্যাসত বুৰঞ্জী আৰু অসমীয়া সমাজৰ প্ৰতিফলন

**ভাগ্যশ্ৰী বৰুৱা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

**অৱতৰণিকা ঃ**

অসমীয়া সাহিত্য মঞ্চৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিকসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ এজন অনুকৰণীয় ব্যক্তি। অসমীয়া ভাষাত বুৰঞ্জীৰ আলমত উপন্যাস ৰচোঁতা ন-পুৰণি উপন্যাসিকসকলৰ মাজত এওঁকেই সৰ্বশ্ৰেষ্ঠ ঔপন্যাসিক আখ্যা দিয়া হয়। 'অসমীয়া স্কট'ৰূপে অভিহিত কৰে; আন এদল সমালোচকে বৰদলৈক বঙ্গৰ প্ৰখ্যাত ঔপন্যাসিক বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ দৰে অসমৰ 'উপন্যাস সম্ৰাট' বুলি কোৱাও হয়। তেওঁৰ সমগ্ৰ ৰচনাৰ পাতে পাতে অসম আৰু অসমীয়া তথা স্বদেশ আৰু স্বজাতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু প্ৰেম বিৰাজমান; অসমৰ ভাষা-সাহিত্যৰ উপৰিও অসমৰ ধৰ্ম, মঠ-মন্দিৰ, কলা-সংস্কৃতি, লোকাচাৰ, উৎসৱ, লোক-বিশ্বাস আৰু উন্নত-অনুন্নত জাতি-উপজাতি সকলো অসমবাসীৰ প্ৰতি তেওঁৰ আছিল গভীৰ শ্ৰদ্ধা আৰু আন্তৰিক প্ৰীতি। তেওঁৰ প্ৰথম উপন্যাস 'মিৰি-জীয়ৰী'য়েই সেই জনজাতি প্ৰীতিৰ উজ্জ্বল দৃষ্টান্ত।

অসমৰ ধৰ্মীয় সংস্কৃতিৰ প্ৰতিও তেওঁৰ বিশেষ শ্ৰদ্ধা আৰু অনুৰাগ আছিল। বিশেষকৈ নৱবৈষ্ণৱ ধৰ্মৰ গুৰুসকলৰ নীতিবচন তেওঁ অতি নিষ্ঠাৰে পালন কৰিবলৈ যত্ন কৰিছিল। সেইদৰে অসমীয়া সমাজৰ পৰম্পৰাগত ৰীতি-নীতি, বিশ্বাস-ধাৰণা, উৎসৱ-পাৰ্বণৰ প্ৰতিও তেওঁৰ আন্তৰিকতাপূৰ্ণ অনুৰাগৰ বহু উদাহৰণ আছে। যি সময়ত শিক্ষিত সমাজে বিহুগীত বিহু নৃত্যাদিৰ প্ৰতি অৱজ্ঞাসূচক মন্তব্য দি কটু সমালোচনা কৰিছিল সেই সময়তে তেওঁ বিহুৰ বিষয়ে তাৎপৰ্যপূৰ্ণ অতি সুন্দৰ বৰ্ণনা দি বিহুক যথাৰ্থতে 'অসমীয়াৰ বাপতি সাহোন'ৰূপে অসমৰ সংস্কৃতিৰ বৰঘৰত জাতীয় উৎসৱৰ স্থান দিছিল।

ৰজনীকান্ত বৰদলৈৰ সৰ্বোৎকৃষ্ট অৱদান হৈছে তেওঁৰ উপন্যাসৰাজি। তেওঁ অসমীয়া সমাজৰ সৰ্বোৎকৃষ্ট ঔপন্যাসিকৰূপে সৰ্বসমাদৃত সাহিত্যিক। বৰদলৈদেৱৰ কলেজত পঢ়া দিনৰে পৰা স্কট আৰু বঙ্কিমচন্দ্ৰৰ উপন্যাসৰ দ্বাৰা বহুখিনি প্ৰভাৱিত হৈছিল। তেওঁৰ ধাৰণা আছিল অসমৰ প্ৰকৃতিৰ ৰম্যকাননৰ স্বাভাৱিক সৌন্দৰ্যৰ পটভূমিত অতীত বুৰঞ্জীৰ সংঘাতপূৰ্ণ কালৰ মূল ঘটনাৰ লগত নানা ঘটনা কল্পনা কৰি উপন্যাস কৰিব খুজিলে যথেষ্ট সমল পোৱা যাব আৰু সেই ভাবকে সাৰোগত কৰি পৰৱৰ্তী কালত উপন্যাস লিখিবলৈ তেওঁ মনতে এটা আশা পোষণ কৰিছিল।

বৰদলৈদেৱৰ অসমীয়া ভাষাত যুগুতোৱা ৰচনাৰাজি আচলতে আঠ প্ৰকাৰৰ — উপন্যাস, নাটক, প্ৰবন্ধ, গল্প-কবিতা, ভাষণ-বক্তৃতা, ব্যাখ্যাত্মক ৰচনা, সাহিত্য বিষয়ক, প্ৰত্নতত্ত্বমূলক আৰু শিক্ষামূলক এই ছয় প্ৰকাৰৰ ৰচনাৰ দ্বাৰা তেওঁৰ ৰচনাসমূহ সমৃদ্ধ হৈছিল। ইমানবোৰ ৰচনা থাকিলেও কিন্তু তেওঁৰ উপন্যাসখিনিহে আছিল কালজয়ী সৃষ্টি। সেয়ে, হয়তো বৰদলৈদেৱৰ উপন্যাসৰাজিয়ে সমাজত সমাদৰ পোৱাৰ লগতে সমালোচনাৰো বিষয় হৈ পৰে।

**বৰদলৈদেৱৰ উপন্যাসৰ বিশেষত্ব ঃ**

ৰজনীকান্ত বৰদলৈৰ অসমীয়া

সাহিত্যৰ নৱজাগৰণ তথা ৰেনেছাঁ কালৰ সাহিত্যিক কাৰণেই সম্ভৱতঃ সমসাময়িক আনবোৰ দিশ অথবা ভাষাৰ সাহিত্যিকৰ দৰে তেওঁৰো সাহিত্য চৰ্চাৰ ঘাই লক্ষ্য আছিল অসম দেশ আৰু অসমীয়া জাতিৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণ সাধন। তেওঁৰ উপন্যাসৰ একাধিক স্থানত আদৰ্শস্থানীয় চৰিত্ৰৰ মুখত সেই ভাবাদৰ্শ উদীপ্ত ভাষাত প্ৰকাশ পাইছে। বৰদলৈদেৰৰ 'মিৰি জীয়ৰী'খনহে সামাজিক উপন্যাস। 'থাম্বা-থোইবী' সামাজিক পটভূমিত ৰচিত সাধুকথাটোৰ পটভূমিৰ পৰা বৰদলৈ আঁতৰি আহিব পৰা নাই। তেওঁৰ বুৰঞ্জীমূলক উপন্যাসকেইখনৰ কাহিনী কাল্পনিক; কিন্তু প্ৰত্যেকখনেই ৰচনা কৰা হৈছে বুৰঞ্জীৰ আধাৰত; তাৰবাবে অসমৰ বুৰঞ্জীৰ সৰু-বৰ ঘটনা, চৰিত্ৰ গোটাই লৈ তাত উপন্যাসৰ বাবে সজোৱা কাহিনীৰ লগত খাপ-খুৱাই কল্পনাৰ ৰং-ৰহণ সানি অসমৰ আৰ্থ-সামাজিক পৰিস্থিতিত 'মনোমতী', 'ৰহদৈ লিগিৰী', 'নিৰ্মল ভকত', 'তাম্ৰেশ্বৰী মন্দিৰ' আৰু 'ৰঙ্গিলী এই পাঁচখন উপন্যাস ৰচনা কৰা হৈছে। আনহাতে 'দন্দুৱাদ্ৰোহ' আৰু 'ৰাধা-ৰুক্মিণীৰ ৰণ' উপন্যাস দুখনত অসম বুৰঞ্জীৰ ঘটনা আৰু বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। তদুপৰি সেই সময়ৰ ডা-ডাঙৰীয়াসকলৰ মাজত ক্ষমতাৰ বাবে কেনেধৰণৰ কন্দলৰ সৃষ্টি হৈছিল সেইবোৰেও ইয়াত ঠাই পাইছে। উপন্যাসসমূহৰ কাহিনীৰ পৰিকল্পনা আৰু সেইবোৰৰ লগত জড়িত থকা সৰু-ডাঙৰ ঘটনা, পাৰিপাৰ্শ্বিক অৱস্থা আৰু সেইবিলাকৰ লগত উপন্যাসৰ চৰিত্ৰৰ সম্পৰ্ক স্থাপনৰ কৌশলৰ ক্ষেত্ৰতো বৰদলৈদেৰৰ বিশেষত্ব চকুত পৰে।

বৰদলৈদেৰৰ উপন্যাসমূহৰ সকলোপিনৰ পৰা বিশেষ তাৎপৰ্যপূৰ্ণ কথাটো হ'ল চৰিত্ৰ ৰূপায়ণ। তেওঁৰ উপন্যাসসমূহ নাৰী চৰিত্ৰপ্ৰধান। 'মনোমতী', 'ৰহেদৈ লিগিৰী', 'ৰঙ্গিলী', 'মিৰি-জীয়ৰী' আৰু 'তাম্ৰেশ্বৰী মন্দিৰ' এনে উদাহৰণ। ইয়াত আলোকিত হোৱা চৰিত্ৰসমূহৰ ক'তো কৃত্ৰিমতাৰ আঁচোৰ নাই, অতি স্বাভাৱিক গতিধাৰাৰ মাজত প্ৰতিটো চৰিত্ৰ ঠন ধৰি উঠিছে। চৰিত্ৰ বিকাশত সৰু-ডাঙৰ ঘটনাৰ সমাৱেশ, পৰিস্থিতিৰ লগত সঙ্গতি ৰাখি চৰিত্ৰৰ কাৰ্য-কলাপ আৰু চৰিত্ৰমুখৰ কথা-বতৰা, আদিৰ যোগাযোগ স্থাপনত বৰদলৈদেৰৰ ৰচনা কৌশল সকলো পাঠকৰ বাবে আনন্দদায়ক।

**বৰদলৈদেৰৰ উপন্যাসত বুৰঞ্জীৰ প্ৰতিফলন ঃ**

উপন্যাস নৱন্যাস যুগৰ সৃষ্টি। নৱন্যাসৰ মূল কথাটোৱেই হ'ল অতীতপ্ৰীতি। উপন্যাসত সমাজৰ বিবিধ কাৰ্যকলাপৰ প্ৰতিচ্ছবি জিলিকি উঠে। সেইবোৰ কথালৈ চকু দিলে দেখা যায় উপন্যাসৰ ঘটনাৰাজি সমাজ তথা ইতিহাসৰ ঘটনাৰ লগত সম্বন্ধ আছে। অসমীয়া উপন্যাস এই যুগৰ সৃষ্টি।

বৰদলৈদেৰৰ উপন্যাসত ইতিহাসৰ স্বচ্ছ আৰু সুন্দৰ প্ৰতিফলন দেখা যায়। ইতিমধ্যে কোৱা হৈছে, বৰদলৈদেৰৰ পাঁচখন উপ্ন্যাস বুৰঞ্জীভিত্তিক। তেওঁৰ প্ৰায়বিলাক উপন্যাসৰ পটভূমি মানৰ আক্ৰমণত জুৰুলা অসম। মানৰ আক্ৰমণৰ কথা এশবছৰৰ আগৰ ঘটনা। তেওঁৰ ককাদেউতাকৰ ককায়েকক মানে কাটিছিল সেইবোৰ কথা পুৰুষ পৰম্পৰা ঘৰত আলোচিত হৈছিল। ইয়াৰ দ্বাৰাও বৰদলৈদেৰ অসম বুৰঞ্জীৰ এই কালছোৱাৰ প্ৰতি আকৃষ্ট হ'ব পৰা থল আছে। বৰদলৈয়ে বুৰঞ্জীৰ ঘটনাৰ লগত সঙ্গতি ৰাখি নিজৰ কল্পনাৰে বুৰঞ্জীৰ আধাৰত কাহিনীবোৰ সজাই-পৰাই লৈছিল। 'মনোমতী', 'ৰঙ্গিলী', 'ৰহদৈ লিগিৰী', 'নিৰ্মল ভকত', 'তাম্ৰেশ্বৰী মন্দিৰ' আদি উপন্যাসকেইখন বুৰঞ্জীৰ আধাৰত ৰচিত হ'লেও 'দন্দুৱাদ্ৰোহ' আৰু 'ৰাধা-ৰুক্মিণীৰ ৰণ' উপন্যাস দুখন সম্পূৰ্ণৰূপে ইতিহাস প্ৰসিদ্ধ আৰু তেনে চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে।

**মনোমতী ঃ**

এই উপন্যাসখনত ক্ষমতালোভী ডা-ডাঙৰীয়াৰ স্বাৰ্থান্বেষী ভাব, সাধাৰণ প্ৰজাৰ দুখ-দুৰ্গতি, সেই অঞ্চলৰ বিশেষকৈ বৈষ্ণৱধৰ্মৰ অন্যতম কেন্দ্ৰস্থলী বৰপেটাৰ দৌল-উৎসৱ আৰু সাধাৰণ পুৰুষ-মহিলাৰ স্বদেশ, স্বজাতি, স্বধৰ্মৰ প্ৰতি কেনে গভীৰ শ্ৰদ্ধা আৰু প্ৰীতি সেইবোৰ যথাযথ সমাৱেশ কৰি মনোমতী উপন্যাস ৰচনা কৰিছিল। উপন্যাসখনত ইজনে সিজনক সহ্য কৰিব নোৱাৰা দুজন ক্ষমতালোভী ডাঙৰীয়াৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰেমৰ সঞ্চাৰ হৈছে। দৌল-উৎসৱত আকস্মিক সাক্ষাতে লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰেমৰ সঞ্চাৰ ঘটাই শেতে মানৰ আক্ৰমণত অসম দেশৰ অসমীয়া জাতিৰ কি দুৰ্দশা হৈছিল তাৰ এখন ছবি অংকন কৰিবলৈ বৰদলৈয়ে যত্ন কৰিছে। আটাইতকৈ আকৰ্ষণীয় কথাটো হ'ও দেশৰ হকে, জাতিৰ হকে অৱলা, অশিক্ষিতা অসমীয়া গাঁৱলীয়া নাৰীৰ বুদ্ধিৰ বিচক্ষণতা আৰু কৰ্মতৎপৰতা এই উপন্যাসৰ এটি উৎকৃষ্ট আদৰ্শ।

**দন্দুৱাদ্ৰোহ ঃ**

কৰ্মসূত্ৰে নগাঁৱত থাকোঁতে এদিন নাৱেৰে গৈ থাকোঁতে এজন বুঢ়াই দাঁতিৰ এখন জাৰণিলে আঙুলিয়াই দি কৈছিল যে জিকেৰীয়া বৰুৱা হৰদত্ত-বীৰদত্তৰ গাঁওখনেই সেই জাৰণিত পৰিণত হৈছে। বুঢ়াজনে স্থানীয় গএগ্ৰা ৰাইজৰ মাজত মুখ

বাগৰি জীয়াই থকা সেই হৰদত্ত-বীৰদত্তৰ কথা-কাহিনী সম্বলিত দুফাঁকিমান গীতো গাই শুনালে। সেয়ে, বৰদলৈদেৱে হৰদত্ত-বীৰদত্তৰ ওপৰত তথ্য-পাতি সংগ্ৰহ কৰি উপন্যাস ৰচনা কৰে।

**ৰঙ্গিলী ঃ**

বুৰঞ্জীৰ 'ল'ৰাৰজা' ৰূপে খ্যাত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ খেল-ধেমালিৰ লগত ভূত কুকুৰাচোৰা চাউদাঙৰ ল'ৰা সৎৰামৰ প্ৰণয়িনী ৰঙ্গিলীক কেন্দ্ৰ কৰি মানৰ প্ৰথম আক্ৰমণত জুৰুলা হোৱা অসমৰ পটভূমিত এইখন উপন্যাস ৰচনা কৰিছিল। ইয়াতো ঔপন্যাসিকে সাধাৰণ লোকৰ কাৰ্যকলাপৰ মাজেদি দেশাত্মবোধ, অসমৰ ঐতিহ্যমণ্ডিত ধৰ্ম-সংস্কৃতিৰ প্ৰতি পাঠক সমাজক আকৰ্ষণ কৰিবলৈ যত্ন কৰিছে। উপন্যাসখনত বৰদলৈয়ে আহোমৰ ৰজাঘৰীয়া পৰিৱেশৰ লগতে মানৰ অত্যাচাৰ আৰু মিষ্টিচিজিমৰ কথাৰো কিছু অৱতাৰণা কৰি গৈছে।

**নিৰ্মল ভকত ঃ**

এই উপন্যাসখনত বুৰঞ্জীমূলক ঘটনাৰ বিৱৰণ থকাৰ উপৰি অসমত প্ৰচলিত বৈষ্ণৱ ধৰ্মৰ গুণ-গৰিমা তথা শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছিল। তাকে কৰিবলৈ গৈয়ে তেওঁ অলপ দিনৰ অগাপিছাকৈ সংঘটিত হোৱা মানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণত জৰ্জৰিত অসমৰ পটভূমিত কাহিনীটো সজাই-পৰাই লৈছিল। তদুপৰি এই উপন্যাসখনৰ ৰচনা-ৰীতিত আনকেইখনৰ তুলনাত নতুনত্ব আৰোপ কৰিবলৈ মূল চৰিত্ৰ নিৰ্মলক বক্তাৰূপে অংকিত কৰিছে। অসমৰ ৰাজনৈতিক কথা-কাণ্ড, মানৰ অত্যাচাৰৰ কাহিনী বুৰঞ্জীৰ আধাৰত নিৰ্মলৰ মুখত সংযোজন কৰিবলৈ লোৱা প্ৰচেষ্টা মন কৰিবলগীয়া।

**তাম্ৰেশ্বৰীৰ মন্দিৰ ঃ**

এই উপন্যাসখনত বুৰঞ্জীৰ প্ৰত্যক্ষ প্ৰভাৱ নাই যদিও তৃতীয়বাৰ মানৰ আক্ৰমণত জুৰুলা হোৱা অসমীয়া সমাজখন ইয়াত ৰূপায়িত হৈছে। কেইজনমান ৰাজবিষয়াক ইয়াৰ মূল কাহিনীৰ লগত জড়িত কৰি ঘটনাৰ প্ৰবাহৰ মাজেদি তামসিক ভাবাপন্ন তান্ত্ৰিক ধৰ্মৰ তুলনাত সাত্ত্বিক ভাবাপন্ন বৈষ্ণৱ ধৰ্ম সকলোফালৰ পৰা শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাৰ লগতে সেই সময়ৰ প্ৰচলিত নৰবলিক সমাজৰ ব্যাধিৰূপে স্পষ্টৰূপে দেখুৱাবলৈ যত্ন কৰাৰ আঁৰত বৰদলৈদেৱৰ সমাজ সংস্কাৰৰ স্পৃহা দাঙি ধৰাৰ প্ৰয়াস কৰিছে।

**ৰাধা-ৰুক্মিণীৰ ৰণ ঃ**

আহোম ৰজাসকলে মৰাণ, মোৱামৰীয়াসকলক ভাল চকুৰে চোৱা নাছিল। বিশেষকৈ লক্ষ্মী সিংহৰ দিনত তেওঁলোকক বৰ বেয়া ব্যৱহাৰ কৰা হৈছিল। তদুপৰি সেই সময়ৰ আহোম ৰাজকোঁৱৰসকলৰ মাজতো সিংহাসন লৈ কিছু টনা-আঁজোৰা চলিছিল। তেওঁলোকৰ মিলাপ্ৰীতি দূৰৈৰ কথা বৰং ইজনে-সিজনৰ অনিষ্ট কৰাৰহে চিন্তা-চৰ্চা কৰিছিল। ফলত তেওঁলোক নানা খেল দলত ভাগ হৈ পৰিছিল। ইয়াৰে সুযোগত মোৱামৰীয়াসকলে আহোম সিংহাসন অধিকাৰ কৰে। মোৱামৰীয়াৰ আহোম ৰজাৰ বিপক্ষে বিদ্ৰোহাচৰণ আৰু তেওঁলোকৰ আমোলৰ অসমৰ সামাজিক আৰু ৰাজনৈতিক বাতাবৰণৰ তথ্যৰে এই উপন্যাস সমৃদ্ধ।

**ৰহদৈ লিগিৰী ঃ**

এই উপন্যাসখন মানৰ প্ৰথম আক্ৰমণৰ সময়ৰ অসমৰ তথা স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহা সময়ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিৰ ওপৰত। মানৰ আক্ৰমণত সাধাৰণ মানুহৰ কুলাই-পাচিয়ে নধৰা দুখ-দুৰ্গতি, ইফালে ক্ষমতা-পিপাসু ৰাজবিষয়া, ডা-ডাঙৰীয়াসকলৰ অৰিয়া-অৰি, আশ্ৰমবাসী সাধু-সন্ন্যাসীৰ ঈশ্বৰৰ সাধনা আৰু তাৰ মাজতে বৈষ্ণৱ ধৰ্মপৰায়ণ লোকৰ গঠনমূলক কৰ্ম প্ৰয়াসেই আছিল এই উপন্যাসৰ লক্ষ্য।

**বৰদলৈদেৱৰ উপন্যাসত ভাষা-সাহিত্যৰ প্ৰতিফলন ঃ**

বৰদলৈদেৱৰ উপন্যাসসমূহত ভাষা-সাহিত্যৰ নৱ সংযোজন দেখিবলৈ পোৱা যায়। তেওঁ উপন্যাসসমূহত ঠাই বিশেষে ভাষা-সাহিত্যৰ সংযোজন ঘটাইছে। প্ৰাঞ্জল ভাষাত উপন্যাসমূহ লিখিত হ'লেও থলুৱা ভাষা-সাহিত্যৰ ব্যৱহাৰে ন-দৃষ্টিভংগী প্ৰদান কৰিছে।

বৰদলৈদেৱৰ উপন্যাসৰ জনপ্ৰিয়তাৰ মূলতে হ'ল কাহিনী আৰু ঘটনাৰ চিত্তবিনোদক প্ৰকাশভঙ্গী। তেওঁৰ বক্তব্য উপস্থাপনত ক'তো অস্বাভাৱিকতা নাই। ৰচনাৰীতিত বহুবক্তিতা নাই, সংযমশীলতা আৰু প্ৰয়োজন পূৰণৰ প্ৰচেষ্টা বা প্ৰয়াস প্ৰতিখন উপন্যাসতে দেখিবলৈ পোৱা যায়। ৰচনাৰীতিত উঠা-নমা নাই, ৰচনাৰীতিয়ে সহজ আৰু সম পদক্ষেপত গতি কৰিছে। তেওঁৰ সকলোবোৰ ৰচনাৰ চকুত পৰে দৈনন্দিন জীৱনত সততে ঘৰুৱা পৰিৱেশত ব্যৱহাৰ কৰা সহজ তথা কথনভঙ্গীৰ ভাষাৰ প্ৰয়োগ। বৰদলৈদেৱৰ গদ্যৰীতি অসমীয়া জতুৱা ঠাঁচ, উপমা পটন্তৰৰ দ্বাৰা সমৃদ্ধ। সন্ধি-সমাসযুক্ত কঠিন শব্দৰে তেওঁৰ গদ্য ভাৰাক্ৰান্ত হোৱা নাই। সেইবুলি সংস্কৃতীয়া তৎসম শব্দৰ প্ৰয়োগ যে নাই এনেও নহয়, কিন্তু সি কঠিন নহয়। ভাষা প্ৰয়োগত তেওঁ বাস্তৱ দৃষ্টিভংগী লৈছিল। সেইবাবে মিৰিৰ মুখত তেওঁলোকে কোৱাৰ দৰেই অসমীয়া প্ৰয়োগ কৰিছে। যেনে — 'এতিয়া নিকা

তয়তৰ গৰ চাপিলোঁ কিজানি এই দুকৰ অংয়াৰতো মই এপেৰা নিকা চাইদাৰ জিৰাবলৈ পাওঁ, য়েন জানি বাগে কাওক, বালুকে কাওক মই যাওঁগে।'

এনেকুৱা প্ৰকাশেৰে ৰচনাৰীতি অধিক মনোগ্ৰাহী কৰি তুলিছে। আচলতে পাত্ৰ-পাত্ৰীৰ মুখৰ কথাতহে ভাবৰ প্ৰখৰতা, শব্দ, খণ্ডবাক্য আদি প্ৰয়োগত তেওঁৰ পাৰদৰ্শিতা চকুত পৰে। তেওঁৰ বৰ্ণনা বহু সময়ত চিত্ৰধৰ্মী হৈ পৰিছে। তেওঁৰ গদ্যৰ বাক্য চুটি চুটি, দীঘলীয়া বাক্যবোৰো আকৌ শব্দ, খণ্ডবাক্য, উপমাৰ প্ৰয়োগে মনোগ্ৰাহী ৰূপ দিছে। দ্বিৰুক্তিবাচক, অনুকাৰ-অনুৰূপ শব্দৰ প্ৰয়োগ আন এটা মন কৰিবলগীয়া কথা। নতুনকৈ সৃষ্টি কৰা শব্দ যেনে অভাবুক, কৃপালু, মন্ত্ৰীয়নি, ৰাখনি, জিকাৰু আদি শব্দ কথিত ভাষাৰ পৰা আহৰণ কৰা শব্দহে। তেওঁৰ ভাষণত কামৰূপী কথিত ভাষাৰ শব্দৰ প্ৰয়োগ হৈছে। ইংৰাজী শব্দৰো প্ৰয়োগ হৈছে; কিন্তু এইবোৰে তেওঁৰ গদ্যৰীতি দুৰ্বোধ্য বা কঠিন কৰি তোলা নাই, বৰং বহুসময়ত পাঠকে আমোদহে পাইছিল তাত বাস্তৱতাৰ আঁচোৰ পৰা বাবে। তেওঁ যে ইংৰাজী সাহিত্য অধ্যয়ন বিলাসী আছিল সেই কথা সহজে অনুমান হয় তেওঁৰ গদ্যৰীতিত ইংৰাজী বাক্যৰীতিৰ ধৰ্ম ৰক্ষিত হোৱাৰ বাবে। ৰচনাৰ ভাষাত সাধুকথাৰ ভাষাৰ আড়ম্বৰহীনতা চকুত পৰে। গদ্যৰ প্ৰকাশভঙ্গী আৰু কথাশিল্পীৰ কলাসুলভ দৃষ্টিভংগীৰে বৰদলৈদেৱৰ গদ্যক সুকীয়া বৈশিষ্ট্য দিছে। তেওঁৰ গদ্যৰীতি উত্তৰপুৰুষৰ বাবে অনুকৰণীয় আৰু বহু প্ৰেৰণাদায়ক।

'মিৰি জীয়ৰী'ত সহজ-সৰল স্বভাৱৰ মিৰিসকলৰ অসমীয়া মাত-কথাৰ লগত সঙ্গতি ৰাখি বৰদলৈয়ে অতি সৰল ভাষা প্ৰয়োগ কৰিছে। বাক্যবোৰ চুটি হোৱাৰ লগতে ভাব প্ৰকাশত মুকলি খাৰাংখাচ। গাছিমিৰিয়ে জংকী আৰু পানেইক একেলগে বান্ধি পেলাওঁতে জংকীৰ মুখৰ কথাই এই প্ৰসংগত উল্লেখ কৰিব পাৰি — 'বাৰেগাম! তাই মোৰ তিৰোতা। বাৰেগাম! তাইকনামাৰিবি। বাৰেগাম! তাই মাক-বাপেকক এৰি মোলৈকে বুলি পলাইছিল। বাৰেগাম! সোৱণশিৰিৰ পাৰত থিয় হৈ দুয়ো কাসিং কাৰ্টাঙক সাক্ষী কৰি বিয়া কৰিছোঁ। বাৰেগাম! তাইৰ পেটৰ ল'ৰাটোৰ বধৰ ভাগি নহ'বি। বাৰেগাম! আমাক মাৰি তহঁতৰ লাভ নহয়। বাৰেগাম! মোৰ কনেঙক বধা পাপে তহঁতক পাব। বাৰেগাম তাইক এৰি দে।'

এনেধৰণৰ যি পটভূমিতে বৰদলৈদেৱে উপন্যাস ৰচনা কৰিছে; তেওঁ সেই পটভূমিৰে ভাষা-সাহিত্য ব্যৱহাৰ কৰিছে।

**বুৰঞ্জী আৰু ভাষা-সাহিত্যৰ সামঞ্জস্যতা ঃ**

বৰদলৈদেৱৰ উপন্যাসসমূহত বুৰঞ্জী আৰু ভাষা-সাহিত্যৰ সামঞ্জস্যতা বিশেষভাৱে মন কৰিবলগীয়া। বৰদলৈদেৱে বুৰঞ্জীৰ সমানে ভাষা-সাহিত্যৰ সমতা ধৰি ৰাখিবলৈ সক্ষম হৈযছ। সেয়ে, হয়তো এই যুগতো বৰদলৈদেৱৰ উপন্যাসসমূহে শ্ৰেষ্ঠতৰ অৰ্জন কৰি আহিছে আৰু ক্লাছিকেল লিটাৰেচাৰৰ স্তৰ পাইছে। বৰদলৈদেৱে নিজৰ উপন্যাসসমূহত পটভূমিৰ লগতো সংগতি ৰাখি ভাষা-সাহিত্য ব্যৱহাৰ কৰিছে। 'মিৰি জীয়ৰী' উপন্যাসখন সৃষ্টিৰ উৎসভূমি হ'ল সোৱণশিৰিৰ দুয়োপাৰে বসবাস কৰি অহা মিৰি তথা মিচিংসকলৰ সমাজ, সংস্কৃতি, ধৰ্ম, ধ্যান-ধাৰণা, বিশ্বাস আদি। সেই কাৰণেই সম্ভৱতঃ কোনো সমালোচকে এই উপন্যাসখনে মিৰি বা মিচিং সমাজৰ জাতীয় বুৰঞ্জীৰ অভাৱ দূৰ কৰে বুলি ক'ব খোজে।

বৰদলৈদেৱৰ উপন্যাসসমূহত কথিত ভাষা প্ৰয়োগ কৰা হেতুকে উপন্যাসসমূহ সুকীয়া আৰু বৈশিষ্ট্যপূৰ্ণ। যেনে —

(ক) তই বাল মানু হৈ আমাৰ মিৰিয়নীকো চকু দিয়। আমি তয়তৰ জাৰবো নয়ও। (মিৰি জীয়ৰী, ১৮৯৫)

(খ) বাপা! তই মোক এতিয়া একো নুসুধিবি। মই এই ৰূপেৰে তোক তোৰ পিতৃকলীয়া বিষয়খন ইয়াতে কিনি দিম। (দন্দুৱাদ্ৰোহ, ১৯০৯)

বৰদলৈদেৱে বুৰঞ্জীক অগ্ৰাধিকাৰ দিলেও নিজা ভাষা-সাহিত্যক অৱমাননা কৰা নাই। ভাষা-সাহিত্যও যে বুৰঞ্জীৰ এক অংশ তাকেই প্ৰতিফলন কৰিছে। বুৰঞ্জী অবিহনে ভাষা-সাহিত্যক প্ৰাধান্য দিয়া নাই আৰু ভাষা-সাহিত্য বুৰঞ্জীৰ মূল; কিয়নো জাতীয় ভাষাতে বুৰঞ্জীৰ সৃষ্টি হয়। ইয়াৰ পৰা সহজেই অনুমেয় যে অসম আৰু অসমীয়াৰ জাতীয়তাবোধ বৰদলৈদেৱৰ ৰচনাৰ মূলমন্ত্ৰ।

**বৰদলৈদেৱৰ উপন্যাসত অসমৰ সমাজ ঃ**

সমাজ যে বুৰঞ্জী আৰু ভাষা-সাহিত্যৰ মূল; সেইকথা বৰদলৈদেৱে বাৰুকৈয়ে উপলব্ধি কৰিছিল। সেয়ে, তেওঁৰ কেৱল 'মিৰি জীয়ৰী'য়েই একমাত্ৰ সামাজিক উপন্যাস যদিও 'থাম্বা-থেইবী'ত মণিপুৰী সমাজৰ কথা প্ৰকাশ পোৱাৰ দৰে ঐতিহাসিক উপন্যাসকেইখনৰো প্ৰায়বোৰ ঘটনাৰ লগত সমসাময়িক অসমীয়া সমাজ-সংস্কৃতি ঘনিষ্ঠভাৱে জড়িত হৈ থকা দেখা যায়। কিয়নো বৰদলৈদেৱৰ সেই সময়ৰ সমাজৰ লগত আছিল অতি সুন্দৰ পৰিচয়। মানদেশীয় পটভূমিৰ বৰ্ণনাত সেই ঠাইৰ সমাজ, জীৱনধাৰা, মঠ-মন্দিৰ, ধৰ্ম আদিৰ বৰ্ণনাই সেই কথাৰ প্ৰমাণ দিয়ে।

মিৰিগাঁও, পাহাৰীয়া গাছি মিৰিৰ প্ৰসঙ্গত তেওঁলোকৰ সামাজিক জীৱনৰ সুন্দৰ বৰ্ণনা দিছে। ঘূণাসুঁতিৰ বৰ্ণনা, সোৱণশিৰিৰ লগত মিৰিৰ সম্পৰ্ক, ঐনিতম, বিহুগীতৰ মিৰি সমাজত কেনে সমাদৰ, মৰংঘৰৰ কথা, নৰাছিগা বিহুৰ বিবিধ আচৰণ, কাৰ্ক্সিং কাটাং মিৰিসকলৰ শ্ৰেষ্ঠ দেৱতা, মিৰি সমাজৰ ডেকা-গাভৰুৱে জীৱন লগৰী বাছি লোৱা, দৰাই কন্যাক গা-ধন দিয়া আদি প্ৰথাবোৰে মিৰি সমাজৰ বিষয়ে সম্ভেদ দিয়ে। সেইদৰে স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ ৰাজপাটত থকা কালত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মন্ত্ৰিত্বত দেশৰ শাসন কাৰ্যত বহু অৱনতি হৈছিল। ঘৰৰ বোৱাৰী পিজৌ গাভৰুৰ ষড়যন্ত্ৰমূলক চিঠিখনেই তাৰ প্ৰমাণ। ডা-ডাঙৰীয়াসকলৰ মাজচত হিংসা-হিংসী, পৰশ্ৰীকাতৰতা। ধময়ৰ নামতো সততে মহাপুৰুষ আৰু দামোদৰীয়াৰ মাজত দন-কাজিয়া, ডেকা-গাভৰুৰ ব্যভিচাৰ, বিধৱাৰ প্ৰতি অন্যায়-অত্যাচাৰ, কোনো বিধৱা আকৌ জাৰজ সন্তানৰ মাতৃ হৈ সমাজচ্যুতা আদি নানাভাৱে সমাজ কলুষিত।

অসমীয়া সমাজত বিহুৰ প্ৰভাৱ আটাইতকৈ বেছি। জীয়ৰী-বোৱাৰীয়েও বিহুৰ সময়ত পিঠা-পনা, চিৰা-লাড়ু তৈয়াৰ কৰাটো দস্তুৰ। সেইদৰে চ'তৰ ভিতৰতে বিহুৱান বৈ সাজু কৰাও দৰকাৰ। বিহুৰ সময়ত ঢোল, টকা, পেঁপা, তাল, গগনা লৈ ডেকা-গাভৰুৱে মিলি বিহু গীত গাই গাই হাত দাঙি নচাটোৱে বিহু উৎসৱৰ এটা প্ৰধান অংগ। সেই সুযোগতে বহু ডেকা-গাভৰুৰ মাজত প্ৰণয় গঢ়ি উঠিছিল। এই বিহুৰ সমাদৰৰ কথা বৰদলৈয়ে উপন্যাসত বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে। এই বিহুগীত আৰু নৃত্যত বহুতে আকৌ অশ্লীলতাৰ গোন্ধ পোৱাটোও মন কৰিবলগীয়া কথা। বৰদলৈয়ে অসমৰ বিহুত পুৰণিকলীয়া বিহুৰ লগত জড়িত কিবা বেয়া কথা থাকিলেও তাক ভাল বুলি দেখুৱাবলৈ কোৱা কথা মন কৰিবলগীয়া।

অসমৰ সত্ৰ আৰু বিবিধ উৎস-অনুষ্ঠান, সত্ৰৰ নিয়ম-নীতি আদিৰ কথাও উপন্যাসত নানা ঠাইত উল্লেখ কৰি গৈছে। 'বৰপেটা সত্ৰৰ স্বত্ব প্ৰজাতন্ত্ৰৰ ওপৰত' অৰ্পিত হৈছিল বুলি উল্লেখ কৰাৰ লগতে বুধিয়ক, চতুৰজনে সাধাৰণক বান্দৰে সাহ খাই শিয়ালক বাকলি দিয়ৰ দৰে ব্যৱহাৰ কৰিছিল। বৰদলৈয়ে কোৱা কথাত তাৰ ইংগিত পোৱা যায়। যেনে — 'অজলা ৰাইজখনক চূণটেপা আৰু পাণখিলা দি মুখিয়ালকেইজনে সদায় বৰ চৰুটো আত্মসাৎ কৰিবলৈ অভিপ্ৰায় কৰিছিল।'

আমাৰ সমাজত আহোমৰ শাসনকালতে দুৰ্গোৎসৱৰ বিষয়ে বিশেষ স্থান পাইছিল। ৰজাঘৰীয়া দুৰ্গোৎসৱৰ উলহ-মালহৰ তুলনা নাই। সৎৰামে তাতেই কিংখাপৰ চোলা পিন্ধি বিপদত পৰিছিল। বদন বৰফুকনে এই আনন্দমুখৰ পৰিৱেশৰ মাজতেই ৰূপসিং বঙালৰ হাতত প্ৰাণ দিছিল। উলহ-মালহেৰে পতা দুৰ্গোৎসৱ চাবলৈ আহিয়ে দয়াৰামৰ প্ৰেমিকা ৰহদৈ ৰজাৰ চকুত পৰিল আৰু বিজয়াৰ দেৱী বিসৰ্জনৰ উৎসৱমুখৰ পৰিৱেশৰ পৰা আহোঁতে এটা বিশেষ মুহূৰ্তত দুয়োৰে প্ৰেমালাপৰ মাধ্যমত পাৰস্পৰিক মন দিয়া দিয়ি হৈ গ'ল আৰু সেই মুহূৰ্তত ৰহদৈয়ে 'বাটেপথে আগলৈ এনেকুৱা নকৰিবি' বুলি দয়াৰামক সাৱধান কৰিছিল। এইদৰে বৰদলৈদেৱে উপন্যাসত ৰজাঘৰীয়া দুৰ্গোৎসৱৰ গুৰুত্বপূৰ্ণ বৰ্ণনা পোৱা যায়। মোৱামৰীয়াসকলৰ পদত প্ৰকাশিত অলৌকিক শক্তিৰ পুথি আৰু তাৰ বলতে 'কালসংহতি' পন্থ হোৱা কথাৰো উল্লেখ আছে। মানে অসম কি পৰিমাণে ধ্বংস কৰিছিল তাৰো বিৱৰণ আছে উপন্যাসত, বিশেষকৈ 'নিৰ্মল ভকত'ত পোৱা যায়। কামাখ্যাত কুমাৰী পূজাৰো উল্লেখ আছে। অসমীয়া মানুহ ধৰ্মভীৰু, সকলো কথাতে ঈশ্বৰৰ ওপৰতে ভাৰসা কৰি চলিছিল। দুখ-কষ্টৰ মাজত মনৰ শাক্তিৰ বাবে বৰগীত গোৱা প্ৰথা আছিল, ৰুক্মিণীয়ে প্ৰেমিক ৰমাকান্তৰ দ্বাৰা উপেক্ষিতা হোৱাৰ পিছত কৃষ্ণগীত গায়ে সময় কটাইছিল। এইদৰে দেখা যায় যে বৰদলৈয়ে কাহিনীৰ বৰ্ণনাত ঘটনাৰ মাজে মাজে পৰিৱেশৰ লগত সম্পৰ্ক ৰক্ষা কৰি সমসাময়িক অসমৰ সমাজ-সংস্কৃতিৰ বিষয়ে প্ৰচুৰ সম্ভেদ দি গৈছে। সেই সকলোবোৰ আছিল তথ্যভিত্তিক, প্ৰকৃত কথাৰ বাস্তৱ ছবি ক'তো ৰং-ৰহণ সনাৰ চেষ্টা কৰা নাছিল। ইয়ো তেওঁৰ উপন্যাসৰ এক বিশেষত্ব বা বৈশিষ্ট্য।

**সামৰণি ঃ**

বৰদলৈদেৱৰ উপন্যাসসমূহ আজিও অসমীয়া ভাষা-সাহিত্যৰ বাবে এক অমূল্য অৱদান। এই উপন্যাসসমূহত কেৱল বুৰঞ্জী বা ভাষা-সাহিত্যৰ প্ৰতিফলন হৈছে তেনে নহয়। এই উপন্যাসসমূহত সেই সময়ত অসমৰ ৰাজনৈতিক, প্ৰাকৃতিক, বৌদ্ধিক, ধাৰ্মিক আৰু ইয়াৰ আনুষংগিক কিছুমান বিষয়ো উল্লেখ কৰা হৈছে। ইয়াৰ সমানেই তেওঁ প্ৰভাৱিত হোৱা সাহিত্যকসকলৰো সাহিত্যৰ প্ৰতিফলন উপন্যাসকেইখনত দেখিবলৈ পোৱা যায়। সেই সাহিত্যিকসকলৰ ভিতৰত স্কট আৰু বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ক প্ৰাধান্য দিব লাগিব।

বৰদলৈদেৱে উপন্যাসসমূহত নাৰী চৰিত্ৰক গুৰুত্ব দিয়াতো। এক সুন্দৰ চিন্তা বুলি ক'ব পাৰি। সেই সময়ৰ অসমৰ সমাজত নাৰীৰ মৰ্যাদাৰ প্ৰতি কিছু সচেতন হোৱা দেখা যায়। সমাজত নাৰীৰ যে সন্মানজনক স্থান নাছিল, বেছি ভাগতে

অৱজ্ঞাৰ পাত্ৰীৰূপেহে দেখা দিছিল আৰু সেই অৱহেলাৰ বাবে নাৰীয়ে আক্ষেপ কৰিছিল, নহ'লে তেনে দুৰ্দশাৰ সীমাৰেখা অতিক্ৰম কৰি স্বাধীনতা লাভ কৰিবলৈ মন কৰিছিল। অসমৰ সমাজত নাৰীক অৱমাননা কৰাটো এটা দুৰ্ভাগ্যজনক ৰীতি। ইয়াৰ সংস্কাৰ সাধনৰ প্ৰয়োজন। উঠি অহা চামক সমাজা সংস্কাৰৰ দিশত এইবোৰৰ প্ৰতি আকৰ্ষিত কৰাটো আছিল বৰদলৈদেৱৰ অন্যতম লক্ষ্য।

বৰদলৈদেৱৰ উপন্যাসৰ আন এক দিশ হ'ও — প্ৰকৃতি। তেওঁৰ উপন্যাসৰ প্ৰায় অংশতে প্ৰকৃতিৰ মনোমোহা ৰূপৰ বৰ্ণনা কৰিছে। তেওঁ ক'তো অতিৰঞ্জত কৰা নাই। প্ৰকৃতিৰ মুকলি পৰিৱেশত ডাঙৰ হোৱা গাভৰু পানেইৰ জংকীক প্ৰত্যক্ষ প্ৰেম প্ৰস্তাৱ, ম'হ চৰাই প্ৰকৃতিৰ কোলাত একেলগে ডাঙৰ হোৱা দয়াৰাম-ৰহদৈৰ প্ৰেম, বসন্তৰ বলিয়া বাৰ পৰশত মনোমতী-লক্ষ্মীকান্তৰ মন উদ্বাউল হোৱাই প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কৰ বৰ্ণনা দিছে।

বৰদলৈদেৱৰ উপন্যাসত অলৌকিকতাৰ সমাৱেশ আন এটা মন কৰিবলগীয়া কথা। ইয়াৰ মূলতে তেওঁৰ ঈশ্বৰ বিশ্বাসৰ কথাকে সোঁৱৰায়। 'মিৰি জীয়ৰী', 'ৰহদৈ লিগিৰী' আৰু 'তাম্ৰেশ্বৰীৰ মন্দিৰ' উপন্যাসত অলৌকিকতাৰ সমাৱেশ ঘটিছে।

বৰদলৈদেৱৰ উপন্যাসত ৰাজনৈতিক পৰিস্থিতিৰো সম্ভেদ পোৱা যায়। তেওঁৰ উপন্যাসত চন্দ্ৰকান্ত সিংহ ৰাজপাটত উঠাৰ পৰা বৃটিছে অসম দখল কৰালৈকে এই কালছোৱাৰ বিতং বিৱৰণ পোৱা যায়। ৰাণী ফুলেশ্বৰী কুঁৱৰীক বৰৰজা পাতি ৰাজকাৰ্য দিয়া, সৎৰামৰ অপকৰ্ম তথা নিৰ্বাসন, পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৰিৱৰ্তিত স্বভাৱ, বদনৰ মানক আমন্ত্ৰণ আদি সত্য ঘটনা। যিয়ে আহোম ৰাজসাম্ৰাজ্যৰ ছবি সলনি কৰি পেলালে।

বৰদলৈদেৱৰ উপন্যাস অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। আবাল-বৃদ্ধ-বনিতা সকলোকে তেওঁৰ উপন্যাসে অসীম আনন্দ দিয়ে। জনজাতি-অজনজাতি সকলোকে একমুঠ কৰাত তেওঁৰ উপন্যাসৰ তুলনা নাই। সেয়া, যিয়ে নহওক, কিন্তু তেওঁৰ উপন্যাসত যে বুৰঞ্জী আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিফলন বিশুদ্ধ আৰু সম্পূৰ্ণৰূপে পৰিস্ফুট তাক অমান্য কৰিব নোৱাৰি।■



# আমাৰ অসমৰ সংস্কৃতি

সুনীতা ছেত্ৰী
একাদশ শ্ৰেণী (কলা)

আমাৰ ৰাজ্য অসম বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। ইয়াত থকা জাতিসমূহৰ লগতে জনজাতিসকলৰ ভাষা আৰু সংস্কৃতিয়ে গুৰুত্বপূৰ্ণঅৱদান আগবঢ়াই আহিছে। জনজাতিসকলৰ ভিতৰত বড়ো-কছাৰী, দেউৰী, তিৱা, গাৰো, ডিমাছা, মিচিং, আদিবাসী আৰু ৰাভা আদি প্ৰধানকৈ উল্লেখযোগ্য। ইয়াৰ উপৰিও ভাৰতৰ ভিন্ন প্ৰান্তৰ পৰা হিন্দী, বাংলা, নেপালী আদি ভাষা-ভাষী লোকো ইয়াৰ বাসিন্দা। অসমত বসবাস কৰা জনগোষ্ঠীসমূহ নিজস্ব ভাষা সাহিত্য, সামাজিক ৰীতি-নীতি, সাজ-পাৰৰ বৈশিষ্ট্য, আ-অলংকাৰ আৰু উৎসৱ-পাৰ্বণ আদিৰে পুষ্ট। এই সকলো জাতি-জনগোষ্ঠীৰ নিজা নিজা সংস্কৃতি আছে। কিন্তু নৈৰ পানী গৈ সাগৰত মিলি যোৱাৰ দৰে এই সকলো সংস্কৃতিৰ আধাৰত বৃহৎ অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। সেয়েহে, অসমীয়া সংস্কৃতি বুলিলে এক উমৈহতীয়া সংস্কৃতিৰ কথা বুজা যায়।

অসমত বাস কৰা সকলো জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, সংগীত-নৃত্য, আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, আ-অলংকাৰ, বিবাহৰ পদ্ধতিৰ লগতে ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰম্পৰাগত সমন্বয় সাধিত হৈ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। অসমীয়া সংস্কৃতিলৈ অৱিহণা যোগোৱাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান উল্লেখযোগ্য। মহাপুৰুষজনাৰ আবিৰ্ভাৱৰ পাছত অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া অধিক সংহত আৰু গতিশীল হৈ পৰে। মহাপুৰুষজনাৰ অৱদানে অসমীয়া সমাজত এটা শক্তিশালী অসমীয়া সংস্কৃতি গঢ়ি তোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অবিহনে অসমীয়া সংস্কৃতিৰ কথা ভাবিব নোৱাৰি। তেওঁ এফালে যিদৰে গীত-পদ, ভাওনা আদিৰ সৃষ্টি কৰিলে আনফালে তেওঁ নিজ উদ্ভাৱনাৰে খোল-তাল আদিৰো সৃষ্টি কৰি অসমীয়া সংস্কৃতিক এটা স্বকীয় ৰূপত প্ৰতিষ্ঠিত কৰিলে। মহাপুৰুষজনাই সৃষ্টি কৰা নামঘৰ আৰু সত্ৰ অসমীয়া কৃষ্টিৰ বৰখুঁটা। তেখেতে সৃষ্টি কৰা সত্ৰীয়া নৃত্য সমগ্ৰ ভাৰতী লোকে সন্মান লাভ কৰিছে।

*অসমৰ প্ৰচলিত নৃত্য-গীতসমূহৰ ভিতৰত জিকিৰ, মহখেদা গীত, নাও খেলৰ গীত, বিহুগীত, হুঁচৰি, দেউৰী নৃত্য, ঝুমইৰ নৃত্য, খেৰাই নৃত্য, দেওধনী নৃত্য আদি...*

অসমীয়া সংস্কৃতি গঢ়ি তোলা কিছুমান উপাদানৰ বিষয় হ'ল — পুৰণি কালৰে পৰা অসমীয়া সমাজত কিছুমান ৰীতি-নীতিৰ প্ৰচলন হৈ আহিছে। কিছুমান কাম-কাজ বা নীতি-নিয়ম বহুদিনৰ পৰাই ধাৰাবাহিকভাৱে চলি আহিছে। এই ৰীতি-নীতিবোৰ সমাজখন শৃংখলাবদ্ধভাৱে চলিবলৈ সহায় কৰে। যেনে — ঘৰলৈ আলহী আহিলে তামোল-পাণ

আৰু চাহ-জলপান আগবঢ়োৱা, পৰিয়ালৰ জ্যেষ্ঠজনক সন্মান কৰা, কাতি বিহুৰ দিনা তুলসীৰ তলত আৰু খেতি পথাৰত চাকি জ্বলোৱা আদি। অসমৰ স্থানীয় ভাষা অসমীয়া। ইয়াৰ উপৰি অসমত বিভিন্ন জনজাতীয় ভাষা আৰু হিন্দী, বাংলা, নেপালী আদি ভাষাও প্ৰচলন হৈ আছে। অসমীয়া ভাষাত বিভিন্ন জনজাতীয় ভাষশসমূহৰ শব্দ সোমাই আছে। অসমীয়া সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে নানা গীত-পদ, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা আদি লৌকিকভাৱে চলি আহিছে। কোনো এটা জাতিৰ সাজ-পাৰ সেই জাতিটোৰ সংস্কৃতিৰ পৰিচয় দিয়। অসমত বাস কৰা বিভিন্ন জাতি আৰু জনজাতি সকলো নিজা নিজা সাজ-পাৰ আছে। সাধাৰণতে অসমৰ মহিলাসকলে ৰিহা, মেখেলা, চাদৰ আদি পিন্ধে। পুৰুষে ধুতি, চেলেং-চাদৰ, কুৰ্তা আদি পিন্ধে। জনজাতি লোকসকলৰো নিজৰ নিজৰ সাজ-পাৰ আছে। তেওঁলোকৰ সাজ-পাৰ সাধাৰণতে উজ্জ্বল ৰঙৰ হয়। যুগৰ লগতে মানুহৰ সাজ-পাৰৰো পৰিৱৰ্তন ঘটে, সেয়েহে আজিকালি পুৰুষে লংপেণ্ট, চাৰ্ট, পাইজামা আৰু মহিলাসকলে শাৰী, চুৰিদ্দাৰ আদিও পৰিধান কৰা দেখা যায়। অসমীয়া সমাজত আ-অলংকাৰৰ গুৰুত্ব অতি বেছি। বিবাহ, নৃত্য, উৎসৱ-পাৰ্বণ আদিত আ-অলংকাৰ ব্যৱহাৰ কৰাটো পৰম্পৰা। অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান আ-অলংকাৰ হ'ল — কেৰু, জোনবিৰি, ঢোলবিৰি, গামখাৰু, লোকাপাৰ, খোপাফুল, কাণফুল, গলপতা, আঙঠি, থুৰীয়া, দুগদুগী, নাকফুল আদি। বিহু অসমীয়াৰ জাতীয় উৎসৱ। সেইবাবে জাতি-ধৰ্ম নিৰ্বিশেষে সকলো অসমীয়াই বিহু উৎসৱ পালন কৰে। জাতীয় উৎসৱৰ মাজেৰে জাতিৰ সভ্যতা-সংস্কৃতিৰ প্ৰতিফলন হয়। অসমৰ জাতীয় উৎসৱ বিহু কৃষিভিত্তিক হোৱা বাবেই অসমৰ সকলো জনজাতিয়েই এই বিহু পালন কৰে। অৱশ্যে জনজাতিসমূহৰ কিছুমান নিজস্ব পৃথক ৰীতি-নীতি থাকে আৰু বিহুকেইটা সামান্য পৃথকভাৱে পালন কৰে। বড়োসকলে বৈশাগু আৰু খেৰাই পূজা পালন কৰে। কাৰ্বিসকলৰ ৰংকাৰ আৰু হেচ্ছা, মিচিংসকলে আলি-আয়ে-লৃগাং পালন কৰে। ডিমাছাসকলৰ ঘাই উৎসৱ হৈছে ৰাজিনীগাব্ৰা আৰু হানিগাব্ৰা। ৰাভাসকলে বাইখো, দেউৰীসকলে বৈশাগীত আদি উৎসৱ পালন কৰে। এই সকলোবোৰ উৎসৱ কৃষিৰ লগত জড়িত। ইয়াৰ উপৰি অসমত কিছুমান ধৰ্মীয় আৰু সামাজিক উৎসৱো পালন কৰা হয়।

অসমৰ প্ৰচলিত নৃত্য-গীতসমূহৰ ভিতৰত জিকিৰ, মহখেদা গীত, নাও খেলৰ গীত, বিহুগীত, হুঁচৰি, দেউৰী নৃত্য, ঝুমইৰ নৃত্য, খেৰাই নৃত্য, দেওধনী নৃত্য আদি। এই নৃত্য-গীতসমূহৰ লগত সাধাৰণতে ঢোল, পেঁপা, গগনা, টকা, চিফুং, সূতলী, খোল, তাল, দোতোৰা, বাঁহী, শিঙা, বীণ, টোকাৰী আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়।

অসমীয়া সংস্কৃতিৰ আন দুবিধ নৃত্য হ'ও — পুতলা নাচ আৰু ওজাপালি। পুতলা নাচৰ সহায়ত ৰামায়ণ-মহাভাৰতৰ কাহিনী ৰূপায়ণ কৰা হয়। ওজাপালি অসমৰ পুৰণিকলীয়া গীত-নৃত্যৰ অনুষ্ঠান।

অসমীয়া মানুহৰ খোৱা-বোৱাত স্বকীয় বৈশিষ্ট্য আছে। অসমৰ মাটি ধান খেতিৰ উপযোগী। সেইবাবে অসমৰ মানুহৰ প্ৰধান খাদ্য হৈছে ভাত। তাৰ উপৰি অসমৰ মানুহে চাউলৰ পৰা বিভিন্ন খাদ্য বস্তু প্ৰস্তুত কৰি লয়।এই খাদ্যবোৰ হ'ও চিৰা, মুৰি, হুৰুম, আখৈ, সান্দহ, কৰাই গুড়ি, কোমল চাউল, তিলপিঠা, ঘিলাপিঠা আদি।

ইয়াৰ উপৰি অসমৰ মানুহে নানা ধৰণৰ শাক-পাচলি, ফল-মূল আদি আহাৰ হিচাপে গ্ৰহণ কৰে।■

# বৰগীত আৰু জিকিৰ

হাছান আখটাৰ ফৰিদ
প্ৰাক্তন ছাত্ৰ



বৰগীতৰ স্ৰষ্টা হৈছে মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱ। মহাপুৰুষ দুজনাই সকলো জাতি আৰু জনজাতিৰ মাজত একতা আৰু সম্প্ৰীতি স্থাপন কৰিবৰ কাৰণে বৰগীত ৰচনা কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ বৰগীতসমূহ ভক্তি বিষয়ৰ আৰু মহাপুৰুষ মাধৱদেৱৰ বৰগীতসমূহ লীলা বিষয়ৰ।

মহাপুৰুষ শংকৰদেৱে প্ৰায় ছকুৰিমান বৰগীত ৰচনা কৰিছিল। কিন্তু কমলা গায়নে আওবাবলৈ নি ঘৰ পোৰা জুইত পুৰি বহু গীত নষ্ট কৰিলে। বৰ্তমান শংকৰদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ সংখ্যা চৌত্ৰিশটা। বৰগীতসমূহ পুৰি নষ্ট হোৱাত শংকৰদেৱৰ আজ্ঞান অনুসৰি মাধৱদেৱে ন-পুৰণি গীতৰ মুঠ নকুৰি এঘাৰটা বৰগীত ৰচনা কৰিলে।

বৰগীতৰ স্ৰষ্টা মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ এটি চমু বিৱৰণ তলত আগবঢ়োৱা হ'ল —

অসমৰ বৈষ্ণৱ ধৰ্মগুৰু শ্ৰীশ্ৰীশংকৰদেৱৰ জন্ম হৈছিল ১৪৪৯ খ্ৰীষ্টাব্দত বৰদোৱাৰ ওচৰৰ আলিপুখুৰী নামে ঠাইত। তেওঁ ভূঞা বংশত জন্মগ্ৰহণ কৰিছিল। শংকৰদেৱৰ পিতৃ-মাতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু সত্যসন্ধ্যা। শংকৰদেৱৰ জন্ম হোৱা দিনা ভূঞাসকলৰ ঘৰৰ দেৱী মূৰ্তিৰ আগত জ্বলি থকা এশগছ বন্তি নুমাইছিল। দেৱী মূৰ্তিবোৰ কাতি হৈ পৰিছিল।

জন্মৰ পিছত সন্তৰাম দৈৱজ্ঞক মতাই আনি গণোৱাত, দৈৱজ্ঞই গণি-পড়ি ক'লে যে, এই শিশুৰ দ্বাৰাই অসংখ্য প্ৰাণীয়ে মুক্তি পাব। দেৱীৰ উপাসনা লোপ হ'ব। স্মৃতি, ভাগৱত, পুৰাণ আদি সৰল ভাষাত ৰচিত হৈ মানুহে অলপ বিদ্যাৰে বহুত জ্ঞান লাভ কৰিব পৰা কোমল শাস্ত্ৰ সকল প্ৰচাৰিত হ'ব; নাম-ধৰ্ম উজান ভাটীত প্ৰচাৰিত হ'ব।

মহাপুৰুষ শংকৰদেৱৰ সৰুতেই পিতৃ-মাতৃ ঢুকোৱাত বুঢ়ীমাক (কুসুম্বৰ ভূঞাৰ মাক) খেৰসূতীয়ে তুলি-তালি ডাঙৰ-দীঘল কৰে। শংকৰদেৱে ভক্তি ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই সাহিত্য ৰচনা কৰে। শংকৰদেৱ একেধাৰে কবি, সমাজ সংস্কাৰক, ধৰ্ম প্ৰৱৰ্তক, নাট্যকাৰ, অভিনেতা, সঙ্গীতজ্ঞ আৰু পৰমভক্ত। শংকৰদেৱে অসমীয়া সমাজখন সংস্কাৰ কৰি সত্ৰ-নামঘৰ পাতি জনগণৰ মাজত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। শংকৰদেৱৰ ওচৰত গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাইয়ে শৰণ লৈ শিষ্যত্ব গ্ৰহণ কৰিছিল। শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ লগতে হিন্দু আৰু মুছলমানৰ মাজতো সম্প্ৰীতি স্থাপন কৰিবলৈ আজীৱন ব্ৰতী হৈ আছিল। শংকৰদেৱে তেওঁৰ নিজৰ আচল ৰূপ চান্দসাই (মুছলমান দৰ্জী)কে দেখুৱায়। এবাৰ শংকৰদেৱে চান্দসাই দৰ্জীক চোলা এটা চিলাই দিবলৈ ক'লে। চান্দসাইয়ে সেই সময়ত গুৰু শংকৰদেৱৰ বিষ্ণুৰূপ দেখা পাই চোলাটোত চাৰিখন হাত দিলে। শংকৰদেৱে চোলাটোত চাৰিখন হাত দিয়াৰ কাৰণ সুধিলে। তেতিয়া চান্দসাইয়ে ক'লে — "গুৰুকযি ৰূপত দেখিলো, সেই মতে চাৰিহাত দিলো।" তেতিয়া শংকৰদেৱে কথাটো আনক ক'বলৈ মানা কৰি চোলাটোৰ দুখন হাত কাটি দিবলৈ চান্দসাইক আদেশ দিলে। এই বৰ্ণনাত অতিৰঞ্জিকতা আছে যদিও ভকতসকলৰ মুখে মুখে এই ঘটনাৰ কথা চলি অহাটোৱেই প্ৰমাণ কৰে শংকৰদেৱৰ প্ৰতি চান্দসাইৰ প্ৰগাঢ় ভক্তি আছিল আৰু চান্দসাইৰ প্ৰতিও শংকৰদেৱৰ অন্তৰত এক এৰাব নোৱাৰা প্ৰীতিভাৱ আছিল।

মহাপুৰুষ মাধৱদেৱৰ জন্ম হৈছিল ১৪৮৯ খ্ৰীষ্টাব্দত উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ কাচিকটা নৈৰ পাৰত। তেওঁৰ পিতৃৰ নাম গোবিন্দগিৰি ভূঞা আৰু মাতৃৰ নাম মনোৰমা। মহাপুৰুষ মাধৱদেৱ কালক্ৰমত শংকৰদেৱৰ সান্নিধ্যলৈ আহি ধৰ্ম সেৱাত ব্ৰতী হয়।

মাধৱদেৱ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ প্ৰিয়তম শিষ্য, অনুগত সেৱক আৰু সংগী। মহাপুৰুষ শংকৰদেৱৰ বৈষ্ণৱ আন্দোলন সফল আৰু সাৰ্থক ৰূপত পৰিণত কৰাৰ কৃতিত্ব কেৱল শংকৰদেৱৰেই প্ৰাপ্য নহয়, মাধৱদেৱৰো সমানেই প্ৰাপ্য। এওঁলোক দুগৰাকীৰ জীৱন এনেভাৱে জড়িত যে এজনক বাদ দি আনজনৰ ব্যক্তিত্বৰ মূল্যাংকন কৰা সম্ভৱ নহয়।

মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ ভাবানুবাদ তলত আগবঢ়োৱা হ'ল।

মহাপুৰুষ শংকৰদেৱৰ বৰগীত ঃ

ৰাগ-ধনশ্ৰী

ধ্ৰুং - নাৰায়ণ চৰণে কৰোহোঁ গোহাৰি।
বিষয়-বিলাস-পাসে ছান্দি ইন্দ্ৰিয় মোহি
ওহি লুটে বাটোৱাৰী।।

পদ - নাগা গন্ধ মধুৰ ৰস ৰসনা
শ্ৰৱনে বিবিধ ধুনি ধাই।
নয়নে ৰূপ পৰশ ত্বচ চাহে
কাহে ভজোহোঁ পহু পাই।।
কাম ক্ৰোধ মদ মান মোহ মেৰি
ঐসব বৈৰী বিশাল।
শংকৰ কহ পহু তুহু বিনে নাহি আৰ
সেৱক পাল গোপাল।।

ভাৱানুবাদ ঃ নাৰায়ণ, তোমাৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ। ডকাইতে যিদৰে বাটৰুৱাক বান্ধি ধন লুটি নিয়ে সেইদৰে মোকো ইন্দ্ৰিয়সমূহে বিষয়ভোগ আৰু বিলাসিতাৰ ৰছীৰে বান্ধি ধন লুটি নিছে। নাকে সুগন্ধৰ ফলে, জিভাই মধুৰ ৰসৰ ফালে আৰু কাণে বিবিধ শব্দৰ ফালে ঢাপলি মেলিছে; চকুৱে সুন্দৰ ৰূপ বিচাৰে আৰু গাৰ ছালে সুখকৰ স্পৰ্শ বিচাৰে। এনে অৱস্থাত প্ৰভুৰ চৰণত কেতিয়া ভজনা কৰোঁ? কাম, ক্ৰোধ, মদ, অভিমান, মোহ — এই সকলোবোৰ মোৰ পৰম শত্ৰু। শংকৰে কৈছে হে প্ৰভু গোপাল (ইন্দ্ৰিয়সমূহৰ পালক চৈতন্য স্বৰূপ পৰমাত্মা), তোমাৰ বাহিৰে সেৱকজনক পালন কৰোঁতা আৰু কোনো নাই।

মহাপুৰুষ মাধৱদেৱৰ বৰগীত ঃ

ৰাগ-ধনশ্ৰী

ধ্ৰুং - ৰে মন ৰামচৰণ ধন সেৱনা।
বেদ বচন শুনি ৰামনাম বিনি
নাহি নাহি ভৱকো তৰণা।।

পদ - বিষয়-বিলাস পাশে বন্দী পৰনা
ধৰণা হৰিকো চৰণা।
মানৱী দেহহ নিত নাহি দেখুৰে
আপুন নিকট ভয়ো মৰণা।।
যাৰে নাহি জীৱ আপোন কেৰি ছুটে ৰে
ৰামচৰণে লেহু শৰণা।
মাধৱ দাস মূৰখমতি কহয়
গতি গোৱিন্দ দোহো চৰণা।।

ভাৱানুবাদ ঃ হে মন, ৰামৰ চৰণকে পৰম ধন বুলি ভাবি সেৱা কৰিব লাগে। বেদৰ এই বচন শুনিবলৈ পোৱা যায় — ৰামনামৰ বাহিৰে এই ভৱসাগৰৰ পৰা উদ্ধাৰকৰ্তা আৰু কোনো নাই। বিষয়সমূহৰ বিলাসে জীৱন বন্দী কৰিবলৈ জাল পাতি থৈছে। তাৰ পৰা ৰক্ষা পাবৰ কাৰণে হৰিৰ চৰণতহে ধৰিব লাগিব। এই মানৱী দেহাক নিত্য বুলি নাভাবিবা। মৰণ নিজৰ ওচৰ চাপি আহিছে। গতিকে প্ৰাণবায়ু ওলাই যোৱাৰ আগতে ৰামৰ চৰণত শৰণ লোৱাঁ। মূৰ্খমতি মাধৱে কৈছে — সংসাৰ বন্ধনৰ হাত সাৰিবলৈ গোৱিন্দৰ চৰণযুগলৰ বাহিৰে অন্য কোনো উপায় নাই।

আজান ফকিৰেও হিন্দু আৰু মুছলমানৰ মাজত থকা জাতি-ভেদ, ভেদা-ভেদ শেষ কৰি সম্প্ৰীতি স্থাপনৰ কাৰণে জিকিৰ গীতবোৰ ৰচনা কৰি গৈছিল।

সংসাৰৰ অনিত্যতা, আল্লাৰ নামৰ মহিমা, মুছলমান ধৰ্মৰ ৰীতি-নীতি 'জিকিৰ' নামৰ এই কীৰ্তনীয়া গীতবোৰত বৰ্ণিত হৈছে। এক শৰণীয়া বৈষ্ণৱ ধৰ্মৰ নামৰ মহিমা, গুৰুবাদৰ সামঞ্জস্য জিকিৰত লক্ষ্য কৰা যায়।

ইৰাকৰ বাগদাদ চহৰত ১৬১০ খ্ৰীষ্টাব্দত আজান ফকিৰৰ জন্ম হয়। এওঁৰ আচল নাম আছিল ছাহ মীলান। আজান ফকিৰে অসমলৈ আহি হাজোত থাকিবলৈ লৈছিল। হাজোত থকা সময়তে মীলানে অসমীয়া মাত-কথা, অসমীয়াৰ আচাৰ-ব্যৱহাৰ ভালকৈ আয়ত্ত কৰি লৈছিল। হাজোৰ পৰা আহি মীলানে আহোম ৰজাৰ ৰাজধানী গড়গাঁৱৰ কাষতে থকা চুণপোৰা নামৰ ঠাইত স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। সেই সময়ত চুণপোৰাত ভালেসংখ্যক মুছলমান লোকে বাস কৰিছিল যদিও নামাজ পঢ়িবৰ কাৰণে তেওঁলোকৰ মাজত মছজিদ নাছিল। ছাহ মীলানে নিজে আজান দিছিল কাৰণে শেষত তেওঁ আজান ফকিৰ নামেৰে খ্যাত হৈ পৰিছিল। ইয়াত বাস কৰাৰ সময়ত তেওঁ অসমীয়া সমাজত প্ৰচলিত আইনাম, বিয়ানাম, দেহ বিচাৰৰ গীত আৰু ভকতসকলৰ মাজত প্ৰচলিত গুৰু দুজনাৰ বৰগীত, ঘোষা-কীৰ্তন আদিৰ সুৰ, ছন্দ আয়ত্ত কৰি লৈছিল।

শংকৰদেৱৰ দ্বাৰা প্ৰচলিত একশৰণীয়া ভাগৱতী বৈষ্ণৱ ধৰ্মৰ 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' বাণীয়ে আজান ফকিৰক মুগ্ধ কৰিছিল। ইয়াত তেওঁ ইছলাম ধৰ্মৰ সাদৃশ্যতা উপলব্ধি কৰিব পাৰিছিল। শংকৰী ধৰ্মৰ উদাৰতাই তেওঁৰ মন-প্ৰাণ মুহি পেলাইছিল। তেওঁৰ মানত সকলো মানুহ সমান। এনে উদাৰ মনোভাৱৰ কাৰণে (হিন্দু-মুছলমান উভয়ৰে কাৰণে) আজান ফকিৰ এজন জনপ্ৰিয় ধৰ্মগুৰু, পৰমবন্ধু, পথ প্ৰদৰ্শক আৰু পৰামৰ্শদাতা হৈ পৰিছিল।

আজান ফকিৰে সেই সময়ত অসমত প্ৰধানকৈ দুটা সম্প্ৰদায় দেখা পাইছিল। এটা হ'ল হিন্দু সম্প্ৰদায় আৰু আনটো হ'ল মুছলমান সম্প্ৰদায়। এই দুটা সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি স্থাপনৰ কাৰণে তেওঁ আজীৱন ব্ৰতী হৈ আছিল।

আজান ফকিৰৰ দ্বাৰা ৰচিত কেইটামান জিকিৰ আগবঢ়োৱা হ'ল।

আজান ফকিৰৰ জিকিৰ ঃ

হিন্দু আৰু মুছলমানৰ মাজত সম্প্ৰীতি স্থাপনৰ কাৰণে তেখেতে গাইছে —

মোৰ মনত ভেদ ভাব নাই অ' আল্লা
মোৰ মনত ভিন-পৰ নাই অ' আল্লা
হিন্দু কি মুছলমান, একে আল্লাৰ ফৰমান

মোৰ মনত একেটি ভাব।

আজান ফকিৰে কৈছে যে, হিন্দুৰ মাহ-প্ৰসাদ আৰু মুছলমানৰ ৰুটি দুয়ো একেই। নামঘৰত হিন্দুৱে নামৰ অন্তত মাহ-প্ৰসাদ খায়। নামাজৰ অন্তত মুছলমানে মছজিদত ৰুটি খায়।

এ হিন্দুৱে বিলালে, হয় চাহাব হয়,
মাহে প্ৰসাদ, হয় চাহাব হয়
হায় হায় ঐ, মুছলমানে বিলালে ৰুটি
আল্লাৰ ৰহমৰ গিৰিহঁত, তুমি আল্লা চাহাব ঐ
যদি কৰা দৰিয়াৰ পাৰ।

আজান ফকিৰে কৈছে যে, কোৰাণ, পুৰাণ আদি ইছলাম আৰু হিন্দু ধৰ্মৰ ধৰ্ম গ্ৰন্থবোৰে একে কথাকে কৈ গৈছে।

কোৰাণে-পুৰাণে এককে কৈছে
বুজিবা গিয়ানৰ লোকে,
সন্ত-মহন্ত আউলীয়া সকলে
একেটি নামতে খাটে।

আজান ফকিৰে শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শত বিশেষভাৱে আকৰ্ষিত হৈছিল। তেওঁলোক দুজনৰ নীতিকে সাৰোগত কৰি আজান ফকিৰে মানুহৰ মাজত প্ৰকৃত পথ দেখুৱাবৰ কাৰণে প্ৰয়াস কৰিছিল।

কাৰ ঘৰৰ জীয়াৰী কাৰ ঘৰৰ বোৱাৰী
ভাঙি কথাষাৰি কোৱা।
ভাঙি কথাষাৰি ক'বকে নোৱাৰি হাততে
ৰসৰে বাটি।
শংকৰদেৱৰ জীয়াৰী মাধৱৰ বোৱাৰী
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি দিলে
সকলোকে বাটি।

আজান ফকিৰে শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ গুৰু দুজনাৰ বৈশিষ্ট্যক সন্মান জনাই এইদৰে লিখিছিল —

*এজনা হকিকত এজনা ছৰিয়ত*
*দুজনাক মানি যাওঁ গুৰু*
*পূবে আয়ু পশ্চিমে বায়ু*
*মধ্য আমৰু জীউ।*

শেষত, মই এইটোৱেই ক'ব খোজো যে অসমৰ হিন্দু আৰু মুছলমানৰ সম্প্ৰীতিৰ সেতুবন্ধন হিচাপে মহাপুৰুষ শংকৰদেৱ, মহাপুৰুষ মাধৱদেৱ আৰু আজান ফকিৰৰ নাম আমি সদায় স-সন্মানেৰে ল'বই লাগিব। ■

# অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান

**মনিষা ডেকা**
স্নাতক দ্বিতীয় যান্মাসিক (কলা)

অসমীয়া জাতীয় জীৱনৰ বুৰঞ্জীত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। কাৰণ এই সন্ধিৰ পাছতেই অসমৰ সকলো শাসন ব্যৱস্থা ইংৰাজৰ অধীনলৈ যায়। ইয়াৰ পিছত ১৮৩৩ চনত অসমৰ স্কুল আৰু আদালতৰ পৰা অসমীয়া ভাষা সম্পূৰ্ণৰূপে উঠাই দি তাৰ ঠাইত বঙালী ভাষাক ঠাই দিয়া হয়। সম্পূৰ্ণ সাতত্ৰিশ বছৰ কাল অৰ্থাৎ ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে অসমীয়া ভাষাৰ সলনি বঙালী ভাষাই প্ৰচলন হৈছিল।

কিন্তু অসমীয়া সাহিত্যৰ বাবে ১৮৩৬ চনটো যিদৰে দুৰ্ভাগ্যৰ বছৰ ঠিক সেইদৰে আনফালৰ পৰা এই বছৰটো সৌভাগ্যৰ বছৰ বুলিও ক'ব পাৰি। কিয়নো এই সময়ছোৱাতে আমেৰিকাৰ পৰা খ্ৰীষ্টান মিছনেৰীসকল অসমত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰৱেশ কৰে। এই খ্ৰীষ্টান মিছনেৰীসকলেই ইংৰাজ গৱৰ্ণমেণ্টৰ সৈতে যুঁজ দি অসমীয়া ভাষাক স্কুল আৰু আদালতসমূহত ১৮৭৩ চনত পুনৰ প্ৰচলন কৰে।

মিছনেৰীসকলে অসমীয়া ভাষা আৰু সাহিত্যৰ মূল শিপাডাল ধৰি ৰখা বুলি ক'লে অকণো ভুল কোৱা নহ'ব। যাৰ বাবে লুপ্তপ্ৰায় অসমীয়া ভাষাই পুনৰ জীৱিত ৰূপ পালে। তলত মিছনেৰীসকলে অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আগবঢ়োৱা হ'ল —

**(১) অৰুণোদই প্ৰকাশ ঃ** ১৮৪৬ চনত শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা 'অৰুণোদই' মাহেকীয়া আলোচনী প্ৰকাশ কৰি উলিয়ায়। নাথান ব্ৰাউন, এ এইছ ডেনফোৰ্ড আৰু এছ এম হুইটিং, মাইলছ ব্ৰন্সন, ডব্লিউ ৱাৰ্ড আদিয়ে এই আলোচনীখন সম্পাদনা কৰিছিল। ১৮৬৭ চনলৈকে নিয়মিতভাৱে অৰুণোদই প্ৰকাশ হৈছিল। ১৮৬৯ চনৰ পৰা ১৮৮০ চনলৈকে কাকতখন নিয়মিতভাৱে প্ৰকাশ পোৱা নাছিল। এৰা-ধৰাকৈহে এই আলোচনীখন প্ৰকাশ পাইছিল। শেষৰ কেইবছৰ এ কে গৰ্ণিৰ সম্পাদকীয়ত্বত কাকতখন প্ৰকাশ হৈছিল। এই কাকতখন প্ৰধানকৈ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে উলিওৱা হৈছিল যদিও বিভিন্ন দেশ-বিদেশৰ সংবাদ অসমৰ ৰাইজক প্ৰদান কৰিছিল। ইয়াত অসমীয়া লোকসকলে আন্ধাৰৰ মাজত যেন পোহৰৰ সন্ধান পালে। এই কাকতখনত ঐতিহাসিক ঘটনাৰ পৰিচয়, বাইবেলৰ কাহিনী অনুবাদ, ধৰমৰ কথা, প্ৰকৃত অধ্যয়ন, নৈতিক শিক্ষা, হিন্দুস্তানৰ বিৱৰণ, পুৰণি অসম বুৰঞ্জী, কিছুমান সামাজিক ঘটনা, জীৱনী, সাধু, সাময়িক সংবাদ, ভূগোল বিষয়ক ৰচনা আদি প্ৰকাশ কৰিছিল।

**(২) পঢ়াশালি প্ৰতিষ্ঠা ঃ** মিছনেৰীসকলে যে কেৱল ধৰ্ম প্ৰচাৰৰ বাবে অসমলৈ আহিছিল তেনে নহয়। খ্ৰীষ্টান মিছনেৰীসকলে এটা কথা ভালকৈ উপলব্ধি কৰিব পাৰিছিল যে যিকোনো এটা বিষয় উপলব্ধি কৰাবলৈ মাতৃভাষাই তাৰ উপযুক্ত মাধ্যম। সেইবাবে খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া ভাষা শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবে তেওঁলোকে অসমৰ বিভিন্ন ঠাইত অসমীয়া মাধ্যমৰ পঢ়াশালি স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড°

ব্ৰন্সনে ১৮৪৩ চনত নগাঁৱত এখন পঢ়াশালি আৰু এখন অনাথ আশ্ৰম প্ৰতিষ্ঠা কৰে। ইয়াৰ পাছত অসমৰ বিভিন্ন ঠাইত পঢ়াশালি স্থাপন হয়। শিৱসাগৰ জিলাত ছখনকৈ পঢ়াশালি স্থাপন হয়। এইদৰে অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা পঢ়াশালিসমূহে অসমৰ শিক্ষা প্ৰচাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**(৩) পাঠ্যপুথি ৰচনা ঃ** অসমত অসমীয়া ভাষা প্ৰচলনৰ লগে লগে পঢ়াশালি প্ৰতিষ্ঠাৰ পিছত তেওঁলোকৰ বাবে আৱশ্যক হ'ল পাঠ্যপুথি। গতিকে তেওঁলোকে পাঠ্যপুথি ৰচনা কৰিবলগা হ'ল তেওঁলোকৰ দ্বাৰা ছপা হোৱা পাঠ্যপুথিবোৰ হ'ল — বাৰ মতৰা, প্ৰথম কিতাপ, সাধুকথা, প্ৰথম গণনা, দুতিয়া গণনা, পদাৰ্থ বিদ্যা আদি।

**(৪) ছপাশাল প্ৰতিষ্ঠা ঃ** মিছনেৰীসকলে অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা আন এটা অৱদান হ'ল ছপাশাল। বিভিন্ন পুথি ছপা কৰিবৰ বাবে তেওঁলোকে ছপাশাল প্ৰতিষ্ঠাক ৰিবলগা হৈছিল। ১৮৩১ চনত অলিভাৰ টি অকট্ৰৰে শদিয়াত আৰু পিছত ড° নাথান ব্ৰাউন আৰু কট্ৰৰ সহযোগত ১৮৩৬ চনত শিৱসাগৰত আন এটা ছপাকল প্ৰতিষ্ঠা কৰে। ইয়াৰ ফলস্বৰূপে বিভিন্ন ধৰণৰ পঢ়াশালিৰ পুথি আৰু খ্ৰীষ্ট ধৰ্ম সম্পৰ্কীয় বিভিন্ন পুথি ৰচনা কৰা হয়।

**(৫) অনুবাদ সাহিত্যৰ প্ৰকাশ ঃ** ছপাশাল প্ৰতিষ্ঠা হোৱাৰ পাছতেই খ্ৰীষ্টান মিছনেৰীসকলে বিভিন্ন ধৰ্মীয় পুথিৰ অনুবাদ কৰিবলৈ আৰম্ভ কৰে। ড° নাথান ব্ৰাউনে অসমীয়া সাহিত্যলৈ 'নিউ টেষ্টামেণ্ট'খন ১৮৪৮ চনত অসমীয়া ভাঙনি কৰে। ইয়াৰ নাম দিছিল 'ত্ৰাণকৰ্তা প্ৰভু যীশু খ্ৰীষ্টৰ নতুন নিয়ম'। ইয়াৰ আগতে ১৮১৩ চনত আত্মাৰাম শৰ্মাই বাইবেলখন অসমীয়ালৈ অনুবাদ কৰিছিল। এ কে গাৰ্গীয়ে 'ওল্ড টেষ্টামেণ্ট'খন অসমীয়ালৈ ভাঙনি কৰে। তদুপৰি এ কে গাৰ্গীয়ে অনুবাদ কৰা এখন গ্ৰন্থ হ'ল 'পুৰণি নিয়ম'। এইদৰে আন বহুতো অনুবাদমূলক গ্ৰন্থ পোৱা যায়।

**(৬) শিশু সাহিত্য ৰচনা ঃ** খ্ৰীষ্টান মিছনেৰীসকলে শিশুসকলৰ উপযোগীকৈ বিভিন্ন গ্ৰন্থ ৰচনা কৰিবলৈ ধৰিলে। তাৰ ভিতৰত 'আফ্ৰিকাৰ কোঁৱৰ' যুদ্ধ নায়ক, ধাৰ্মিক চহা, মাউৰী ছোৱালী, সাধুকথা আদি।

**(৭) বুৰঞ্জীমূলক পুথি ৰচনা ঃ** অসমীয়া মানুহৰ মাজত জাতীয় চেতনাবোধ জগাই তুলিবৰ বাবে খ্ৰীষ্টান মিছনেৰীসকলে অসমৰ পুৰণি বুৰঞ্জী উদ্ধাৰ কৰা কাম হাতত লৈছিল। ড° নাথান ব্ৰাউনে ১৮৪৪ চনত কাশীনাথ তামুলীৰ 'অসম বুৰঞ্জী' ছপা কৰি উলিয়ায়। ইয়াৰ উপৰিও চুতীয়া বুৰঞ্জী আৰু বকুল কায়স্থৰ গণিতৰ পুথি ছপা কৰে।

**(৮) গদ্য-সাহিত্যৰ ৰচনা ঃ** অসমীয়া সাহিত্য জগতলৈ মিছনেৰীসকলে আগবঢ়োৱা আন এটা গুৰুত্বপূৰ্ণ অৱদান হৈছে গদ্য-সাহিত্যৰ ৰচনা। মিছনেৰীসকলে অৰুণোদয়ৰ পাতত বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখিছিল। সেইবোৰ হ'ল গড়গাঁও নগৰৰ কথা, কাকতি ফৰিঙৰ কথা আদি।

গদ্য সাহিত্যৰ উপৰিও তেওঁলোকে কবিতাও ৰচনা কৰিছিল। এইক্ষেত্ৰত নিবি নিবহি ফাৰৰেলৰ বিনয় বচন, নৰকৰ বিৱৰণ, সৰগৰ বিৱৰণ আদি প্ৰধান।

খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া সাহিত্যৰ বাট মুকলি কৰি থৈ গ'ল। তেওঁলোকে আগবঢ়োৱা অৱদানৰ কথা কৈ অন্ত পেলোৱাটো অত্যন্ত কঠিন। তেওঁলোকৰ প্ৰচেষ্টাতে অসমৰ সেই সময়ত বিভিন্ন লেখকে আকৌ হাতত কলম তুলি ল'বলৈ সাহস পাইছিল আৰু তেওঁলোকৰ লেখাসমূহ অৰুণোদই বা আন পুথিসমূহত প্ৰকাশ কৰিব পাৰিছিল। এই লেখকসকলৰ প্ৰচেষ্টাত অসমীয়া সাহিত্যত নতুন নতুন ৰচনাই ঠাই পাবলৈ ধৰিলে।■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১. অসমীয়া সাহিত্যৰ বুৰঞ্জী — দ্বীপেন নাথ

২. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — ড° সত্যেন্দ্ৰনাথ শৰ্মা

# জৈৱ তথ্য প্ৰযুক্তি



**চুইটী বৰা**
স্নাতক প্ৰথম ষান্মাসিক (বিজ্ঞান)

আমাৰ এই বিশাল পৃথিৱীত বৰ্তমানলৈকে এক নিযুততকৈও অধিক ভিন্ন ভিন্ন প্ৰজাতিৰ প্ৰাণী তথা উদ্ভিদ আৱিষ্কৃত হৈছে। বৰ্তমান যুগৰ বিজ্ঞানীসকলে আধুনিক বিজ্ঞানৰ নতুন নতুন পদ্ধতিৰ প্ৰয়োগেৰে এই বিচিত্ৰ জীৱ জগতৰ বিষয়ে প্ৰতিদিনে নতুন নতুন তথ্যৰ সন্ধান কৰিব ধৰিছে। বৈজ্ঞানিক অনুসন্ধান আৰু সুপৰিকল্পিত গৱেষণাৰ পৰা আহৰণ কৰা এনে বিশাল পৰিসৰৰ বৈচিত্ৰ্যপূৰ্ণ তথ্যৰাজিৰ প্ৰণালীবদ্ধ সংগ্ৰহ, শৃংখলাবদ্ধ অধ্যয়ন আৰু বিশ্লেষণ তথা সঠিক মূল্যায়নৰ ওপৰতে নিৰ্ভৰ কৰিছে তেনে অনুসন্ধানৰ সফলতা। আনহাতে ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰিছে মানৱ জাতিৰ সামগ্ৰিক ভৱিষ্যত।

কুৰি শতিকাৰ শেষৰ ফালে জীৱ বিজ্ঞানৰ নানান দিশত হোৱা ক্ষিপ্ৰ বিকাশৰ ফলস্বৰূপে গৱেষণালব্ধ তথ্যৰ বিশালতাও আকাশলংঘী হৈ পৰিল। ফলত এনে বিচিত্ৰ আৰু বিশাল তথ্যৰাজিৰ অধ্যয়ন, বিশ্লেষণ আৰু মূল্যায়নো কেৱল মানুহৰ মগজুৰে কৰা প্ৰায় অসম্ভৱ হৈ উঠিল। সেয়েহে বিজ্ঞানীসকলে জীৱবিজ্ঞানত কম্পিউটাৰ প্ৰয়োগৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰিলে। তাৰ ফলশ্ৰুতিত বিজ্ঞানৰ এক নতুন শাখাৰ আৱিৰ্ভাৱ হ'ল। 'জৈৱ তথ্য প্ৰযুক্তি' বায়'ইনফৰমেটিক্স।

বায়'ইনফৰমেটিক্স হ'ল বিজ্ঞান আৰু প্ৰযুক্তিৰ বিভিন্ন শাখাৰ সংমিশ্ৰণ আৰু সহযোগিতাৰ মাজেৰে গঢ় লৈ উঠা এনে এক মাধ্যম, য'ত জীৱ বিজ্ঞান আৰু তথ্য প্ৰযুক্তিৰ উপৰিও ভৌতিক বিজ্ঞানৰ বিভিন্ন শাখা, যেনে - পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত শাস্ত্ৰ, পৰিসংখ্যা বিজ্ঞান আদিৰো গুৰুত্বপূৰ্ণ অৱদান অপৰিহাৰ্য। 'জৈৱ তথ্য প্ৰযুক্তি'ৰ বিকাশৰ ফলত জীৱদেহৰ জটিল প্ৰক্ৰিয়াসমূহ সঠিকভাৱে অনুধাৱন কৰাটো সহজ হৈ উঠিছে আৰু এনে জ্ঞানৰ প্ৰয়োগে বিশেষকৈ কৃষি, স্বাস্থ্যখণ্ড আৰু ভেষজ বিজ্ঞানৰ দিশত অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা কৰিবলৈ সক্ষম হৈছে।

বিজ্ঞানীসকলেও এই কথা বিশ্বাস কৰে যে সমগ্ৰ জীৱজগতৰ সৃষ্টি আদিতে কোনো এক এককোষী জীৱৰ পৰাই হৈছিল আৰু কালক্ৰমত বিৱৰ্তনৰ মাজেদি বৈচিত্ৰ্যময় জীৱজগতৰ বিচিত্ৰ শাৰীৰিক তথা আভ্যন্তৰীণ গুণ-বিশিষ্ট বিভিন্ন জাতি-প্ৰজাতিৰ উদ্ভৱ হৈছিল। সকলো জীৱৰে শাৰীৰিক গঠন আৰু কাৰ্যৰ একক হ'ল কোষ। মানুহৰ শৰীৰত এনে প্ৰায় ৩০ নিযুত নিযুত নিযুত $(৩০ \times ১০^{১৮})$ টা কোষ থাকে। কোষ এটাৰ সমস্ত কৰ্মকাণ্ড হয় কোষকেন্দ্ৰত থকা ডি এন এ অৰ্থাৎ Deoxyribonucleic acid ৰে গঠিত বংশগতি সূত্ৰৰ দ্বাৰা। কিন্তু ডি এন এৰে গঠিত দুডাল পকোৱা সূতাৰ আকৃতিৰ এই সূত্ৰই কেনেকৈ কোষ এটাৰ কৰ্মকাণ্ড আৰু বিভিন্ন অংশৰ গঠন অতি কুশলতাৰে নিয়ন্ত্ৰিত কৰে অথবা এটা জীৱৰ শৰীৰৰ সকলো কোষত থকা ডি এন এ হুবহু একে হোৱা সত্বেও শৰীৰৰ বিভিন্ন কলাৰ নাইবা একেবিধ কলাৰ ভিন ভিন কোষৰ কাৰ্যকলাপ কিয় বা কেনেকৈ বেলেগ বেলেগ হয়, এইবিলাক জটিল প্ৰশ্ন।

এটা কোষত থকা আটাইখিনি ডি এন এক একেলগে জিনম্ (Genome) ১বোলা হয় আৰু ডি এন এৰ একোটা অংশ, যি কোষৰ ৰাইব'জ'মত একোবিধ প্ৰ'টিনৰ সংশ্লেষণ নিয়ন্ত্ৰণ কৰে। তাক 'জিন' বোলা হয়। ডি এন এ গঠিত হয় চাৰিবিধ

নিউক্লিয়'টাইদৰ দ্বাৰা। আনহাতে, এই চাৰিবিধ নিউক্লিয়'টাইদৰ মূল পাৰ্থক্য হ'ল ইহঁতক গঠন কৰা চাৰিবিধ নাইট্ৰ'জেনযুক্ত আধাৰ, যাৰ নাম হ'ল — এডিনিন্, গুৱানিন্, চাইট'চিন্ আৰু থাইমিন্।

১৯৯০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ চৰকাৰৰ পৃষ্ঠপোষকতাত বিশ্বৰ মুঠ ২০ টা বিজ্ঞানীৰ দলে একে সময়তে এক অভিলাষী আঁচনি ৰূপায়ণৰ কাম হাতত লয়। আঁচনিখনৰ নাম আছিল 'Human Genome Project'। এই আঁচনিৰ মূল উদ্দেশ্য আছিল মানৱ কোষৰ ডি এন এ গঠিত কৰা আটাইবিলাক নিউক্লিয়চাইদৰ সম্পূৰ্ণ শৃংখল আৱিষ্কাৰ কৰা আৰু আটাইবোৰ জিন চিনাক্ত কৰা। উল্লেখনীয় যে পোনতে যদিও আঁচনিখন সম্পূৰ্ণ কৰাৰ বাবে ১৫ বছৰৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল, বিজ্ঞানীসকলৰ অতুলনীয় কৰ্মোদ্যমৰ পৰিপ্ৰেক্ষিতত সময়তকৈ দুবছৰ আগেয়ে অৰ্থাৎ ২০০৩ চনৰ অক্টোবৰ মাহতে আঁচনিখনৰ কাম শেষ হয়। অৱশ্যে এইক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'চেলেৰী' নামৰ এক ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলৰ অৱদানো প্ৰণিধানযোগ্য।

'Human Genome Project'ৰ সফল পৰিসমাপ্তিৰ ফলত মানৱ দেহৰ ডি এন এ সম্পৰ্কে বহুতো নতুন তথ্য পোহৰলৈ আহে। মানৱ কোষৰ ডি এন এৰ দৈৰ্ঘ্য ৩৩০০ মেগাবেচ্ অৰ্থাৎ একোডাল সূত্ৰ প্ৰায় $৩.৩\times১০^{৯}$ টা নিউক্লিয়'চাইদৰ সমষ্টি। কিন্তু যেতিয়া এই সমস্ত দৈৰ্ঘ্যত অৱস্থিত জিনসমূহ চিনাক্ত কৰা হ'ল, তেতিয়া দেখা গ'ল যে সমগ্ৰ ডি এন এৰ মাত্ৰ শতকৰা ২-৩ অংশহে জিনসমূহে অধিকাৰ কৰি আছে। অৰ্থাৎ বাকী প্ৰায় ৯৭-৯৮ শতাংশ আপাততঃ কামত নহা অলাগতিয়াল অংশ কিন্তু পৰৱৰ্তী কালৰ গৱেষণাত এনে তথাকথিত অলাগতীয়াল অংশসমূহ আঁতৰ কৰিবলৈ কৰা প্ৰচেষ্টাৰ ফলত দেখা গ'ল যে কোষবোৰৰ জীৱিত অটুট ৰখাৰ কাৰণে এনে অংশসমূহ অপৰিহাৰ্য। কোষীয় জিনমৰ গাঁথনিৰ বাবে আৰু ততোধিক ডি এন এ পৰিৱৰ্ধন আৰু জিনৰ প্ৰকাশ নিয়ন্ত্ৰণৰ বাবে এনে তথাকথিত অলাগতীয়াল অংশসমূহৰ নিতান্ত প্ৰয়োজন।

আদিতে ধাৰণা কৰা হৈছিল যে জীৱৰ বিকাশৰ স্তৰ অথবা জীৱন ক্ৰমবিকাশৰ ধাৰাত একোবিধ জীৱৰ আপেক্ষিক অৱস্থান নিৰ্ভৰ কৰে জিমনৰ দৈৰ্ঘ্যৰ ওপৰত। কাৰণ পোনতে যেতিয়া মানৱ কোষৰ জিমনৰ দৈৰ্ঘ্য নিৰূপণ কৰা হৈছিল, তেতিয়ালৈকে তাত আন সকলোবোৰ জীৱৰ জিমনৰ মুঠ দৈৰ্ঘ্যতকৈ মানৱ জিনমৰ দৈৰ্ঘ্য ৩০০০ মেগামেচ্, অৰ্থাৎ প্ৰায় সমতুল্য। আনহাতে, তৃণজাতীয় উদ্ভিদ ঘেঁহুৰ জিনম দৈৰ্ঘ্য ১৩,৫০০ মেগামেচ, অৰ্থাৎ মানুহতকৈ প্ৰায় ৪.৫ গুণ অধিক। তদুপৰি, 'এবিমা দুবিয়া' নামৰ এবিধ এককোষী জীৱৰ জিনম দৈৰ্ঘ্য মানুহতকৈ প্ৰায় ২০০ গুণ অধিক। গতিকে জীৱৰ বিকাশৰ স্তৰ প্ৰকৃততে একে অতিশয় জটিল প্ৰক্ৰিয়াৰ ওপৰতহে নিৰ্ভৰশীল। কেৱল জিনম দৈৰ্ঘ্যৰ ওপৰত নহয়।

'Human Genome Project'ৰ পৰিণতিত আৱিষ্কৃত অন্য এক তথ্য হ'ল — মানৱ কোষত মুঠ প্ৰায় ৩০,০০০ৰ পৰা ৪০,০০০ জিন থাকে। এতিয়া আমি জানো যে এনে প্ৰতিটো জিনে কোষৰ ভিতৰত একো একোবিধ প্ৰ'টিনৰ সংশ্লেষণ নিয়ন্ত্ৰণ কৰে। সেয়ে হ'লে, মানৱ কোষত এনে বৃহৎ সংখ্যক বিভিন্ন প্ৰকাৰৰ প্ৰ'টিন সংশ্লেষিত হয় আৰু এনে প্ৰতিবিধ প্ৰ'টিনে জীৱকোষত একোটা বিশেষ কাৰ্য সম্পাদন কৰে। পৰম্পৰাগত গৱেষণা পদ্ধতি প্ৰয়োগ কৰি কেৱল মানৱ কোষৰ জিনসমূহৰ প্ৰকৃতি আৰু প্ৰকাশ সম্বন্ধে সম্যক জ্ঞান আহৰণ কৰিবলৈকে হয়তো বহু বছৰৰ প্ৰয়োজন হ'লহেঁতেন। কিন্তু জৈৱ তথ্য প্ৰযুক্তিৰ বিকাশে বিজ্ঞানীসকলৰ এই কাম ক্ষিপ্ৰ আৰু তুলনামূলকভাৱে সহজ কৰি তুলিছে।

আগেয়ে কোৱা হৈছে যে কোষত সংশ্লেষিত প্ৰ'টিনৰ গঠন অৰ্থাৎ এমাইন' এছিডৰ শৃংখল প্ৰ'টিনবিধৰ সংশ্লেষণ নিয়ন্ত্ৰণ কৰা জিনৰ নিউক্লিয়টাইদ শৃংখলৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে, কোষকেন্দ্ৰৰ নিউক্লিয়'টাইদ শৃংখল জানিলে প্ৰতিটো জিনে নিয়ন্ত্ৰণ কৰা প্ৰ'টিনৰ এমাইন' এছিডৰ শৃংখল সঠিককৈ নিৰূপণ কৰিব পৰা যায়। কম্পিউটাৰ চফটৱেৰ প্ৰয়োগে জীৱকোষৰ জিনমৰ জিন চিনাক্ত কৰা অতি সহজ কৰি তুলিছে। প্ৰ'টিনৰ এমাইন' এছিডৰ শৃংখলৰ সৈতে ইয়াৰ আকাৰ-আকৃতি আৰু ইয়াৰ ভৌতিক গঠন ওতঃপ্ৰোতভাৱে জড়িত। অন্যহাতে, প্ৰ'টিনৰ ভৌতিক গঠনৰ ওপৰতে নিৰ্ভৰ কৰিছে ইয়াৰ গুণাগুণ আৰু কাৰ্য বা ক্ৰিয়াকলাপ। সেয়েহে, এতিয়া জীৱকোষৰ ক্ৰিয়া-বিক্ৰিয়াৰ অনুসন্ধান আৰু গৱেষণাৰ ক্ষেত্ৰত জৈৱ তথ্য প্ৰযুক্তিৰ আধুনিক কৌশলসমূহ বহুভলৰে ব্যৱহৃত হ'বলৈ ধৰিছে।

মানুহৰ তথা জীৱ-জন্তুৰ ৰোগৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা ঔষধসমূহৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰে ঔষধসমূহ জীৱদেহৰ নিৰ্দিষ্ট লক্ষ্যস্থানত উপনীত হৈ কোষৰ উপৰিভাগত থকা নিৰ্দিষ্ট প্ৰ'টিন কণাৰ সৈতে লগ লাগিব পৰাৰ ওপৰত। ঔষধ আৰু প্ৰ'টিন কণাৰ মাজৰ এই বিক্ৰিয়া অতি সুনিৰ্দিষ্ট আৰু স্পৰ্শকাতৰ।

ই দুয়োবিধ কণাৰ সূক্ষ্ম ভৌতিক আকৃতিৰ ওপৰত নিৰ্ভৰশীল। আধুনিক জৈৱ তথ্য প্ৰযুক্তিৰ প্ৰয়োগে জীৱকোষৰ উপৰিভাগত থকা এনেবিলাক গ্ৰহণকাৰী কণাৰ আণৱিক প্ৰকৃতি নিৰূপণ কৰাৰ লগতে কম্পিউটাৰ আৰ্হি বা মডেলৰ জৰিয়তে এনে কণাৰ সৈতে সুনিৰ্দিষ্টকৈ খাপ খোৱা ঔষধ নিৰূপণ কৰাটোও সম্ভৱ কৰি তুলিছে। ইয়ে অদূৰ ভৱিষ্যতে এক ব্যক্তিসাপেক্ষ (Personalized) অতি কাৰ্যকৰী চিকিৎসা পদ্ধতিৰ জৰিয়তে মানুহ আৰু জীৱ-জন্তুৰ ৰোগৰ নিৰাময়ৰ সম্ভাৱনা প্ৰকট কৰি তুলিছে। ভৱিষ্যতে হয়তো আপুনি আপোনাৰ চিকিৎসাৰ পৰামৰ্শ ল'বলৈ যাওঁতে দেখা পাব চিকিৎসকে প্ৰথমে আপোনাৰ তেজৰ অথবা দেহৰ ৰোগাক্ৰান্ত অংশৰ নমুনা সংগ্ৰহ কৰি প্ৰথমে কোষৰ নিউক্লিয়'টাইদ শৃংখল নিৰ্ণয় কৰি কম্পিউটাৰৰ সহায়ত তাৰ বিশ্লেষণ কৰিছে আৰু এই বিশ্লেষণৰ ফলাফলৰ ভিত্তিত আপোনাৰ উপযোগীকৈ নিৰ্দিষ্ট ঔষধ ল'বলৈ আপোনাক পৰামৰ্শ দিছে। উল্লেখ নকৰিলেও হ'ব যে এনে চিকিৎসা হ'ব ১০০ শতাংশই কাৰ্যকৰী। আহক, আমি সকলোৱে বাঞ্ছা কৰোঁ আমাৰ জীৱন কালতে যেন ই সম্ভৱ হৈ উঠে।

জীৱৰ বংশগতি অৰ্থাৎ এটা প্ৰজন্মৰ পৰা তাৰ পাছৰ প্ৰজন্মলৈ আনুবংশিকভাৱে গুণাৱলীৰ প্ৰবহন প্ৰক্ৰিয়া নিৰ্ভৰ কৰে কোষকেন্দ্ৰৰ নিউক্লিয়'টাইদ শৃংখল অথবা পূৰ্বে উল্লেখিত নাইট্ৰ'জেনযুক্ত আধাৰ চাৰিবিধ কি ক্ৰমত সজোৱা আছে, তাৰ ওপৰত। আনহাতে, এই শৃংখলেই নিৰূপণ কৰে প্ৰজাতি ভেদে জীৱৰ শাৰীৰিক গঠন আৰু স্বৰূপ। সেয়েহে আধুনিক জৈৱ তথ্য প্ৰযুক্তিৰ প্ৰয়োগে নিউক্লিয়'টাইদ শৃংখলৰ ওপৰত আধাৰ কৰি জীৱ আৰু অনুজীৱৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে ইহঁতৰ মাজৰ সম্পৰ্ক আৰু ক্ৰমবিৱৰ্তনজনিত আনুবংশিক অৱস্থান নিৰ্ণয় কৰাটো ক্ষিপ্ৰ আৰু সহজসাধ্য কৰি তুলিছে। উদাহৰণ স্বৰূপে, ২০০৯ চনৰ এপ্ৰিল মাহত পোনপ্ৰথমবাৰৰ বাবে মেক্সিকোত দেখা দিয়া H.N. ইনফ্লুয়েঞ্জা অৰ্থাৎ তথাকথিত 'ছোৱাইন ফ্লু' ৰোগৰ কাৰক ভাইৰাছবিধৰ সম্পূৰ্ণ জিনমৰ আৱিষ্কাৰ মাত্ৰ চাৰিমাহৰ ভিতৰতে সম্ভৱ হৈ উঠিল আৰু জৈৱ তথ্য প্ৰযুক্তিৰ প্ৰয়োগৰ ফলত আৱিষ্কৃত হ'ল যে উক্ত ভাইৰাছবিধ প্ৰকৃততে দুই প্ৰকাৰৰ ছোৱাইন ফ্লু ভাইৰাছ, এবিধ মানুহৰ ফ্লু ভাইৰাছ আৰু এবিধ চৰাইৰ ফ্লু ভাইৰাছৰ বাবেই এই নতুন ভাইৰাছবিধত থকা বিভিন্ন প্ৰ'টিন কণাৰ ক্ষিপ্ৰ অধ্যয়নৰ জৰিয়তে বিজ্ঞানীসকলে ইয়াৰ প্ৰতিষেধক চিটা উদ্ভাৱন কৰিববলৈ সক্ষম হৈছে।

জৈৱ তথ্য প্ৰযুক্তিৰ প্ৰয়োগৰ অন্য এক প্ৰধান ক্ষেত্ৰ হ'ল ৰোগ সৃষ্টিকাৰী অণুজীৱৰ নিউক্লিয়'টাইদ শৃংখলৰ অধ্যয়নৰ জৰিয়তে কোনো এক ভৌগোলিক অঞ্চলত দেখা দিয়া সংক্ৰামক মহামাৰীৰ উৎস তথা বিস্তাৰণৰ প্ৰকৃতি সঠিককৈ নিৰ্ণয় কৰা, অণুজীৱ বিজ্ঞানৰ পৰিভাষাত যাক Molecular Epidemiology বোলা হয়। ইয়াৰ ফলস্বৰূপে মহামাৰীৰ উপযুক্ত প্ৰতিকাৰ আৰু প্ৰতিষেধক ব্যৱস্থা উদ্ভাৱ কৰা সম্ভৱ হৈ উঠে।

জীৱ বিজ্ঞানৰ নন অনুসন্ধান আৰু গৱেষণাৰ পৰা উদ্ভূত বিশাল আৰু বিচিত্ৰ বৈজ্ঞানিক তথ্যৰাজিৰ শৃংখলাৱদ্ধ সংগ্ৰহ আৰু প্ৰণালীবদ্ধ সংৰক্ষণৰ বাবে জৈৱ তথ্য প্ৰযুক্তিৰ এক অন্যতম উপাদান হ'ল তথ্য ভাণ্ডাৰ অৰ্থাৎ 'ডাটাবেছ' গঠন কৰা, যাতে এনে তথ্য ভাণ্ডাৰৰ পৰা বিজ্ঞানীসকলে প্ৰয়োজন অনুসৰি আৱশ্যকীয় তথ্য সহজে আহৰণ কৰিব পাৰে। ইণ্টাৰনেট প্ৰযুক্তিৰ বিকাশে জৈৱ তথ্য প্ৰযুক্তিৰ এই উপাদানৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে। বৰ্তমান এনে ধৰণৰ এক বৃহৎ সংখ্যক তথ্য ভাণ্ডাৰ ইণ্টাৰনেটত বিনামূল্যে উপলব্ধ, যাৰ জৰিয়তে বিশ্বৰ সকলো অঞ্চলৰ বিজ্ঞানীসকলৰ গৱেষণা কাৰ্যত ইয়াৰ প্ৰয়োগ সম্ভৱ হৈ উঠিছে। ইয়াৰ ফলস্বৰূপে জীৱবিজ্ঞানৰ ক্ষিপ্ৰ বিকাশ সম্ভৱপৰ হৈছে।

মুঠৰ ওপৰত ক'বলৈ হ'লে আধুনিক জৈৱ তথ্য প্ৰযুক্তিৰ প্ৰয়োগে জীৱজগতৰ ক্ৰিয়া-বিক্ৰিয়াৰ গোপন তথা জটিল তথ্যসমূহৰ যথাযোগ্য অনুধাৱন আৰু বিশ্লেষণ ক্ৰমান্বয়ে সহজসাধ্য কৰি তুলিছে। আশা কৰিব পাৰি যে জৈৱ তথ্য প্ৰযুক্তিৰ অধিক বিকাশ আৰু বহুল প্ৰয়োগে অদূৰ ভৱিষ্যতে জীৱজগত সম্পৰ্কে মানৱ জাতিৰ জ্ঞান বৃদ্ধি কৰাৰ লগতে মানুহৰ বহুতো জটিল সমস্যাৰ সমাধানৰ পথ প্ৰশস্ত কৰি তুলিব। কৃষি, স্বাস্থ্য, ভেষজবিজ্ঞান তথা আন আন ক্ষেত্ৰত ইপ্সিত বিকাশ সম্ভৱ হৈ উঠিব আৰু মানৱ জীৱন অধিক সুচল আৰু সুখকৰ হ'ব।■



# প্ৰথম পৰমাণু বিজ্ঞানী মহিলা ৰ'জেলিন ইয়েল

**মৌমনজ্যোতি বড়া**
স্নাতক প্ৰথম ষান্মাসিক (কলা)

১৯২১ চনৰ ব্ৰংক্স নামে ঠাইত এজনী ছোৱালীৰ জন্ম হয়। এই ঠাইখন আমেৰিকাৰ নিউইয়ৰ্ক চহৰত। বয়স বাঢ়ি যোৱাৰ লগে লগে ছোৱালীজনীয়ে নিজৰ প্ৰখৰ বুদ্ধি আৰু প্ৰতিভা বিকাশক কৰিবলৈ সমৰ্থ হয়। তাই লাহে লাহে বিজ্ঞানপ্ৰেমী হৈ পৰিছিল। বিজ্ঞান জগতৰ ৰহস্যৰ পম খেদি ইয়াৰ ভিতৰচ'ৰাত সোমাবলৈ তাই চেষ্টা কৰিলে। একাগ্ৰ সাধনা আৰু অপৰিসীম ধৈৰ্যৰে ছোৱালীজনীয়ে ক্ৰমাৎ বিজ্ঞানৰ নানা ধৰণৰ গৱেষণাত ব্ৰতী হ'ল। সময়ত সেই ছোৱালীজনীয়ে এগৰাকী বিজ্ঞানী হিচাপে বিশ্বত আগশাৰীৰ মহিলা হিচাপে সুনাম অৰ্জন কৰে। সেই মহিলাগৰাকীৰ নাম হৈছে ৰ'জেলিন ইয়েল।

পৃথিৱীৰ প্ৰায় সকলো গৱেষণাগাৰত আজি বহুত মহিলাই উচ্চমানৰ বৈজ্ঞানিক গৱেষণাত মনোনিৱেশ কৰিছে। তেওঁলোকৰ বহুতেই আন্তৰ্জাতিক বিজ্ঞানী হিচাপে স্বীকৃতিও পাইছে। প্ৰকৃত বিজ্ঞানী হ'বলৈ কেইটামান গুণৰ প্ৰয়োজন হয়। সেইকেইটা হৈছে প্ৰখৰ বুদ্ধি, একাগ্ৰ সাধনা, অপৰিসীম ধৈৰ্য, শাৰীৰিক আৰু মানসিক কষ্ট সহিষ্ণুতা। এই সকলোবোৰ গুণ আহৰণ কৰিছিল ৰ'জেলিন ইয়েলে সৰু কালৰ পৰাই।

ৰ'জেলিন ইয়েল এগৰাকী আদৰ্শ জননীও আছিল। ১৯৯৭ চনত শৰীৰতত্ত্ব আৰু চিকিৎসা বিজ্ঞানত ন'বেল বঁটা লাভ কৰা অন্যতম বিজ্ঞানী। লগতে ন'বেল বঁটা বিজয়ী ষষ্ঠ মহিলা।

এওঁ বাল্য জীৱন অতিবাহিত কৰিছিল নিউয়ৰ্কৰ ব্ৰংক্স চহৰত। সেই চহৰৰে হাণ্টাৰ কলেজৰপৰা পদাৰ্থ বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ ডক্টৰেট উপাধি লাভ কৰে। এই উপাধি লাভ কৰাৰ পাছত ৰ'জেলিন পৰমাণু বিজ্ঞানী হিচাপে গৱেষণাৰ জীৱন আৰম্ভ কৰে। এওঁ ৰোগ চিকিৎসা তেজস্ক্ৰিয় আইচটপ প্ৰয়োগ কৰাৰ ক্ষেত্ৰত অৰদান আগবঢ়োৱা অন্যতম অগ্ৰণী বিজ্ঞানী। ৰ'জেলিনে ১৯৪৭ চনত ব্ৰংক্সৰ ভেটেৰে নাচ চিকিৎসালয়ত ৰেডিঅ' আইচটপত যোগদান কৰে। সেই সময়তেই বিজ্ঞানী ড° ছোলেমান বাৰ্নছৰ লগত তেওঁৰ পৰিচয় ঘটে। বাৰ্নাছ জীয়াই থকা কালছোৱাত দুয়ো পৰিচয় ঘটে। বাৰ্নাছ জীয়াই থকা কালছোৱাত দুয়ো যুটীয়াভাৱে এটা বিশেষ পদ্ধতি উদ্ভাৱন কৰে। নাম ৰেডিঅ' ইমিউল এছে। চমুকৈ R.I.A.।

এই পদ্ধতিৰ যোগেদি তেজত থকা হৰমনৰ পৰিমাণৰ নিৰ্ধাৰণ কৰিব পাৰি। ৰ'জেলিন আৰু ছোলোমান বাৰ্নছ আৱিষ্কৃত ৰেডিঅ' ইমিউন এছে পদ্ধতি পৃথিৱীৰ কোনো চিকিৎসালয়ৰ ব্লাড বেংকসমূহত তেজ লওঁতে ৰক্ত পৰীক্ষাৰ সময়ত প্ৰয়োগ কৰা হয়। এই পদ্ধতিৰ যোগেদি তেজত ৰোগৰ ভাইৰাছ থকা নথকাৰ বিষয়ে পৰীক্ষা কৰা হয়। ৰ'জেলিনে এই পদ্ধতি উদ্ভাৱনৰ বাবে ১৯৭৬ চনৰ চিকিৎসা বিজ্ঞানত আলবাৰ্ট লস্কাৰ বঁটাৰ সন্মানেৰে বিভূষিত হৈছিল। ৰ'জেলিনেই চিকিৎসা বিজ্ঞানৰ মৌলিক গৱেষণাৰ বাবে বঁটা লাভ কৰা প্ৰথম মহিলা আৰু প্ৰথম মহিলা পৰমাণু বিজ্ঞানী।■



# কেইবিধমান পুষ্টিকাৰক ফলৰ উপকাৰিতা আৰু খেতিৰ কৌশল

মৌমনজ্যোতি বড়া
স্নাতক প্ৰথম যান্মাসিক (কলা)

**আমখেতি ঃ**

**উপকাৰিতা ঃ** আমৰ বিষয়ে আমি সকলোৱে কম-বেছি পৰিমাণে জানো নহয়নে বাৰু? আমক ফলৰ ৰজা বুলি কোৱা হয়। ল'ৰা, ডেকা, বুঢ়া সকলোৰে প্ৰিয় ফল হ'ল আম। সেয়ে ইয়াৰ যথেষ্ট জনপ্ৰিয়তা আছে। ইয়াক আমি ফল হিচাপে খোৱাৰ উপৰিও আচাৰ বনাই খোৱা হয়। ইয়াৰোপৰি চাট্‌নি, জেলি, চালাড আদি বনাইও খাব পাৰি আৰু বেছ জুতি পাব পাৰি আমত যথেষ্ট পৰিমাণে প্ৰ'টিন, কাৰ্বহাইড্ৰেট, ভিটামিন, শৰ্কৰা আৰু কেলছিয়াম থাকে। আৰু সেইবাবে পুষ্টিকৰ দিশৰ পৰা আমাৰ দেহৰ বাবে ই অতি প্ৰয়োজনীয়। আনহাতে ই শৌচৰ কঠিনতা দূৰ কৰাৰ উপৰিও প্ৰস্ৰাৱ ভালকৈ হোৱাত সহায় কৰে।

**খেতিৰ কৌশল ঃ** অসমৰ মাটি আমখেতিৰ বাবে বৰ উপযুক্ত। প্ৰায় সকলো প্ৰকাৰৰ মাটিতে ইয়াৰ খেতি হয়। বৰষুণ যথেষ্ট পৰিমাণৰ লাগে। ফুল ফুলাৰ সময়ত শুকান বতৰ প্ৰয়োজন। আমৰ প্ৰায় ৩০০ মান জাত আছে। অসমত থকা প্ৰায়বিলাক জাতৰ ফল সৰু আৰু পোকে ধৰে। তদুপৰি বৰ ওখ হৈ যোৱা বাবে ফলৰ সংৰক্ষণ ব্যৱস্থাও টান হৈ পৰে। সেইবাবে উন্নত জাতৰ আম নিৰ্বাচন কৰিহে খেতি কৰা উচিত। বৰ্তমান হাইব্ৰিড (Hybrid) জাতৰ আমখেতি জনপ্ৰিয় হৈ পৰিছে। যেনে - মল্লিকা, আম্ৰপালি আদি।

বাণিজ্যিক ভিত্তিত আমৰ খেতি কৰিবলৈ হ'লে মাটিডৰা দ'কৈ ট্ৰেক্টৰেৰে বা অন্য পদ্ধতিৰে চহাই ল'ব লাগে। তাৰ পিছত নিৰ্দিষ্ট ব্যৱধানত গাঁত খান্দিব লাগে। দৰাচলতে ১ মি × ১মি × ১ মি জোখৰ একোটা গাঁত খন্দা আৱশ্যক। ওপৰৰ মাটিখিনি সমান পৰিমাণৰ পচনসাৰ বা গোবৰ মিহলাই পুনৰ মাটিখিনি গাঁতত ভৰাই দিব লাগে। লগত ১ কিল'গ্ৰাম ছুপাৰ ফছফেট আৰু ১০০ গ্ৰাম বি এইছ টি বা এলডেক্স পাউদাৰ মিহলাই ল'লে উঁই পৰুৱা, কুমটি আদিৰপৰা ৰক্ষা পাব পাৰি। গাঁতটো মাটিৰে পূৰোৱাৰ পিছত পানী ঢালি দিলে টিপ ল'ব আৰু মাটিৰ আৰ্দ্ৰতা জোখমতে থাকিব। মন কৰিবলগীয়া কথা যে, আমৰ পুলি নুৰুই সদায় গ্ৰাফ্‌টত ৰুলেহে উন্নত ধৰণৰ ফল পোৱা যায়। এতিয়া গ্ৰাফ্‌টত থকা পুলিটো গাঁতৰ সোঁমাজত মাটি আঁতৰাই ৰুব লাগে আৰু চাৰিওফালে মাটি দি টিপি দিব লাগে। পুলিটো নিয়মীয়াকৈ পানী দি থাকিব লাগে আৰু গাঁতৰ মাটিখিনি টান মৰা যেন দেখিলে খুঁচৰি দিব লাগে। বৰ্ষা ঋতুৰ আৰম্ভণিৰ পৰা আমপুলি ৰোৱাৰ উপযুক্ত সময় হ'ল — এপ্ৰিল, মে' আৰু জুন মাহ।

এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে, অসমত বহুত জাতৰ আম দেখিবলৈ পোৱা যায়, আমখেতিৰ বাবে জলবায়ুও ভাল আৰু ইয়াৰ জনপ্ৰিয়তাও বেছি, তথাপি ইয়াক বাণিজ্যিক ভিত্তিত খেতি কৰা দেখা নাযায় আৰু কৰিলেও খুব কমেহে কৰে। ফলত অসমৰ বজাৰ বাহিৰ আমদানি আমে ভৰি পৰিছে। গতিকে আমি যদি ইচ্ছা কৰো তেন্তে উন্নত জাতৰ আমৰ খেতি কৰি লাভৱান হোৱাৰ লগতে ৰাজ্যখনৰো কিছু উন্নতি হ'ব।

**কলৰ খেতি**

**উপকাৰিতা ঃ** ফলৰ ভিতৰত কলৰ ব্যৱহাৰ আমাৰ দৈনন্দিন জীৱনত অসীম। ইয়াক পৃথিৱীৰ আটাইতকৈ পুৰণি খেতিকৰা ফল হিচাপে বিশ্বাস কৰা হয়। সাধাৰণতে ইয়াক পকা অৱস্থাত ফল হিচাপে ব্যৱহাৰ হয়। কলগছৰ প্ৰতিটো অংশই আচলতে আমি ব্যৱহাৰ কৰো। সৰু কলপুলি (পচলা) ভাজি-তৰকাৰী কৰি খোৱা হয় আৰু ডাঙৰ গছ জীৱ-জন্তুৰ খাদ্য হয়। আনহাতেদি কলপাতক সকাম-নিকাম আদি মাংগলিক কাৰ্যত ব্যৱহাৰ কৰা হয়। তদুপৰি কলপাতত আহাৰ গ্ৰহণ কৰিলে বিভিন্ন ধৰণৰ বেমাৰ-আজাৰৰ পৰাও হাত সাৰিব পাৰি। কলগছৰ পটুৱা চিৰি ৰ'দত শুকুৱাই তাৰ পৰা কলাখাৰ পাব পাৰি আৰু খোৱা-বোৱা কাৰ্যত ব্যৱহাৰ হয়। কলত যথেষ্ট পৰিমাণে ভিটামিন থকাৰ উপৰিও মেগনেছিয়াম, ছ'ডিয়াম, পটাছিয়াম, ফছফৰাছ আৰু আইৰন পোৱা যায়। সেইকাৰণে সকলোৰে বাবে অতি পুষ্টিকৰ খাদ্য। অসমত মালভোগ, ভীমকল, জাহাজী, চেনিকল, মনোহৰ, পূৰাকল আদি পাব পাৰি।

**খেতিৰ কৌশল ঃ** এছিয়া মহাদেশৰ প্ৰায় সকলো দেশতে কল খেতি কৰা দেখা যায়। অসমৰ জলবায়ু কল খেতিৰ বাবে বৰ অনুকূল। সেই কাৰণে যিকোনো ঠাইতে এই খেতি কৰিব পাৰি। কলপুলি লগাবৰ বাবে বাৰীখন অলপ ওখ হ'ব লাগে যাতে পানী সলসলীয়াকৈ ওলাই যাব পাৰে। সাধাৰণতে পুখুৰীৰৰ পাৰত কলগছৰ শ্ৰীবৃদ্ধি হয়। আহাৰ আৰু শাওন মাহৰ বাদে বহাগৰ পৰা আহিন মাহলৈ কলপুলি ৰুব পাৰি। প্ৰথমে কলবাৰীখন দ'কৈ চহাই ল'ব পাৰিলে ভাল। তাৰ পিছত ৩০ ছেঃমিঃ × ৩০ ছেঃমিঃ × ৩০ ছেঃমিঃ বা ইয়াৰ ডেৰগুণ জোখৰ গাঁত খান্দি ল'ব লাগে। তাতে কলপুলিটো স্থাপন কৰি বাকী থকা মাটিৰে গাঁতটো পূৰাব লাগে। মন কৰিব লাগিব যে, যিটো পুলি তৰোৱালৰ দৰে চিঞা পাত ওলায়, সেইটোহে ৰুব লাগে। প্ৰতিটো গাঁতত পচনসাৰ দিয়াৰ উপৰিও গছত ইউৰীয়া ২৩০ গ্ৰাম, ছুপাৰ ফছফেট ২০০ গ্ৰাম আৰু মিউৰিয়েট অফ পটাছ ২২০ গ্ৰাম দিলে অধিক উন্নত ধৰণৰ ফল পাব পাৰি। আৰু এটা কথা মন কৰা উচিত, যিটো পুলি ৰোৱা হয় তাৰ বয়স ৩-৪ মাহমান হ'লে বেছি ভাল হয়। কলগছৰ গুৰিত ফুটছাই কিছু পৰিমাণে দিব লাগে, লগতে কলগছৰ টুকুৰা, জাবৰ আদি দিও সুফল পাব পাৰি।

এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে, অসমত ভীমকলৰ বাবে মাটি আৰু জলবায়ু অতি উন্নত। ইয়াৰ পৰা ভিটামিনৰ পৰিমাণো যথেষ্ট পোৱা যায়। গতিকে ইয়াক আমি অৰ্থাৎ শিশুৰ পুষ্টিকৰ আহাৰ হিচাপে ব্যৱহাৰ কৰাতো অতি প্ৰয়োজন। যদি আমি প্ৰত্যেকে একো একোজোপা ভীমকলৰ গছ ৰুব পাৰো, তেন্তে আমাৰ শিশুসকল পুষ্টিহীনতা ৰোগত ভুগিব লগা নহ'ব আৰু হৰলিক্স বা বৰ্নভিটাৰ প্ৰয়োজনো তেতিয়া কিছু কমিব আৰু ফলত খৰচৰো ৰাহি হ'ব। লগতে প্ৰত্যেক শিশুৱে ঘৰৰ পৰাই পুষ্টিকৰ খাদ্য সহজে গ্ৰহণ কৰিব পাৰিব।

**মধুৰী-আম**

**উপকাৰিতা ঃ** মধুৰী-আমৰ নামটো যেনেকুৱা তাৰ মধুৰতাও তেনেকুৱা। ইয়াক আমি সাধাৰণতে পকিলে বা অলপ কেঁচা অৱস্থাতো খাব পাৰো। আমি সকলোৱে মধুৰী-আমতকৈ আপেলকহে গুৰুত্ব দিওঁ নহয় জানো? কিন্তু আপেলতকৈ ইয়াৰ শক্তি বেছি। আপেলৰ হ'ল ৫৫ আৰু মধুৰী-আমৰ হ'ল ৭১ কেলৰি। তাৰোপৰি লৌহ পদাৰ্থ, প্ৰ'টিন, ভিটামিন আদিও আপেলতকৈ বেছি। ইয়াৰ ঔষধিগুণো উল্লেখযোগ্য। মধুৰী আমৰ ছাৰ তিয়াই পানী খালে পেট চলা বন্ধ হয়। ইয়াৰোপৰি কুমলীয়া পাত খুন্দি খালেও পেট চলা বন্ধ হয় আৰু পেটৰ অনেক উপসৰ্গ দূৰ হয়। বেছি পকাফল খালে পেটৰ গৰমভাৱ নাইকিয়া হয় আৰু কোষ্ঠ-কাঠিন্য দূৰ কৰে। ইয়াক ফল হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও ইয়াৰপৰা সুস্বাদু জাম, চাট্নি আদি তৈয়াৰ কৰি ল'ব পাৰি। গতিকে আমি জানিলো যে আপেলতকৈ মধুৰী আমৰ গুণাগুণ বেছি। সেয়েহে প্ৰত্যেকে আমি মধুৰী আমকহে গুৰুত্ব দিয়া উচিত আৰু সকলোৱে যদি এজোপাকৈ ৰুৱে তেন্তে ঘৰতে অতি সহজে ভিটামিনযুক্ত ফল লাভ কৰিব পাৰিব।

**খেতিৰ কৌশল ঃ** ভাৰতবৰ্ষত প্ৰায় ১৬০ টামান জাতৰ মধুৰী-আম আছে। তাৰে গোটেইবোৰ জাতৰ ভিতৰত চিট্ৰিদাৰ জাতটো অতিকৈ ভাল। মধুৰী-আমৰ বংশ বৃদ্ধি কৰিববলৈ হ'লে ডালৰ পৰা কৰা হয়। তাৰবাবে এবছৰীয়া ডাল নিৰ্বাচন কৰি আগটোৰ পৰা ২০-২৫ ছেঃমিটাৰমান গুৰিত দুই আঙুলমান বহলকৈ বাকলি এৰুৱাব লাগে। চাব লাগে যাতে ঘূৰণীয়াকৈ কাটোতে কাঠ অংশত আঘাত নালাগে। তাৰ পিছত ছালখন সাৱধানে এৰুৱাই তাত চিৰাডেক্স নামৰ হৰমন সানি ল'ব পাৰিলে ভাল, কিয়নো শিপা সোনকালে আৰু বেছি ওলায়। তাৰপিছত কটা অংশত লেজুৱা মাটি দি মুঠি বান্ধি তাৰ ওপৰত পলিথিন কাগজেৰে টানকৈ মেৰিয়াই বান্ধি দিব লাগে। কিছুদিন বন্ধাৰ পিছত যেতিয়া শিপা ভালদৰে ওলোৱা দেখা যায় তেতিয়া ডালটেশ তাৰ তলৰ পৰা কাটি আনি পোনতে পচাই লৈ তাৰপিছত গাঁতত ৰুব লাগে। ডাল ধৰাৰ উপযুক্ত সময় হ'ল ব'হাগ/জেঠ। উপযুক্ত পুলি নিৰ্বাচন কৰিও ৰুব পাৰি।

মধুৰী-আমৰ পুলি ৰোৱাৰ বাবে ৭৫ × ৭৫ ছেঃমিঃ জোখৰ একোটা গাঁত খান্দিব লাগে। গাঁতৰ মাটিখিনি বিশেষকৈ ওপৰৰ মাটি সমান পৰিমাণৰ পচনসাৰৰ লগত মিহলাই গুৰি কৰি পুনৰ গাঁতটো পূৰাব লাগে। মে' আৰু জুন মাহত পুলি ৰুলে সাধাৰণতে ভাল হয়। গাঁতৰ মাটিত ৫০ গ্ৰাম বি এইছ চি, ১০ শতাংশ দৰৰ গুৰি ছটিয়াব পাৰিলে পোক-পৰুৱা দূৰ হয়।

পুলি ঠন ধৰি উঠাৰ পিছত ডাঙৰ হ'লে এক ছেঃমিঃমান ওপৰত ডাল কাটি দিব লাগে। তেতিয়া বেছি ডাল-পাত মেলিব আৰু

সেইদৰে ফলো অধিক লাগিব। অধিক ফল পাবলৈ হ'লে তিনি-চাৰি বছৰমানৰ পৰা ৰাসায়নিক সাৰ প্ৰয়োগ কৰিব পাৰি। সাৰৰ ভিতৰত ইউৰিয়া, ছুপাৰ ফছফেট আৰু টিমেটু অফ পটাছ প্ৰতিবছৰ দিব পাৰিলে ভাল।

অমিতা

**উপকাৰিতা ঃ** অমিতাক সাধাৰণতে মধুফল বুলি কোৱা হয়। পকা অৱস্থাত ফল হিচাপে কাম কৰে আৰু কেঁচা অৱস্থাত এবিধ উত্তম পাচলি হিচাপে ব্যৱহাৰ কৰা হয়। ঔষধিগুণৰ ফালৰপৰা ই পিত্ত নিবাৰক। তদুপৰি পিহি এৰাঁ গাখীৰ আৰু চেনি মিহলাই লৈ সিজাই পুৰা খালী পেটত খালে পেটৰ নানা গণ্ডগোল উপশম কৰে। ইয়াৰোপৰি পকা অমিতাত গাখীৰ মিহলাই ছালত লগালে ছাল মসৃণ কৰাত সহায় কৰে। অমিতাৰ পৰা আমি প্ৰচুৰ পৰিমাণে ভিটামিন, কেলছিয়াম আৰু নানা খনিজ লৱণ পাওঁ। সেইকাৰণে ই আমাৰ স্বাস্থ্যৰ কাৰণে আন এবিধ অতি পুষ্টিকাৰক ফল।

**খেতিৰ কৌশল ঃ** উষ্ণ জলবায়ু অমিতা খেতিৰ বাবে প্ৰশস্ত। সাধাৰণতে বালিচঁহীয়া মাটি অমিতা খেতিৰ বাবে উপযোগী হয়। এই খেতিৰ বাবে ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত গুটি পচালে ভাল হয়। সাধাৰণতে গুটি পচাবলৈ দুটা উপায় আছে। প্ৰথমটো হ'ল, বীজ সিঁচিবলৈ লোৱা ঠাইডোখৰ অলপ ওখ কৰি ল'ব লাগে আৰু মাটিখিনিত বালি আৰু পচনসাৰ দি মিহলাই ল'লে পুলি ভালদৰে ওলোৱাত সহায় হয়। লগতে মাজে মাজে পানী দি থাকিব লাগে। ১৫ দিনমানত পুলি গজে আৰু এমাহ হোৱালৈকে তাতে ৰাখিব লাগে। দ্বিতীয় প্ৰণালীমতে, অলপ ওখ পলিথিনৰ ঠোঙা মিশ্ৰণেৰে সেইটো পূৰ্ণ কৰি তাত ৪/৫ টাকৈ গুটি গুজি দিব লাগে মাজে মাজে পানী ছটিয়াই থাকিব লাগে আৰু অতিৰিক্ত পানী ওলাই যাবলৈ ঠোঙাটো তলফালে ফুটা কৰি দিব লাগে। পুলিবোৰ অলপ ডাঙৰ হোৱাৰ লগে লগে যিটো পুলি বেছি ভাল সেইটো ৰাখি বাকীকেইটা উঠাই পেলাব লাগে। পুলিবিলাক বেমাৰত আক্ৰান্ত নহ'বলৈ কেপটান দৰৱৰ গুৰি ব্যৱহাৰ কৰিব পাৰে।

পুলি ৰুবৰ বাবে ৪৫ × ৪৫ × ৪৫ ছেঃমিঃ জোখৰ গাঁত খন্দা হয়। খান্দি উলিওৱা মাটিখিনি গুৰি কৰি তাত অলপ পচনসাৰ বা বি এইছ চি দৰৱ মিহলাই ল'ব পাৰিলে ভাল। উক্ত মাটিখিনি গাঁতত ভৰাই দুদিন ৰাখি তাৰ পিছত ১৫ ছেঃমিঃ গভীৰতাত একোটাকৈ পুলি লগাব লাগে। ৰোৱাৰ সময়ত পলিথিনখন এৰুৱাই লাহেকৈ ৰুব লাগে। অমিতাৰ পুলি ৰোাৰ উপযুক্ত সময় হ'ল এপ্ৰিলৰ পৰা জুন মাহ।

এইখিনিতে শেষত দুটামান কথা ক'ব বিচাৰিছো যে, ইতিমধ্যে মই কেইবিধমান পুষ্টিকাৰক ফলৰ বিষয়েহে থুলমূল এটি আলোচনা কৰিলো। এনেধৰণৰ আৰু বহুত ফল-মূল আছে য'ৰপৰা আমি অতি সহজে পুষ্টি লাভ কৰিব পাৰো। গতিকে এনেধৰণৰ ফল-মূলক বাণিজ্যিক ভিত্তিত যদি খেতি কৰা যায় তেন্তে, নিজে লাভৱান হোৱাৰ লগতে দেশৰো কিছু সুবিধা হ'ব। আমি বাহিৰা দেশৰ বা ৰাজ্যৰ বস্তু আমদানি নকৰাকৈ অতি সহজে নিজৰ ৰাজ্যতে লাভ কৰিব পাৰিম। এই দিশত ব্যৱসায় কৰি বহুতে আত্মনিৰ্ভৰশীল তথা স্বাৱলম্বী হ'ব পাৰিব। ইয়াৰোপৰি প্ৰত্যেকে যদি অতি কমেও এজোপাকৈ হ'লেও এনেধৰণৰ ফলৰ গছ ৰোপণ কৰে তেন্তে খৰচৰ পৰিমাণ ৰাহি হোৱাৰ লগতে অধিক পুষ্টিযুক্ত ফল ঘৰতে অতি সহজে লাভ কৰাত সুবিধা হ'ব। ফলত বেমাৰ-আজাৰৰ পৰিমাণো বহুগুণে নিৰ্মূল হ'ব।

শেষত, আমি সকলোৱে এনেধৰণৰ ফল-মূলৰ প্ৰতি গুৰুত্ব দিয়া উচিত লগতে নিজৰ ঘৰত এজোপাকৈ হ'লেও ৰোপণ কৰা উচিত।

# Cyber Relationships and Networking

**Pankaj Das**
T.D.C. 4th Sem



In this age of science and technology, the very inseperable elements is the 'Internet'. Internet came to this very existence in the late 1960's with the creation of ARPANET, the Advanced Research Projects Agency Networks. It was originally funded by the US, Department of Defence. At first it was experimented in military platforms but later researchers began to assemble the 'network of networks' that became the modern internet. The online world then looked on a more recognizable form in 1990's. When computer scientist Tim Berners-Lee invented the www, 'world wide web'. While it is often confused with the internet itself. The www is the most common means of transacting data online in the form of websites and hyperlinks. The web played the head role in popularizing the internet among the public.

Well this was the part where the internet came alive. Now, the ace piece of this writing is about cyber relationships which implies the relationship between peoples who have met online and in many cases know each other via internet only. These relationships can be romantic, platonic or even based on business affairs. Not all romantic-cyborgical relationships come out successful.

Well social networking plays a flagship role in cyber relationships. The first recognizable social media site, 'Six Degrees', which was created in 1997. It enabled users to upload a profile and make friends with the other users. Later in 2004, February the 4th, Mark Zuckerberg introduced public to the very famous Facebook. Facebook became viral among the population of the world. It was adored with much more facilities than any other social medias. Later on Orkut, Twitter, Instagram and many other social sites came into existance.

With Social Media's help, people reach out far away fellowmates, families and friends. No one keeps oneself under the constraints of these

social media's terms and conditions and very dumbly sent requests or let themselves connected to other unknown fellows. Its not obvious that the person we are trying to connect would turn out to be as a noble being. But rather than in some unfavourable cases it might turn out to be a social evil. Peoples with evil thoughts create fraudlent profiles with the aim to attack the vulnerable peoples over the internet and users with socio-media maniacs.

Every 10 out of 100 internet users are likely to be the victims of virtual cyber relationships. No boys or girls are safe from these social evils of internet. No doubt, social medias are great platform for connecting distant peoples, families and friends only if handled safe and carefully. It has both its merits and its counter parts. Inappropriate use of social networking may lead one to serious issues.

A person may appear amiable, romantic, emotional, noble creature who would in every way very convincing as a perfect life partner for a girl or a boy. That evil will use its charmingness and well-being as a bait for its pery. And as a result, it turns out as a disaster – raps, gang rapes, sexual molestations, harrasments, etc. No boy or girl are safe from this evil phenomena. People are being social-cyborg, without the dosage of social networking they appear if cease to exist. Cyber networking should be handled in proper manner and should not be so dependent on it. People are losing the live-interactions and are transforming into virtual robots.

Thus, social-media is a necessary evil. In this age of internet one cannot avoid its usage and benefits but are adviced to use it keeping in mind its demerits and evils.■






# Science and Religion

**Rituparna Chetia**
B.Sc 1st Semester

Science and religion are two different aspects of life. Both have their own importance and value. History tells us that the two have always been in conflict in the beginning; religion was all important and reighed supreme in every sphere of life. But gradually its place was taken by science. Today, science is far more important than religion. Yet, people do worship their 'god and goddesses' with all devotion. People leave all their worries and anxieties and believe that god will solve all their problems and bless them.

Science taught human beings to examine things through a process called scientifically. Science has influenced people's minds and ideas to a great extent. There is a close relationship between science and religion. Religion teaches us the principle of morality and science should always be guided by this principle of morality. Some people devote their lives to the study of religion and become great prophets. The scientific power becomes more and more effective and benevolent only when it is guided by religion and morality.

Our atom bombs, hydrogen bombs are examples to show how the scientific power has been misused because of lack of religion and morality. Science and religion are commonly perceived to be mutually exclusive contradiction in terms, as it were. Both the method and the aims of science and religion seem to be different. While science is linked to the material,

religion is concerned with the spritual. Religion is subjective, as religious enlightment has to be felt by one's own experience. Unless and until religious experience is felt by an individual himself, he cannot reap any pleasure out of it.

Science is of more recent growth. The earliest phases of science may not be more than four or five thousand years old, while modern science began only in the 15$^{th}$ century. But religion is much older and before science made its appearance. The former was the chief force guiding and governing human thoughts and conduct. There are basic differences between the outlook of science and religion. The outlook of science is rational. Science believes in experiment and observation. It teaches its followers that nothing is to be believed until it has been proved to be true through experiments. Religion on the other hand, is a matter of faith.

It teaches its followers to believe and have faith in the teaching of religious teacher and the authority of religious books. Thus, whatever is written in the 'Vedas' or the 'Gita' is true, for it is the word of God himself.

The existence of God cannot be proved but it can be felt by those who have faith. It is all a matter of faith and not of experiment or observation.

The religion of science, if one may use the term is a rational approach to the problems of the universe in which the voice of conservatism and superstition has no place. Science has thus ceased to be the enemy of religion, it has, on the other hand; become its helper and champion. ■



# The Amazing Wildlife

**Zimpi Saikia**
B.Sc 6th Semester



It is a minor miracle that a land of a billion human beings can also contain 65% of the world's tigers and Asian elephants and 85% of its one-horned rhinoceros. There are three very important reasons for this. The most important is undoubtedly the conservation ethic that is inbuilt in the majority of the population. Indians, weighed down by the day-to-day problems of sheer existence, may not go out of their way to same wildlife and forests but the majority does believe that these are resources that they want around for posterity. There are examples within Asia of countries where the majority population considers wildlife only as a source of protein. In comparison, the sub-continent stands out as a treasure trove of natural wealth despite countless obstacles to their conservation. The first salute to preserving these must therefore go to the common men and women.

The second reason that we still have bio-diversity on this scale has to be attributed to political will and constitutional provisions. By ensuring the right to protect nature and the environment in the constitution itself and by the far-sightedness of some of our early leaders, India has developed a bureaucratic and legal structure that can protect wildlife. Despite development and human care emerging as the single biggest concern, there is still some empathy for wild animals and their habitat. The result is a very visible government policy directive to protect wildlife.

Of course, there is absolutely no use of policies and laws if there is no one to implement them. The Third and perhaps the most crucial

reason that we still have wildlife is a handful of forest guards, wildlife conservationists, NGOs and bureaucrats who join hands rarely but work with dedication to save what is left of our forests and species. These people deserve the final accolades for holding the fort so magnificently and against all odds.

The Wildlife Protection Act, 1972 is part of the second reason, a clear-cut law providing the basis for legal protection of our wildlife. Despite its flaws it is still undoubtedly one of the strongest legislations on wildlife protection in Asia. Since 1972, it has constantly attracted the attention of policy makers and with continuous revisions and amendments, has emerged as the single most important tool in conservation.

It may not be easy for those who seldom want to but do not have time to appreciate why there should be any law to regulate the use of nature's beauties- the forests and wildlife. After all, some may argue, it all goes waste is it is not utilized by the people. Moreover, where people are poor and dependent on the forests for meeting their daily basic requirements of food, fuels, and fodder for their livestock, are it not inhuman to prevent them from trying to sustain their existence in their traditional way?

The Wildlife Protection Society of India (WPSI) was formed in 1994 with the specific aim of providing additional support and information to combat the escalating illegal wildlife trade. The society has established a network of informers throughout India, a comprehensive data base on wildlife crimes, and a legal cell which pursues the prosecution of important wildlife cases, particularly those concerning the tiger. WPSI assists and liaises with government enforcement authorities to bring about the arrest of offenders and seizure of wildlife products. With field projects and awareness campaigns, WPSI is actively involved in major wildlife conservation issues in India.

In a land-starved country it still provides the tenets that set aside 4% of the country as 'protected area'. Both the poacher and the 'gentleman' shikari have to contend with several provisions in the Act that could direct them to a maximum of seven years in prison and a fine for misdemeanor. Albeit slowly, courts are getting increasingly aware of such provisions and are now not loath to hand out punishments. This law therefore should in all fairness be the Bible of every wildlife conservationists in India. It is in implementing the provisions of this Act that we can ensure that the battle to save our species is carried over to the next generation.■

**"Talk To Yourself Once In A Day... Otherwise You May Miss Meeting An Excellent Person in this World"**





# A brief History of Money

**Aslam Ali**
B.A. 5th Sem

"Money is money,
sweeter than honey,
brighter than the sun,
without money nothing
can be done."

Money is the universal currency that all civilized human beings are familiar with. Someone may see it as only a piece of paper and they earn it just so that they can carry on with their lives. Yet to someone if may represent power, authority, a measurement of success and may be happiness. Although money can't buy happiness but it can buy all the things of comfort that makes us happy. If on road we get a thousand rupees note and a book we will surely pick the money first. It is the biggest lie of our life that we hate money as we know that we can't live without it a second.

**Origin of Money :**

The word 'money' is believed to originate from a temple of Juno, on Capitoline, one of Rome's seven hills. Juno and as such was considered the Queen of Gods and the most powerful goddess. The temple of Juno Moneta at Rome was the place where the mint of Ancient Rome was located. Thus it is believed that from the world 'Moneta' the term 'Money' evolved.

**What is Money ?**

Money, in and of itself, is nothing. It can be a shell, a metal coin, or a piece of paper with a historic image on it, but the value that people place on it has nothing to do with the physical value of money. Money derives its value by being a medium of exchange, a unit of measurement and a storehouse for wealth.Money is valuable merely because everyone knows everyone else will accept it as a form of payment.

**History of Money :**

Right from the start of the human race, people needed to obtain necessary items — food, clothing, housing etc. Money, in some form, has been part of human history for at least the last 3,000 years. Before that time, it is assumed that a system of bartering was likely used. Bartering is simply exchanging something that we have for something which we want from someone else.

In 1000 BC, the Chinese were the first to use metal in their money. They made initiations of cowrises and various tools out of bronze and copper. The metal money in China soon developed into discs

of metal which were the first various of coins. However, they were every-easily copied.

In 600 BC in Lydia (Turkey), King Alyattes minted the first official coins were made out of a mixture of gold and silver. The back was stamped to show it wasn't a fake and the use of precious metals meant that each coin had a value itself. Lydia's currency helped the country increase both its internal and external trade, making it one of the richest empires in Asia Minor.

Just when it looked like Lydia was taking the lead in currency developments, in 600 BC, the Chinese moved fion coins to paper money. By the time Marco Polo visited in 1200 AD, the emperor had a good handle on both money supply and various denominations.

Paper money since then has taken many forms. During the English Civil War (1642-1651) the Goldsmith's safes were locked so that people had a secure place to leave valuable. Written instructions to the goldsmith to pay another person from a customer 'store' developed into what we now call cheques. During the 18th and 19th centuries, representaive money was common. This was paper notes which could only be exchanged for a particular item.

Now a days we use what is termed fiat money. Fiat money is the currency that a government has declared to be legal tender, but is not backed by a physical commodity. People accept this money is return for good or services because they know that they themselves will be able to use it at a later date.

Of course with the technology we passes today, electronic money is common place. Electronic money, or e-money, is the money balance recorded electronically on a stored-valued card. These card have micro-processors empedded which can be loaded with a monetary value. Credit cards/Debit card allow customers to pay for items before the money actually leaves their account.

**History of money in India:**

History of money (rupaya) in India can be traced back to Ancient India in circa 6th century BC. India was one of the earliest issuers of coins in the world along with the Chinese and he Lydians. The Hindi word rupaya is derived from Sanskrit word rupaya which means 'wrought silver, a coin of silver'. 'Arthanshastra', written by Chanakya Prime Minister to the first Maurya Emperor Chandragupta Maurya (340-290 BC), mention silver coin as rupyarupa, other types of coins including gold coins (Swearnarupa), copper coins (Tanrarupa) and lead coins (Sisarupa) are also mentioned. During his five-year rule from 1540 to 1545, Afghan king Sher Shah Suri issued a coin of silver, of 178 grains, which was termed the Rupiya. Among the earliest issues of paper rupees include; the Bank of Hindustan (1770-1832), tLe General Bank of Bengal and Bihar (1773-79), and the Bengal Bank (1784-91).

**How the value of money (currency) is determined ?**

Have you ever wondered how the value of a currency is determined ? It's not much different from how the prices of potato are determined in the market. Whether currency movements or prices of potatoes, the most important factors determining their price are the same — market forces of demand and supply.

If the demand for dollars increases, the value of dollar will appreciate, an appreciation in the balue of dollar would automatically mean a depreciation in Indian rupee i.e., now we have to give more unit of Indian rupee to get a unit of dollar thus the value of dollar in terms of Indian rupee increases.

Besides the primary powers of demand and supply the value of money is also determined by other market forces such as

market sentiment, speculation, RBI Intervention, Import and Exports, Fiscal policy and Monetary policy of the government.

**To Conclude :**

In the above, a discussion was made on the origin and the economic value of money. In addition to it money has social, political, psychological and human values. Money is in the process of acquiring a further value as a symbol and instrument for the conscious evolutions of humanity. Society has evolved from earlier stages in which power, knowledge and wealth were concentrated in the hands of a small elitets stages in which education, democratic rights and economic well-being are widely distributed. Money which was once the symbol of a privileged elite, is in the process of becoming the symbol of the inherent value of every human being. Society is, in the process of discovering that the original and ultimate value of money arises from the human beings who create it and whom it is intended to serve.■





# Look Beyond Employment

**Anil Phukan**
B.Sc (Economics)
5th Semester

There are many opportunities for today's youths. In the past, employment opportunities were highly limited. People were mainly engaged in agricultural activities and some worked as daily wage laborers in agricultural fields or so. The income that was generated by those people in those days was very less and as such many lived under poverty. This created a fear of 'how to make a living'. Making a living is a fetish that arises out of poverty consciousness of the previous generations. Today, there is a need for the youths to look beyond employment. Youths should look at making a life out of their chosen path. There is a need for youth to focus on becoming entrepreneurs. To espouse the changed values, the legacy of education system that has designed to make us fit for clerks has to be discarded. A step in that direction can also be taken by colleges by making a compulsory summer training in private companies, tea factories or in public sector enterprises etc. so, that students in any discipline should not be just limited to the knowledge provided in books. They should also know how to apply their knowledge practically. However, such a drastic revamp is a costly affair. The political leaders have been aware of the issue. A step in that direction has been made by changing the Regional Engineering Colleges to NITS (National Institute of Technology) and opening more IITs across the country. Older generation complain that the younger generation lacks the capability of doing business. We live in a society where people have a phobia of entrepreneurial risks. Middle class

family does not appreciate their children on taking risk and to establish themselves as entrepreneurs. Similarly, youths seek for jobs after their graduation. The fear of entrepreneur risk in parents might be because they might have seen someone fail being entrepreneur right in front of their eyes. But a challenge and opportunity have to be provided to the younger ones to learn the true language of entrepreneurship. And a supportive background must be provided to overcome the failures in business. I say "Give enough to do anything and not enough that they don't do anything". There are many opportunities to establish ourselves as a successful entrepreneur. For example, Our country lacks in branding a commodity. Foreign countries know the art of branding commodities and are hence successful like we all love to wear pants and trousers of brands like levis, spykar, pepe jeans etc. all of these are foreign brands. Our country too makes trousers and pants but are not successful in branding and hence are unable to take market successfully. On agricultural filed we can work on organic foods which is recently a growing market in the economy. If youths of today are taught and highly skilled in only these fields like branding entrepreneur risk can be highly minimized. Millions of youths, who wear pants who have the attitude of educated but do not have education. Many youth's do not have good academic abilities. This attitude of being educated do not allow them to go to farms, carpentry etc. Youths without a purpose is a dangerous possibility. Our idea of education has to be changed.That is why everyone has to go through compulsory education. To me by eighteen every youth must have some skill, so that they can do something with their brain or with their hands. Because if we donot skill the nation, we will kill the nation.■



# BLACK MONEY:
## A HIDDEN TREASURE



**Punam Chanda**
B.A 4th Semester

Black Money- a hidden treasure came in to being during the Second World War. Since then it has been a major concern for all countries. There is no uniform definition of Black Money in literature or economic theory. Yet it is referred to as the money which is earned through any illegal activity. It may be in the form of real estate, bonds, gold, jewelry, shares, securities or cash. It is the offspring of cunningness and underhand policy. It gives opportunities to people to make profits.

Black money proceeds are usually received in cash from underground economic activities. The creation of black money is also through the avoidance of income and sales taxes. The possible sources of black money include drug trafficking, weapons trading, terrorism, selling pirated version of copyright products and many more.

It is docile money. It does not play any economic function. If the money reaches the government there will be faster economic growth. The National Institute of Public Policy has roughly estimated the amount of black money in our economy at about Rs.37000 crores. This is little over one-fifth of the Gross Domestic Products (GDP). The renowned economist, Kaldor in his report on Indian Tax Reform assessed the black money to the extent of Rs.600 crores in the year 1953-54 which was about 6% of Gross National Product and the figures has been raising year after year. Black money from India amount $1.4 trillion in Swiss Bank. The Government of India claimed that deposits of Indians in Swiss Bank constitute only 0.13 percent of the total bank deposits of citizens of all countries. The Government of India took several measures to recover the money. A recent step was the setting up of Special Investigation Team that will investigate and submit reports in this matter.

Very recently on 8th December, 2016, Prime Minister Narendra Modi declared the Central Government fs decision to demonetize Rs.500 and Rs.1000 currencies and introduce Rs.2000 and new Rs.500 currencies in order to pull out the huge de ■

# Women Empowerment



**Rahul Saha**
B.Sc. 2nd Semester

Respect for women is very important in a society where the most prominent role is played by a woman, i.e., mother. In India, woman power in different forms of goddesses is worshipped.

Before you read any further, I would like to put some questions to all of you. When was the last time you took a stand for a woman confronted with injustice? When was the last time you saw a small girl or a woman begging on the road and really felt the need to help her?

Well if one is genuine, the answer would be 'RARELY'. India is said to have rich culture and heritage, a superpower, the largest democracy, etc. But the truth is that in modern India, women have always been considered as second grade citizens, no matter what India's esteemed leaders have said or done. The trend of the society in India can be explained by a refrain from an old bollywood song- "It happens only in India".

Yes, it is only in India that a brutal gang rape occured in a bus in the state where the Chief Minister herself was a woman! truly-"Incredible India".

Well as far as statistics are concerned, India is the fourth most dangerous country in the world for women with numerous instances of violence like acid attack, domestic violence, dowry, etc.Thus, Women Empowerment can provide the creation of an environment where women can make independent decisions on their personal development as well as shine as equals in India. The National Mission for Empowerment of Women in India (NMEW) is such organisation that helps women in India to fulfill their dreams.

Thus, at this is the duty of our generation steps. Friends, education is no doubt very important but respecting woman is equal to that because woman who has lost everything of this world's brutality might be your mother, your sister or your friend. So, it is our duty to make India a heavenly place for women to breathe freely and safely.■

# অসমৰ চাহ জনজাতি অতীত আৰু বৰ্তমানৰ এক আলোকপাত



হেমৰাজ লখ্‌ৰা

সেই তাহানিতে অসমত ব্ৰিটিছ ব্ৰুছ চাহাবে চাহ আৱিষ্কাৰ কৰাৰ লগে লগে অসমত ব্ৰিটিছসকলে এই চাহক বাণিজ্যিক পণ্যৰূপে গঢ়ি তোলাৰ সিদ্ধান্ত ল'লে। তাৰেই পৰিপ্ৰেক্ষিতত তেওঁলোকে অসমত নানা ঠাইত চাহ বাগিচাৰ উপনিবেশ পাতিলে। কিন্তু সেই সময়ত অসমত বাস কৰা ইয়াৰ থলুৱা লোকসকলে ব্ৰিটিছৰ তেনে উপনিবেশবোৰত কাম কৰিবলৈ অমান্তি হোৱাত ১৮৬০-৭০ৰ দশকত বৰ্তমানৰ ঝাৰখণ্ড, ওৰিশা, পশ্চিমবংগ, তেলেংগানা, বিহাৰ আৰু ছত্তীছগড় আদি ঠাইৰ পৰা আদিবাসী বুলি পৰিচিত জাতিটোক ব্ৰিটিছসকলে পইচাৰ নানান প্ৰলোভন দেখুৱাই এই বাগিচাবোৰত কাম কৰিবলৈ সিবিলাকক বনুৱা হিচাপে লৈ আহে। ব্ৰিটিছসকলে তেওঁলোকক অসমলৈ আনি অসমৰ বৰ্তমানৰ কোকৰাঝাৰ, ওদালগুৰি, শোণিতপুৰ, নগাঁও, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি জিলাবোৰত আশ্ৰয় দিয়ে। যাৰ বাবে বৰ্তমানেও এইবোৰ ঠাইত চাহ বাগিচাৰ কৰ্মচাৰীৰ সংখ্যা অধিক। মন কৰিবলগীয়া যে অসমৰ মুঠ জনসংখ্যাৰ ২০ শতাংশ এই জনগোষ্ঠীটোৱে সাঙুৰি আছে।

পোনপ্ৰথমবাৰৰ বাবে ১৮৪১ চনত ব্ৰিটিছ চাহাবসকলে ৬৫২ জন লোকক আনি থাকোঁতে জলপথ ব্ৰহ্মপুত্ৰৰ আদবাটতে বহুলোক কলেৰা ৰোগত ভুগি মৃত্যুবৰণ কৰে। আন কিছুমানে আকৌ পলাই যোৱাত ব্যৰ্থ হোৱাত গুলীয়াই হত্যা কৰে। অসমত আহি পোৱাৰ পাছতেই ব্ৰিটিছসকলে তেওঁলোকৰ বাবে 'কুলি লাইন'ৰ ব্যৱস্থা কৰে আৰু বাগানৰ এই বনুৱাবোৰক 'কুলি' বুলি সম্বোধন কৰে। তাৰপাছতে তেওঁবিলাকৰ আৰম্ভ হৈছিল নানান দুখ-কষ্ট, দুখ-বেদনাৰে অন্ত নোহোৱা কঠোৰ জীৱন। বাগানত কাম কৰা মানুহবোৰক কোনোদিনে বাগানত অনুপস্থিত থাকিব দিয়া নহৈছিল। আন বাগানৰ সম্বন্ধীয় মানুহৰ লগতো লগ কৰিব দিয়া নহৈছিল। ল'ৰা-ছোৱালীৰ বিয়াৰ ক্ষেত্ৰত বাগানৰ কৰ্তৃপক্ষৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক

আছিল। ভৱিষ্যতে যাতে বাগানবিলাকত বনুৱাৰ সংখ্যা কমি নাযাওক বুলি ভাবি বাগানবিলাকৰ ভৱিষ্যতৰ কথা চিন্তা কৰি তেওঁলোকক ল'ৰা-ছোৱালীৰ জন্মৰ হাৰ বৃদ্ধি কৰিবলৈ আদেশ দিয়া হৈছিল। বাগানবিলাকত পুৰুষ-মহিলা, ল'ৰা-ছোৱালী সকলোৱে কাম কৰিবলগা হৈছিল। তাৰ বিনিময়ত তেওঁলোকে একেবাৰে কম পাৰিশ্ৰমিক লাভ কৰিছিল। ১৮৬৫-১৮৮১ চনৰ কালছোৱাত এজন পুৰুষে লাভ কৰিছিল মাহিলী ৫ টকা আৰু মহিলাই লাভ কৰিছিল ৪ টকা মাত্ৰ। কিন্তু পাছলৈ ১৯০০ চনত এই হাৰ বৃদ্ধি হৈ পুৰুষে লাভ কৰিছিল মাহিলী ৫.৫ টকা আৰু মহিলাই লাভ কৰিছিল ৪.৫ টকা। আনহাতে ১৮৮০ চনত এজন অশিক্ষিত ৰে'লৰে কৰ্মচাৰীয়ে লাভ কৰিছিল ১২ৰ পৰা ১৬ মাহে প্ৰতিমাহে যিটো এজন চাহ বাগিচাৰ বনুৱাৰ হাজিৰাৰ তিনিগুণ অধিক। বনুৱাসকলে কম পাৰিশ্ৰমিক পোৱাৰ লগতে যিখিনি সুবিধা পাব লাগে সেইখিনি পোৱা নাছিল। মেডিকেল ব্য-স্থা নাছিল। কিন্তু ব্ৰিটিছ চাহাবে এই মেডিকেল ব্যৱস্থাৰ বাবে ব্ৰিটিছ চৰকাৰৰ আবেদন জনালেও চৰকাৰে একো সঁহাৰি দিয়া নাছিল। শেষত ১৮৮৭ চনত ডিব্ৰুগড়ৰ বৰবাৰীত 'বেৰি হোৱাইট মেডিকেল স্কুল' স্থাপন হোৱাত চাহ বাগিচাৰ কৰ্মচাৰীৰ স্বাস্থ্যত অলপ উন্নত হয়।

বাগানত কাম কৰা বনুৱাসকলে মাজে-সময়ে চাহ বাগিচাৰ ফেক্টৰীত কাম কৰিবলগা হৈছিল কিন্তু উপযুক্ত জ্ঞান নথকাত বহুতো অসুবিধাই দেখা দিছিল। সেইবাবে ব্ৰিটিছ চাহাবসকলে এই চাহ বনুৱাসকলৰ ল'ৰা-ছোৱালীবোৰক শিক্ষাৰ ক্ষেত্ৰত দুৱাৰ মুকলি কৰি দিয়ে। কিন্তু বহু বছৰ ধৰি এই পদক্ষেপ অফিচাৰসকলৰ ফাইলৰ কাগজতে সীমাৱদ্ধ হৈ আছিল। জনা যায় যে ১৯৪৬-৫০ৰ দশকত চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চাৰিখন কলেজ স্থাপন কৰা হৈছিল। ব্ৰিটিছ চাহাবসকলে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত সঁহাৰি জনালেও এই সঁহাৰিয়ে তেওঁলোকক ভাবুক কৰি তুলিছিল। ভৱিষ্যতে এইসকল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষিত হৈ তেওঁলোকৰ বিৰুদ্ধে যুঁজ কৰিব পাৰে বুলি আশংকা কৰিছিল। স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে পঞ্চম বাৰ্ষিক পৰিকল্পনাত এই চাহ বাগিচাৰ কৰ্মচাৰীৰ বাবে ধাৰ্য কৰিছিল মুঠ ২.৬ লাখ টকা, যদি হিচাপ কৰা যায় তেন্তে প্ৰতিজন বনুৱাৰ ভাগত পৰে ১০ পইচাতকৈও কম টকা।

দেশত চলি থকা স্বাধীনতা আন্দোলনতো এই চাহ বনুৱাসকলে যোগদান কৰিছিল। কিয়নো বহুবছৰৰ পৰাই এওঁলোকে অন্তৰৰ পৰা ব্ৰিটিছৰ বিৰুদ্ধে হিংসাত্মক মনোভাৱ পুহি ৰাখিছিল। পিছত শিক্ষাৰ অগ্ৰগতিয়ে এই বনুৱাসকলক ব্ৰিটিছৰ বিৰুদ্ধাচৰণ কৰিবলৈ আৰু অধিক উদগনি যোগাইছিল। ব্ৰিটিছৰ বিৰুদ্ধে থিয় দিয়া অসমৰ প্ৰথম চাহ বাগিচাৰ আন্দোলনকাৰী আছিল ঁঅৰ্জুন ঘাটোৱাৰ। তেওঁৰ সমান্তৰালভাৱে আন কিছুমান লেখত ল'বলগীয়া আন্দোলনকাৰী আছিল — ঁগজৰাম কুৰ্মি, ঁপ্ৰতাপ গড়, ঁসম্বুৰাম গড়, ঁজগমোহন গড়, ঁবিদেশ কুমাৰ লোহাৰ, ঁআপ্পা ভূঞা, ঁৰাধু মুণ্ডা, ঁগোবিন তাঁতী, ঁৰামচায় তুৰি, ঁবিষ্ণু চুকু মাঝি, ঁবঙাই বাউৰী ইত্যাদি। আন কিছুমান আন্দোলনকাৰী আকৌ সৈনিক ৰূপেও নিযুক্ত হৈছিল। তেওঁলোক আছিল — ঁদয়াল দাস পানিকা, ঁমংগল কুকু, ঁতহলু চাওঁৰা আৰু ঁঝাংকুৰু চাওঁৰা। 'মালতী মেম এলিয়াছ' উপাধিৰে খ্যাত ঁমাংৰী ওৰাং আছিল প্ৰথম আদিবাসী মহিলা যোদ্ধা। কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় অসমৰ বুৰঞ্জীত এই বীৰ-বীৰাংগনাৰ নাম তথা গুণৰ কথা লিখিত ৰূপত নাই, আছে মাথোন কিছুমান গৱেষকসকলৰ গৱেষণা পত্ৰত।

ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা এই আদিবাসী লোকসকলে অসমলৈ লগত লৈ আহিছিল নিজৰ কলা-সংস্কৃতি, ভাষা। যিবোৰক তেওঁলাকে আজিও জীয়াই ৰাখিছে। তেওঁলোকৰ মাজত প্ৰচলিত গুৰুত্বপূৰ্ণ ভাষাবোৰ হ'ল — চাওঁতালী, কুড়ুঁখ, মুণ্ডাৰী, উড়ীয়া, চাওঁৰা, খাড়ীয়া আদি। কিন্তু সাধাৰণতে তেওঁলোকে 'সাদৰী' ভাষাতহে কথোপকথন কৰে। বৰ্তমান এই জাতিটোৰ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ অসমীয়া, ইংৰাজী, হিন্দী আদি ভাষা স্পষ্টভাৱে আয়ত্ত কৰিছে।

এই আদিবাসীসকলৰ মাজত হিন্দু, খ্ৰীষ্টান এই দুটা ধৰ্মাৱলম্বীৰ মানুহ পোৱা যায়। হিন্দুসকল বিশেষকৈ শাক্তপন্থী আৰু বৈষ্ণৱপন্থী। খ্ৰীষ্টান ধৰ্মটো তেওঁলোকক ব্ৰিটিছসকলে দি যোৱা। হিন্দুসকলে ঈশ্বৰ শিৱক বিভিন্ন নামেৰে যেনে 'মাৰাংবুৰু', 'মহাদেউ', 'সিঙবংঙা' আদি নামেৰে উপাসনা কৰে। ঘাই উৎসৱ হিচাপে 'কৰম পূজা', 'চাৰুল পূজা' আদি পালন কৰে। তেওঁলোকে লগত দুৰ্গা পূজা, দীপাৱলী, টুছু পূজা, হোলি, কৰম পূজা, চহৰাই, খ্ৰীষ্টমাছ আদি উৎসৱসমূহো পালন কৰে।

ঝুমইৰ নৃত্য তেওঁলোকৰ বিখ্যাত

নাচ। যিয়ে তেওঁলোকক চাহ বাগিচাৰ কৰ্মচাৰী হিচাপে পৰিচয় দিয়ে। এই নৃত্য ডেকা-গাভৰুৱে ইজনে-সিজনৰ হাতত ধৰাধৰিকৈ, কঁকালত হাত থৈ ঢোলৰ ছেৱে ছেৱে ভৰিৰ খোজ মিলাই নৃত্য কৰে। এই নৃত্য দেখিবলৈও ধুনীয়া আৰু সহজ। জাক পাতি নাচি থাকোঁতে যিকোনোৱে সেই জাকত যিকোনো সময়ত সোমাই নাচিব পাৰে মাথোঁ নাচিবলৈ ভৰি মিলাব জানিলেই হ'ল। নাচোঁতে গাভৰুসকলে 'লাল পাইড়' বগা শাৰী পৰিধান কৰে। খোপাত বিভিন্ন ৰঙৰ ফুল গুজিও ল'ব পাৰে। ডেকাসকলে ধুতি, কুৰ্তা আৰু মূৰত পাগুৰি মাৰে। বাজনা হিচাপে ঢোল, মাদল, কৰতাল আদি ব্যৱহাৰ কৰে।

বৰ্তমানলৈ এই জাতিটোৱেই অসমৰ আটাইতকৈ পিছপৰা জাতিৰূপে পৰিগণিত হৈ আহিছে। তাৰ কাৰণ হ'ল চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা এওঁলোকক শোষণ আৰু চৰকাৰৰ অনীহা মনোভাৱ। ভাৰতে স্বাধীনতা পোৱাৰ ৫০ বছৰ পাৰ হৈ যোৱাৰ পাছতো এই জাতিটোৱে শিক্ষাৰ ক্ষেত্ৰতেই হওক বা আন যিকোনো ক্ষেত্ৰতেই আগবাঢ়িব পৰা হোৱা নাই। কিছুমান চাহ বাগিচাৰ মানুহে আকৌ উপযুক্ত পৰিৱেশ বিচাৰি অসমৰ বাহিৰলৈ গৈ টকা ঘটিছে। যাৰ বাবে অসমৰ মানৱ সম্পদ বাহিৰত ব্যৱহাৰ হৈছে। যিটো জাতিটোৰ বাবেই নহয়, সমগ্ৰ অসমৰ বাবেই এক চিন্তনীয় বিষয়। অসমত এই জাতিটোৱে বাৰে বাৰে নিজক জনজাতিকৰণৰ বাবে যুঁজ দিলেও সফল হ'ব পৰা নাই আনহাতে এই জাতিটোৱে অসমৰ বহিৰত এই অধিকাৰ সম্পূৰ্ণৰূপে ভোগ কৰি আছে।

২০০৬ চনত অসম সাহিত্য সভাই এই জাতিটোক ন-অসমীয়া জাতিৰূপে স্বীকৃতি দিয়ে। অতি গুৰুত্বপূৰ্ণ কথা এই যে সঁচাই এই চাহ জনজাতিক এৰি অসমীয়া জাতিৰ ইতিবৃত্ত কোনোপধ্যেই সম্পূৰ্ণ নহয়। বৰ্তমান তেওঁলোকে অসমীয়া ভাষাক নিজৰ মাতৃভাষাৰূপে আঁকোৱালি লৈ সমগ্ৰ অসমীয়া জাতি তথা ৰাজ্যখনৰ উন্নতিৰ বাবে সহায়-সহযোগ আগবঢ়াই আহিছে। শেষত জাতিটোৱে অনাগত দিনত চৰকাৰৰ পৰা বিভিন্ন সহায়-সহযোগ লাভ কৰি নিজকে আন জাতিবোৰৰ দৰে সবল বুলি পৰিচয় দিব পাৰিব বুলি আশা কৰিব পৰা যায়। এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ অংশীদাৰ ল'ব লাগিব স্কুল-কলেজত পঢ়ি থকা আদিবাসী ছাত্ৰ-ছাত্ৰীয়ে।■



**The more laws,
the less justice
-Marcus Tullius Cicer**

# মাদক দ্ৰব্য আৰু ইয়াৰ কু-প্ৰভাৱ

ধনজিৎ মৰাণ
দ্বাদশ শ্ৰেণী (বিজ্ঞান)



বৰ্তমানৰ যুগত পৃথিৱীৰ যুৱক-যুৱতীসকলৰ মাজত এক মাৰাত্মক ৰূপ ধাৰণ কৰা ভয়াবহ সমস্যাসমূহৰ ভিতৰত মাদক দ্ৰব্য আৰু ইয়াৰ কু-ব্যৱহাৰ এক উল্লেখযোগ্য সমস্যা। বৰ্তমান সমগ্ৰ বিশ্বতে এনেধৰণৰ দ্ৰব্যৰ ব্যৱহাৰ দিনক দিনে বৃদ্ধি হৈ গৈ আছে। সাধাৰণতে মাদক দ্ৰব্য বুলি ক'লে মদ, ভাং, ড্ৰাগছ, কানি, ধঁপাত আদি নিপযুক্ত দ্ৰব্যৰ কথাই বুজা যায়। প্ৰকৃততে ড্ৰাগছ শব্দটিৰ পোনপটীয়া অৰ্থ হ'ল ঔষধ। জীৱিত প্ৰাণীৰ শৰীৰ আৰু মনত প্ৰতিক্ৰিয়া কৰিব পৰা ৰাসায়নিক পদাৰ্থ "A drug may be defined as a chemical substances which effect the living species mentally or physically." এই সূত্ৰৰ ফালৰ পৰা চাবলৈ গ'লে নিচাযুক্ত ঔষধসমূহ এফালৰ পৰা চিকিৎসা বিজ্ঞানৰ বাবে প্ৰয়োজনীয় কিন্তু আনফালৰ পৰা ভয়াবহ দ্ৰব্য। এই দ্ৰব্যবোৰ উচিতভাৱে ব্যৱহাৰ কৰি টোপনি নহা মানুহৰ টোপনি আনিব পাৰি আৰু লগতে মানুহৰ স্মৃতি মেধা বা শাৰীৰিক পৰিশ্ৰম কৰাৰ ক্ষমতা মানসিকভাৱে বঢ়াই তুলিব পাৰি। এনেবোৰ গুণ থকাৰ বাবেই চিকিৎসা বিজ্ঞানত অতি সাৱধানে এনে ঔষধসমূহ ব্যৱহাৰ কৰা হয়। তদুপৰি মাদক দ্ৰব্যবোৰৰ সমসাময়িক উত্তেজনা আৰু আনন্দ দিব পৰা গুণটোৰ বাবেও বহুতে ইয়াক নিৰৱচ্ছিন্নভাৱে ব্যৱহাৰ কৰে আৰু ফলস্বৰূপে ইয়াৰ মাত্ৰা ক্ৰমে বঢ়াই গৈ এনে ধৰণৰ উত্তেজনা আৰু আনন্দত থকা লোকসকলে শাৰীৰিক আৰু মানসিক শৃংখলা হেৰুৱাই পেলাই বিভিন্ন অসামাজিক কামত লিপ্ত হয় আৰু সমাজৰ ক্ষতি সাধন কৰে।

অতি ব্যাপকভাৱে ব্যৱহৃত মাদক দ্ৰব্যবিধ হ'ল সুৰা বা এলকহল। এই মাদক দ্ৰব্যবিধ আদিম কালৰে পৰাই ব্যৱহৃত হৈ আহিছে আৰু লগতে কিছুমান সমাজত ইয়াক ধৰ্মীয় বা সংস্কৃতিৰ প্ৰতীক হিচাপেও ব্যৱহাৰ কৰা হয়। কিন্তু এই দ্ৰব্যবিধ আদিম কালৰে পৰাই প্ৰচলন হৈ আহিলেও তাৰ ওপৰত এক সামাজিক নিয়ন্ত্ৰণ বা ধৰ্মীয় নিয়ন্ত্ৰণ আছিল। কিন্তু বৰ্তমান সময়ত কেৱল অসমতেই নহয় ইয়াৰ দৰে প্ৰায় পাঁচশখনৰো অধিক

বিলাতী সুৰাৰ দোকানে সামাজিক নিয়ন্ত্ৰণ নোহোৱা কৰাৰ লগতে সমাজক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছে। ইয়াৰ বাহিৰেও আন এবিধ জনপ্ৰিয় নিচাজাতীয় দ্ৰব্য হ'ল ভাং। ভাং সমাজত শিৱৰ প্ৰসাদ হিচাপে প্ৰচলিত আছিল আৰু সমাজক বৰ বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰা নাছিল। কিন্তু ভাঙে বৰ্তমান সমাজত শিৱৰ প্ৰসাদৰ ৰূপ এৰি মাৰিজুৱানা আদি মাৰাত্মক ড্ৰাগছৰ ৰূপ ধাৰণ কৰিছে। ইয়াৰ ফলত যুৱক-যুৱতীসকল অতিকৈ আকৰ্ষিত হৈ পৰিছে। ড্ৰাগছৰ অন্যতম বিধ্বংসী উৎস হ'ল কানি। স্বেচ্ছাসেৱকসকলে তাহানি কালতে স্বাধীনতা আন্দোলনৰ সময়ত কানিয়ে সৰ্বনাশ কৰা অসমীয়া জাতিটোৰ মাজৰ পৰা কানি সেৱন অভ্যাস এৰুৱাবৰ বাবে আন্দোলন কৰিছিল। কিন্তু বৰ্তমান সময়ত এই কানি গছৰ পৰাই অৰ্থাৎ কানিৰ ফলৰ পৰাই ভালেমান মাৰাত্মক ড্ৰাগছৰ আৱিষ্কাৰ হৈছে আৰু এনে ড্ৰাগছবোৰেই আটাইতকৈ মাৰাত্মকভাৱে সমাজক ক্ষতিগ্ৰস্ত কৰিছে। সচৰাচৰ ব্যৱহৃত ড্ৰাগছবোৰ হ'ল — আফিং, মৰফিন, এল এছ ডি, ভাইজিপাম, নাইট্ৰিজিপাম, হিৰোইন, পেথিডিন ইত্যাদি। বৰ্তমানৰ সাধাৰণ সমাজত প্ৰচলিত মাদক দ্ৰব্যবোৰ হ'ল — ভাং, কানি, ধঁপাত, মদ, লাওপানী ইত্যাদি।

মাদক দ্ৰব্যৰ ব্যৱহাৰ বুলি ক'লে আমি এনেবোৰ দ্ৰব্য ডাক্তৰৰ পৰামৰ্শ নোহোৱাকৈ আনন্দ বা উত্তেজনাৰ বাবে ব্যৱহাৰ কৰাৰ কথাকে বুজো। এনে ধৰণৰ ঔষধবোৰৰ মাৰাত্মক দিশ এইটোৱেই যে ইয়াৰ ব্যৱহাৰ প্ৰথম কৰোঁতে ব্যৱহাৰ কৰোঁতাজনক অনাবিল আনন্দ দিব পাৰে আৰু তেওঁক নিজৰ আয়ত্বাধীন কৰি তুলিব পাৰে। সেয়েহে ঔষধৰ গুণাগুণ শেষ হোৱাৰ লগে লগেই সেৱকজন থাকিব নোৱাৰা হয় আৰু পুনৰবাৰ ঔষধৰ প্ৰয়োজন অনুভৱ কৰে। লাহে লাহে ঔষধৰ মাত্ৰা বাঢ়ি আৰু সেৱকজন ঔষধ নিৰ্ভৰ হৈ পৰে। এনে অৱস্থাত তেওঁৰ স্বাস্থ্য ভাগি পৰিবলৈ আৰম্ভ কৰে আৰু স্নায়ুশক্তি একেবাৰে দুৰ্বল হৈ পৰে। ফলত বিভিন্ন ধৰণৰ ভয়াবহ ৰোগ, যেনে - চিৰ'চিছ, জণ্ডিছ ইত্যাদি ৰোগত ভোগে। আনহাতে চিৰিঞ্জেৰে ড্ৰাগছ খোৱাসকলৰ মাজত এইড্ছৰ দৰে ভয়াবহ ৰোগ বিয়পাৰ সম্ভাৱনাও বেছি। এনেবোৰ লোকে শাৰীৰিক আৰু মানসিক ভাৰসাম্য হেৰুৱাই পেলাই অসুস্থ আৰু বিকলাঙ্গ শিশুৰ জন্ম দিয়ে আৰু এনেদৰে নিজে তিলতিলকৈ মৰাৰ লগতে সমাজখনকো ভয়াবহ সমস্যাৰ সন্মুখীন কৰে।

নিচাযুক্ত দ্ৰব্যৰ সেৱনে জন্ম দিয়া এই ভয়াবহ সমস্যা আধুনিক সভ্যতাৰ বাবেই এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। কিন্তু সমাজৰেই দুৰ্ভাগ্য যে সমাজ আৰু ৰাষ্ট্ৰৰ নেতাসকলে এনেবোৰ দ্ৰব্যৰ ব্যৱহাৰত অৰিহণা যোগাই নিজৰ ন্যস্ত স্বাৰ্থ পূৰণৰ বাবে সমাজক অন্ধকাৰৰ মুখলৈ ঠেলি দিছে। কিন্তু এনেবোৰ শক্তিক আমি ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলে প্ৰতিহত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব। আমি আমাৰ জীৱনৰ বাবে এখন বিপদমুক্ত সমাজ গঢ়াৰ স্বাৰ্থত এনেবোৰ দ্ৰব্যৰ বিপৰীতে থিয় দিব লাগিব।■

"Education is the most powerful weapon which you can use to change the world."

-Nelson Mandela





# মানুহৰ জীৱন এখনি বগা কাপোৰৰ দৰে

পাপু থাপা
স্নাতক প্ৰথম ষাণ্মাসিক (কলা)

পৃথিৱীৰ জীৱশ্ৰেষ্ঠ ভিতৰত মানুহ হৈছে সকলোতকৈ শ্ৰেষ্ঠ জীৱ। কাৰণ মানুহে সকলো ধৰণৰ চিন্তা-চৰ্চা, ভাল-বেয়া দিশবোৰ পৰিচালনা কৰি ল'ব পাৰে। আৰু নিজৰ ভৱিষ্যতৰ জীৱন উজ্জ্বলময় কৰি জীৱন নিৰ্বাহ কৰিব পাৰে।

কিন্তু, কিছুমান ক্ষেত্ৰত সেই মানুহে সমাজত ব্যৱহাৰ নোহোৱা বা সমাজৰ বাবে অনুপযোগী কামবোৰ কৰি থাকে। সেই অনুপযোগী কামবোৰ কৰাৰ বাবে তেওঁলোকে নিজৰ সন্মান হেৰুৱাবলৈ বাধ্য হৈ পৰে।

ইয়াকে বুজাবলৈ ওপৰত উল্লেখ কৰা বাক্যশাৰীটো বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিছো

तो चलिए आइए हम अपने मिथ्या, अहंकार एवं दंभ को भूलाकर हाथ से हाथ मिलाकर 'वसुधैव कुटु बकम' के आदर्श को अपनाते हुए एक सुंदर, स य एवं खुशहाल समाज की प्रतिष्ठा एवं स्थापना में अपना योगदान दें। ■



# ভূমিকম্পৰ কিছু অভিজ্ঞতা

**দ্বীপশিখা শৰ্মা**

স্নাতক দ্বিতীয় ষান্মাসিক

ভূমিকম্প কিনো? সেই কথা সৰুতে স্কুলত পঢ়িবলৈ পাইছিলো। ভূমিকম্প মানে পৃথিৱী কম্পমান হোৱা। কিন্তু এয়া সঁচা যেন নালাগিছিল। কিন্তু হঠাৎ ২০১৫ চনৰ ২৬ এপ্ৰিল (১২ বহাগ)ত ১১:৫৬ মিনিট শনিবাৰে যেতিয়া নেপালত ভূমিকম্প হ'ল তেতিয়াহে মই অনুভৱ কৰিব পাৰিলো সঁচাকৈ ভূমিকম্প হয় আৰু পৃথিৱী এটা বলৰ নিচিনাকৈ কম্পমান হোৱা যেন নিজ চকুৰে দেখা পালো। ৭.৮ ৰিখ্‌টাৰ স্কেলৰ ভূমিকম্পই মোৰ মন আৰু মগজু সকলোতে বিস্ময়ৰ প্ৰভাৱ পেলালে। সেইদিনা ৰাতিপুৱাৰ পৰাই ডাৱৰে দিনটো আৱৰি ধৰি ৰাখিছিল। ৰ'দ ওলোৱা নাছিল। মই সেইদিনা দুমহলীয়া ঘৰ এটাৰ ভিতৰত অৰ্থাৎ তলৰ মহলত আছিলো। হঠাৎ পৃথিৱী প্ৰথম অৱস্থাত কম্পমান হ'ল আৰু আকৌ এক মিনিটমান পিছত আৰম্ভ হ'ল ডাঙৰ জোকাৰণি। মই প্ৰথমাৱস্থাত কি হৈছেনো ধৰিবই পৰা নাছিলো আৰু মানুহবোৰ ৰাস্তাত ওলোৱা দেখি আচৰিত হৈছিলো। কাৰণ এই ভূমিকম্প মোৰ জীৱনৰ প্ৰথম আছিল আৰু মই জনা নাছিলো ভূমিকম্প মানে কি? ময়ো মানুহবোৰক দেখি ৰাস্তালৈ ওলালো আৰু ৰাস্তাৰ সিফালে বিদ্যুতৰ খুঁটাৰ ওচৰতে থিয় হ'লো। মই ইফাল-সিফালে চাই দেখিলো যে মোৰ ওচৰত কোনো নাই। তেতিয়া বহুত মালৈ মনত পৰিছিল, কাৰণ মায়ে মোক চাগে ধৰি মুকলি ঠাইত লৈ গৈছিল। তেতিয়া ময়ো তাৰ পৰা আঁতৰ হৈ মানুহৰ জুমৰ ফালে আহিলো আৰু থিয় হ'বই পৰা নাছিলো। লগে লগে বহি মূৰ আৰু আঁঠু লগ লগাই ইফালে-সিফালে চাবলৈ ধৰিলো। চিঞৰি চিঞৰি মানুহবোৰক বহিবলৈ বা মোৰ ফালে আহিবলৈ কোৱাত ব্যস্ত মই। সঁচাকৈ ইমান জোৰেৰে পৃথিৱী কম্পমান হোৱা মই কেতিয়াও জনা নাছিলো বা জানিবলৈ ইচ্ছা কৰা নাছিলো কিন্তু ইমান জোৰেৰে জোকাৰণি যেনে এটা ফুটবলৰ নিচিনাকৈ পৃথিৱী ঘূৰিবলৈ লৈছিল। সকলো মানুহ 'হৰি ব'ল হৰি ব'ল' বুলি কোৱাত ব্যস্ত, কিন্তু মই অলপ জোৰেৰে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিলো যে "নিবলৈ আছে যদি প্ৰভু একেবাৰে নিয়া আৰু যদি পৃথিৱী ধ্বংস কৰা যাতে কোনো মানুহ, সা-সম্পদ একো বাছি নাথাকে। এইদৰে আধা মানুহক মৃত্যু আৰু কিছু অংশক পংগু আৰু কিছু অংশক ভয়ৰ অংশীদাৰ নকৰিবা।" প্ৰভু সঁচাকৈ তুমি আছা আৰু তুমি যদি ইচ্ছা কৰা তোমাৰ সৃষ্টি পৃথিৱী এক মিনিটতে শেষ কৰিব পাৰা নিশ্চয়। প্ৰায় প্ৰথম জোকাৰণি ৪-৫ মিনিট একেৰাহে হ'ল আৰু আকৌ আধাঘণ্টা বা এঘণ্টা বা গোটেই ৰাতি প্ৰায় এমাহ ধৰি চলি থাকিল। এতিয়াও মাজে-সময়ে সৰু সৰু জোকাৰণি হৈ থাকে আৰু প্ৰায় পৃথিৱীৰ অধিকাংশ দেশতে জোকাৰণি হৈ থাকে। সৌ সিদিনা অসমৰ মণিপুৰক কেন্দ্ৰবিন্দু কৰি ৪ জানুৱাৰীৰ পুৱা ৪.৩৫/৩৭ মিনিটত কম্প হৈছিল, হঠাৎ মোৰ নেপালৰ কম্পলৈ মনত পৰিল। ভাগ্য ভাল সেইদিনা নেপালৰ স্কুল, কলেজ বন্ধ, কাৰণ সেইদিনা শনিবাৰ আছিল। (নেপালত দেওবাৰে নহয় শনিবাৰে সপ্তাহৰ বন্ধ দিন) নহ'লে কিমান কণ কণ বা ডেকা-গাভৰুৱে হওক পিতৃ-মাতৃ বা আত্মীয়-স্বজনৰ মন হাহাকাৰ কৰিছিল। তথাপিও পিতৃ-মাতৃৰ মন হাহাকাৰ হোৱা নাছিল বুলি ক'ব নোৱাৰি। অৱস্থা কাৰোবাৰ ল'ৰা-ছোৱালী নেপালৰ বিভিন্ন পৰ্যটন কেন্দ্ৰত ফুৰিবলৈ বা পঢ়িবলৈ বা চাকৰি ইত্যাদি কৰিবলৈ অথবা অন্য যিকোনো কাৰণত গৈছিল ল'ৰা-ছোৱালীবোৰ (অৱশ্যে মোৰ অৱস্থা হৈছিল এনেকুৱাই)। টিউচন, কম্পিউটাৰ ক্লাছ, নতুন বছৰৰ (বহাগ মাহৰ) পিকনিক খাবলৈ বা কাৰোবাৰ পিতৃ-মাতৃ বিদেশত কাম কৰিবলৈ বা অন্য যিকোনো কাৰণতেই হওক পুতেক-জীয়েকৰ বা পিতৃ-মাতৃৰ পৰা দূৰত থাকিব লগা হৈছিল। ৭.৮ ৰিখ্‌টাৰ স্কেলৰ ভূমিকম্পই নেপালৰ গোৰ্খা জিলা নোৱাকোটক কেন্দ্ৰবিন্দু কৰি যোৱা আন আন ৰাজ্য বা জিলা, যেনে - কাঠমাণ্ডু, ধাদিং, চিতৱান, পোখৰা, পৰ্বত জিলা ইত্যাদি ক'বলৈ হ'লে প্ৰায় নেপালৰ আধা অংশ বিধ্বস্ত বা ধ্বংসৰ মুখত পৰিছিল। বিল্ডিংবোৰ মাটিৰ তলত লোপ খোৱা বা ওপৰৰ পৰা ভাঙি পৰা, মানুহবোৰ ভয়তে বিল্ডিঙৰ পৰা বাচিবলৈ তললৈ

জাঁপ মাৰোতে প্ৰাণ যোৱা বা ঘৰৰ ভিতৰতে মানুহৰ মৃত্যু হোৱা ইত্যাদি ঘটনাবোৰ হৈছিল। ভাগ্য ভাল আমাৰ ফালে একো সেইদৰে ক্ষতি নহ'ল। ৰাস্তাবোৰ ফাট মেলা, গাড়ীবোৰ উলটি খোৱা মানুহ মৃত্যুক আঁকোৱালি লোৱা বা চিৰদিনৰ বাবে পংগু হোৱা ইত্যাদি ঘটনা ঘটি গ'ল। কিমান জন, ধন, সম্পদ, জীৱ-জন্তু বিধ্বস্ত হ'ল ক'ব নোৱাৰি। অৱশ্যে টিভি আৰু নেটত প্ৰায় সেই সময়ত বাতৰি দিছিল আৰু বিশ্বৰ সকলো মানুহে এই ভূকম্পৰ বিষয়ে অৱগত। টিভিত চাই গম পাওঁ যে নহ'লেও ১০,০০০-১৫,০০০ মানুহৰ মৃত্যু, এক মিলিয়ন সম্পদৰ লোকচান হ'ল। আৰু কিমান ধ্বংসাত্মক কাৰ্য হ'ল বৰ্ণনা কৰিব নোৱাৰি। সঁচাকৈ নিজ চকুৰে মই বসবাস কৰা পৃথিৱী লৰা দেখিলো মোৰ ভাগ্য ভালনে বেয়া ক'ব নোৱাৰো কিন্তু ইয়াৰ বিষয়ে মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। আজিকালি বিবা বিচনা হওক বা টেবুল হওক লৰিলে মোৰ ভূমিকম্প হোৱা যেন লাগে। ইয়াৰোপৰি নেপালৰ পুৰণি ৰজা-মহাৰজাৰ চিহ্ন, বিভিন্ন পুৰণি ঐতিহাসিক সম্পদ, পৰ্যটনৰ কেন্দ্ৰবিন্দুবোৰ ইত্যাদি ৪-৫ মিনিটৰ ভিতৰত নষ্ট হোৱা দেখি সঁচাকৈ দুখ লগা অৱস্থা হৈছিল। সেইদিনা নেপালত থকা ডাঙৰ টাৱাৰ নাম 'ধৰাৰা' নাটৰ টাৱাৰৰ ওপৰৰ পৰা ফালৰি কাটি ধ্বংস হোৱা, পৰ্যটক, দেশীয় মানুহৰ মৃত্যু হোৱা, সকলো আশা-আকাংক্ষা, সপোন-বাস্তৱ ধ্বংস হোৱা দেখি হতভম্ব হ'লোঁ মই। এটা পৰ্যটক পৰিয়ালৰ ৬-৭ জনমান মানুহৰ কালিলৈ (অৰ্থাৎ ২৭ এপ্ৰিল ২০১৫) চিঙ্গাপুৰ নে আমেৰিকাৰ টিকট হোৱা পৰিয়ালৰ মাত্ৰ এজনী ছোৱালী বাচি থাকি সকলো টাৱাৰৰ লগতে জীৱন উচৰ্গা কৰা আৰু সেইদৰে সিহঁতৰ নিচিনা আৰু কিমান মানুহৰ মৃত্যু হৈছিল ক'ব নোৱাৰি। এই ভূমিকম্পৰ ফলত মানুহ-দুনুহ, সা-সম্পদ, ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ ইত্যাদি ভাঙি চুৰমাৰ হৈ গ'ল। কিমান মানুহক উদ্ধাৰৰ অৰ্থে প্ৰায় বিশ্বৰ সকলো চৰকাৰে হাত আগবঢ়ালে আৰু দেশী-বিদেশী ছাত্ৰ-ছাত্ৰীৰ সাহায্য, আৰ্মী, পুলিচ কিমান উদ্ধাৰ কৰিলে বা সহায়-সহযোগ আগবঢ়ালে ক'ব নোৱাৰি। তথাপিও আজিলৈকে সকলো মানুহৰ উদ্ধাৰ বা অৱস্থা টনকিয়াল হ'ব বুলি ক'ব নোৱাৰি। ৰাস্তাত মটৰ গাড়ী বন্ধ, স্কুল-কলেজ বন্ধ। তাতকৈ মানুহ ইফালৰ পৰা সিফাললৈ বা এখন জিলাৰ পৰা আন এখন জিলালৈ অহা-যোৱা বন্ধ হৈ গ'ল। তাতকৈ ডাঙৰ কথা ছাত্ৰ-ছাত্ৰীসকল ঘৰলৈ আহিবলৈ গাড়ীৰ সমস্যা হৈ পৰিল। যেয়ে যিহত পায় তাতেই তাৰে লগত আহিছে গৈছে বৰ্ণনা কৰা কঠিন। সকলো মানুহৰ একেটাই ভয় আকৌ ভূমিকম্প কেতিয়া আহিব বা আকৌ কিমান কি যে নষ্ট কৰিব বা আকৌ এজনী মাতৃৰ পৰা তেওঁৰ সন্তান বা সন্তানৰ পৰা পিতৃ-মাতৃ বা আত্মীয়-স্বজন হেৰুৱাব, এজনী গৰ্ভৱতী মহিলাৰ পৰা বা কেঁচুৱাৰ পৰা পিতৃ-মাতৃ বা পতিক ভূমিকম্পই লৈতো নেযাব। মানুহ ভয়ত থাকিব নোৱাৰা অৱস্থা, মটৰ গাড়ী নচলা অৱস্থা, স্কুল-কলেজ বন্ধ, বজাৰ-হাট বন্ধ ইত্যাদি সমস্যা। আনকি মানুহ ঘৰৰ ভিতৰত ভাত ৰান্ধিবলৈ ভয় কৰা অৱস্থা, শুবলৈয়ো মুকলি মুকলিয়ে বা ৰাস্তায়ে বা চোতালত ৰাতি থাকিবলগা হৈছিল। ভাগ্য ভাল যে আমাৰ ফালে (মই য'ত থাকিছিলো) ইমান একো ক্ষতি নহ'ল প্ৰায় ৫-৭ টামান ঘৰ ভাঙিল আৰু ১৫-২০ টা মানুহৰ মৃত্যু হ'ল। বহাগ মাহৰ অৱস্থা গৰম দিন আছিল নহ'লে ঠাণ্ডা দিন হোৱা হ'লেতো কি হৈছিল বাহিৰত শুবলৈ ক'ব নোৱাৰি। তথাপিও টোপনি নাই, মহে শুবলৈ দিয়া নাছিল। মানুহবোৰে মাত্ৰ ইফালৰ পৰা সিফাল ঘূৰি ফুৰিছে। সঁচাকৈ মানুহ জীৱশ্ৰেষ্ঠ বুলিলেও ঈশ্বৰৰ আগত সদায় শ্ৰেষ্ঠ নহয়। খোৱা-বোৱা, পিন্ধা-উৰা, সকলোবোৰ প্ৰায় বন্ধ অৱস্থা হৈ যোৱা যেন হ'ল। বাহিৰত সোনকালে ৰান্ধিছে আৰু সকলো পৰিয়ালৰ মানুহ একেলগে বাহিৰত খাইছে আৰু মুকলি ঠাইত ওলাইছে। সকলো মানুহে ভাবি লৈছিল আমি আৰু বাচি নাথাকো বুলি। কিন্তু মোৰ মনত সেই ভাব হোৱা নাছিল। মই ভাবি লৈছিলো মই জীয়াই থাকিম আৰু মোৰ একো নহ'ব। সঁচাকৈ একো নহ'ল আৰু কেতিয়াও নহ'ব এয়া মোৰ বিশ্বাস। অৱশ্যে এটা ভাল কথা, ম'বাইল ফোনৰ কল নেপালৰ পৰা প্ৰায় এমাহমান বিদেশ বা দেশতে Toll Free কৰি দিছিল, ইয়াৰ পৰা মানুহে সঘনে নিজৰ আত্মীয়ৰ লগত খা-খবৰ কৰিব পাৰিছিল। ভূমিকম্প হোৱাৰ লগে লগে ফোন নলগা অৱস্থা নেটো চলা নাছিল। কিন্তু ম'বাইলত 'ইয়াৰফোন' লগাই দেশৰ বাতৰি কাকত শুনাত মগ্ন হ'লো আৰু বিভিন্ন ৰাজ্য তথা জিলাৰ খা-খবৰ লোৱাত ব্যস্ত। মোৰ অৱশ্যে বহুত ফূৰ্তি লাগিছিল কাৰণ ফ্ৰী কল আৰু আত্মীয়-স্বজনৰ লগত একেলগে বহি খোৱা, হঁহা (মই আৰু অসমলৈ যাব নেপাওঁ চাগে আৰু মোৰ পিতৃ-মাতৃ বাই-ভনীৰ কি হ'ব বা কিমান তেওঁলোকে ভয় কৰিছে ইত্যাদি) কাৰণবোৰ কৈ কৈ হাঁহিছিলো। ভিনি বা বায়ে মোক গালি পৰা দেখি সঁচাকৈ আৰু হাঁহি উঠিছিল। জীৱনৰ প্ৰথম ভূমিকম্প তাতকৈ পৰিয়ালক এৰি থৈ যোৱা আৰু ভাৰতৰ বাহিৰত মোৰ জীৱনৰ অন্তিম হ'ব যেন লগা অৱস্থা। তথাপিও যি হওক দেখা যাব ঈশ্বৰৰ ওপৰত এৰি দিছিলো আৰু একো নহ'ল লগতে অসমলৈ ঘূৰি আহিবলৈ সক্ষম হ'লোঁ। আজিকালি ভূমিকম্প হৈ থাকিলে সেই সময়ত ভয় নলাগা হ'ল। এই ভূমিকম্পৰ প্ৰথম অভিজ্ঞতা সঁচাকৈ কেতিয়াও পাহৰিব নোৱাৰো আৰু এক ভাল অভিজ্ঞতাৰ সাঁচ বহুৱালে। মাত্ৰ মই জীৱনত ঘটা বা দেখা বা শুনাবোৰ লিখিছো। ■




# আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ অভিজ্ঞতা

জোতিষ্মান মৰাণ
স্নাতক দ্বিতীয় ষান্মাসিক

দিন আহে দিন যায়। আমাৰ মনত মাথো ৰৈ যায় স্মৃতি। স্মৃতি, সেই এৰি অহা সোণালী দিনৰ সোণালী স্মৃতি।

জানুৱাৰী মাহৰ ২১ তাৰিখৰ পৰা ২৩ তাৰিখলৈকে অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ-২০১৬, ই মোৰ মনত বহুৱালে এক সুখ-দুখ ভৰা সোণালী চাপ, যাক মই কেতিয়াও মোহাৰিব নোৱাৰিম। ই আনিলে মোলৈ এক অফুৰন্ত বাগিচা য'ত বিভিন্নজন মোৰ হৃদয়ত আৱেগ-অনুভূতি ৰঙা-নীলা ৰং-বিৰঙৰ ফুল হৈ ফুলি আছে... ফুলি থাকিব।

এইবাৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত প্ৰায়ভাগ মহাবিদ্যালয়ৰ পৰাই ছাত্ৰ-ছাত্ৰী আহিছিল প্ৰতিযোগিতাসমূহত যোগদান দিবলৈ।

প্ৰতিযোগিতাসমূহ কানৈ কলেজৰ চাৰিটা স্থানত অনুষ্ঠিত হৈছিল। ৰূপকোঁৱৰ কক্ষ, সুধাকণ্ঠ কক্ষ, বনকোঁৱৰ মুকলি মঞ্চ আৰু ৰসৰাজ মঞ্চত। একেই সময়তে এই চাৰিওটা কক্ষত প্ৰতিযোগিতাসমূহ চলি থকাৰ বাবে এটা স্থানৰ পৰা আন এটা স্থানলৈ যথেষ্ট দৌৱা-দৌৰি কৰিবলগীয়া হৈছিল। ২১ আৰু ২২ দুয়োটা দিনতে মই ১৩টাকৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলো — ১১ সংগীত আৰু দুটা নৃত্য প্ৰতিযোগিতাত। বৰ কঠিন আছিল প্ৰতিযোগিতাসমূহ। দুয়োদিনাই ব্যস্ত থকাৰ বাবে নাটক, দলীয় নৃত্য, বাঁহী বাদন ইত্যাদি বাৰেৰহণীয়া প্ৰতিযোগিতা উপভোগেই কৰিবলৈ নাপালো। আশা ৰৈ গ'ল...

২৩ তাৰিখৰ ৰাতিপুৱা ভেশচন আৰু মূকাভিনয় প্ৰতিযোগিতা হোৱাৰ পিছত প্ৰায় ৩:০০ বজাৰপৰা গধূলি পুৰস্কাৰ বিতৰণী সভা আৰম্ভ হৈছিল। বিজয়ী প্ৰতিযোগীক সসন্মানেৰে পুৰস্কাৰ অৰ্পণ কৰা হ'ল লগতে তেওঁলোকৰ সংগীত প্ৰৱৰ আনন্দৰ কিৰিলি। আমাৰ কলেজে আনিবলৈ সক্ষম হ'ল পাঁচটাকৈ পুৰস্কাৰ।

১১ টা গীতৰ ভিতৰত এটাতো পুৰস্কাৰ নাপালো। কোনো কথা নাই... অহাবাৰ সুবিধা পালে পুনৰ যোগদান দিম... দুগুণ উৎসাহেৰে... নতুন আশাৰে... নৃত্যত দুটা পুৰস্কাৰ পালো।

বাৰু যি কি নহওক, মই কেইজমান ব্যক্তিৰ নাম উল্লেখ নকৰিলে মোৰ দোষ ৰৈ যাব। পৱন গগৈ চাৰ, মুকুন্দ চাৰ, প্ৰদীপ দত্ত চাৰ, তেওঁলোকে মোক যথেষ্ট মনোবল যোগালে। মোৰ শ্ৰদ্ধাৰ দেউতাই মোৰ লগত গৈ বহুক্ষেত্ৰত সহায় কৰিলে। মোৰ মৰমৰ বন্ধু বিৰাজ থাপা, মোৰ সহপাঠী, ই মোৰ লগত নোযোৱা হ'লে, আধা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবই নোৱাৰিলোহেঁতেন। এই ব্যক্তিকেইজনৰ চিৰদিন ঋণী হৈ ৰ'ম। ■



# মোৰ অনুভৱৰ স্বৰত 'মা-দেউতা'

**ময়ূৰী কলিতা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

'মা' এটি মমতাময়ী শব্দ। পৃথিৱীৰ মহত্তম শব্দবোৰৰ ভিতৰত অন্যতম শব্দ 'মা' কোনো বিকল্প নথকা এটা শব্দই হৈছে 'মা'। যি সদায় সন্তানৰ হিত চিন্তা কৰি ভগৱানৰ চৰণত সন্তানক সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰাৰ্থনা কৰে সেয়াই হৈছে 'মা'। সন্তানৰ প্ৰতিটো উশাহ-নিশাহতেই যেন মাক সোমাই থাকে। সন্তানে হাঁহিলে মাকৰ মুখতো হাঁহি বিৰিঙে আৰু যদি সন্তানে কান্দে তেন্তে মাকৰ চকুতো পানী দেখিবলৈ পোৱা যায়। সন্তানৰ অসুখ হ'লে সন্তানৰ কষ্টৰ কথা চিন্তা কৰি মায়ে পাৰ কৰি দিব পাৰে বহু উজাগৰী নিশা। যাৰ হাতৰ স্পৰ্শত থাকে অসুখৰ ঔষধ। প্ৰত্যেক মানুহে উজুটি এটা খালেও 'মা' বুলি চিঞৰে। তেনেদৰে অত্যন্ত আনন্দৰ মুহূৰ্ততো মানুহৰ মুখৰ পৰা নিজে নিজে ওলাই অহা এটা শব্দ হৈছে 'মা'।

আমাৰ প্ৰত্যেকৰে জীৱনৰ এটা অবিচ্ছেদ্য অংগ হৈছে 'দেউতা'। 'মা'ৰ দৰে দেউতায়ো আমাৰ জীৱন সাৰ্থক কৰিবৰ বাবে অশেষ কষ্ট কৰে। সন্তানৰ জীৱনৰ প্ৰতিটো প্ৰয়োজনীয় বস্তু যোগাৰ কৰাৰ পৰা আৰম্ভ কৰি সন্তানক সুৰক্ষা প্ৰদান কৰালৈকে এই সকলোখিনি কাম দেউতাই কৰে।

প্ৰত্যেক সন্তানৰ জন্মৰ পৰাই প্ৰথম বন্ধুত্ব হয় মাক-দেউতাকৰ সৈতে। প্ৰত্যেকে মাকৰ হাতত ধৰিয়েই বিদ্যালয়ত প্ৰথম খোজ পেলায়। তেনেদৰে দেউতাকৰ হাতত ধৰিয়েই প্ৰথম ৰাস্তা পাৰ হ'বলৈ শিকে। সেই মাকৰ হাতত ধৰি বিদ্যালয়ত পেলোৱা খোজটোৱেই এসময়ত এটা গতিৰ সৃষ্টি কৰে, যি মানুহক উন্নতিৰ শিখৰলৈ লৈ যায়। সেইদৰে দেউতাকৰ হাতত ধৰি ৰাস্তা পাৰ হ'বলৈ শিকা আৰ্হিটোৱেই এদিন জীৱনৰ সকলো ৰাস্তা পাৰ কৰিবলৈ সক্ষম কৰে।

আমাৰ প্ৰত্যেকৰে 'মা-দেউতা'ই আমাৰ বাবে যথেষ্ট কষ্ট কৰে, বহুখিনি ত্যাগ কৰে। আনে আমাক মৰম-স্নেহ কৰিলেও তাত কেতিয়াবা স্বাৰ্থ থাকিব পাৰে কিন্তু মা-দেউতাই আমাক সদায় নিঃস্বাৰ্থভাৱে স্নেহ কৰে। এটা কথা অত্যন্ত প্ৰয়োজনীয় যে যিকেইজন মানুহে আমাৰ বাবে ইমানখিনি সহ্য কৰিব পাৰে বা ইমানখিনি ত্যাগ কৰিব পাৰে তেওঁলোকৰ বাবে আমিও কিবা এটা কৰিবলৈ চেষ্টা কৰিব লাগে। প্ৰত্যেকৰে মাক-দেউতাকে নিজ সন্তানৰ সফলতাৰে ভৰা জীৱন বিচাৰে, নিজ সন্তানৰ উন্নতি বিচাৰে। সেয়ে আমি তেওঁলোকৰ কষ্টৰ সাৰ্থক হিচাপে, তেওঁলোকে জীৱনত কৰা ত্যাগৰ দান হিচাপে আমি উপযুক্ত সন্তান হ'বলৈ চেষ্টা কৰিব লাগে। অৱশ্যে তেওঁলোকে এইটো কেতিয়াও নিবিচাৰে যে তেওঁলোকৰ সন্তান জাকজমকতাৰে ভৰা আধুনিক সমাজত পিছপৰি ৰওক। তেওঁলোকে বিচাৰে যে তেওঁলোকৰ সন্তানে সময়ৰ লগত গতি মিলাই আগবাঢ়ি যাওক কিন্তু আধুনিকতাৰ বিলীন হৈ নিজকে পাহৰি নাযাওক।

সেয়েহে আমি প্ৰত্যেকেই 'মাক-দেউতাক' সন্মান জনাব লাগে। তেওঁলোকে আমি যিবোৰ কাম কৰিলে বেয়া পায় বা আমি যিবোৰ কাম কৰিলে তেওঁলোকৰ আত্মসন্মানত আঘাত লাগে তেনে কাম কেতিয়াও কৰিব নালাগে আৰু মা-দেউতাৰ উপযুক্ত সন্তান হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব লাগে। আজিকালি অৱশ্যে পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ কৰ্তব্য থকাৰ কথা অৱগত কৰিলে 'Parents Day' উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। যেয়ে আমিও এই 'Parents Day'ৰ দিনা আমাৰ প্ৰত্যেকৰে মা-দেউতাক অন্তৰেৰে ধন্যবাদ জনাব লাগে। ■



# ST★RLIGHT : The rewinding of experiences

**Violina Lahon**
H.S. 2nd year (Arts)

Tomorrow never comes to your life, my friend.Once you sign your mind and heart to do something, to acheive something, start it right now. Early this morning when I thought to jot down a plot I took my pen and started gazing at the blank page. Hah.....my imaginations aren't magic wands which I'll swing in the air and would blipp into life in the forms of words into the page. Untill and usless I take charge and work with my hand to bring my tangled imaginations into words, nothing is going to happen. Not a plot actually, I thought. But some unarranged, disordered hazy memories of my life, upon which I want to work and put them in a proper place which will preserve them for centuries to come.

Long ago somewhere, in some corner of my life, I stood silent, quite alone in a lone place there. How time speeded away, I was unable to track.

"Last day at school" - no, no, it can't be true. It's a dream, It's a dream, Oh God! It can't be true.

I pinched myself. Awh!! no, its true. I am not dreaming exactly. No, it's not the STARLIGHT, it's bright sunshine outside, but my eye's lost their focus. Everything stood hazzy infront of me. My eye's were brimming with tears.I was in the edge to cry. All my veins carried pain then, all my energy accommodated at my heart to express only the suffering of lossing grip. All my emotions triggered just to make me weak at my knees, to fall in the ground and to hath my best words "Good Bye to my dear school".

Is it the end of everything in the world ? Yah, I felt it that way. The way that I have never felt before. Having farewell from an institution, you studied for years is like you are being separated from your mother's warmth forever.

There used to be a day, when I was at the ground floor of my school...staring at the first floor and second floor of my school and dreaming when I'll have the permission to walk up the stairs and will study in the higher standards. I used to see my elder brothers and sisters, ten times bigger than me, schoolers and a best part of inspiration in my life. And I had no patience to become like one of them and prepare to pass my board with flying colours. But....when I did...when I flewed with colours, now...I want to land again, again on the ground floor of those remote days, just for one reason, just to DREAM AGAIN. And just to relearn everything from the beggining and I just wished there shouldm't be an ending.

I don't know, if time have ever returned to a human's life but I believe experience does returns. The clock didn't rewinded itself, I have never walked backwards, but the experience of being back in a mother's warmth just returned as I stepped into Dignoi College, Digboi. Being a H.S. student, Digboi College just gave me the opportunity to dream again as I did years ago in my school, it gave me the warmth I thought I had lost, it gave me friends of the kind and the kindest teachers I thought I had lost, it gave me the space to show case my talent (college week) I thought I had lost! So, my journey of sunshine began again from the STARLIGHT. I thought I was lost in. Thank you God, and thank you, Digboi College for rewinding my experiences and for giving me a space to land safe and making a part of your huge Golden family. ■

# Why we need more women in office

**Nidhi Mishra**
B.A 2nd Semester

Its not an exaggration to say 'Men Rule' just a statement of fact. What the men actively seeking to suburt women's rights need to understand once and for all is that everything is a 'women's issue' and women have had enough.

Our country's rank for women's political representation, 78th in the world, is dropping and the gender gap in political qualition is growing with obvious ill effects for women's health, economics, education and work. This is pathetic and embarassing.

The 2012 project is a national, non-partisan campaign determined to address this recruit train and mentor women canditates. Why does it matter if women hava a voice in politics ? Clearly because women's specific right and interests are not protected otherwise. In addition there isi no way to separate the benefits that accure by gender if you accept the fact that 'women's issue' include, literally, everything – health care, the economy, foreign policy education.

Unlike Hollywood, our government in theory at least, is meant to represent its citizens. The pragmatic effects male daninated political and governmental decision making have been particularly evident during the past few weeks and months of conservative social agenda campaigning. The goal of The 2012 Project is to increase the unmber of women in congress and state legislatures by taking advantage of the once in a decade opportunities of 2012.

It is ture that women participate in government and their number have increased since they started. And, yes, there are some very visible women but their visibility creates a false sense of influence and pariry.

Many people just believe that women aren't intereste, not ambition enough, can't be bothered with all the ugliness of the public political sphere.

Now "women will not be silent. Woman will not be bamboozled. Women will not be complement. We are important is our ever lives." Enough is enough! ■



# Do You Day Dream?

**Jyotishman Moran**
B.Sc 2nd Semester

'Human mind'... The fastest thing possibly... positively. You can go places in a minute, frastion of a sound. It can take you around the universe, while you're just sitting probably infront of your text book, which in my case happens often. My mind wonders away to a different world. This wandering away is termed as 'Day dreaming'. Daydream is a short term detachment from one's immediate surroundings during which a persons contact with reality is blurred and partially substituted by a visionary fantasy, imagined as coming to pass and experienced while awake.

As a youg guy myself, I am quite a daydreamer and an quite adept at it! For instance I once dreamt about having food in a Chinese restaurant when I was in the toilet. The bottomline, I daydream anytime anywhere and I love doing it much more than paying attention to what is being taught in the class.

I mostly daydream about growing tall and handsome and other beauty stuff like that, that most guys can relate to. I opened hours imagining the fulfilment of these wishes.

Daydreaming though mostly has sad impact an the person, it can sometimes be useful as imspiration to him/her. It helps youngsters by acting as a driving force helping them in further concentrating an their goals. For example, If you want to be a great singer, you should drum about mining the grammies, singing infront of the whole world and such. Momentary daydreaming lifts your spirit and eagerness to do something. It also increases your enthusiasm in learning your field in a far better way. Furthermore daydreaming is fun !

But sometimes daydreaming can be addictive. One shouldn't go too deep into a dream (imagination), it will be difficult for that person to come back to the real world. Daydreaing too much can make your mind restless. You'll often feel like going back to that surreal world. You'll start forgetting the tasks that you have to fulfill. Excessive daydreaming can cause depressings in some. If you imagine something sad and get absorbed in it. You'll have your mood set off for the whole day. Morever daydreaming is very time consuming. Daydreaming can cause great estasy – If you fantasise about something that wouid make your mouth water, you will like to stay back stuck in that imagination, never willing to cameback to reality. You will rather dislike the real world, thus leading to various mental sicknesses like sehizophrenia, etc.

Daydreaming can make you lose friends.Your friends will find you quite boring if you constantly zone out when they talk to you. They will isolate you thus making you friendly. Furthermore if you daydream during your class hours, you'll hardly understand anything that's being caught to you. Now, if you're a cronic daydreamer you will not even realise that you're daydreaming with your eyes wide open. You'll realise it much later when you teaches asks you questions from the and your're unable to answer them.

Anyway, great people like A.P.J. Abdul Kalam may have daydreamt too. "You should dream too, but don't get too absorbed in them, that you forget your over name." ■



# Sports & Games

**Rohit Kahar**
B.Com 4th Semester

The chief object of sports is, of course, bodily exercise. "A sound mind in a sound body" is a well known saying. The health of a body is essential for success in life. An unhealthy man is always sad, gloomy and therefore loses confidence in him. To keep healthy one must take an active interest in sports and games. Thus sports serve an essential purpose in life because they ensure good health and build a fine physique. If one is bodily fit, one feels capable of hard endeavor and life without exercise. It should be made interesting as everybody knows, practically all kinds of games devised by man possess a certain degree of interest.

The value of sports and games such as Hockey, Football, Cricket, Tennis, Badminton, Rowing and Swimming- all these and others not only give fitness but also provide a good deal of excitement and entertainment. Besides, the competitive element in sports thrills the mind. Not only the players- but the spectators also feel engrossed in a game because of its suspense and unexpected turns. It is for these reasons that sports form a very important part in education. A book worm who takes no interest in sports is physically weak and all his mental evercise encellence can't make up for his physical deficiency.

Sports benefits not only the body but also the mind. Almost every game requires a certain degree of skill to play. Skill is a mental quality. Physical vigour alone is not enough in games like golf, cricket and tennis. Sports develop and encourage the spirit of healthy competition. The compitition instinct is natural in man and demands outlets. Sports have wide scope for the compititive. The compititive instinct is natural in man and demand outlets. Sports have wide scope for the compititive market. Matches and tournaments and contests are held to put to test the skill, toughness, stamina and endurance values of participants. Medals and awards are an incentive to players to acheive encellence and a high standard of performances in their respective fields.

There are several other consideration which entail sports to an important place in life. It is usually by taking part in sports that we cultivate what is called the spirit of sportsmanship. The spirit of sportsmanship is an encellent quality in a man and consists of fair play, sense of discipline, capacity of team work and cooperation and confidence in oneself that enables one to accept a defeat cheerfully. He will always obey his superiors. He will feel never heart broken on account of the disappointments. If he shows these qualities in his general conduct, he has learnt how to live truly. His life is successful and he will be admired everywhere.

Sports are an excellent means of spending one's leisure. All works and no play make jack a dull boy. Sports and games are much interesting past time. Most of the games are quite inexpensive too. ■



# মৃত্যুৰ ফেণ্টাছী

শ্যামল হাজৰিকা
স্নাতক পঞ্চম যান্মাসিক (কলা)

আত্মহত্যাৰ প্ৰৱণতা এটাই প্ৰবালক বৰকৈ খেদি থাকে। ওখ পাহাৰ, অট্টালিকা নাইবা নদীৰ পাৰৰ পৰা সি জঁপিয়াই দিব আৰু তাৰ পিছত শান্তি।

মৃত্যুৰ ফেণ্টাছী এটাই তাক বৰকৈ খেদি থাকে। দুবছৰৰ আগত মাক-দেউতাকৰ লগত অৰুণাচল প্ৰদেশৰ পৰশুৰাম কুণ্ডলৈ ওখ পাহাৰীয়া ৰাস্তাৰে গাড়ীত গৈ থাকোতে সি ভাবিছিল। পাহাৰৰ ওপৰৰ পৰা জঁপিয়াই দিলে বাৰু কেনে লাগিব? সি মৰাৰ পাছত কোনে কান্দিব? সি মৰিলে মাক-দেউতাক, ভায়েক-ভনীয়েকৰ বাহিৰে আন কোনোবাই কান্দিব নেকি? সি মৰিলে ভনীয়েকক বিহু, গান, নাচ কোনে শিকাব? ভনীয়েক বিহু নাচিবলৈ গ'লে কোনে তাইক গান গাই দিব? ভনীয়েকে বাৰু বিহু নাচিবলৈ এৰি দিব নেকি? সি মৰিব নোখোজে; কিন্তু মৃত্যুৰ ফেণ্টাছী এটাই তাক খেদি থাকে বাৰে বাৰে।

প্ৰবাল বৰ্তমান ডিগবৈ মহাবিদ্যালয়ৰ পঞ্চম যান্মাসিকৰ ছাত্ৰ। তাৰ ঘৰ অৰুণাচলৰ সমীপৰ কোনোবা এখন গাঁৱত। গান গোৱা, নচা, কবিতা লিখা, গল্প লিখা, আজৰি সময়ত গল্প, উপন্যাস, কবিতা আদি পঢ়া, সৌন্দৰ্য চৰ্চা কৰা, বিভিন্ন ষ্টাইলত প'জ দি ফটো মৰা, কাপোৰ চিলাই কৰা, সাজ-পোছাক ডিজাইন কৰা, নানা ধৰণৰ মিঠাই আৰু খাদ্যৰ ৰেচিপি তৈয়াৰ কৰা আদি কাম কৰি সি বৰ ভাল পায়। এইবোৰ কৰিয়েই সি সুখ-শান্তি পায় যদিও তাক এটা কথাই বৰ কষ্ট দি থাকে।

প্ৰবাল ল'ৰা যদিও গুণৰ আচৰণবোৰ প্ৰায়ে ছোৱালীৰ দৰে। সেয়ে তাক কলেজত সকলোৱে প্ৰবালী বুলি মাতে, জোকায়। কিন্তু সি নিজকে কেতিয়াও তেনেকুৱা যেন অনুভৱ নকৰে। মানুহবোৰে জোকালে সি বৰ লাজ পায়। কলেজত লগৰবোৰে প্ৰবালী বুলি মাতিলে তাৰ বৰ খং উঠে। কিন্তু সি কাকো বেয়াকৈ নকয়। বেয়াকৈ ক'লে লগৰবোৰে বেয়া পাব বুলি কাকো একো নকয়। কিবা বেয়াকৈ কোৱাতকৈ সি নিজে দুখবোৰ সহি যায়। কেতিয়াবা সি লুকাই লুকাই কান্দে; বুকুৰ বিষবোৰ পাতলাবলৈ। কোনটো জনমৰ পাপৰ ফলত সি এই যন্ত্ৰণাকাতৰ জনম পাইছে সেই কথা ভাবি সি সদায় চকুলো টোকে। সি কি পাপ কৰিছিল যাৰ বাবে সি ঘৰৰ পৰা বাহিৰ ওলোৱাৰ আগতে নিজৰ লগত যুদ্ধ কৰিব লগা হয়। প্ৰতিজন মানুহ তাৰ বাবে কিয় শত্ৰু হৈ পৰিছে? ঘৰৰ বাহিৰৰ জগতখনৰ প্ৰতিটো পল, প্ৰতিটো ক্ষণ তাৰ বাবে কিয় এখন যুদ্ধক্ষেত্ৰ হৈ পৰিছে? এইবোৰ প্ৰশ্নই তাক জুমুৰি দি ধৰে। ঘৰৰ ভিতৰৰ জগতখনত কিছু শান্তি পায় যদিও মাজে-সময়ে সি নিজৰ লগত যুদ্ধ কৰিব লগা হয়।

জীৱনৰ বিভিন্ন দুৰ্যোগৰ বিপক্ষে যুঁজ দি জীয়াই আছে প্ৰবাল। সেই প্ৰবালৰেই জীৱনৰ ই এটা অদ্ভুত পৰ্যায়। কেতিয়া শেষ হ'ব এই পৰ্যায়? এই পৰ্যায়ৰ অন্ত নাই নেকি? তাৰ জন্মৰ পৰাই এই পৰ্যায় চলি আছে। এই পৰ্যায় কেতিয়া অন্ত পৰিব? নে কেতিয়াও অন্ত নপৰিব এই পৰ্যায়। যদি এই পৰ্যায় অন্তহীন হয় তেতিয়া প্ৰবাল জীয়াই থাকিব পাৰিব নে? পাৰিবনে সি জীৱনৰ সৈতে যুঁজ দিব? জীৱনৰ সৈতে যুঁজ দি সি যদি হাৰি যায়। জীৱন কি? সেই কথা বিভিন্নজনে বিভিন্ন ধৰণেৰে ব্যাখ্যা কৰিব পাৰে। কিন্তু প্ৰবালৰ বাবে জীৱনৰ ব্যাখ্যা বেলেগ হৈ আহিছে প্ৰতিদিনে।

মই কি? মই কিয়? আৰু মই ক'লৈ গৈ আছো নাজানো। ইমান যাতনা মোৰ সহ্য নহয়। জীয়াই জীয়াই মৰিছো প্ৰতিদিনে। মানুহৰ অপমান, অপব্যাখ্যা, বিশ্বাসঘাটকতা আৰু প্ৰতাৰণাৰ মাজতো আমি জীয়াই থাকিব লাগিব মানুহ হৈ। কি যে জীৱন? কোন মোৰ সাৰথি? কোনে দিব মোক জীয়াই থকাৰ প্ৰেৰণা? সকলো মানুহকে দেখোন এটা এটা নৰকাসুৰৰ দৰে লাগে। নে মই নিজেই সাৰথি? মহাভাৰতত পুৰাণত নে ৰামায়ণত মানুহে

প্ৰশ্ন কৰিছিল মানুহৰ বিষয়ে? প্ৰবালে নিজকে মহাভাৰতৰ পুৰাতন এটা চৰিত্ৰ যেন অনুভৱ কৰে মাজে মাজে।

প্ৰবাল তাতে ৰৈ আছে। ধুমুহা আহিছে গৈছে কিন্তু সি অলপো লৰচৰ হোৱা নাই। সহ্য কৰি আছে ধুমুহাৰ তীব্ৰতাক। কাতি মাহৰ দুৰ্গা পূজাত এখন মুখা বিক্ৰী কৰা দোকান বহিছিল। মানুহবোৰে বিভিন্ন ধৰণৰ মুখা কিনিছিল। ৰাৱণৰ মুখা, ৰামৰ মুখা, দৈত্যৰ মুখা, ভগৱানৰ মুখা। প্ৰবালে পিন্ধি লৈছিল এখন হাঁহিৰ মুখা।

প্ৰবাল এইবাৰ পূজাত ঘৰলৈ নাযায়। সি এইবাৰ হোষ্টেলৰ বন্ধুসকলৰ লগত ডিগবৈ নগৰতে পূজা চাব। তাৰ বন্ধু কাশ্যপ তাৰ লগত থাকে। ডিগবৈ নগৰৰ মাজমজিয়াৰ ৰামলীলা খেলপথাৰত হৈছিল পূজা। পূজা মণ্ডপটোৰ বাওঁফালে বহিছিল সেই মুখা বিক্ৰী কৰা দোকানখন। দোকানখনৰ কাষতেই মুখা পিন্ধি ৰৈ আছে প্ৰবাল। হাঁহিৰ মুখা। যিখন মুখা আজি বছৰ বছৰ ধৰি পিন্ধি আছে সি।

প্ৰবালৰ জীৱনটো ৰৈ আছে একেটা পৰ্যায়তে। উপায় নাই। তাৰ জীৱনৰ এইটো পৰ্যায় শেষ হোৱাৰ অৱকাশ এটালৈ বাট চায়। সি মাথো ৰৈ আছে। এনে এটা দিনৰ বাবে বাট চায়। নাহিলেও উপায় নাই। সি যন্ত্ৰণাবোৰ তেনেকৈয়ে সহ্য কৰি ল'ব,জীৱনৰ শেষ দিন পৰ্যন্ত। জীৱনটোৰ পৰা বিশেষ আশাও নাই, আক্ষেপো নাই। পিছে সি নমৰে। সি 'ফেচ' কৰিব। ফেচ কৰি আহিছে। জীৱনে কিমান পৰীক্ষা চলায়।? কিমান যাতনা দিয়ে? সি চাব। সি ভয় কৰা মানুহ নহয়। সি এইবাৰ জীৱনৰ বিৰুদ্ধে যুঁজ দিব। জীৱন মুখামুখি হোৱাৰ সাহসেৰে। সেই সাহস তাৰ আছে। আধামৰা জীৱন এটা লৈও সি জীয়াই থাকিব। মৃত্যুৰ কামনা কৰাটো এটা অৰ্থহীন ফেণ্টাছী। তাক লাগে জীৱন। সঁচা জীৱন। মৃত্যু নহয়, জীৱন লাগে তাক। ■

# ৰজাৰ হ'ল জ্ঞান

**অমৰনাথ চাহু**
স্নাতক দ্বিতীয় ষান্মাসিক

এসময়ত এখন ৰাজ্যত এজন দয়ালু ৰজাই ৰাজত্ব কৰিছিল। ৰজাৰ নুমলীয়া ৰাণী আছিল অতি মৰমৰ। ৰজাই তেওঁক বৰ ভাল পাইছিল। এদিন নুমলীয়া ৰাণীগৰাকী ঘূৰি ফুৰোঁতে এজোপা মধুৰি গছ দেখা পালে। তাৰে এটা মধুৰি ৰাণীয়ে ৰজালৈ লৈ গ'ল। ৰজাই ভাবিলে, 'মই এতিয়া এই ফলটো খোৱাতকৈ ৰুই দিলে গছ গজিব আৰু সেই গছত ফল ধৰিব, তেতিয়া আমি সকলোৱে খাব পাৰিম।' এই বুলি ততালিকে মধুৰিটো মালীক দি দিলে। সি ফলটো বাৰীত ৰুই দিলে। যথাসময়ত এজোপা মধুৰি গছ গজিল। গছত ফল ধৰিল। এদিন এটা সাপে গছত পকি থকা মধুৰি এটা খুঁটি দিলে আৰু মধুৰিটো মাটিত সৰি পৰিল। মালীয়ে মাটিত পৰি থকা মধুৰিটো ৰজাক দিলেহি। ৰজাই তেওঁৰ মৰমৰ কুকুৰটোক মধুৰিটো খাবলৈ দিলে। মধুৰিটো খোৱাৰ পিছত কুকুৰটো মৰি থাকিল। তেতিয়া ৰজাই ভাবিলে — নুমলীয়া ৰাণীয়ে তেওঁক বুদ্ধি কৰি মাৰিবৰ বাবে বিহ ফল আনি দিছিল। এই বুলি ৰজাই খঙত আগ-পিছ নুগুণি ৰাণীক মৃত্যুদণ্ড দিলে। এই কথা ৰাজ্যজুৰি বিয়পি পৰিল। সেই ৰাজ্যৰে এজন সদাগৰে সেই কথা জানিব পাৰিলে। সদাগৰে মনৰ দুখত আত্মহত্যা কৰাৰ কথা চিন্তা কৰিছিল। এদিন সদাগৰ ৰজাৰ ওচৰ পালেহি। সদাগৰে সেই অদ্ভুত মধুৰিজোপা চাবলৈ বিচৰাত ৰজাই মালীজনক সেই গছজোপা সদাগৰজনক দেখুৱাবলৈ ক'লে। মালীয়ে সদাগৰক মধুৰিজোপা দেখুৱাই ক'লে — এই মধুৰি আপুনি নাখাব। কিন্তু সদাগৰে গছত পকি থকা মধুৰি এটা খাই দিলে আৰু ততালিকে ৰজাৰ পৰা বিদায় লৈ ঘৰলৈ খোজ ল'লে। কিন্তু সদাগৰৰ একো হানি-বিঘিনি নঘটিল। সেই কথাত ৰজাই জানিবলৈ পাই পিছদিনা সদাগৰক মাতি পঠিয়ালে। সদাগৰ ৰাজসভাত উপস্থিত হৈ ৰজাক সকলো কথা বিৱৰি ক'লে। ততালিকে ৰজাই সেই গছৰ মধুৰি এটা খাই চালে। ৰজাৰো একো হানি-বিঘিনি নহ'ল। ৰজাই তেতিয়া নিজৰ দোষ বুজি পালে যে তেওঁ মিছাকৈ ৰাণীগৰাকীক মৃত্যুদণ্ড দিলে। ৰজাৰ দুচকু পনীৰে উপচি পৰিল। ৰাণীক মিছাতে মৰাৰ বাবে তেওঁ মনত বৰ দুখ পালে। গতিকে নভবা-নিচিন্তাকৈ কোনো সিদ্ধান্তত উপনীত হোৱা অনুচিত।



# 'ক...'

গায়ত্ৰী হাজৰিকা
স্নাতক পঞ্চম যাণ্মাসিক (বিজ্ঞান)

মাজৰাতিৰ নিৰ্জনতাক উপভোগ কৰিবলৈ মই সাৰে থকা নাই। আচলতে বিছনালৈ গৈও মই টোপনি যাব পৰা নাই। কিবা এটা নৈৰাশ্যই আৱৰি ধৰিছে মোৰ সমস্ত সত্তা। মই শুব পৰা নাই। কুঁৱলীৰে আৱৰা শীতৰ দিনবোৰৰ মাজত মই যেন এটা সৰু মকৰা হৈ কিবা জাল গুঁঠিছো এনে লাগিছে মোৰ। শোৱাৰ নামত বিছনাত পৰি অযথা সময় অপচয় কৰি থকাতকৈ মই উঠি আহিলো মোৰ পঢ়া টেবুললৈ। সিঁচৰতি হৈ আছে অলেখ কিতাপ। কিতাপবোৰত এনেয়ে হাত বুলালো। কিবা যেন অবুজ আবেগত উঠলিল মোৰ মন। টেবুলখনৰ একেবাৰে তলৰ খাপত থকা এখন পুৰণি ডায়েৰীলৈ মোৰ মনত পৰিল। আজি দহবছৰে সাঁচি থোৱা ডায়েৰীখনৰ প্ৰতিটো পৃষ্ঠাই বৰকৈ আকৰ্ষিত কৰিলে মোক। কোন দিনা, কিয় সামৰিছিলো ডায়েৰীখন মোৰ মনত পৰা নাই। কিন্তু বহু আবেগ-অনুভূতিৰে ঠাহ খাই থকা ডায়েৰীখন বৰ আলফুলে উলিয়াই আনিলো। বাৰিষাৰ কোবাল বৰষুণৰ টোপালবোৰ কিছু যেন নিৰ্জনতা ভংগ কৰিছে এনে লাগিল। ঘৰৰ ছালত ঘন বৰষুণৰ শব্দ। আকাশত গাজনিৰ গিৰ গিৰ শব্দ। বাহিৰত বতাহো বলিছে। খিৰিকীৰ কাঁচৰ মাজেৰে দেখিছো বিজুলীৰ চিক্‌মিক্ চমক। ঘৰৰ কাষতে থকা বকুলজোপাৰ পাতবোৰ হিৰহিৰকৈ কঁপিছে।

ঠিক সেউজীয়া নহয় যদিও সেউজীয়া ৰঙৰ ডায়েৰীখন মোৰ হাতত লৈ মই ৰোমন্থন কৰিলো পাৰ হৈ যোৱা দহটা বছৰ। মোৰ নিজৰ হাতৰ আখৰবোৰ যেন মোৰ নিজৰ নহয় এনে লাগিছে। এতিয়া মোৰ আখৰৰ গতো সলনি হ'ল। হয়তোবা আখৰবোৰ আগতকৈ ভাল হ'ল, আগতকৈ পুৰঠ হ'ল। যেনেকৈ পুৰঠ হৈছে মোৰ মন।

এই খন কলেজীয়া জীৱনৰ ডায়েৰী। কলেজীয়া জীৱনৰ দীঘলীয়া তিনিটা বছৰ, ছয়ত্ৰিশটা মাহৰ সবিশেষ বৰ্ণনা ইয়াত নাই যদিও ডায়েৰীখনত মই লিখা প্ৰতিটো শব্দ আৰু বাক্যই মোক আকৌ এবাৰ দৃষ্টিপটলৈ আনি দিলে — কলেজৰ সেই তোৰণখন, নাহৰ গছকেইজোপা চঞ্চল আৰু ভাৰাক্ৰান্ত ছাত্ৰাবাসটো, কলেজৰ চকীদাৰ শইকয়াদাৰ অমায়িক চেহেৰাটো। আৰু বহুত কিবাকিবি।

নিশা বাৰ বাজিছিল। ডায়েৰীখনৰ উকা হৈ থকা এটা পৃষ্ঠ উলিয়াই মই লিখিবলৈ ল'লো এটা নতুন বাক্য। মনতে ভাবিলো এই বাক্যটো লিখিয়েই মই পুনৰ সামৰি থম মোৰ এই পুৰণি ডায়েৰীখন।

হঠাৎ লিখি পেলালো 'ক'। মাথো এটা বৰ্ণ লিখিয়েই থমকি ৰ'লো মই। 'ক'? কি লিখিব বিচাৰিছিলো মই? কাগজৰ বিষয়ে হ'বলা। কাগজ... য'ত লিপিবদ্ধ হৈ ৰয় বহু ক'বলগীয়া কথা। হয়তো মই লিখিব বিচাৰিছিলো মই ব্যৱহাৰ কৰি থকা কলমটোৰ বিষয়ে। কিন্তু ৱাটাৰমেনে আৱিষ্কাৰ কৰা বিজ্ঞানৰ সেই অমূল্য অৱদানৰ কথা লিখিবলৈ বাৰু মোৰ হাতখন কিয় থমকি ৰ'ব?

এটা ভাগৰুৱা অৱস্থাত মোৰ হাতৰ কলমটো হঠাৎ খহি পৰা যেন হ'ল। টেবুলত থকা একান্ত বিশ্বাসী গতিশীল ঘড়ীটোলৈ চকু পৰিল মোৰ। সময় তেতিয়া শেষ নিশাৰ দুই বজা। বাহিৰত কুকুৰৰ ভুক্‌ভুকনিৰ বাদে সমগ্ৰ জগতখনেই যেন নিৰ্জনতাৰ গ্ৰাসত। 'ক' আৰু কি লিখিব পাৰি? 'ক' বুলি আৰম্ভ কৰি মোৰ যেন একো লিখাই নহ'ল। চকু দুটা মোহাৰি ডায়েৰীখনৰ একেবাৰে শেষৰ উকা পৃষ্ঠাটোত বৰ ডাঙৰকৈ লিখি পেলালো।

চকু দুটা লোতকেৰে ভৰি পৰিল। সমগ্ৰ কোঠাটো অন্ধকাৰে ছানি ধৰিলে। জিলিকি উঠিল ডায়েৰীখনৰ উকা পৃষ্ঠাত কেৱল এটি মাথো শব্দ — 'কাব্যশ্ৰী'।■

# আধৰুৱা প্ৰেম

**সৰিতা ছেত্ৰী**
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

ধেমাজি জিলাৰ এখন সৰু গাঁৱৰ কাহিনী। ল'ৰাজনৰ নাম আদিত্য আৰু তাৰ প্ৰিয় বন্ধুজনৰ নাম ৰাহুল। দুয়োজন বৰ ভাল বন্ধু। দুয়োজনৰ ঘৰ একেখন গাঁৱতে। আদিত্যই কিছু সময় আজৰি পালেই সি ৰাহুলৰ ঘৰলৈ ফুৰিবলৈ যায়। ৰাহুলৰ এজনী ভণ্টি আছিল আৰু তাইৰ নাম ৰশ্মিতা। আদিত্য যেতিয়া ৰাহুলৰ ঘৰলৈ যায় তেতিয়া ৰশ্মিতাই দাদাৰ বন্ধু আহিলে বুলি চাহ-পানী ইত্যাদিবোৰ যোগান ধৰে। এনেদৰে আদিত্য আৰু ৰশ্মিতা দুয়োজনৰ প্ৰতি চিনাকি হৈ পৰিছিল আৰু তেতিয়াৰ পৰা দুয়োজনে দাদা-ভণ্টিৰ সম্বন্ধৰে কথা-বতৰা পাতিবলৈ ধৰে। এতিয়া আদিত্যৰ বয়স ১৪ বছৰ আৰু ৰশ্মিতাৰ বয়স ১২ বছৰ। দুয়োজন একেখন বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰিবলৈ যায়। এতিয়া আদিত্যই অষ্টম শ্ৰেণীত আৰু ৰশ্মিতাই ষষ্ঠ শ্ৰেণীত অধ্যয়ন কৰি আছে।

এনেদৰে আদিত্যই আজৰি সময় পালেই ৰাহুলৰ ঘৰলৈ যায় ফলত ৰাহুলৰ ঘৰলৈ যাওঁতে যাওঁতে আদিত্যই বন্ধুৰ ভণ্টি তথা ৰশ্মিতাৰ প্ৰতি কিবা অনুভৱ কৰিবলৈ ধৰিলে। আদিত্যই কেতিয়াও সপোনতো ভবা নাছিলে যে সি ৰশ্মিতাৰ প্ৰতি তেনে কিবা অনুভৱ কৰিব বুলি। এনেদৰে বহুদিন পাৰ হৈ গ'ল তথাপি আদিত্যই ৰশ্মিতাৰ প্ৰতি থকা অনুভৱৰ কথা সি কোনোদিনাই তাইৰ আগত কোৱা নাছিল। কিন্তু সি এদিন মনতে ভাবিলে যে এনেদৰে বাৰু সি কিমান দিন ৰশ্মিতাৰ প্ৰতি থকা মনৰ ভাববোৰ মনৰ ভিতৰতে সুমুৱাই ৰাখিব। তেতিয়া সি এদিন সাহস কৰি ৰশ্মিতাৰ প্ৰতি থকা তাৰ মনোভাৱ ৰশ্মিতাৰ আগত ব্যক্ত কৰিলে। তেতিয়া ৰশ্মিতাই সেইবোৰ কথা শুনি আচৰিত হৈ গ'ল তাই কেতিয়াও ভবা নাছিলে কি দাদাৰ বন্ধুজনে তাইক এনেদৰে ভালপোৱাৰ কথা এটা তাৰ আগত ব্যক্ত কৰিব।

আদিত্যই যেতিয়া ৰশ্মিতাৰ আগত ভালপোৱাৰ ভাব ব্যক্ত কৰিছিল তেতিয়াৰপৰা ৰশ্মিতাইও আদিত্যৰ প্ৰতি কিবা এটা অনুভৱ কৰিবলৈ ধৰিলে। লাহে লাহে কৰি দুয়োজনৰ মাজত ভালপোৱাৰ ভাব ফুটি উঠিল। সেইদৰে আদিত্য আৰু ৰশ্মিতা দুয়ো এক সম্পৰ্কত সোমাই পৰিলে। এনেদৰে দুয়োজনে এজনে আনজনৰ প্ৰতি আকৃষ্ট হৈ পৰিল। গতিকে এনেদৰে দুয়োজনৰ মাজত থকা সম্পৰ্কটো তিনিবছৰ ধৰি চলি থাকিল।

আদিত্যই তিনিবছৰৰ পিছত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ লৈ উত্তীৰ্ণ হ'ল। সেই মৰ্মে সি বিজ্ঞান শাখাত নামভৰ্তি কৰাৰ কথা চিন্তা কৰিলে। সেই অনুসৰি সি উচ্চতৰ মাধ্যমিক শিক্ষা যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অৰম্ভ কৰিলে। মাজে মাজে সিহঁতে ফোনত কথা-বতৰা পাতি এজনে আনজনৰ খা-খবৰ লৈ থাকে। আদিত্য মাজে-সময়ে ছুটী পালে সি ঘৰলৈ আহে। আদিত্য ঘৰ পোৱাৰ আগতে ৰশ্মিতা আদিত্যৰ ঘৰত উপস্থিত হৈ থাকে । সিহঁত দুয়োজনৰ মাজত অটুট প্ৰেম আছিল। আদিত্য ঘৰ অহাৰ পিছত ৰশ্মিতা প্ৰায়েই আদিত্যৰ ঘৰলৈ যায় আনকি তাই আদিত্যই পৰিধান কৰা কাপোৰ-কানি ধুই দিছিল আৰু সৰু সৰু কামতো আদিত্যক সহায় কৰিছিল। এনেদৰে সিহঁত দুয়োজনৰ মাজত থকা সম্পৰ্ক প্ৰায় ৪ বছৰ ধৰি থাকিল।

কিন্তু আদিত্যই যেতিয়া যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ পৰা উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হ'ল তেতিয়া সি স্নাতক ডিগ্ৰী ল'বলৈ গুৱাহাটীলৈ গ'ল। তেতিয়া সি কলেজ কমকে ছুটী পোৱাৰ ফলত ঘৰলৈ অলপ কমকৈ আহিব ধৰিলে। কিন্তু যদিও ৰশ্মিতাৰ প্ৰতি থকা আদিত্যৰ প্ৰেম কম হোৱা নাছিল; বৰঞ্চ বৃদ্ধিহে হৈছিল। কিন্তু ৰশ্মিতাক নিজৰ গাঁৱৰে এজন ল'ৰাই ভালপাবলৈ ধৰিলে কিন্তু ৰশ্মিতাই সেই সময়ত আদিত্যকেই মনৰ মাজত সুমুৱাই ৰাখিছিল। সেই ভালপোৱা ল'ৰাজনৰ নামা ৰাকেশ। যেতিয়া ৰাকেশে ৰশ্মিতাৰ ওচৰত ভালপোৱাৰ ভাব তাইৰ ওচৰত ক'লে তেতিয়া ৰশ্মিতাই লগে লগে ৰাকেশক তাক ভাল নোপোৱাৰ কথা স্বীকাৰ কৰিলে। যদিও সেই ল'ৰাজনে পিছত ৰশ্মিতাক নিজৰ কৰি ল'বৰ বাবে বিভিন্ন বন্ধু-বৰ্গৰ লগ হৈ তাইক নিজৰ কৰি ল'বলৈ চেষ্টা কৰিলে। ফলত ৰাকেশে বিভিন্নজন বন্ধুৰ লগ হৈ ৰশ্মিতাক কিছুমান বেয়া শব্দ আৰু কথা ক'লে আৰু লগতে ৰাকেশে ৰশ্মিতাক ক'লে যে যদি তুমি মোক স্বীকাৰ নকৰা

তেন্তে মই তোমাৰ জীৱন ধ্বংস কৰি দিব পাৰিম। সেইবুলি কৈ ৰাকেশে বিভিন্ন বন্ধুৰ লগ হৈ ৰশ্মিতাক ভয় খোৱাই তাইক নিজৰ কৰি ল'বলৈ সক্ষম হ'ল। ৰাকেশে এনেধৰণেৰে ৰশ্মিতাক নিজৰ কৰি ল'বৰ বাবে বিভিন্ন কৌশল অৱলম্বন কৰে।

সেইবোৰ কথা যেতিয়া আদিত্যই গম পালে, তেতিয়া গুৱাহাটীৰ পৰা নিজৰ গাঁওখনলৈ ৰশ্মিতাক লগ কৰিবলৈ আহিলে। তেতিয়া আদিত্যই ৰশ্মিতাক ওচৰত মাতি আনি সুধিলে যে ৰশ্মিতা এইবোৰ মই কি কথা শুনিবলৈ পাইছোঁ তুমি বোলে ৰাকেশক ভাল পাব ধৰিলা। তেতিয়া ৰশ্মিতাইও কান্দি কান্দি উত্তৰ দিবলৈ ধৰিলে মই ৰাকেশক কেতিয়াও ভালপোৱা নাছিলোঁ,মোক সি কিছুমান বেয়া শব্দ আৰু বেয়া কথা কৈ লগতে কিছু ভাবুকিদি মোক তাৰ ফালে হ'বলৈ বাধ্য কৰালে। তেতিয়া আদিত্যই সেই সময়ত মনত বৰ আঘাত পালে আৰু তেতিয়া সি তাৰ ৪ বছৰৰ প্ৰেম এদিনতে শেষ হৈ যোৱা যেন অনুভৱ কৰিলে।

ৰশ্মিতাৰ ঘৰৰ পৰিয়ালে যেতিয়া ৰাকেশ আৰু ৰশ্মিতাৰ সেই সম্বন্ধৰ কথা গম পালে তেতিয়া লগে লগে কিছুদিনৰ পিছতে ৰশ্মিতাক একো খা-খবৰ নিদিয়াকৈ ৰশ্মিতাৰ কাৰণে দৰা ঠিক কৰিলে। তেতিয়া ৰশ্মিতাই একো এটা নোকোৱাকৈ বিয়াৰ কাৰণে মান্তি হ'বলৈ বাধ্য হ'ল। সেই সময়ত আদিত্যইও কিবা এটা উপায় অৱলম্বন কৰিম বুলি ভাবোঁতেই তাইৰ বিয়াৰ তাৰিখ ঠিক হ'ল। ৰশ্মিতাৰ ঘৰৰ মানুহে তাইৰ বিয়াৰ কাৰণে সামগ্ৰীবোৰ যোগান ধৰিবলৈ আৰম্ভ কৰিলে। এনেদৰে সময়বোৰ এদিন-দুদিন কৰি বাগৰি ৰশ্মিতাৰ বিয়াৰ দিন আহিল। সেই সময়ত আদিত্য আছিল গুৱাহাটীত যদিও ৰশ্মিতাই তাক ফোন কৰি তাইৰ বিয়াত উপস্থিত হ'বলৈ অনুৰোধ কৰিলে সেই মৰ্মে আদিত্য ৰশ্মিতাৰ বিয়াত উপস্থিত হ'ল একমাত্ৰ ৰশ্মিতাৰ প্ৰতি থকা তাৰ প্ৰেমৰ কাৰণে। এনেদৰে আদিত্যৰ চকুৰ সন্মুখতে ৰশ্মিতা আজি আনজনৰ হৈ পৰিল।

বৰ্তমান আদিত্য আছে গুৱাহাটীত এতিয়া সি পদাৰ্থ বিজ্ঞানৰ বিএছ চি ডিগ্ৰী লাভ কৰি আছে। ৰশ্মিতাৰ বিয়াত সি নিজৰ গাঁওখনলৈ আহিছিল তেতিয়াৰ পৰা আদিত্য নিজৰ ঘৰখনলৈ অহা নাই। কিয়নো যেতিয়া সি ঘৰখনলৈ আহে তেতিয়া সি সদায় ৰশ্মিতাৰ সেই হাঁহিমুখীয়া মুখখন দেখিবলৈ পাইছিল আৰু লগতে সি ৰশ্মিতাৰ লগত হাঁহি-ধেমালি তথা কথা-বতৰা পাতিব পাইছিল। কিন্তু এতিয়া সি নিজৰ গাঁওখনলৈ আহিলে ৰশ্মিতাক লগ নাপাব তাইৰ লগত কথা-বতৰা পাতিব নাপাব যিহেতু আজি তাই এই গাঁওখনত নাই তাই এতিয়া নিজ ঘৰ তথা নিজ গাঁওখন এৰি বেলেগ এখন ঠাইলৈ গুছি গৈছে। তাই এতিয়া আদিত্যৰ মাজৰ পৰা আঁতৰি গ'ল চিৰদিনলৈ।

গতিকে যদিও ৰশ্মিতা আজি আদিত্যৰ গাঁওখনৰ পৰা আন এখন গাঁৱলৈ গুছি গ'ল তথাপি ৰশ্মিতাৰ প্ৰতি থকা আদিত্যৰ সেই ভাব, সেই অনুভৱ, সেই প্ৰেম আজিলৈকে অমৰ হৈ আছে। ৰশ্মিতাৰ প্ৰতি থকা আদিত্যৰ সেই প্ৰেম, অতীততো আছিলে, বৰ্তমানেও আছে আৰু ভৱিষ্যতেও থাকিব। ■



# অপেক্ষা মাথোঁ সূৰ্যোদয় হোৱালৈ

**মাধুৰী মৰাণ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

জীৱন এচমকা মেঘৰ লুকাভাকু। যন্ত্ৰণা হ'ল এছাটি কাল ধুমহা। এই ধুমুহাই মানুহৰ হৃদয় ভাঙি থানবান নকৰা পৰ্যন্ত মানুহৰ সত্যৰ সন্ধান অসম্ভৱ। সত্যৰ সন্ধানেই মানুহৰ লক্ষ্য হ'ব লাগে। সত্যৰ স্পৰ্শই মানুহক তুলি লৈ যায় এখাপ ওপৰলৈ। মানুহ সেয়েহে সত্যৰ পূজাৰী হোৱাহে দৰকাৰ।

অন্ধকাৰ ৰুমটোত আউলি-বাউলি হৈ বিছনাত বহি আছে ময়ূৰী। তাই সত্যৰ সন্ধানত নামি পৰিছে। ঘটনাটো ঘটি যোৱা বেছিদিন হোৱা নাই প্ৰচণ্ড ক্ষোভ আৰু ঘৃণাত ফাটি যাওঁ কাটি যাওঁ লাগিছে তাইৰ। নিজৰ ওপৰতেই খং উঠিছে। কিহে পাইছিল সপোন ছাৰক ইমান সন্মান, বিশ্বাস কৰিবলৈ। কিহে পাইছিল ঘণ্টা ঘণ্টা জুৰি দেশৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ আলোচনা কৰিবলৈ। হয়তো সপোন ছাৰক সকলো মানুহৰ দৰেই তাইয়ো সন্মান কৰিছিল। শ্ৰদ্ধাত মূৰ দোঁ খাই গৈছিল সপোন ছাৰৰ সন্মুখত। এজন জনপ্ৰিয় সাহিত্যিক হিচাপে পৰিচিত সপোন শৰ্মা। সপোন ছাৰৰ সান্নিধ্য লাভ কৰি তাই অনাবিল আনন্দ পোৱাৰ লগতে এজন জনপ্ৰিয় সাহিত্যিকৰ লগত পৰিচয় হোৱাত তাই অনুভৱ কৰিছিল অপাৰ গৌৰৱ। আজি যে তাই সেই শ্ৰদ্ধা সেই গৌৰৱ দলিয়াই পেলালে বহুদূৰলৈ। ভাবিবই পৰা নাছিল এজন সহজ-সৰল ভদ্ৰ মানুহৰ মনত যে লুকাই থাকিব পাৰে এটা কুৎচিৎ মন।

সম্ভৱ নিশা এঘাৰ বাজিল। উঠি গৈ লাইটটো জ্বলাই আহিবলৈয়ো দ্বিধাবোধ কৰিছে ময়ূৰীয়ে। এইকেইদিন তাই শুব পৰা নাই। প্ৰায়ে উচপ খাই উঠে। বেয়া বেয়া সপোন দেখে। বহুত কথাই তাইৰ মনত অশান্তি দি থাকে।

সপোন শৰ্মা। সপোন শৰ্মা এজন সমাজৰ আগশাৰী সাহিত্যিক। নৱ-প্ৰজন্মৰ জনপ্ৰিয় গল্পকাৰ সপোন শৰ্মা। ময়ূৰীৰ প্ৰিয় গল্পকাৰ সপোন শৰ্মা। ছাৰৰ লগত পৰিচয় হোৱাৰ দিন ধৰি তাই কলেজৰ বন্ধৰ দিনবোৰত ছাৰৰ লগত বিভিন্ন ধৰণৰ কথা পাতেগৈ। তাই নতুনকৈ লিখিবলৈ লোৱা লিখনিসমূহ ছাৰক দেখুৱাইগৈ। ছাৰে ভুলবোৰ শুধৰাই দিয়ে। তাইৰ লিখা প্ৰকাশ পালে দৌৰি গৈ ছাৰক দেখুৱাইগৈ, ছাৰে প্ৰেৰণা দিয়ে। সেইদিনাও তাই লিখা এটা গল্প দেখুৱাবলৈ ছাৰৰ ওচৰলৈ দৌৰি গৈছিল।

শৰতৰ আবেলি। পৰিৱেশটো নিজান হৈ আছে। বাৰাণ্ডাত উঠি লাহেকৈ হেঁচা মাৰি দিলে কলিং বেলটোত। দৌৰি আহিল ছাৰ।

ঃ আ...ৰে ময়ূৰী তুমি! ঘৰৰ পৰাই আহিলা? ফোন এটাতো কৰি ল'ব পাৰা।

দুৱাৰখন খুলি ক'লে ছাৰে — হয় ছাৰ, ঘৰৰ পৰাই আহিলোঁ। সেইটো আপোনাক দেখুৱাবলৈ আহিলোঁ। আপোনাক ফোন কৰিছিলোঁ কিন্তু অফ পালোঁ। ছাৰ বাইদেউ আৰু প্ৰিয়া ক'ত?

ঃ বাইদেউ প্ৰিয়াক লৈ বজাৰলৈ গৈছে। মই নগ'লো আধা পঢ়া কিতাপখন পঢ়ো বুলি ঘৰতে থাকিলোঁ। চাওঁ তোমাৰ গল্প।

ময়ূৰীৰ গল্পটো হাতত লৈ ছাৰে নতুনকৈ লিখিবলৈ লোৱা উপন্যাস এখনৰ পাণ্ডুলিপি এটা ময়ূৰীৰ হাতত দিলে। তাই পঢ়ি পঢ়ি ভাবিলে বাইদেউ আৰু প্ৰিয়া নাথাকিলে অকল ছাৰ থাকিলে ইমান নিজান লাগে।

ছাৰে পাকঘৰত চাহ বনাবলৈ উঠি গ'ল। তাই ছাৰৰ লিখনিৰ মাজত কেতিয়ানো বুৰ গ'ল গমেই নাপালে। এনেতে কাৰোবাৰ তীব্ৰ হেঁচা প্ৰয়োগত

তাই সচকিত হৈ পৰিল। চিঞৰিব খুজিছিল তাই কিন্তু কিবা এক অবোধ্য শক্তিয়ে অৱৰোদ্ধ কৰি ধৰিলে তাইৰ কণ্ঠ। চকুকেইটা জপাই ধৰিলে তাই। তাই ঠিকেই অনুমান কৰিলে সেইজন যে তাইৰ প্ৰিয় সাহিত্যিক সপোন শৰ্মা। দুখন বলিষ্ঠ হাতৰ মুঠিৰ পৰা মুক্ত হৈ তাই ছাৰক উদ্দেশ্যি কৈ উঠিল — চাওক ছাৰ, আচলতে, এই মুহূৰ্তত মই আপোনাক ছাৰ বুলি মাতিবলৈকে কুণ্ঠাবোধ কৰিছোঁ। আপোনাৰ কৃতকৰ্মৰ বাবে মই নিজেই লজ্জিত। আপোনাৰো এজনী মোৰ দৰেই ছোৱালী প্ৰিয়া জানো নহয়? প্ৰিয়া আজি সৰু হৈ আছে। কাইলৈ তাই ডাঙৰ হ'ব। তাইৰ লগতো যদি কোনোবাই এনেকুৱা ব্যৱহাৰ কৰে আপুনি বাৰু সহিব পাৰিবনে? মইও যে কাৰোবাৰ জী, আপুনি কিয় ভাবিব নোৱাৰে? — লাজ-মান কাটি কৰি কথাখিনি ক'লে তাই। ছাৰে একো মতা নাই। তথাপি তাই কৈয়েই থাকিল — আপোনালোকতো চিন্তাশীল লোক। সমাজৰ মুধাফুটা ব্যক্তি। আপোনাসৰৰ চিন্তাৰ পৰিসৰতো আমি ঢুকিকে নাপাওঁ। কাইলৈ এই ঘটনাটো যদি কেনেবাকৈ প্ৰচাৰ হয়, সমাজে মোকহে দূষিব, আপুনি ধোৱা তুলসীৰ পাত হৈয়ে ৰ'ব। আপোনাৰ একো ক্ষতি নহয়। কিন্তু শাৰীৰিকভাৱে, মানসিকভাৱে ক্ষতিগ্ৰস্ত হ'ম মইহে, মোৰ ঘৰখনহে।

কিছু সময় ৰৈ তাই পুনৰ ক'লে — এয়াই আমাৰ সমাজ। নাৰীকেই শক্তিৰ অধিষ্ঠাত্ৰী বুলি পূজা কৰিছে। আনহাতে নাৰীৰ ওপৰতেই চলাই আহিছে নিৰ্মম অত্যাচাৰ।

তাই নিজেই আচৰিত হ'ল ইমানখিনি মানসিক শক্তি যে ক'ত লুকাই আছিল তাইৰ। তাই খৰখেদাকৈ ঘৰমুখী হ'বলৈ সাজু হ'ল। কিন্তু ছাৰে আগভেটি থিয় দি আছে। পুনৰ তাই ক'লে — আঁতৰি দিয়ক ছাৰ। চিন্তা নকৰিব। ইয়াৰ বিষয়ে কাৰোবাক কৈ আপোনাৰ সন্মান লাঘৱ কৰিম বুলি নাভাবিব। কাকোৱেই নকওঁ।

কথাখিনি কোৱাৰ লগে লগে এক অদম্য অপৰাধবোধে তাইৰ গোটেই শৰীৰত জিকাৰ মাৰি গ'ল।

তাই ঘৰলৈ আহি নিজৰ ৰুমত সোমাই এটা উপায় বিচাৰি উগুল-থুগুল হৈ পৰিছে তাইৰ মন। নাৰী কিয় ইমান অবলা? কিয় নাৰী সামগ্ৰী হৈ পৰিছে? কিয় নাৰীৰ নিৰাপত্তা নাই— সকলো সময়তেই এটা ভয় লৈ ঘূৰি ফুৰিব লগা হয় সেইটো হৈছে সতীত্ব ৰক্ষা কৰাৰ ভয়। মানসিকভাৱে তাই ভাঙি পৰিছে। তাই লগে লগেই এটা সিদ্ধান্ত লৈ পেলালে ছাৰৰ মুখা খুলি দিবই লাগিব। আজি মোৰ লগত এনেকুৱা ব্যৱহাৰ কৰিছে, কাইলৈ যদি মোৰ দৰে আৰু বহুতো ছোৱালী সমাজৰ গণ্য-মান্য ব্যক্তিৰ ওচৰত সতীত্ব হেৰুৱাবলগীয়া হয় অপমানৰ ভয়ত মনে মনে থাকে তেতিয়া দেখোন আমাৰ নাৰী জাতি ওৰে জীৱন অবলা হৈয়েই থাকিব। তাই সিদ্ধান্ত ল'লে ৰাতিপুৱাই তাই জনপ্ৰিয় সাংবাদিক স্পষ্টবাদিতা ৰূপে খ্যাতি লাভ কৰা হিৰেনদাক লগ কৰিব আৰু সকলো কথা বিৱৰি ক'ব। মুঠৰ ওপৰত পেপাৰৰ প্ৰথম পৃষ্ঠাতেই প্ৰকাশ পাবই লাগিব "বিশিষ্ট সাহিত্যিক সপোন শৰ্মাৰ দ্বাৰা এগৰাকী কিশোৰীৰ সতীত্ব হানি"।

তাই মাথোঁ অপেক্ষা কৰি ৰ'ল সূৰ্যোদয় হোৱালৈ।

(পেপাৰ-পত্ৰই পঢ়িবলৈ পোৱা এনেধৰণৰ ঘটনাই মোৰ মনলৈ দুখৰ বন্যা কঢ়িয়াই আনে তাৰ ভিত্তিতেই এই গল্প ৰচিত।) ■

# বিষণ্ণতাৰ আঁৰে আঁৰে উন্মনা যৌৱন

**শিখাজ্যোতি মৰাণ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

এয়া শীতৰ উমাল সন্ধিয়াৰ উদুলি-মুদুলি দিন। এনে এটি দিনতেই পৰিচয় ঘটিছিল ৰুস্তম হাজৰিকাৰ স'তে সুমিংকাৰ। সুমিংকাৰ একমাত্ৰ বায়েক প্ৰিয়দৰ্শিনীৰ বিয়াত তেওঁৰ স'তে চিনাকি। তেতিয়াৰে পৰা সিহঁত দুয়োৰে বন্ধুত্ব হ'ল। আৰু এই বন্ধুত্বক এদিন মৰ্যাদা দিলে প্ৰেম হিচাপে। ৰুস্তমৰ বন্ধুত্বৰ আঁৰে আঁৰে সুমিংকাই, তাইৰ তৰাফুলীয়া মনাকাশত ৰুস্তমৰ প্ৰতি সাঁচি গৈছিল সৰল প্ৰেমৰ অনুভূতিবোৰ। আৰু যেতিয়া তাইৰ স্বপ্নক ৰুস্তমে জীপাল কৰিলে, সুমিংকাৰ বুকুত উজলি উঠিল সেই ভালপোৱাৰ অনুভূতিবোৰ বৰ্ণিল জ্যোতি হৈ। প্ৰেমৰ অনুভূতিবোৰে সুমিংকাৰ দেহ-মনত নমাই আনিলে অজানা মায়াৰী জোনাক। সুমিংকাৰ সমগ্ৰ সত্তা উপচি বিয়পি পৰিল স্নিগ্ধ প্ৰেমৰ জোনাক। ৰুস্তমৰ কোমল মনৰ সীমাহীন ভালপোৱাৰে সুমিংকা হৈ পৰিল এজনী ৰঙীন পখিলা, ধৰাৰ বুকুত মুক্ত মনে উৰি ফুৰা। সুমিংকা হৈ পৰিল বিশাল আকাশৰ তৰাৰ তৰাৱলীৰ উজ্জ্বল পোহৰ।

সুমিংকা, তাইৰ একমাত্ৰ বায়েক প্ৰিয়দৰ্শিনী আৰু মাক। তিনিটি প্ৰাণীৰে সিহঁতৰ ঘৰখন। সুবিশাল শ্যামলিমা পথাৰখনৰ পশ্চিম দিশত সুমিংকাহঁতৰ ঘৰটো। মূল আলিবাটৰ পৰা সোঁফালে থকা কেঁকুৰিটোৰে সুমিংকাহঁতৰ ঘৰলৈ যোৱা সৰু আলিবাটটো বৰ মনোৰম। গাঁওখনৰ পৰিৱেশটো বৰ নিকা। ৰাস্তাটোৰ একাষে আৰু দেৱদাৰু আৰু শাৰী শাৰী বকুল। আনফালে দুই এজোপা ইউকেলিপ্টাছ, পাইন আৰু ৰবৰ গছৰ শাৰী। মাজে মাজে দুই-এজোপা এজাৰ গছ, মদাৰৰ কাঁইটীয়া গছবোৰ আহ...! কিযে মনোমোহা সৌন্দৰ্যৰে নিটোল আৰু সতেজ কৰি ৰখা পৰিৱেশ !!

সুমিংকা, ৰিজা, প্ৰিয়া, অবিনাশ, ৰুবুল, মাধুৰিমা, অপূৰ্ব, উৰ্বশী, জিণ্টু, ফৰিন্দম প্ৰায় সমবয়সৰ কিশোৰ-কিশোৰী। সৰুৰেপৰা সিহঁতৰ এই নিটোল পৰিৱেশটো চিনাকি। এই বাটেৰেই অহা-যোৱা কৰে স্কুল-কলেজ, বজাৰ-সমাৰ কৰিবলৈ।

এদিন ৰুস্তম আৰু সুমিংকা ঘৰলৈ উভতিছিল এই বাটেৰেই। নিৰ্জন আছিল সময়তো। দুয়ো হাতত ধৰাধৰিকৈ কলেজৰ পৰা উভতিছিল। কিমান যে কথা কৈছিল ৰুস্তম আৰু সুমিংকাই... হয়তো দেৱদাৰুবোৰৰ বাহিৰে আন কোনেও শুনা নাছিল আৰু দেখাওতো নাছিল; সাক্ষী মাত্ৰ দেৱদাৰুবোৰ, ইউকেলিপ্টাছবোৰ...

ভাবিলে আচৰিত লাগে, সৌ সিদিনা বায়েক প্ৰিয়দৰ্শিনীৰ বিয়াত ফেকুৰি ফেকুৰি কন্দা সুমিংকাজনী এতিয়া ১৭/১৮ বছৰীয়া এজনী কিশোৰী। ৰুস্তম তাইৰ প্ৰাণৰ দৰে আপোন।

সময় বাগিৰল... ৰুস্তম আৰু সুমিংকা... সিহঁত সময়ৰ সোঁতত অচিনাকি হৈ পৰিল। ৰুস্তম কলেজ এৰি অন্য কামত দূৰলৈ যাবলগা হ'ল। ৰুস্তম গুছি গ'ল লগৰ বন্ধু আৰু অতি আপোন প্ৰণয়িনীক এৰি। সুমিংকাক সি অতি সোনকালে ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি তাইক বিয়া কৰোৱাৰ কথা দি গ'ল। সুমিংকাই বুকুত অজস্ৰ আশা বান্ধি বাট চাই ৰ'ল ৰুস্তম ঘূৰি অহালৈ।

কিন্তু ৰুস্তম... সি যি গ'ল, আৰু ঘূৰি নাহিল। ঘূৰিতো নাহিলেই, সি সুমিংকালৈ কোনো এটা খবৰেই নপঠালে। এনেকৈ, দিন বাগৰিল, মাহৰ পিছত মাহ, বছৰ পাৰ হ'ল... ৰুস্তম কিন্তু সুমিংকাৰ ওচৰলৈ নাহিল।

সুমিংকাৰ অভিমান হ'ল ৰুস্তমৰ ওপৰত। তাইৰ দুখ লাগিল ৰুস্তমৰ প্ৰেমত প্ৰতাৰিত হোৱাৰ বাবে। তাই নিজকে ক'লে — ইমানদিনে ৰুস্তম আৰু তাইৰ ভালপোৱা কি মিছা আছিল নেকি? চকুৰ দৃশ্যপটত জিলিকি উঠে ক্ষন্তেকলৈ ৰুস্তমৰ হাঁহি ভৰা কোমল মুখমণ্ডল... চকুলো নিগৰি আহিল সুমিংকাৰ। সংযতভাৱে নিজকে ক'লে যৌৱনত যদি প্ৰেম ভালপোৱা থাকে, জীৱনত যদি সুখ-দুখ থাকে, প্ৰেমতো থাকিব, প্ৰেমৰ তিতা-মিঠা অনুভূতি...। মনত পৰে

সুমিংকাৰ শৈশৱৰ বন্ধু প্ৰকাশলৈ। সিয়ো ঠিক ৰুস্তমৰ দৰে সৰল মনৰ আছিল। তাইক কৈছিল, তাই যেতিয়া প্ৰাথমিক পৰ্যায়ৰ তৃতীয় শ্ৰেণী। সুমিংকা, মই তোমাক ভাল পাওঁ আৰু... প্ৰকাশৰ শিশুসুলভ স্বভাৱবোৰলৈ মনত পৰি হাঁহি উঠি গ'ল সুমিংকাৰ। প্ৰকাশ এতিয়াও আছে। তাক দেখিলেই মনত পৰে তাইৰ প্ৰকাশৰ শৈশৱৰ সঁচা হৃদয়ৰ ভালপোৱাৰ অনুভূতি।

তাৰ পিছত আহিছিল সুমিংকাৰ জীৱনলৈ এজাক উন্মাদ মলয়া... যিয়ে ভাঙি থৈ গ'ল তাইক সঁচা হৃদয়ৰ ভালপোৱাৰ অনুভূতিক। থানবান কৰি থৈ গ'ল, প্ৰেমৰ সুবাসত উজলি উঠা ৰঙীন সপোনবোৰ, সৌ-সিদিনা প্ৰেমৰ সুবাসত প্ৰাণ পাই উঠা তাইৰ মনৰ পদূলি হৈ পৰিছিল মৰিশালিৰ দৰে... অস্তাচলত মাৰ যোৱা সূৰ্যৰ দৰে নিস্তেজ। প্ৰেম সাগৰত মাতাল সুমিংকাজনী শোক সাগৰত মাতাল হৈ পৰিল... মনত সহস্ৰ শোকৰ ছিদ্ৰৰে ভৰি পৰিল তাইৰ মন। মনটো হৈ পৰিল মাত্ৰ ক্ষুদ্ৰ ক্ষুদ্ৰ শোকৰ ছিদ্ৰ। জীপাল মনৰ সেউজী পথাৰখন জ্বলি ছাই হৈ গৈছিল।

আজিও মনত পৰে সুমিংকাৰ। সেইদিনবোৰলৈ... হৃদয়ত প্ৰথম প্ৰেম প্ৰোথিত কৰা প্ৰেমিকজনলৈ...। ভাঙি পৰিছিল তাই। শোকত বিহ্বল হৈ, নিশা উজাগৰে কটাই চকুপানী টুকিছিল মাত্ৰ। প্ৰেমৰ অনুভূতিবোৰক ইচ্ছা কৰি আচাৰ মাৰি জানো পেলাব পাৰি?? সেই মায়াসনা দিনবোৰ সুঁৱৰি তাই আজিও কঁপি উঠে।

বহুদিন পাৰ হৈ গ'ল। বহু ঘটনা ঘটি গ'ল নজনাকৈয়ে। মনটো চিৰকাললৈ যেন মৰুভূমি হৈ পৰিল। কিন্তু!! সুমিংকাৰ এই মন মৰুভূমি বাৰু কিমান দিনলৈ থাকিল আকৌ জীপাল কৰিলে প্ৰেমৰ নদীয়ে। নাজানে সুমিংকাই, জীৱনলৈ প্ৰেম কিয় আহে বাৰে বাৰে। তাই বাউলি হোৱা নাছিল, প্ৰেম বিচাৰি। প্ৰেম নাথাকিলে, জীৱনত কাৰোবাৰ প্ৰেম নাপালে তাইৰ জীৱন স্তব্ধ হৈ যাব নেকি? নাজানে তাই, নুবুজে একোকে। তাই কিন্তু এটা কথা জানে — জীৱনত সঁচা প্ৰেম এবাৰেই আহে। পুনৰ নিৰ্গত হ'ল অন্তৰৰ অতল তলিৰ পৰা সৰল প্ৰেমৰ অনুভূতি। যদিও সুমিংকাৰ জীৱনলৈ পুনৰবাৰ প্ৰেম আহিছে, তাক তাই সহজভাৱে ল'ব পৰা নাই। নিশান্তক তাইৰ বিশ্বাস হোৱা নাই। কিয় জানো নেদেখা ভয় এটাই পিছ হোঁহকাই নিছে সুমিংকাক। তাই প্ৰেমৰ গৰাকীক আশ্বাস দিয়া ভাল হ'বনে? নানা চিন্তাই তোলপাৰ লগাইছে মনত।

সঁচাকৈ। কি আচৰিত ! সুমিংকাৰ ধাৰণা সত্য হ'ল। দেখাত শান্ত, সৰল যেন নিশান্ত এজন শিল মনৰ। দুদিনমানলৈ প্ৰেমৰ লীলা খেলি গুচি গ'ল নিশান্ত। হৃদয় মহানগৰীত পদাৰ্পণ কৰি, প্ৰেমৰ ফল্গুধাৰা বোৱাই তেওঁ গ'লগৈ। কি বিচাৰি আহিছিল তাইৰ জীৱনলৈ...? আজিও বুজিব নোৱাৰিলে সুমিংকাই। মনৰ বেদনাবোৰ উজাৰি তাই উচুপি উচুপি কান্দে। বেদনাবোৰক উজাৰি দিবলৈ আশ্ৰয় লৈছিল সাহিত্যৰ। চিয়াঁহীৰ টোপালোৰে তাই বেথাবোৰ প্ৰকাশ কৰিবলৈ বৃথা চেষ্টা কৰিছিল। নিশান্তই চূৰ্ণ কৰি যোৱা হৃদয়ৰ ভাষাক প্ৰকাশ কৰিছিল কবিতাৰ সৰল ভাষাৰে।

ছাত্ৰ নেতা তেওঁ।
আহিছিল হৃদয়ৰ
নিভৃততমলৈ...
শুই থকা প্ৰেমক
জগাবলৈ...।
হৃদয়ত চেনেহ ঢালি
উন্মাদ কৰিছিল,
বৰদৈচিলাৰ দৰে।
বিয়পাইছিল বুকুত
শুভ্ৰ সুবাস আৰু
কৰি তুলিছিল সাহসী।
বুজিছিল জানো
প্ৰণয়িনীৰ কামনাক !!!
হৃদয়ত চেনেহৰ ধল নমাই
চেনেহেৰে হৃদয়
প্ৰাণৱন্ত কৰি
তেওঁতো গ'লগৈ !!!
পুনৰ আহিব জানো
উভতি !!!

তাইৰ দুচকুৰে চকুলো নিগৰিল। সঁচাকৈ তাই বহুত কান্দিলে এই প্ৰেমত। এই দিনবোৰে তাইক জুই হৈ পোৰে, ছাই হৈ ঢাকে, পুনৰ মনত ধূলি হৈ ছাটি মাৰি যায়গৈ...। দিনে দিনে অনুভৱ হৈছিল, দিনবোৰ নাযায়-নুপুৱায়। কাতি মাহৰ দীঘলীয়া ৰাতিবোৰ উজাগৰে কটাবলৈ কাষত কোনো যে নাছিল। বৰ নিঃসঙ্গবোধ হৈছিল সুমিংকাৰ।

এই বিষণ্ণতাৰ মাজতে আকৌ আহিল সুমিংকাৰ জীৱনলৈ প্ৰেম — বন্ধুত্বৰ মাজেৰে। প্ৰথমাৱস্থাত কোনোপধ্যে মানি লোৱা নাছিল, পৱিত্ৰ বান্ধোনক প্ৰেমৰ মৰ্যাদা দিয়াটো বিচৰা নাছিল সুমিংকাই। কিন্তু কাম্পিয়ান... সুমিংকাৰ প্ৰেমত মতলীয়া। সি কয়, বন্ধুত্ব গঢ়িছিলোঁ মই তোমাক অন্তৰৰ সমস্ত আৱেগেৰে ভাল পাইছিলোঁ বাবে... এই ভালপোৱা, বন্ধুত্বৰ দৰেই পৱিত্ৰ সুমিংকা...।এনেকৈয়ে গঢ়ি উঠিছিল পুনৰ মধুৰ প্ৰেমৰ সম্পৰ্ক। কাম্পিয়ান যদিও তাইৰ প্ৰেমিক তাইৰ বৰকৈ মনত পৰে হেৰওৱা সোণালী দিনবোৰলৈ...। তাই আজি বিচাৰি নাপাই হেৰুওৱা কাহিনীবোৰ, সময়ৰ বালিঘৰ সাজি, ধূলি-বালি খেলি গুচি গ'ল সকলোবোৰ স্মৃতিৰ জীৱন্ত পথেদি।

অতীতক তাই পাহৰিবলৈ যিমান চেষ্টা কৰে, সিমানে মন কৰুণাৰে ভৰি পৰে। নৈৰ পকনীয়াৰ দৰে বাৰে বাৰে আহে মনলৈ... পাহৰিণৰ সোঁতে তাইৰ হিয়াত সাঁচি থোৱা চেনেহবোৰ জানো উটুৱাই নিব পাৰিছে? আজিও উটুৱাই নিব পৰা নাই। হিয়াতলি উদিয়াই কাৰোবাক ভালপালে সেই ভালপোৱাক

জানো পাহৰিব পাৰি ! নিশ্চয় নোৱাৰি। অতীতৰ স্মৃতিক লৈয়েইতো জীয়াই থকাৰ সম্বল আৰু এই কাস্পিয়ান, সি জানো পাৰিলে তাইৰ প্ৰেমৰ বান্ধোনক নিছিঙে। সময় সলনি হোৱাৰ লগতে সকলো সলনি হৈ গ'ল আৰু এদিন কাস্পিয়ানকো তাই বিদায় দিবলগা হ'ল।

তাৰ পিছত বছৰ পাৰ হৈ গ'ল। সুমিংকাই দুখৰ স্মৃতিবোৰক সাৱটি জীয়াই আছে, জীয়াই থাকিব তাই। তাইৰ নিঃস্ব সপোনবোৰ হেৰাই গ'ল, ৰঙা পলাশৰ দৰে। ভালপোৱাবোৰ সজীৱ হৈ আছে সুমিংকাৰ হৃদয়ত, বিশ্বাসৰ গভীৰ নিশ্বাসেৰে গঢ়ি তোলা প্ৰেমৰ এই বান্ধোন ইমান ঠুনুকা হ'ব বুলি ভবা নাছিলি তাই, কাহানিও। মনে-প্ৰাণে কামনা কৰিছিল সিহঁতৰ প্ৰেম কৃষ্ণচূড়াৰ ৰঙা ফুলৰ দৰে জ্যোতিষ্মান হওক। কিন্তু...??? আজি তাই দেখা সপোনবোৰ জানো বাস্তৱ হ'ল? তাইৰ মন সমুদ্ৰৰ পাপৰিত নীৰৱে সৰে দুখৰ চকুলোবোৰ..., সীমা হেৰুৱাই....। মনৰ পৰা বিচ্ছুৰিত তাইৰ প্ৰেমৰ মালাধাৰিত আজিও বাজি থাকে প্ৰেমৰ মধু গুঞ্জৰণ। তাইৰ হৃদয় চিত্ৰশালাত আজিও অংকিত হৈ আছে ৰুস্তম, প্ৰকাশ, নিশান্ত আৰু কাস্পিয়ানৰ ভালপোৱাবোৰ... আৱেগ-উৎসাহবোৰ। জীপাল কৰি ৰাখিছে সুমিংকাই আজিও....। জীয়াই ৰাখিব সিহঁতৰ ভালপোৱাক যাৱজ্জীৱন... পৱিত্ৰ মনেৰে আঁকোৱালি থাকিব।

সুমিংকাই বাৰুকৈয়ে আজি অনুভৱ কৰিছে, প্ৰেমেৰে জীৱন-যৌৱন উপচি পৰিলেও এদিন ই আনি দিয়ে মানুহক হাজাৰটা দুখৰ ধুমুহা, যাৰ বাবে ক্লান্তি হয় মানৱতাৰ প্ৰাণ। দুখন নাৱত দুভৰি থৈ জীৱন যৌৱন হয় আধামৰা। এফালে, মায়ামোহৰ জাললৈ চাই, আনফালে জীৱনৰ সাৰ্থকতা বিচাৰি। এবুকু সাহস আৰু এবুকু আশাৰে জীয়াই থাকিব লাগিব গোটেই জীৱনটো। কাৰণ, মায়াৰ সংসাৰত যে আমি বন্দী। বন্দী সকলোৰেই প্ৰাণ। জীৱন কি? উত্তৰত থাকি যাব মাথোঁ...। ■

# তুমি কাষত নাথাকিলে টোপ টোপ চকুলো সৰে...

**পিংকু ফুকন**
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান)

মোৰ স্বপ্নাতুৰ দুনয়নে বিচাৰি ফুৰে তোমাক অহৰ্নিশে। তুমি কাষত নহ'লেই ডাৱৰে আৱৰে সপোন। বুকুৰ মাজত থকা তোমাৰ অস্তিত্বই ধৰফৰাই উঠে। বসন্তৰ বতাহজাকত বৈ অহা নেমুফুলৰ সুগন্ধিত তোমাক কাষত পোৱাৰ তৃষা জুই হৈ জ্বলে। তুমিহীনতাত চপচপীয়া হৈ উঠা দুচকু সামৰি ক্ৰমান্বয়ে ডুব যাব খোজো তোমাৰ মাজত। তোমাৰ বুকুৰ অৰণ্যত বিচাৰিব খোজো মোৰ হেৰুৱা কলিজাটো। তোমাৰ সুখী হাঁহি, মৰমিয়াল সুখ, সবল দুবাহুৰ মাজত লীন হৈ জীয়াই থকাৰ পণ কৰিছোঁ। হৃদয়ৰ হালধীয়াবোৰ ক্ৰমাৎ সেউজীয়ালৈ ৰূপান্তৰ হৈছে। নৱ-কবিৰ উদয় হৈছে — মন আকাশত বনহাঁহজাকে মন কাঢ়ি উৰা মাৰিছে অসীমলৈ। তোমাৰ দুচকুৰ উজ্জ্বলতাত ক্ৰমশঃ হেৰাই গৈছোঁ মই এটি যাযাবৰী জ্যোতি হৈ। বিষণ্ণতাৰ আবেলিবোৰত মোৰ চুলিৰ মাজত তোমাৰ আঙুলিৰ কল্পনা কৰি আহ্লাদিত হৈ পৰোঁ মই। হেৰাই যাওঁ সপোনৰ সাত বৰণৰ মাজত। তোমাৰ ওঁঠৰ কুহুমীয়া স্বাদৰ মাজত বুৰ যোৱাৰ সপোন দেখোঁ মই। তুমি ক্ৰমাৎ এটি জীয়া সপোন হৈ মেৰিয়াই ধৰিছা মোক। মোৰ কৰ্ণকুহৰত প্ৰতিধ্বনিত হৈছে বিশ্বাসৰ অমৃতময় কলকলনি। এটি নাইটিংগেল পখী হৈ তুমি মোক সুহুৰিয়াই মাতা দুপৰ নিশা। যি নিশা মই হৈ পৰোঁ অভিসাৰী। বিষণ্ণতাবোৰ হেৰাই যায় সুখৰ চুবুৰীত। ভৱিষ্যতৰ সপোনে ৰাঙলী কৰি তোলে মোক। জীৱনৰ অনাবিল আনন্দ স্পৰ্শ কৰাৰ পিছত তুমি যদি আকৌ দিয়া এমুঠি যন্ত্ৰণা? তুমি কাষত নাথাকিলে মোৰ দুচকুৰে মুকুতাৰ মালা সৰে। লুণীয়াৰ বৰষুণে ধুৱাই নিয়ে মোৰ ৰঙীন সপোন, আনন্দ। জীৱনক বুজোঁ-নুবুজোঁতেই বুকুৰ সুৰুঙাৰে সোমাই আহিলা তুমি। এতিয়া তুমি নহ'লে মোৰ আকাশত জোন-তৰায়ে লুকাভাকু নেখেলে। মোৰ ওঁঠত নুফুলে মুখৰ হাঁহিৰ ফুল। দুচকুত অঞ্জন নিজিলিকে। দুগালত ৰ'দালিয়ে নোমলে। তুমি কাষ নাথাকিলে টোপ টোপকৈ চকুলো সৰে...। ■



# প্ৰকৃত প্ৰেমৰ বিষাদবোধ

মমিতা ডেকা
স্নাতক দ্বিতীয় ষান্মাসিক

(১)

জীৱনটো শূন্য বুলি ভবাজনেও কেতিয়াবা হঠাতে বিচাৰি পায় সপোনৰ ৰঙীন পৃথিৱী। একো নাই বুলি ভবা মানুহজনেও হঠাৎ দুবাহু মেলি আওৱাব খোজে প্ৰেমিক চৰাইৰ গীত। নজনাকৈয়ে হঠাৎ ক'ৰপৰা জানো দৌৰি আহে ভালপোৱাৰ এজাক মনোমোহা বতাহ। নাভাবো বুলি ভাবিলেও মমিতাই ভাবি থাকে সেই চকুহালৰ কথা। আহ! কি উজ্জ্বল আছিল সেই চকুহাল। শুকুলা মেঘৰ দৰে সেই নিৰ্মল চকুহালে তাইলৈ যেতিয়া একেথৰে চাই থাকে তেতিয়া ভালপোৱাৰ অবুজ বুৰবুৰণিয়ে বুকুত দোলা দি কৈ যায় বহু কথা। মমিতাই চকু দুটা মুদি তেওঁৰ মুখখন মনত পেলালে। এনেকৈয়ে চাগে মানুহ প্ৰেমত পৰে, ক'ব নোৱাৰাকৈয়ে, সংগোপনে। প্ৰেমৰ সেই মোহনাত সাঁতুৰি মমিতাৰ ক'বৰ মন যায় 'ভালপাওঁ আপোনাক বহুত ভালপাওঁ।' কিন্তু...

(২)

আয়তীৰ উৰুলিৰ জোকাৰণিৰ মাজত সেওঁতাত সেন্দুৰৰ বোল সানি এটা নতুন জীৱনৰ পাতনি মেলিছিল তাই। জেতুকাৰ ৰঙেৰে বোলোৱা দুহাতত তাইৰ বান্ধৱীহঁতে লিখিছিল এটা নাম.... । প্ৰাপ্তিৰ গৌৰৱত উথলি উঠিছিল মমিতা। কিন্তু বিয়াৰ মাত্ৰ তিনিমাহতে খহি পৰিছিল তাইৰ প্ৰাপ্তিৰ সৌধ।

(৩)

কেইপদমান বস্তুৰ লোভত মানুহ যে ইমান তললৈ নামিব পাৰে সেই কথা মমিতাই কল্পনাই কৰিব পৰা নাছিল। কিন্তু, তাই কল্পনা কৰিব নোৱাৰা কথা কিছুমানেই তাইৰ জীৱনত ঘটি গৈছিল। মমিতাক স্বামীৰ ঘৰৰ মানুহে যৌতুকৰ নামত নানা কটু কথাৰে থকা-সৰকা কৰিছিল। কেৱল যে কথা শুনায়েই ক্ষান্ত হৈছিল এনে নহয়, শাৰীৰিক নিৰ্যাতন চলাবলৈও কুণ্ঠাবোধ কৰা নাছিল আৰু এদিন শাৰীৰিক অত্যাচাৰত জুৰুলা হোৱা মমিতাক হাস্পতালত ভৰ্তি কৰিবলগা হৈছিল। মৃত্যুৰ সৈতে এপযেক যুঁজ কৰি তাই মৃত্যুৰ দুৱাৰডলিৰ পৰা ঘূৰি আহিবলৈ সক্ষম হৈছিল। তাৰ পিছত যৌতুকৰ বাবে নিৰ্যাতিতা ছোৱালীজনীক মাক-দেউতাকে ঘৰলৈ লৈ আহিছিল। এসময়ৰ ৰাংঢালী ছোৱালীজনী নিৰ্বাক হৈ গৈছিল। দিনৰ দিনটো কেৱল নিজৰ কোঠালিটোৰ ভিতৰতে জলকা মাৰি বহি থাকিছিল। অস্বাভাৱিক হৈ পৰা ছোৱালীজনীক প্ৰয়োজন হৈছিল মানসিক চিকিৎসাৰ। সেয়ে ঘৰৰ মানুহে মমিতাক লৈ গৈছিল এগৰাকী বিশিষ্ট মানসিক চিকিৎসকৰ চেম্বাৰলৈ। চিকিৎসাৰ ফলত তাই লাহে লাহে সুস্থ হৈ উঠিছিল। স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ পিছত তাই সেই বিখ্যাত চিকিৎসকজনৰ চকুহালত দেখা পাইছিল কোনোদিনে অনুভৱ নকৰা এক অনুভৱ। আনকি নিতান্ত চিকিৎসাৰ খাতিৰত চিকিৎসকজনে যেতিয়া তাইক স্পৰ্শ কৰিছিল তেতিয়া এক অবুজ শিহৰণে তাইক শিহৰিত কৰি তুলিছিল। তেওঁৰ স্পৰ্শত তাই অনুভৱ কৰিছিল প্ৰেম, কেৱল এক অবুজ প্ৰেমৰ শিহৰণ !

(৪)

এদিন তাইৰ চিকিৎসাৰ অন্ত পৰিছিল। কিন্তু, তাইৰ মনটো থাকি আহিছিল তেওঁৰ কাষত। হয়, তাই ক'ব নোৱাৰাকৈয়ে চিকিৎসকজনৰ প্ৰেমত পৰিছিল। হয়তো সেই চিকিৎসকজনো প্ৰেমত পৰিছিল। তথাপি কোনো এজনেও মনৰ ভাববোৰ প্ৰকাশ নকৰিলে। কাৰণ চিকিৎসকজন আছিল বহুত ধনৱন্ত লোক। সোঁতৰ বিপৰীতে যোৱাৰ সাহস কাৰো নাছিল। সেয়ে কথাবোৰ কোৱা নহ'ল। তথাপি অনুভৱবোৰে দুয়োৰে হিয়া-মন চুই গ'ল।

মমিতাই উপলব্ধি কৰিলে ভালপোৱা মানেই কাষত পোৱা নহয়। যিজনৰ কথা ভাবিলে বহু দুখৰ মাজতো মনটো বুজাব নোৱাৰা এক সুখেৰে ভৰি পৰে, সেয়াইতো ভালপোৱা, প্ৰকৃত ভালপোৱা। সেয়ে তাই কেৱল ভালপোৱাৰ অনুভৱবোৰ লৈ জীয়াই থাকিব বিচাৰে। এসময়ত জীৱনটো শূন্য বুলি ভবা মমিতাই এতিয়া চিকিৎসকজনৰ প্ৰেমৰ অনুভূতিৰে জীপাল হৈ থাকিব খোজে। চিৰদিন তাই এই অনুভৱেৰে সিক্ত হৈ থাকিব খোজে। ■



# ভালপোৱাৰ এখন শব্দচোতাল

**বিশ্বজিৎ গগৈ**
স্নাতক প্ৰথম ষান্মাসিক (বিজ্ঞান)

(১)

তুমি নাজানা হয়তো
মই যে ভালপোৱাৰ এখন শব্দচোতালত
ঢাৰি পাৰি বহোঁ
প্ৰেমজোনাকৰ তৰা গণি...

না... না... বেছি ৰোমাণ্টিক হৈছে সি তাৰ প্ৰেমৰ নৌকাত উঠিলেই বুলিয়ে যে এনে কবিতা লিখিব... ই হ'ব নোৱাৰে। তাৰ প্ৰেম কৰিব পৰা সামৰ্থ্যই বা ক'ত! যোৱা মাহৰ হোষ্টেলৰ মাহেকীয়া ফিজ দিয়াই নাইচোন, কথাবোৰ ভাবি সি কলেজৰ পৰা ৰূমলৈ বাট ল'লে। কষ্ট, সহ্য, ধৈৰ্য, দুখ... আস্!! এই ব্যতিক্ৰমী শব্দকেইটাততো তেনে নতুনত্বৰ প্ৰত্যক্ষ হোৱা নাই। অৱশ্যে হয় সি এতিয়া তাইৰ বাবেই জীয়াবলৈ শিকিছে... জীৱনত যুঁজি অহাৰ হুমুনিয়াহ এতিয়াও এৰি দিয়া নাই। ভালপোৱাৰ কষ্টইহে তাক সুখ দিছে কিন্তু তাৰ যি অৰ্থনৈতিক পৰিস্থিতি... সেয়াতো লাঘৱ হোৱা নাই নে তাৰ এই মৰ্মস্পৰ্শী ভালপোৱাই তাৰ সকলো দুখ পাহৰাই পেলাইছে। সি শুনিছিল এদিন ভালপোৱা এই বিশ্বৰ শ্ৰেষ্ঠ শব্দ... গতিকে তাৰ অভাৱবোৰ যেন নোহোৱা হৈ পৰিছে। তথাপিতো সি এতিয়া সংগ্ৰাম কৰিছে জীৱনটোক লৈ।

সময়ৰ যি নিন্দনীয়, কদৰ্য ৰূপ তাত সংগ্ৰাম কৰিবলৈ এতিয়া টকা-পইচা নহ'লে কুকুৰৰ দৰে চুৰা চেলেকিবলৈকো নাপাব। জীৱনটোত নহ'বলগীয়াবোৰ হ'ব ধৰিছে। সিদিনা সি ঘৰলৈ বুলি সম্বন্ধীয় খুৱাক এজনলৈ ফোন কৰিছিল মাকে কৈছিল— "ৰূমৰ ফিজ দিব নোৱাৰিলে কেনেবাকে কিবা কৰি থাক আৰু দেউতাৰৰ অসুখটো বেছি হৈছে, কিবা অপাৰেচন কৰিব লাগিব বুলিছে। ঘৰৰ চালিখনৰ দুচলা টিনপাত বতাহে নিলে... কেৰাচিন তেল নাই দিনতে ভাত-পানী খাই-বৈ শুই থাকো... মোৰ সোণৰ গহনা কেইপদমান আছে তাকে বেছি দেউতাৰক দেখাব লাগিব... তোকো পইচা দিব লাগিব।" এইবিলাক শুনি সি এতিয়া জঠৰ পুতলাৰ দৰে হৈ পৰিছে। চোলা-পেণ্টৰ অৱস্থাটো নায়েই, চুলিকোছাৰ সেকেটো গোন্ধ এটাই আমনি কৰিছে তাক। আস্! সি যেন এতিয়া জীৱনৰ বৈপ্লৱিক সংগ্ৰামী। বায়েক এজনী আছে স্নাতকৰ মহলাত পঢ়িছে। বায়েকক আৰু পঢ়াবলৈ মাক-দেউতাকৰ চাগে আৰু আশা থাকিলেও পূৰণ নহ'ব একমাত্ৰ অৰ্থনৈতিক দুৰ্বলতাৰ বাবে। ৰূমলৈ আহি সি ৰূমটোৰ আগফালৰ খিৰিকীখন খুলিলে ৰ'দৰ কাঁচিয়লি পোহৰছাটিয়ে অলপ পোহৰাই তুলিলে তাৰ বিশৃংখল কোঠাটো। সোঁফালৰ চুকটোত ৰং, ব্ৰাছ আৰু কেন্‌ভাছত চিত্ৰিত এখন বিচিত্ৰ মুখমণ্ডল। পঢ়া টেবুলখনৰ কিতাপবোৰ পৰিপাটীকৈ এখনৰ ওপৰত এখন। টেবুল লাইটটো জ্বলিয়েই আছে। সি এতিয়া কলেজৰ পৰা আহিছে নে বেলেগ ক'ৰবাৰ পৰা নিজেই পাহৰিছে। সি মনত পেলাইছে... অ' যোৱাৰাতি কবিতা লিখিছিল অলপ দেৰি হৈছিল গতিকে ৰাতিপুৱা শুই উঠিয়েই কলেজলৈ গৈছিল আৰু লাইটটো বন্ধ নকৰাকৈয়ে গুছি গৈছিল। "ঐ... এই গতিৰে কেনেদৰে সপোন ৰচিবি হা আগতে নিজক চম্ভালচোন" নিজকে অলপ সকাহ দি সি তাৰ দুটা কোঠা থকা ভাড়া ৰূমটোৰ সৰু ৰূমটোলৈ গ'ল দেখে বেতালৰ পাকঘৰৰ অৱস্থাই নাই... কেৰাহীত কণী ভজা আছে অলপ তাকো ঠাণ্ডা হ'ল। ভাতকেইটা বাঢ়ি লৈ সি তাৰ ম'বাইলটো জেপৰ পৰা উলিয়ালে। ম'বাইলৰ বিভিন্ন অপশ্যনবোৰেৰে খেলা কৰি সি ম'বাইলটো থৈ দিলে আৰু ভাতকেইটা খাই অলপ জিৰালে। সিদিনাৰ সেইকণ সময়, য'ত নেকি তাক... প্ৰণয়ৰ এটি নাম সোণতৰাই কৈছিল ভাল পাওঁ বুলি। সিদিনা মানে কলেজৰ প্ৰথম মাহৰ ২৫ আগষ্ট তাৰিখে। বকুলজোপাৰ তলত বৈ কথা পাতিছিল সি তাইৰ স'তে। সিহঁতৰ সেই

প্ৰণয় যেন এখন ভালপোৱাৰ শব্দচোতালত হৈছিল। তাকে ভাবি ভাবি সি টোপনি গুছি গ'ল।

'জানু তোমাৰ ফোন বাজিছে... জানু ইম্পৰ্টেণ্ট কল।' তাৰ ম'বাইলৰ ৰিং টনটো শুনি সি সাৰ পাই গ'ল। ম'বাইলৰ স্ক্ৰীণত প্ৰত্যক্ষ কৰি দেখে — সোণতৰা। সি খপ্জপাই ৰিচিভ কৰিলে —

ঃ হেল্ল' সোণ, কোৱা...?

ঃ ....কান্দোনৰ শব্দ ভাহি আহিল... সোণতৰাৰ..

ঃ হেল্ল'... হেল্ল' সোণ, কি হ'ল তোমাৰ কান্দিছা যে?

ঃ উস্... মোৰ জ্বৰ হৈছে জান।

ঃ হয় নেকি... ঠাণ্ডা সোমাল চাগে... দৰৰ খাবা সকলো ভাল হ'ব দেই সোণ...

লাইন কাট খাই গ'ল। সি ফোনটো থৈ ভাতকেইটা বনাই-মেলি ভাবিব ধৰিলে বেচেৰী সোণতৰা... তাইনো মিছাতে কিয় জানমনৰ প্ৰেমত পৰিলে। তাৰতো আজিৰ যুগত কোনো ষ্টেটাছ নাই। সি জানো পাৰিব তাইক সুখী কৰিব। নাই... পাৰিব সি নোৱাৰা কাম একো নাই। সি পাৰিবই লাগিব একমাত্ৰ তাৰ দুখুনী মাকৰ আঁচলখনৰ সেই চকুলোৰ ছায়া... তাক নিজতকৈ বেছি ভালপোৱা সোণতৰাৰ বাবে সি সমাজত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিবই লাগিব। অন্ততঃ তাৰ লাজ নালাগিব যে সি দুখীয়া হৈ মৃত্যুবৰণ কৰিছে বুলি। এদিন তাক মহাবিদ্যালয়ৰ অসমীয়াৰ প্ৰফেছাৰ মৃণালছাৰে কৈছিল বিজ্ঞান শাখাৰ ছাত্ৰই ইমান ধুনীয়া কবিতা লিখিছে এদিন ভাল সাহিত্যিক হ'ব বুলি। তাক সোণতৰাই সুধিছিল ঘৰৰ কথা, তাৰ কথা সি কৈছিল। নাম জানমন, দেউতাক চৰকাৰী কৰ্মচাৰী আছিল কিন্তু আনৰ চকু পৰাত চাকৰি হেৰুৱালে। এতিয়া দুই-এটা কাম কৰি খায়। কিন্তু তাৰ সেইকণ ভাগ্যও নাই দেউতাক এতিয়া শয্যাশায়ী।

(২)

"হয়... বাইদেউ... আমাৰ কলেজৰ এইবাৰ সোণালী জয়ন্তীত ভাল কিতাপ এখন উলিয়াব লাগিব। পাৰিলে আপুনি কথাটো অধ্যক্ষ মহোদয়ক ক'বচোন।" জোনাকৰ কথাত মিচেছ শইকীয়াই হয়ভৰ দিলে আৰু ক'লে — "জোনাক এনে এজন ছাত্ৰ বিচাৰা যি প্ৰতিমাহে ভাল কবিতা লিখিব পাৰে... প্ৰান্তিকত এটা নতুন শিতান হৈছে তাত দিবলৈ মই সুযোগ পাইছোঁ।" জোনাকে হয় সূচক ধ্বনিৰে মূৰ দুপিয়াই — "মই ভাবিছোঁ কিয়নো আমাৰ কলেজৰ ছাত্ৰই সেই সুবিধা লওক... প্ৰতিমাহে তিনি হাজাৰ টকাৰ ভাল মাননিও আছে...। বাইদেউ আমাৰ কবি জানমন আছে নহয়...।"

মিচেছ শইকীয়াই হ'ব তাক কোৱাগৈ বুলি ক'লে।

জানমন কেনটিনত সোণতৰাৰ সৈতে কিবা আলাপত ব্যস্ত। জোনাক উধাতু খাই দৌৰ মাৰি গৈ ক'লে... ঐ তোৰ ভাগ্য উদয় হ'ল। কবিতা লিখি কলেজৰ বেৰত মাৰি ফুৰিব নালাগে। প্ৰতিমাহে তিনি হাজাৰ টকা পাবি... ভাল কবিতা লিখি শইকীয়া বাইদেউক দিব লাগে। অন্ততঃ তোৰ ৰুমৰ ভাড়াটো দিব পাৰিবি অ'...। জোনাকৰ শেষণ শব্দকেইটাত এটা পৰিতৃপ্তিৰ হুমুনিয়াহ ওলাই আহিল।

জানমনে তাক সাৱটি ধৰি হুকহুকাই কান্দি পেলালে... "জোনাক... তই বহুত ভাল অ' বন্ধু... মোক বুজি পাৱ...।" এইবোৰৰ মাজতে সোণতৰাই মাত লগালে — "জান... তুমিতো ভাল ড্ৰয়িং কৰা... এখন প্ৰদৰ্শনী দিব পাৰাচোন কেন্ভাছবোৰে তাৰ পৰাও দুই-এটকা পাবা। সি চলচলীয়া চকুৰে তাইৰ ফালে চাই মূৰ দুপিয়ালে।

দুখ, কষ্টত জৰ্জৰিত তাৰ মনটোৱে এইবোৰ ভবাই নাছিল। এতিয়া সি পঢ়াৰ লগতে এইবোৰো কৰিব। নিজৰ ভৰিত থিয় হ'বলৈ মাকৰ সপোন পূৰণ কৰিবলৈ বাধা কাটি কৰি আগুৱাবই লাগিব। এতিয়া সি দৃঢ়প্ৰতিজ্ঞ। সোণতৰাই কৈছিল তাক ভাল, সুদক্ষ, সমাজত প্ৰতিষ্ঠিত এজন ভাল বন বিষয়া হোৱা... তেতিয়াহে এই পৃথিৱী সেউজীয়া হ'ব আৰু সেই সেউজীয়াই তোমাৰ আৰু মোৰ লগতে মা-দেউতাৰো আশা পূৰণ কৰিব। সি এতিয়া যেন সক্ষম চৰাই হৈ সোণৰ সঁজাটোলৈ গৈছে। কাষৰ বকুলজোপাই তাক সঁহাৰি জনাই হালিছে।

ৰুমত গৈ সি নীলা ব্ৰাছডাল তুলি ল'লে আকৌ ভালকে থৈ সি ভাতকেইটা খাই-বৈ মেজৰ ছাব্জেক্টৰ পাৰ্ট এটা উলিয়াই পঢ়িলে। গধূলি হ'ও, অলপ ৰুমটো চাফা কৰি... গানৰ কলি এটা গুণগুণাই আকৌ ব্ৰাছডাল তুলি ল'লে। মাজত নীলা চৰাই এজনী আকাশৰ বুকুলৈ উৰা মৰা এখন চিত্ৰ আধা হৈ পৰি ৰোৱাটো পুনৰ আৰম্ভ কৰিলে। চিত্ৰখনত তলত এখন বিচিত্ৰ বিশৃংখল মুখা আঁকিলে যেন কোনোবাই সেই চৰাইটোক বেঁকামুৰীয়া হাঁহিৰে উৰিবলৈ শিকাইছে। সি কেন্ভাছখন সম্পূৰ্ণ কৰিলে আৰু এটা স্বস্তিৰ নিশ্বাস এৰিলে। ৰাতি তাৰ নোখোৱাকৈয়ে টোপনি গ'ল।

পুৱা শুই উঠি ঘৰলৈ বুলি সম্বন্ধীয় খুৰাকজনলৈ ফোন কৰিলে — হেল্ল'। ইপিনে দেখোন মাকেই ফোন উঠালে।

ঃ মা, তুমি যে কালি খুৰাৰ ঘৰত থাকিলা নেকি?

ঃ অ' ঘৰত চাউল নাই বোপাই এইকেইদিন ইয়াতেই আছো।

আকাশখনত যেন মেঘবোৰ বিচৰিত হৈ গ'ল। এক নজনা নুশুনা আতংকই চিঞৰি উঠিল সি ফোনটো কাটি থলে। সেই দুখুনী মাকৰ থোকাথুকি কণ্ঠই পুনৰবাৰ তাক ভৱিষ্যতৰ

অন্ধকাৰত ঠেলা মাৰি দিলে। সি বিছ্নাত বহি পৰিল। দুচকুত এতিয়া মাথোঁ পৰাভৱৰ কোলাহল। চৌদিশে তাৰ মগজুৰ ভূমিস্খলন। সি অলপ সময় জঠৰ হৈ পৰিল। পুনৰ সি সোণতৰাই কোৱা কথাষাৰ মনত পেলালে "জান... জীৱনত কেতিয়াও হাৰ নামানিবা, এদিন সফল হ'বাই।" এৰা এনেদৰে বহি থাকিলে নহ'ব সি পানী এগিলাছ খাই পঢ়াত বহিল। কিছু সময়ত পিছত ফোনটো বাজিল — "জানু তোমাৰ ফোন বাজিছে। জানু ইম্পৰ্টেণ্ট কল..." ফোনটো ৰিচিভ কৰিলে। খবৰ আহিল শইকীয়া বাইদেউক আজিয়ে কবিতা লাগে। দুটা দিলে ভাল এটা কলেজৰ আলোচনীৰ বাবে। সি নিৰুপায়... তাৰ এনে লাগিছে যেন সি এই পৃথিৱীলৈ অহাটোৱে ভুল আছিল। আজৰি নাই। এতিয়া ভাত বনাব নে কবিতা লিখিব। সিটো এতিয়া নিৰ্বিকাৰ... কবিতাইহে এতিয়া তাৰ মূল অস্ত্ৰ। চকুত ভাহি আহিছে তাৰ দুখুনী মাক, গাঁৱৰ ঘৰখন... দেউতাকৰ চকুলোৰ মাজত সোমাই থকা আশা আনফালে জোনাক-সোণতৰাৰ প্ৰেৰণা... নিজক সান্ত্বনা দি পুৰণা ডায়েৰীখন লুটিয়ালে। এদিন লিখিছিল তাৰ ঘৰখনৰ... তাৰ দুখৰ আৰ্তনাদবোৰ যিবোৰ তাৰ চেপা কণ্ঠৰে গান হৈ নুলাই কলমেৰে কবিতাৰ ৰূপ লৈছিল। এতিয়া সেই কলমৰ আৰ্তনাদ তাৰ জীৱনৰ অস্ত্ৰ। সি এতিয়া কোন মুখেৰে মাকক ক'ব যে ৰূমত চাউল অলপো নাই..। ৰূমৰ মালিকজন তাৰ কলেজৰে প্ৰফেছাৰ বুলিহে এইমাহৰ চাউলৰ যোগাৰ কৰি দিলে। সি এটা হুমুনিয়াহ কাঢ়ি কলম হাতত তুলি আগৰ সেই 'আৰ্তনাদ' নামৰ কবিতাটো পুনৰ নতুনকৈ বগা কাগজত লিখিলে — আজি পূবৰ কাঁচিয়লি ৰ'দছাটি ছাই হৈছে/এমুঠি বিধ্বস্ত সপোনৰ মাজেৰে যেন/এপাহ পদুম ফুলিছে / কিন্তু / সেই পদুম ছাই হৈ জ্বলিছে / এতিয়া আন্ধাৰ / ছন্দবিহীনভাৱে এজন কবিয়ে ভগা আখৰবোৰৰ জোঁট লগাইছে / আৰু কৈছে / এখন জীয়াই থকাৰ পৃথিৱী দিয়া।

কবিতাটো শইকীয়া বাইদেৱে পঢ়ি চাই ক'লে — "জানমন... তুমি ক্লান্ত নহ'বা, সেই পদুম ফুলিব।"

(৩)

সময়বোৰ গ'ল... গ'ল মানে দিন বাগৰি মাহ হ'ল, মাহ বাগৰি বছৰ হ'ল। এতিয়া বকুলেও নতুন পাতৰ সাঁজ পিন্ধিলে। সময় হ'ল অৱশেষত শান্তিৰ চৰাইটো আকাশলৈ নীলাবোৰেৰে উৰা মৰা। বি এছচি শেষ। জানে শ্ৰেষ্ঠ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। আনফালে তাৰ সাহিত্যই সকলোকে চমক খুৱাই শ্ৰেষ্ঠতাৰ ৰূপ ল'লে। ইউ পি এছ চি দিবলৈগ'ল তাৰ কেন্‌ভাছৰ প্ৰদৰ্শনীৰ টকাৰে। পৰীক্ষা দিবলৈ সোণতৰাৰ লগতে গ'ল তাক সঁহাৰি জনাই। পৰীক্ষা দি ওলাই দুয়োটা ৰিফ্ৰেছৰ কাৰণে হোটেলৰ ৰূম এটা ল'লে। ৰূমত গা ধুই থাকোতেই তাৰ ফোন বাজিল। আজি অতদিনে পৰীক্ষাৰ হেঁচাত সি ঘৰলৈ যোৱা নাছিল। এতিয়া এটা ফোনৰ বাবে দৌৰ মাৰিল ঘৰলৈ। দেউতাক আৰু নাই। সি যেন এতিয়া বিফল। তাৰ একো গত নালাগোতেই দেউতাকে সংসাৰ ত্যাগিলে। এতিয়া মাকজনীক লৈ কি কৰিব... নিৰুপায়। জীৱনত জানো সি কেতিয়াবা এখন চাইকেল চলাই পালে নে দুবেলা দুমুঠি খাই সি ৰাতিটো শুব পাইছিল। এতিয়া অপেক্ষা ৰিজাল্টৰ। সি ভয় খাইছে ৰিজাল্টটোক লৈ কাৰণ যদি পাছ নহয় তেন্তে সোণতৰা আনৰ হ'। মাকেও আঘাত পাব। বহুদিনৰ আশা পুতেকে যেন ঘৰখন ধৰে... সকাহ দিয়ে। এদিন মাকে তাক ঘৰলৈ আহোঁতে কৈছিল, "বোপাই, তই ভাল মানুহ হ'বি... নিজে খাবি... আমিতো যামেই...।" সেই বিগলিত মাতষাৰ এতিয়া যেন সময়ত শৰ মাৰিছে। দেউতাকৰ সকাম পাতি সি আজি চহৰলৈ গৈছে কাইলৈ ৰিজাল্ট দিব। তাৰ এটা অগ্নি পৰীক্ষা। এইটো সমাজে যদি হাঁহিব তাক লৈ তেন্তে সেয়া তাৰ গৌৰৱ। ৰূমটো খুলি ভিতৰলৈ গৈ দেখে সিদিনা খৰধৰকৈ সোণতৰাই দিয়া এখন চিঠি। সি চিঠিখন পঢ়িব ল'লে... মৰমৰ জান...

মই নিবিচাৰো তুমি মোক হেৰুৱাটো। জীৱনৰ প্ৰতিটো খোজত, এই কলেজীয়া জীৱনত তোমাৰ সৈতে থাকিলো আৰু থাকিম। মই জানো তুমি সফল হ'বা... কষ্ট কৰিছা... মোকো নিৰাশ নকৰিবা... তুমি এজন উচ্চ পদৱীৰ বিষয়া হ'লে তোমাৰেই ভাল মইতো তোমাৰ সৈতে যিকোনো পৰিস্থিতিত থাকিবলৈ সাজু হৈ আছোঁ। মই এতিয়া বুজিছোঁ তুমি সঁচাই বৰ পৱিত্ৰ।

ইতি

তোমাৰ সোণ

তাৰ আনন্দই এতিয়া তোলপাৰ লগাই দিলে তাৰ দেহত। সীমাহীন আনন্দত সি সোণতৰালৈ বহুদিনৰ মূৰত এটা মেছেজ লিখিলে... "মোৰ মিনতি তৰা হয় যদি তোমাৰ আকাশ চুব, মোৰ এই গান যদি সুৰ হয় তোমাৰ মনত ৰ'ব।" তাক এতিয়া যেন প্ৰয়োজন এখন নতুন পোহৰৰ নতুন চহৰ। ভাতকেইটা খাই বিছ্নাত এটি মিঠা হাঁহি মাৰি শুই থাকিল। পুৱা উঠি এটা নতুন পোহৰ দেখিলে। বহুদিনৰ মূৰত ৰ'দছাটিও ওলাইছে তাক অভিনন্দন জনাইছে। খন্তেক পাছত খবৰ আহিল... "হেল্ল' জান... মই বাইদেউ... তুমি ৰাজ্যৰ ভিতৰতেই প্ৰথম স্থান পাইছা আৰু দেশৰ দ্বিতীয় স্থানত তুমি পৰীক্ষাত উত্তীৰ্ণ হ'লা।" সি আনন্দত থেংক ইউ বুলি কৈ বহি পৰিল। তাৰ দুচকুৰে দুটোপাল চকুলো বৈ আহিল। এনেদৰেই যদি সঁচাকৈ তাৰ সুখ আহিবলগীয়া আছিল ইমানবোৰ কষ্ট কিয় পাইছিল।

সি হাঁহি মাৰি মাকলৈ ফোন কৰি খবৰটো জনালে। গাটো ধুই কলেজলৈ গ'ল এটা উৎসৱমুখৰ পৰিৱেশ... তাক সকলোৱে অভিনন্দন জনালে। সিও আনন্দত মতলীয়া হৈ পৰিলে। সময় হোৱাত কলেজৰ জিৰণিকোঠাত বহি সি ভাবিছে আজি যদি সোণতৰা, জোনাক, শইকীয়া বাইদেৱে সঁহাৰি নিদিলেহেঁতেন সি এই পথত এজন পথভ্ৰষ্ট পথিক হৈ থাকিলহেঁতেন। সঁচাই মানুহক ভাল পালে মানুহে সহায় কৰে... আপোনজনে আপোনজনক সৎ পথেৰে চালিত কৰে। সি এতিয়া এজন ভাল পদৱীস্থ ব্যক্তি হৈ দুখুনী মাকক সকাহ দিব, এখন ঘৰ বনাব। তাহানিতে চাইকেল চলাব নাপালেও সি এতিয়া এখন গাড়ী কিনিব। সিটো এতিয়া সোণতৰাৰো মন জয় কৰিলে। এইবোৰ ভাবি থাকোঁতেই পিছফালৰ পৰা কোনোবাই তাক সাৱটি ধৰা যেন পাই উচপ খাই উঠিল। ঘূৰি চাই দেখে সোণতৰা... সি তাইক ভেবা লাগি চাই থাকোঁতেই তাক তপ্ত ওঁঠেৰে এটি চুম্বন কৰি কাষতে বহি পৰিল। সি মাতবোল নকৰি তাইৰ কান্ধত মূৰটো থৈ উচুপি উঠিল আৰু ক'লে, "সোণ... এতিয়াৰ পৰা মোৰ জীৱনটো তুমি আগুৱাই নিবা মই ভাগৰি পৰিছোঁ।" এই জান... কিনো তুমি... এতিয়া তোমাৰ জীৱন নতুনকৈ পোহৰাই তোলা মই প্ৰতিটো খোজতেই তোমাৰ লগত খোজ দিম... চোৰাচোন মই এটা কবিতা লিখিছোঁ...

**ভালপোৱাৰ এখন শব্দচোতাল**

*তুমি নাজানা হয়তো*
*মই ভালপোৱাৰ এখন শব্দচোতালত*
*ঢাৰি পাৰি বহো*
*প্ৰেম জেনাকাৰ তৰা গণি...*
*এতিয়া বকুলৰ তলত*
*বকুল বুটলো বহু আশাৰ*
*তুমি যে গোৱা 'মোৰ মিনতি তৰা হয় যদি'*
*এতিয়া মোৰো ভাল লাগে*
*তোমাৰ কবিতাত মই শান্তি পাওঁ*
*তোমাৰ পৰশত মই সাৰ পাওঁ জান।* ■



# ঘাত-প্ৰতিঘাতৰ মাজত জিলিকি থকা সম্বন্ধৰ সাঁকোৰ বুকুত ক্ৰমান্বয়ে দৃষ্টিভূত হৈছে বেদনাৰ



সৌৰভ শইকীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিচজ্ঞান)

সন্ধিয়াৰ আন্ধাৰে আকাশ আৱৰি ধৰিছে। খিৰিকীখন খুলি বাহিৰলৈ চাই পঠিয়ালে প্ৰিয়াংকুৱে। খোলা খিৰিকীয়েদি এজাক চেঁচা বতাহ সোমাই আহিল। বাহিৰত এজাক চিপচিপীয়া বৰষুণ। সেই বৃষ্টিত যেন মাকৰ গধুৰ স্মৃতি লৈ যেন তাৰ কলিজাটো ওপঙি ফুৰিছে। ভিজা মাটিৰ এক মিঠা সুবাসে তাকমাকৰ স্মৃতিত বিলীন কৰি দিছে। সেই বিলীনতাত সি আৰু তাৰ মাকৰ সমাধিয়ে একেলগে তিতিছে সেই নিয়মীয়া বৰষুণজাকত। হঠাৎ বাহিৰৰ পৰা এটোপ বৰষুণৰ টোপাল তাৰ চকুত পৰিছে আৰু কল্পনাৰ জগতৰ পৰা ওলাই আহি উচপ খাই চিঞৰিছে — মা....

বহুদিনৰ মূৰত প্ৰিয়ানুজ আজি শহুৰেকৰ ঘৰলৈ আহিছে। তেওঁ ঘৰৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগেই যেন কিবা এটা হাই-উৰুমি-কান্দোনৰ সুৰেৰে আবিৰ্ভাৱ, লগে লগে তেজবৰণীয়া জলজলীয়া এহালি চকুৰে সৈতে প্ৰিয়ানুজৰ শহুৰ সম্পৰ্কীয় ককায়েকে তাক ভিতৰৰ পৰা গতিয়াই বাহিৰ কৰি দিছে। আপ্ৰাণ চেষ্টা কৰিও সি পুনৰবাৰৰ বাবে ঘৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সক্ষম হোৱা নাই। স্বতস্ফূৰ্তভাৱে সি কিবা ব্যক্ত কৰিছে — "মোৰ ভুল হৈ গ'ল। জীৱনৰ চাকনৈয়াৰ গ্ৰাসত পৰি প্ৰাণটো হেৰুৱালো, কেৱল মই এতিয়া জীৱন্ত মৰাশ।"

প্ৰিয়ানুজ হৈছে মাক-দেউতাকহীন প্ৰায় ২৬ বছৰমান বয়সৰ তেজাল আৰু সক্ৰিয় ডেকা। সি সৰু গাঁও নামৰ ঠাইডোখৰত এটি পকীঘৰ আৰু এখনি বছৰজোৰা সোণোৱালী জীৱনগুটিৰ পথাৰৰ সৈতে বহু সুখৰ মাজেৰে অভাৱহীনভাৱে জীৱনৰ নাওখনি আগুৱাই নি আছে। কিন্তু তাৰ অভাৱ মাথো এগৰাকী ঘৰ ধৰিব পৰা মৰমিয়াল পত্নীৰ। পিছে সেয়াও সি ঠিক কৰি থৈছে। তেওঁ বৰগাঁৱৰ প্ৰিয়াসী নামৰ এগৰাকী যুৱতীক হৃদয় উজাৰি ভালপোৱাৰ আদান-প্ৰদান কৰি থৈছে। প্ৰিয়াসীৰ নিজৰ বুলিবলৈ বহু মৰমিয়াল মাক-দেউতাক আৰু এজন ভদ্ৰ ককায়েকো আছে। তেওঁলোক প্ৰায় ভদ্ৰ আৰু সহজ-সৰল মানুহ। পিছে প্ৰিয়ানুজ আৰু প্ৰিয়াসী দুয়োৰে কলেজীয়া প্ৰেমৰ যাত্ৰা অৱগহত আছে। কিন্তু গাঁও দুখনৰ মাজৰ অতীজৰে পৰা থকা জাতিগত সংঘাতৰ বাবে সিহঁতে বিয়াৰ বাবে সাহস গোটাব পৰা নাই। পিছে ছটি বছৰ প্ৰেমে গৰকা এই যুটিটিয়ে বাৰু হোমৰ গুৰিত বহিবলৈ নাপাবই নেকি? অৱশেতে তেওঁলোক দুয়োটাই গাঁৰৰ প্ৰতিঘাত সামৰি অভিভাৱকক জনাই জীৱন বান্ধোনৰ সিদ্ধান্ত ল'লে। প্ৰিয়াসীৰ অভিভাৱকেও মৰমৰ জীয়েকৰ সুখৰ বাবে এই সম্পৰ্কক বিয়াৰ ৰূপ দিবলৈ অনুমতি প্ৰদান কৰিলে। দুই গাঁৰৰ গাঁওবুঢ়াইও পুৰণি সংঘাতৰ অন্ত পেলাবৰ বাবে বিবাহৰ অনুমতি প্ৰদান কৰিলে। অৱশেষত তেওঁলোক দুয়োজনেই বিবাহ পাশত আৱদ্ধ হৈ অতি সুখেৰে আৰু আনন্দেৰে জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। বিয়াৰ কেইটিমান বছৰ অতিক্ৰম কৰাৰ পিছত সিহঁতৰ জীৱনত বৈবাহিক জীৱনৰ চিহ্ন হিচাপে প্ৰিংকুৰ আবিৰ্ভাৱ হ'ল। মাক-দেউতাকৰ নামৰ লগত সাদৃশ্য ৰাখি তাৰ নামটো প্ৰিয়াংকু ৰখা হৈছিল। সি এতিয়া স্কুললৈ যাব পৰা হ'ল আৰু সেয়েহে দেউতাকে তাক ওচৰৰে ইংৰাজী মাধ্যমৰ স্কুল এখনত নামভৰ্তি কৰি দিলে। সিহঁতৰ সম্পৰ্কৰ লগে লগেই গাঁওখনৰো সংঘাতবোৰ যেন সকলো বাসিন্দাই পাহৰি পেলাইছিল। সেয়েহে দুয়ো গাঁৰৰ বৰগাঁও অৰু সৰুগাঁৰৰ বাসিন্দাই গাঁও

দুখনৰ মাজত থকা সৰু নদীখনৰ বুকুত এখনি সুন্দৰ সমন্বয়ৰ সাঁকো গঢ়ি তুলিছিল। সকলো নিবাসীয়েই ভাতৃত্ববোধেৰে জীৱনৰ নাওখনিৰ গতি দিছিল।

তেনেদৰেই প্ৰায় ১৫ টা বছৰ অতিক্ৰম কৰাৰ পাছত তেওঁলোকৰ সুখৰ দাম্পত্য জীৱনত যেন লাহে লাহে এচপৰা ক'লা ডাৱৰে বিষাদৰ ছাঁ পেলালে। প্ৰিয়াসীৰ চকুলোৰ সীমা নোহোৱা হৈছিল, কিয়নো প্ৰিয়ানুজ লাহে লাহে নিচাসক্ত হৈ পৰিছিল। সৎ মানুহৰ অভাৱী সুৰাৰ দোকানত এদিন প্ৰিয়ানুজৰ এজন দুষ্ট বন্ধুৱে তাক যৌতুক সম্পৰ্কীয় বহুতো কু-কথা শিকালে। সি সেইদিনা ৰাতি নিচামগ্ন হৈ ঘৰলৈ উভতি আহিল আৰু যৌতুক সম্পৰ্কত বহুতো অকথ্য অসহনীয় আৰু হৃদয়বিন্ধা শব্দৰে প্ৰিয়াসীক গালি পাৰিবলৈ ধৰিলে। তেতিয়া প্ৰিয়াংকুৱে কেৱল ১০ বছৰ বয়সত ভৰি দিছিল। সেয়েহে সি তেতিয়া নিজৰ সৰু শৰীৰটো আৰু কণমানি সাহসেৰে দেউতাকৰ বিপক্ষে প্ৰতিবাদ কৰিবলৈ সক্ষম হোৱা নাছিল। দেউতাকৰ এনে স্বভাৱৰ বাবে মাকে তাক স্কুলৰ ছাত্ৰনিবাসত ৰখাৰ সিদ্ধান্ত লৈছিল যাতে সি দুখৰ গোন্ধ নাপাওক। প্ৰিয়ানুজে নিতৌ আবেলি ওলাই যায় আৰু নিশা ঘৰলৈ নিচাসক্ত হৈ উভতি আহে। সি নিতৌ নিশা একে বিষয়তেই হুলস্থুল কৰাৰ লগতে কেতিয়াবা প্ৰিয়াসীৰ ওপৰত হাত উঠাবলৈ উদ্যত হয়। প্ৰিয়াসীৰ ঘৰৰ মানুহে মাজে মাজে সিহঁতৰ খবৰ লৈ থাকে। কিন্তু তাই সিহঁতৰ সংঘাতৰ কথা, কাৰো আগত ব্যক্ত নকৰে কাৰণ তাই আনক কষ্ট দি ভাল নাপায়। তাইৰ অনুভৱ যে মানুহৰ জীৱনত বাধা, বিপাক আদিবোৰ থাকেই, তাক অতিক্ৰম কৰাৰ পাছতহে সুখময় জীৱনবোৰৰ সৈতে মুখামুখি হ'ম। তাইৰ এনে উচ্চ আৰু সৎ অনুভৱৰ দ্বাৰাই তাই সদায় আনন্দেৰে আৰু হাঁহিমুখেৰে থাকে।

হঠাৎ এটা দুৰ্ভগীয়া সন্ধিয়াত প্ৰিয়াসীয়ে তাইৰ অনুজক আন তিৰোতাৰ সংস্পৰ্শত দেখা পালে। তাইৰ মনটো তেয়িতাহে সেমেকিবলৈ আৰম্ভ কৰিলে। হঠাৎ যেন তাইৰ ফৰকাল মনটোত মেঘে গৰজিবলৈ আৰম্ভ কৰিলে। প্ৰিয়ানুজক তাই সেই কথা সোধাত সি তাইক খুউব হৃদয়বিন্দা শব্দেৰে গালি পৰাৰ লগতে বিবেকহীনভাৱে বহু নিৰ্যাতন চলালে। ইতিমধ্যে তাৰ ধৈৰ্যৰ সীমা পাৰ হৈ গৈছিল। প্ৰায় তিনিটি বছৰ ধৰি তাইৰ জীৱনত এনেকুৱা দুৰ্দশা চলি থাকিল। অৱশেষত প্ৰিয়ানুজে ক'লে যে এয়া হৈছে তেওঁ, যাৰ সৈতে সি দ্বিতীয়বাৰৰ বাবে হোমৰ গুৰিত বহিছিল। তাইৰ ওপৰত যেন সৰগখনহে ভাগি পৰিল। তাই উদাসীন মনেৰে সমন্বয়ৰ সাঁকোত বহি ভাবিবলৈ ধৰিলে — অযুত মানুহৰ ভাষাৰেৰ বিবাহ এক জীৱনৰ গাঁঠি, হৃদয়ৰ নিভৃত কোণৰ পৰা প্ৰকাশিত প্ৰেমৰ অন্য এক নাম। এই বাক্যবোৰ আজিৰ দিনত তাইৰ বাবে যেন অৰ্থহীন ব্যঞ্জনা, মূল্যহীন বিচক্ষণতা, সেয়া তাই বাৰুকৈয়ে অনুধাৱন কৰিছে। জীৱনটোক লৈ, অন্তৰাত্মাক লৈ, অনুভূতিক লৈ হেতালি খেলাটো মানুহ বিশেষৰ ইমান স্পৃহা কিয়? পবিত্ৰ মানসিকতাৰ ব্যক্তিৰ অভাৱ কিয়? বিকৃত চিন্তাধাৰাৰে পৰিপুষ্টিত আজিৰ মানৰ সভ্যতাৰ মাজতে মানুহক ভালপাব পৰা ন্যূনতম হাবিয়াসকণো নাই কিয়? যেতিয়া উমাল মুহূৰ্তবোৰে বেদনাৰ অনল শিখা হৈ কলিজা দহন কৰে তেতিয়াই জীয়াই থকাৰ হেঁপাহবোৰ ক্ৰমে হেৰাই যায় অন্ধকাৰৰ মজিয়াত। যেতিয়া তাই বহু প্ৰশ্নৰ মাজত উত্তৰ বিচাৰি হেৰাই যায় তাইৰ মস্তিষ্কই মাত্ৰ এটা শব্দ চকুৰ আগত ভাহি আহে আৰু সেয়া হ'ল — 'মুক্তি'। চলচলীয়া চকুহালেৰে তাই দিক-বিদিক মণিব নোৱাৰা হৈছিল সেইদিনা। ঢলং-পলংকৈ আঁতৰি আহিছিল প্ৰিয়ানুজৰ কাষৰ পৰা। সেইদিন ধৰি তাই সন্মুখীন হোৱা নাছিল বাস্তৱতাৰ আঁৰত লুকাই থকা বিষাক্ত কীটবোৰৰ সৈতে। ৰংচঙীয়া পোহৰত জিলিকি উঠা, চকু হৰি নিয়া জোনাকৰ সৈতে। কিছুমান বিকৃত মগজুৰ মানুহে বিবাহৰ সুন্দৰতাক সহজতে তুচ্ছ কৰি তুলিব পাৰে। হৃদয়ৰ নিষ্ঠুৰতাই চূড়ান্ত অপমান কৰে বিবাহৰ মৰ্যাদাক। এনেবোৰ প্ৰৱঞ্চনাৰ বাবেই বিবাহে আজি বন্ধ কোঠাৰ ক'লা এলান্ধুৰ দৰে অপবাদ জাপি দিছে। অৱশেষত তাই সিদ্ধান্ত ল'লে। এক অপৰাধবোধে তাইৰ মনটো খেদি ফুৰিছে। হাজাৰ হাজাৰ কল্পনা, আশা-আকাংক্ষাৰে সজোৱা বালিঘৰ নিমিষতে চূৰমাৰ হৈছিল। টুকুৰা-টুকুৰকৈ ভাগি গৈছিল তাইৰ মনৰ হালধীয়া পাঁখি। অৱশেতে তাই অশ্ৰুসিক্ত নয়নেৰে আত্মীয় স্বামী আৰু পুত্ৰক এৰি যাত্ৰা কৰিছে — শান্তিৰ আৰু সত্যৰ দেশলৈ বুলি।

তাইৰ আত্মহত্যাৰ ঘটনা প্ৰিয়াংকুৰ বাহিৰে সকলোৱেই পালে। প্ৰিয়ানুজে চকুলো টুকিলে যদিও ক্ষন্তেকীয়া। তাইৰ মৃতদেহটো তাইৰ ঘৰৰ মানুহৰ লগতে গাঁৱৰ মানুহে মিলিজুলি সৎকাৰ কৰিলে। লগে লগেই দুই গাঁৱৰ মাজত পুনৰ সংঘাতৰ প্ৰাৰম্ভ হ'ল। গাঁও দুখনৰ মানুহবোৰে নিজৰ বিপৰীতে গাঁৱৰ মানুহবোৰক শত্ৰু ভাবেৰে দৃষ্টি নিক্ষেপ কৰিবলৈ ধৰিলে।

প্ৰিয়াংকু ছাত্ৰাবাসৰ পৰা ঘৰলৈ উভতি আহিল আৰু আহিয়েই মাকক বিচাৰিলে, সি দেউতাকক সুধিলে —

মা ক'ত, কিন্তু প্ৰিয়ানুজে তললৈ চাই থকাৰ বাহিৰে এটি শব্দও উচ্চাৰণ নকৰিলে। হঠাৎ প্ৰিয়াংকুৰ মালাৰে সৈতে বেৰত ওলমি থকা মাকৰ ফটোলৈ চকু গ'ল। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল। লগে লগে পদূলিত চাইকেলৰ শব্দ হ'ল। তাৰ অতি প্ৰিয় মোমায়েক আহিছে। মোমায়েকে তাক সকলো কথা ক'লে আৰু লগে লগেই সি ভিতৰলৈ দৌৰি গৈ কাপোৰৰ মোনা এটি উলিয়াই আনিলে। সি মাকৰ ফটোৰ ফালে চাই এযাৰি কথা ক'লে — "জীৱনে তোমাৰ শক্তি কিমান তাৰহে বিচাৰ কৰে, দুৰ্বলতাখিনি নহয়। তাৰ বাবে জীৱনে বিচাৰে তুমি প্ৰতিটো পৰিস্থিতিৰ মুখামুখি হোৱাতো, পলায়ন কৰাটো নহয়।" সি দেউতাকৰ ফালে চাই ক'লে — "জীৱনৰ আটাইতকৈ প্ৰয়োজনীয় সম্পদ হৈছে বিশ্বাস, যি হয়তো তোমাৰ নাই।" কথাষাৰিৰ অন্ত পৰাৰ লগে লগেই লোটকেৰে ভৰা এখনি মুখ লৈ সি মোমায়েকৰ লগত গুচি গ'ল।

প্ৰিয়ানুজে উপলব্ধি কৰিবলৈ ধৰিছে যে বিবাহ আৰু বিশ্বাসৰ মথাউৰিটো যদি দুৰ্নীতিৰ বানত ভাগি যায় তাক মেৰামতি কৰিবলৈ বৰ কষ্টকৰ। সেয়েহে সি আজি পুত্ৰক নিবলৈ শহুৰেকৰ ঘৰলৈ আহিছে কিন্তু তাক কোনেও ক্ষমা কৰিব পৰা নাই আৰু ঘৰৰ পৰা বাহিৰ কৰি দিছে। এনেদৰেই বহুপৰৰ পাছত লক্ষ্য কৰিলে যে দেউতাকৰ চকুৰ কোণত গোট খাই ছেহি যেন অনুতাপৰ দুটোপাল চকুলো। তাৰ অনুৰোধৰ বাবে ঘৰৰ সকলো মানুহে তাক ক্ষমা কৰি দিলে।

যিহেতু গাঁৱৰ মানুহে সেই সমন্বয়ৰ সাঁকোৰ ওপৰেৰে অহা-যোৱা বন্ধ কৰি দিছিল। ফলত তাত বহুতো অচিনাকি কীট-পতংগই অধিকাৰ কৰিছিল। সেয়েহে "ঘাত-প্ৰতিঘাতৰ মাজত জিলিকি থকা সমন্বয়ৰ সাঁকোত ক্ৰমান্বয়ে দৃষ্টিভূত হৈছে বিশাল বিশাল সুৰুঙা।"

বৰ্তমান গাঁৱৰ মানুহে সেই সুৰুঙা বন্ধ কৰিবলৈ সক্ষম হৈছে। গাঁও দুখনৰ মাজত পুনৰ আত্মীয়তা জাগি উঠিছে — কথাষাৰ ভাবি বহুদিনৰ মূৰত আজি প্ৰিয়াংকুৰ মনটো ফৰকাল হৈছে। বহুদিনৰ মূৰত আজি সি বিচৰা সুখৰ পলসমূহ বিচাৰি পাইছে। এক অপেক্ষাৰ অন্তত এক নতুন ৰঙীন জীৱন দুয়োৰে জীৱনলৈ ঘূৰি আহিল অপেক্ষাৰ মিঠা সোৱাদ লৈ। কোঠাৰ ভিতৰৰ পৰা ওলাই ওপৰৰ আকাশলৈ চালে প্ৰিয়াংকুৰে। ইতিমধ্যে বহু আগতেই বৰষুণৰ অন্ত পৰিছে। সৰু সৰু তৰাবোৰ চিকমিকাই পোহৰাই তুলিছে সুবিশাল আকাশখন। সি দিছে আকাশখনক এক বিৰল আৰু সুকীয়া সৌন্দৰ্য। যিদৰে তাৰ মনত জিলিকি থকা মাকৰ প্ৰতিচ্ছবিখনে তাৰ জীৱনক দিছে এক অন্তহীন নতুনত্ব আৰু অন্তহীন প্ৰেৰণা। হঠাৎ তাক ভিতৰৰ পৰা দেউতাকে শুবলৈ মাতিছে। সি ভিতৰলৈ এটি মিচিকীয়া হাঁহিৰে সৈতে সোমাই গ'ল আৰু লাইট বন্ধ কৰি শুই পৰিল। এটি হাঁহিৰ খলকনিৰে দুয়োৰেই পুনৰ আগৰ জীৱনৰ ৰং ঘূৰাই আনিলে...। ■



# অসমাপ্ত কিছু প্ৰেমৰ গদ্য

উপাসনা তালুকদাৰ
একাদশ শ্ৰেণী

যেতিয়া কোনো এজন ডেকাই এগৰাকী গাভৰুক প্ৰেম যাচে, তেতিয়া গাভৰুগৰাকীয়ে ডেকাজনক সোধে যে প্ৰেম মানেনো কি? ক'বলৈ গ'লে প্ৰেমৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। কাৰণ সকলোৰে দৃষ্টিত প্ৰেমৰ ধাৰণা বেলেগ বেলেগ। সাধাৰণ অথচ ক'বলৈ গ'লে প্ৰেম হ'ল প্ৰেমিক-প্ৰেমিকাৰ মনত স্বৰ্গীয়তা উপলব্ধি কৰাব পৰা এক শক্তি। এনে স্বৰ্গীয় আবেগৰ বাবেই সংসাৰখন সদা সজীৱ আৰু তৰুণ হৈ ৰয়। প্ৰেম, শ্ৰদ্ধা আৰু প্ৰশংসাৰ পৰিণতি, যিয়ে চৰিত্ৰৰ উৎকৰ্ষ ঘটায় আৰু ইয়াক ব্যঞ্জনবোৰৰ পৰা মুক্ত কৰি বিশুদ্ধ কৰে। শ্যেলীৰ মতে, প্ৰেমৰ অবিহনে জীৱন আৰু জগতৰ কোনো সৌন্দৰ্য নাই। তেওঁৰ মতে প্ৰেমেই সৌন্দৰ্য। ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ মতে যাৰ জীৱনলৈ এবাৰৰ বাবে হ'লেও প্ৰেম অহা নাই তেওঁৰ সমান হতভগা দুৰ্ভগীয়া লোক আৰু এই পৃথিৱীত নাই। প্ৰেমৰ অবিহনে জীৱন প্ৰায় অসম্ভৱ।

ৰাসলীলাত এবাৰ গোপীসকলে শ্ৰীকৃষ্ণক সুধিছিল — সংসাৰত প্ৰেম কেইবাবিধো দেখা যায়। কিছুমানে প্ৰেম কৰিলেহে প্ৰেম কৰে। দ্বিতীয়বিধে প্ৰেম বিচাৰক-নিবিচাৰক প্ৰেম কৰে। আৰু তৃতীয়বিধে যিমান প্ৰেম নকৰক লাগে সন্তুষ্ট নহয়। অত্যন্ত গোড়া আৰু ব্যতিক্ৰম। প্ৰেমৰ এই মাৰ্গ তিনিটাৰ অৰ্থ কি? উত্তৰত ভগৱানে কৈছিল পৰস্পৰে পৰস্পৰক কৰা প্ৰেম প্ৰেম নহয়। এবিধ প্ৰতিদানহে। সময়ত মিত্ৰও শত্ৰু হৈ যায়। দ্বিতীয়বিধ প্ৰেমো প্ৰকৃত প্ৰেম নহয় কাৰণ তেওঁলোকৰ সৌন্দৰ্য ধৰ্মমূলক নহয়। দুয়ো স্বাৰ্থপৰ। য'ত স্বাৰ্থ থাকে তাত কপটতাও থাকে। এদিন নহয় এদিন তাৰ অন্ত হ'বই। তৃতীয়বিধ প্ৰেমকহে আমি প্ৰকৃত প্ৰেম বুলি ক'ব পাৰো। কাৰণ ইয়াত ধৰ্ম আছে। দৰ্পণৰ নিৰ্মলতা আছে। প্ৰতিদানৰ লেশমাত্ৰ গন্ধও ইয়াত নাই। কপটতাতো দূৰৰে কথা। এই প্ৰেম কোনোকালে কেতিয়াও অন্ত নপৰে। প্ৰতিদিনে বাঢ়িহে যায়। অক্ষয় আৰু অনন্ত। একমাত্ৰ দেৱীস্বৰূপা সাক্ষাৎ মাতৃয়েহে নিজ সন্তানক দিব পাৰে। এইবিধ প্ৰেমৰ নামেই স্বৰ্গীয়তা উপলব্ধি কৰাব পৰা শক্তিশালী সন্তান প্ৰেম। এগৰাকী মাতৃয়ে সন্তানৰূপী বন্তিগছিত জাহ যাবলৈ নিজৰ সকলো শক্তি-সামৰ্থ্য নিঃশেষ কৰি আনে। আপোন তেজ-মঙহেৰে সজাই-পৰাই সন্তান জন্ম দিয়ে। প্ৰতিপালন কৰে। ওঁঠত ভাষা দিয়ে। কিন্তু প্ৰতিদান বিচাৰে কিবা পায় জানো। আনহাতে, আমি প্ৰায়ে শুনিবলৈ পাওঁ — "তেওঁক মই খুব ভাল পাইছিলো, পাছত গম পালো তেওঁ বোলে অন্যক ভালপায়, সেই বাবেই আমাৰ সম্পৰ্কৰ অন্ত পৰিল।" কিন্তু আমি এই কথাষাৰ শুনিবলৈ নাপাওঁ যে — "তেওঁ অন্য এজনী ছোৱালীক ভালপায়, মই একো বেয়া পোৱা নাই, তেওঁৰ সুখেই মোৰ সুখ নহয় জানো।" কথাষাৰ বৰ দুৰ্লভ। আজিকালি এনেক্ষেত্ৰত ল'ৰা-ছোৱালী প্ৰতিশোধপৰায়ণ হৈ উঠি হত্যা পৰ্যন্ত কৰিবলৈ আগবাঢ়ি যায়। আচলতে বৰ্তমান প্ৰজন্মৰ মনত প্ৰেম সংক্ৰান্তীয় এনে অসুস্থ মানসিকতাই প্ৰেমৰ মাধুৰ্যক বিনষ্ট কৰি পেলায় আৰু তেওঁলোকৰ প্ৰেমৰ স্বৰ্গীয়তা উপলব্ধি কৰাত ব্যৰ্থ হয়। কোৱা হয় যে প্ৰেমে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, কৃষ্টি, বয়স একো বিচাৰ নকৰে। প্ৰেমক অধিকাৰ কৰি ধৰি ৰাখিব নোৱাৰি, প্ৰেমেও অধিকাৰ কৰি একো ধৰি নাৰাখে, কাৰণ প্ৰেম প্ৰেমৰ বাবেই যথেষ্ট। কিন্তু বৰ্তমান সঁচা প্ৰেম কৰাজনেই হাজাৰটা শাস্তি মূৰ পাতি ল'বলগীয়া হয়। তথাপিও কোনোবাই প্ৰেম নকৰো বুলি নকৰাকৈ জানো থাকিব পাৰিছে। বহুতেই কয় দুই-চাৰিজনীৰ সৈতে প্ৰেম কৰা বেয়া। কৰিলে এজনীকে কৰিব লাগে। উত্তৰত ক'ব পাৰি যে, স্বয়ং কৃষ্ণই দেখোন যোল্লশ গোপীৰ প্ৰণয়প্ৰাৰ্থী আছিল।

তেনেক্ষেত্রত আজিৰ ল'ৰাই দুই-চাৰিজনী ৰখাটো ইকিনো ইমান ডাঙৰ পাপ। কেতিয়াবা নির্জন পৰত অকলশৰে নিজৰ মাজতে গুণাগঁথা কৰি থকাৰ সময়ত ভাব হয়। এনে দুই-চাৰিজনী প্ৰেমিকা ৰখা ল'ৰাই (অথবা ছোৱালীও) প্ৰেমক প্ৰেম হিচাপে লয় নে? ইয়াৰ উত্তৰ মোৰ ওচৰত নাই। বোধকৰো মোৰ অভিজ্ঞতাৰ অভাৱ। যি কি নহওক, প্ৰেম এজনীৰ সৈতেই কৰিব লাগিব বুলি কোনো কথা নাই কাৰণ প্ৰেম এবাৰ দুবাৰ নহয় হাজাৰবাৰ হ'ব পাৰে। তদুপৰি প্ৰেমৰ অর্থ বিবাহ নহয়। আনহাতে জীৱনৰ লক্ষ্যত বিবাহ নহয়। প্ৰেমৰ সম্পৰ্কেৰে বান্ধ খোৱা এহাল তৰুণ-তৰুণীয়ে বিবাহ পাশত আৱদ্ধ হ'বলৈ বিচাৰে। বিচাৰিব পাৰে কাৰণ ই স্বাভাৱিক কাৰণ গভীৰ প্ৰেমত দুয়ো ইজনে-সিজনৰ অবিহনে জীয়াই থকা অসম্ভৱ হৈ পৰে। আৰু যিহেতু কৈ অহা হৈছে যে জীৱনত প্ৰেম অবিচ্ছেদ্য অংগ। কিছুসংখ্যক প্ৰেমক জীৱনত জীয়াই থাকিবলৈ প্ৰেৰণা হিচাপে ল'ব পাৰে, কিছুসংখ্যক উৎসাহ-উদ্দীপনা হিচাপে লয় আৰু কিছুসংখ্যক জীয়াই থকাৰ উৎস হিচাপে লয়। প্ৰত্যেক প্ৰেমিক-প্ৰেমিকাই তেওঁলোকৰ প্ৰেমক কি ভাৱে লৈছে সেয়া নিৰ্ভৰ কৰিব তেওঁলোকৰ মানসিকতাৰ ওপৰত। এটা সফল প্ৰেমৰ সম্পৰ্ক তিনিটা উপাদানেৰে জীপাল হৈ থাকে। অন্তৰংগতা, অনুৰাগ আৰু সমৰ্পণ। অন্তৰংগতা হ'ল আৱেগিক, বৌদ্ধিক কথা-বতৰাৰে ওচৰ সম্পৰ্ক। য'ত পৰস্পৰৰ ওপৰত থকা অধিকাৰৰ কথাও লুকাই থাকে। অনুৰাগে শাৰীৰিক আকৰ্ষণ তথা যৌন বাসনাক ইংগিত কৰে। আনহাতে সমৰ্পণে পৰস্পৰৰ ওচৰত নিজকে সঁপি দিয়া বুজায়। বহু সম্পৰ্কত কিন্তু এই তিনিওটা উপাদান কম পৰিমাণে নাথাকে। এটা বা দুটা উপাদানেৰেও বহু সম্পৰ্ক বৰ্তি থাকে। কেৱল অন্তৰংগতা আৰু অনুৰাগ থকা সম্পৰ্কক ক'ব পাৰি ৰোমাণ্টিক প্ৰেম। অনুৰাগ আৰু সমৰ্পণ থকা সম্পৰ্কক প্ৰেম আখ্যা দিয়া অসম্ভৱ। আৰু যি সম্পৰ্কত অনুৰাগ নাথাকে কেৱল অন্তৰংগতা আৰু সমৰ্পণৰ ভাব থাকে তেনে সম্পৰ্কক আমি ক'ব পাৰো পৰিপূৰক প্ৰেম। সকলো সম্পৰ্কৰ এই তিনিওটা উপাদান থকাটো সম্ভৱ নহয় যদিও কম-বেছি পৰিমাণে আটাইকেইটা উপাদান থকাটো খুবেই প্ৰয়োজন। লণ্ডনৰ ৰাট্জাৰছ নামৰ বিশ্ববিদ্যালয়খনৰ পৰা প্ৰেমৰ বিষয়ে চলোৱা এক গৱেষণাত প্ৰকাশ পাইছে যে প্ৰকৃত প্ৰেমৰ অৱসান বা ৰোমাঞ্চকৰ হ্ৰাস কেতিয়াও নহয়। গৱেষণাৰ ফলাফল অনুসৰি বিবাহৰ দুটা দশকৰ পাছতো বহু দম্পতী পৰস্পৰৰ প্ৰতি সিমানেই আকৰ্ষিক হয় — যেনেকৈ আছিল প্ৰথম প্ৰেমৰ ৰোমাঞ্চকৰ দিনবোৰত। প্ৰেমৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। হোমেন বৰগোহাঞিয়ে এঠাইত কৈছিল — "প্ৰেমৰ বিষয়ে এখন মহাভাৰত লিখিব পাৰি।" কথাষাৰ নোহোৱাও নহয়। জীৱন পথত এই প্ৰেমেই সম্ভৱ বাধা-বিপত্তিকে পদদলিত কৰে, প্ৰেমিক-প্ৰেমিকাক নিৰ্ভয়ে নিঃশংকাচিত্তে অগ্ৰসৰ হ'বলৈ শক্তিদান কৰে। শেষত নীলমণি ফুকনৰ এটি চীনা কবিতাৰ লেখাৰে সামৰণি মাৰিলো।

*"ঈশ্বৰৰ লগত*
*কালৰ শেষলৈকে*
*তোমাক মই ভালপাম;*
*পাহাৰবোৰ খহি ডোখৰ ডোখৰ হোৱালৈকে,*
*নৈ নিজৰাবোৰ শুকাই যোৱালৈকে,*
*শীতৰ বজ্ৰ নিনাদি উঠালৈকে,*
*বাৰিষা বৰফ পৰালৈকে*
*আৰু পৃথিৱীখন মাটিৰ লগত মিহলি হোৱালৈকে*
*তেতিয়ালৈকে তোমাক মই ভালপাই থাকিম।"* ■

# কবিতাকুঞ্জ

# বন্ধুত্ব

**প্ৰজ্ঞানজ্যোতি কাত্যায়ন**
দ্বাদশ শ্ৰেণী (কলা)

হ'ব পাৰো, আমি
ককাই-ভাই
হ'ব পাৰে, আমাৰ
এক তেজৰ সম্পৰ্ক আছে।
কিন্তু!
ভাতৃত্ব ভাবতকৈ
মোৰ বাবে বেছি আপোন
তোৰে মোৰে বন্ধুত্ব।

হ'ব পাৰে, তোৰ মোৰ
বয়সৰ মিলি আছে
হ'ব পাৰে, আমাৰ
চেহেৰাৰ মিল আছে।
কিন্তু!
বন্ধুত্বৰ সম্পৰ্কইহে যেন
আমাক কৰিব বেছি আপোন।

তোৰ মোৰ এই
সবল সতেজ বন্ধুত্বক
এক স্নেহৰ জৰীৰে
বান্ধি লৈ,
যাম দুয়ো একেলগে
নিজৰ ভৱিষ্যৎ
উজ্বল কৰিবলৈ। ■





# পুতলা

**খেমৰাজ বাছক'টা**
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)

মই এটা পুতলা হ'ম
পুতলা হৈ
নিৰ্জীৱ চমৎকাৰ দেখুৱাওঁ।
ৰং-বিৰঙৰ নানা ধৰণ মানুহ
জানুৱাৰ আৰু কোনো গাড়ীৰ
পুতলা হ'ম
বেটেৰীৰ ৰাসায়নিক শক্তিয়ে
নিৰ্ধাৰণ কৰিব মোৰ আয়ুস
ফেশ্বনেব'ল ৰিমোট কণ্ট্ৰল পদ্ধতিয়ে
অবিৰাম গতিত
সজ্জ্বল কৰি ৰাখিব মোৰ স্মৃতিশক্তি আৰু বুকুখন,
নহ'লে কোনোবা দিন
নিজে পুতলা হৈ খেলা খেলি থাকোঁ...
চকু থাকিও অন্ধ হৈ যাওঁ
সপোন নেদেখোঁ
হাত-ভৰি থাকিও পৰাধীন যেন হওঁ
জীৱনক বুজিব নোখোজোঁ...
আধুনিক পুতলাৰ দাম এতিয়া বজাৰত বহুত
জীৱনতকৈ ঘাত বেছি কদৰ
কোনেও আমাক নিকিনওক
কোনেও আমাক নেখেলক
এয়াই আশা পালি ৰাখিছোঁ...
কিন্তু! যিকোনো মুহূৰ্তত আমি
পৰাজিত হ'ব পাৰোঁ। ■

# আহ্বান নতুন প্ৰজন্মলৈ

চাহিদা বেগম
স্নাতক প্ৰথম ষান্মাসিক (বাণিজ্য)

ৰাজপথত জুই?
কোনে জ্বলালে?
ছেদেলি-ভেদেলি হৈ পৰা
মানুহজাকে চিঞৰিলে—
সিহঁত, সিহঁত
কোন সিহঁত?
হিন্দু, মুছলমান, জৈন নে খ্ৰীষ্টান?

ৰাজপথত তেজ?
ৰণৰ তেজ?
ছেদেলি-ভেদেলি হৈ পৰা
মানুহজাকে চিঞৰিলে —
সিহঁতৰ, সিহঁতৰ
কোন সিহঁতৰ?
হিন্দু, মুছলমান, জৈন নে খ্ৰীষ্টান?

আউলী-বাউলী চুলিৰে
ৰাজপথত ক্ৰন্দৰতা সেয়া কোন?
কৰযোৰে তেওঁ
কিয় উচুপিছে?
ছেদেলি-ভেদেলি হৈ
ইফালে-সিফালে
ঢাপলি মেলা মানুহজাক
কাষ চাপি আহিল।
অবাক বিস্ময়ত
সিহঁতে চিঞৰিলে—
সেয়া আমাৰ আই।



কাৰ আই?
হিন্দু, মুছলমান, জৈন নে খ্ৰীষ্টানৰ?
সমবেত কণ্ঠত আকাশ-বতাহ
কঁপাই সিহঁতে চিঞৰিলে
আমাৰ আই

তেনেহ'লে কেনেকৈ ক'ব পাৰো
মই হিন্দু, মই মুছলমান
মই জৈন, মই খ্ৰীষ্টান
মই উচ্চ, মই নীচ

আহাঁ আমি সকলোৱে একেলগে
মান-অভিমান এৰি
ভাষা-ধৰ্ম উচ্চ-নীচৰ
ভেদাভেদ পাহৰি
দুৰ্নীতিৰ কবলত
নিঃশেষ হৈ যাব ধৰা
অশান্ত জৰ্জৰিত
আমাৰ এই দেশত
শান্তিৰ অমিয়া বিলাওঁ
ক্ৰন্দনৰতা আইৰ
চকুলো মচি
দুচকুত হাঁহি বিৰিঙাওঁ। ■

# ধন্য তুমি ভূপেনদা

**কৰবী মৰাণ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

ধন্য তুমি ভূপেনদা,
তুমিয়েই ৰচিলা শিল্পীৰ গান
গোটেই পৃথিৱীৰ শিল্পী তুমি
ইমান সাহস তোমাৰ

ইমান ডাঙৰ ডাঙৰ মঞ্চত
কেনেকৈ যে উঠিছিলা!
ভয় নালাগিছিল নে তোমাৰ!

সূৰ্যকণ্ঠ, সুধাকণ্ঠ তোমাৰ উপাধি।
আৰু যে কত কিমান ডাঙৰ উপাধি।
মানুহে মানুহৰ বাবে, বুকু হম হম কৰে
কত, শত তোমাৰ গান!

কিয় গুচি গ'লা জনগণক কন্দুৱাই?
লাখ লাখ মানুহৰ নিগৰিছিল অশ্ৰুধাৰ...
অলপো বেয়া নালাগিছিল নে ভূপেনদা
গোটেই পৃথিৱীয়ে উচুপিছিল, সেইদিনা।
জানানে, ভূপেনদা...

২০১২ চনৰ ৫ নৱেম্বৰৰ দিনা
নিউজ চেনেলত বুঢ়া-মেথা সকলোৰে
লগাই তোলপাৰ... কিজানিবা,
কিজানিবা শুনি পাই সেই হিয়া ভগা গান!
য'ত গাইছিলা, মই যেতিয়া এই পৃথিৱীৰ
মায়া এৰি গুচি যাম...।

চিৰ পূজনীয় শিল্পী তুমি।
তোমাৰ গানতে কঁপে গোটেই পৃথিৱী।
মঞ্চত উঠিলেই ভূপেনদা
হাতত হাৰমনিয়াম আৰু তোমাৰ
তোমাৰ মুখৰ গান আৰম্ভ কৰাৰ কথা
বাৰে বাৰে মনত পৰে আজিও জানা!

যাযাবৰ জীৱন, আকাশী গংগা...
গানবোৰ চেষ্টা কৰোঁ আজিও
চিঞৰি চিঞৰি গাবলৈ তোমাৰ দৰেই।
কিজানিবা ক'ৰবাত আকৌ হেৰাই পাওঁ তোমাক! ■

# এটি পথ

**মনোজ মৰাণ**
দ্বাদশ শ্ৰেণী (কলা)



যুগ যুগান্তৰ বৈ যোৱা
এটি পথ,
দুৰ্গমহীন পথ
হাজাৰ হাজাৰ সপোনৰ ভঁৰাল।
কণ কণ সপোন
বৃহৎ সপোন।
কাৰোবাৰ জীৱিকাৰ স্থল
তৈল নগৰীৰে এটি পথ,
গঢ়ি গ'ল কত জীৱন
সৃষ্টিৰ কঠিয়া তলী
ডিগবৈ মহাবিদ্যালয়।
নৈ গতিৰ দৰে
পথিকৰ ভিৰ,
চুই যাব পদকমল।■

# অচিনাকি পৃথিৱী

সংগীতা কোঁৱৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

অতীতৰ সেই অচিনাকি পৃথিৱীখন,
যেতিয়া মই বুজা নাছিলোঁ
জীৱনটোনো কি?
য'ত জীৱনৰ প্ৰতিটো বস্তুৱেই
মোৰ বাবে নতুন আছিল।

উভতি যাব খুজোঁ সেই নতুনেৰে ভৰা
অচিনাকি পৃথিৱীখনলৈ,
পাৰিম জানো আকৌ উভতি যাব
সেই নতুনৰ পৃথিৱীলৈ।

হয়তো সময়ে সলনি কৰি দিলে,
মোৰ জীৱনটো।
য'ত উভতিব খুজিলেও,
প্ৰতিখোজেই থমকি ৰয়।

কিন্তু এই পৃথিৱীৰ প্ৰকৃত মাদকতা
মই উপলব্ধি কৰিলোঁ,
মই বুজিব পাৰিলোঁ
জীৱনটোনো কি?

এটা ধেমালিহে মাত্ৰ।

ইয়াত সুখ-দুখৰ কথাবোৰৰ যে
কোনো অৰ্থই নাই।
এই পৃথিৱীৰ সকলো বস্তুৱেই
যেন খন্তেকীয়া।

তথাপি মোৰ বাবে এই
অচিনাকি পৃথিৱী,
আজি চিনাকিৰে ভৰা। ■



# প্ৰতিবাদী কণ্ঠ

নিৰ্মালী বসুমতাৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

সিহঁতৰ আমাৰ নিচিনাই আছে আঁহ-পাহ
অথচ সিহঁতৰ শৰীৰৰ গঠন প্ৰখৰ-উজ্জ্বল
হৃদয়ৰ মাটি ওঁঠৰ জোনাক
সিহঁতে চিনি নাপায়
ৰাতি সিহঁতে ৰচনা কৰে
দেশ ভংগৰ গদ্য
মৌন হৈয়ে আছোঁ
বাহিৰত প্ৰতিবাদৰ সৰৱ বৰষুণ
ভিতৰি ভিতৰি গুজৰি গুমৰি
কামুৰি আছো কলম
খামুচি আছোঁ অনুভৱৰ স্ফুৰণ
মৌন হৈয়ে আছোঁ
ওঁঠ কামুৰি সহিছোঁ বিৱৰ্ণ অত্যাচাৰ
দুৱাৰ খিৰিকী জনাই শুনিছোঁ
হাত-ভৰি ছিগা মানুহৰ ভয়াৰ্ত চিঞৰ
মৌনতা মানে সকলো অত্যাচাৰ মানি লোৱা নহয়

মৌনতা মানে হ'ব পাৰে প্ৰতিবাদ
ধ্বংসৰ বিৰুদ্ধে সৃষ্টিৰ
হিংসাৰ বিৰুদ্ধে অহিংসাৰ
যুদ্ধৰ বিৰুদ্ধে শান্তিৰ সৰৱ প্ৰতিবাদ। ■

# আৰ্তকণ্ঠ হৃদয়

**জুৰি মৰাণ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

আয়তীৰ উৰুলিৰে সাঁজি-কাচি
ধুনীয়া হোৱা ছোৱালীজনী
আজি, সেমেকা মনেৰে ৰ'ল,
নিষ্প্ৰাণ প্ৰতিমাৰ জীৱনেৰে।
মুকুতা মণিৰে জিলিকি উঠা
সপোনৰ টুকুৰাবোৰ,
সপোন হৈয়ে ৰ'ল।

বিমৰ্ষ মনেৰে বহি ৰ'লোঁ
খিৰিকীৰ কাষত,
হুৰহুৰকৈ বৈ আহিল বতাহ
দুচকুৰেদি বাগৰি আহিল
ধাৰাসাৰে অশ্ৰু।
প্ৰতিমুহূৰ্তে বিচাৰি ফুৰোঁ,
এটা শব্দৰ তাড়না...
ই কেৱল জীৱনৰ
অসীম ভালপোৱা।

গৰজি উঠিছিল আত্মবিশ্বাসেৰে,
উঠলি আহিছিল বুকুৰ মাজেৰে,
প্ৰাপ্তিহীন লেলিহান শিখাৰ দৰে...
প্ৰাণহীন জীৱৰ দৰে কটাইছিল,
জী-নৰ প্ৰতিটো পাল,
ই মাথোঁ...
ভালপোৱা শিহৰণৰ বাবে।
বাৰুকৈয়ে মনত পৰে....



সাগৰৰ তৃষ্ণাৰ্ত চকুযুৰিলৈ,
দুখক এপলকৰ বাবে
পাহৰাই পেলাইছিল।
পাহৰাই পেলাইছিল...
গৃহ-বিচ্ছেদেৰে কটোৱা জীৱনৰ কথা
ভাবিবলৈ দিয়া নাছিল,
জীৱনৰ নিৰ্বাক যন্ত্ৰণাৰ কথা।

প্ৰকৃতিৰ লোভীয়া দৃষ্টিয়ে কাঢ়ি নিলে
আমাৰ মৰ্মস্পৰ্শী মুখৰ ভাষা।
এটুকুৰা পঁচা কাঠৰ দৰে
পৰি ৰ'ল সাগৰ।
ৰক্তাক্ত নয়নেৰে...
আৰ্তকণ্ঠ হৃদয়েৰে...
অসহ্য যন্ত্ৰণাৰে...
অন্তৰৰ বিশা হতাশাৰে...
বহি ৰ'লোঁ মন্ত্ৰ
দুয়োৰে স্মৃতিৰ ছাঁয়াৰে। ■



# নাৱৰীয়া

**শ্যামল হাজৰিকা**
স্নাতক চতুৰ্থ ষান্মাসিক

নদীৰ নীলাত
সপোন হেৰুৱাই

টুলবুল কৰে টুলুঙা নাও
কঁপি কঁপি আগবাঢ়ে
শুকুলা পালতৰা

নদীৰ নীলাত
সপোন হেৰুৱাই

ওৰে ৰাতি সাৰে থাকে
কেঁচা মাছৰ নিচাত
কোঙা নাৱৰীয়া

নদীৰ নীলাত
সপোন হেৰুৱাই

ইপাৰৰ ঘাটত বৈ
তধা লাগি চাই
মেলি থোৱা শুকুলা পালতৰা

নিপালি দিয়ে নাৱৰীয়াৰ
সীয়নি দিয়া বুকুত।

# পিতাইলৈ এখন চিঠি

**পিংকু ফুকন**
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান)

পিতাই কেনে আছ' তই?
সংসাৰৰ বোজা কঢ়িয়াই কোঙা হোৱা
তোৰ নিছলা দেহত
পুহ মাহৰ জাৰে বাৰুকৈ
চুই গৈছে চাগে।

পিতাই সোণগুটি চপোৱাৰ হ'লনে,
বছৰটো খাবৰ জোখেৰে পালিনে ধান?
বয়সৰ ভাটি লাগি তোৰ দেহটো
থৰক-বৰক কৰিছে চাগে।
আমাৰ পুৰণা ভঁৰালটোৰ দৰে
ভৱিষ্যতৰ কোনো ঠিকনা নাই
পুৰণা বুঢ়া গৰুহালৰ দৰে।

পুহমহীয়া জুহালত বহি
আলু পুৰি চুঙা চাউল খোৱা
কথাৰ মহলা মাৰি
তোৰ কোলাত টোপনি যোৱা
সেই দিনবোৰলৈ আজি বৰকৈ
মনত পৰিছে অ' পিতাই...
পুনৰ হেৰাই যাবই মন যায়
জুহালৰ উম সানি ডুবি ৰোৱা সেই কথাৰ সাগৰত
য'ত আয়ে আহি মাজে মাজে
তোৰ কথাত তুলিছিল টো।

ক'ব নোৱাৰাকৈ —
কেতিয়া এখন নদী হৈ উঠি আহিলোঁ,
সেই সাগৰৰ পৰা ঢপলিয়াই
ক'ব নোৱাৰাকৈ খহি পৰিলোঁহি
এখন নতুন সাগৰত
এখন পাৰ নোহোৱা সাগৰৰ মাজত।

তথাপি পাহৰিব পৰা নাই
পাহৰিব নোৱাৰোঁ
পাহৰিব নোখোজোঁ সেই পুৰণি দিন
আৰু বাৰে বাৰে স্মৃতিৰ কোলাত উপঙি পৰা
জীৱন সাগৰৰ টোবোৰে সোঁৱৰাই যায়
তোৰ কথাবোৰ, আইৰ কথাবোৰ
পুৰণি দিনবোৰ...

## মোৰ শিক্ষাগুৰু

**য়াচমিন মূৰত হুছেইন**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

অ' মোৰ প্ৰিয় শিক্ষাগুৰু
অ' মোৰ প্ৰিয় শিক্ষাগুৰু
তুমিয়ে দিছিলা আমাৰ মুখত
লিপি জ্ঞানৰ ধ্বনি
হাতত হাত ধৰি তুলিকাৰে
প্ৰকাশিবলৈ মনৰ বহ্নি।
অ' মোৰ প্ৰেৰণাৰ উৎস
মনৰ সাধিছা উৎকৰ্ষ
সাধনাৰ বাটত বহুতো বিঘ্ন
ওফৰাই দিলা ধৰি ধৈৰ্য।
তোমাৰ ত্যাগে দিলে মোক
পোহৰৰ বাট চিনাই
তোমাৰ চৰণত ৰ'ব মোৰ
সশ্ৰদ্ধ প্ৰণাম সদায়। ■

## টোপাল

**অংকিতা ঠাকুৰীয়া**
স্নাতক দ্বিতীয় ষান্মাসিক (বিজ্ঞান)

টোপাল-টোপাল বৰষুণে আজি
মোক এটি নতুন অনুভৱ দি যায়...
ময়ূৰ নাচোন চায়...
মোৰো নাচিব মন যায়।

প্ৰতিটো টোপালত বহুতো স্মৃতি বৈ যায়,
পুৰণি অন্তৰখন আমনি কৰেহি
নতুন সপোন ৰচিব বিচাৰোঁ প্ৰতিটো টোপাল।

কেঁচা মাটিত মোৰ ভৰিৰ স্পৰ্শ পৰে,
টোপাল টোপাল বৰষুণে আজি...
মোক এটি নতুন অনুভৱ দি যায়।
মেঘৰ গাজনিয়ে মোৰ বুকুত...
এটি নতুন স্পৰ্শ দি যায়। ■

## একে পথৰ যাত্ৰী

**মনোজ মৰা**
দ্বাদশ শ্ৰেণী (কলা

বন্ধুজন বিচলিত হৈছিল
মোৰ দৰে।
নাজানো কিহৰ বাবে
নোপোৱাৰ তাড়নাত
হয়তো পথভ্ৰষ্ট সি
আঁতৰি আহিলোঁ তাৰ পৰা
কেনেকৈ আশ্ৰয় দিওঁ,
ময়ো আজি উৰুখা পঁজাত
নিজে নাজানো
নিজৰ ঠিকনা।
এয়ে মোৰ সান্ত্বনা। ■



# নৈঃশব্দত বাৰিষাৰ এক মধুৰ স্পন্দন

পলি ডেকা
স্নাতক প্ৰথম ষাণ্মাসিক (কলা)

ফাকুৰ ৰঙেৰে ৰাঙলী হোৱা হৃদয়বোৰ
লাহে লাহে সেউজীয়া হৈ উঠিছে,
তৰাৰ চানেকিৰে বাখৰ খটোৱা
বিহুৱান খনিত উজলি উঠিছে।
মিলনৰ অলেখ সপোন
বহাগৰ জোনাক পিছলা সন্ধিয়াত
তুমি যেন অহাৰ কথা আছিল,
সপোন কঢ়িয়াই অনা এজাক বৰষুণত
তিতাৰ কথা আছিল।
নৈ ঘাটত, বসন্ত মেলাৰ
সখিয়তী চৰায়ে।
গীত গোৱাৰ কথা আছিল।
বিহুৰ আবেগে তোমাক হয়তোবা
কিবা কৰিছে।
পেঁপা ঢোলৰ মাত শুনি
নতুবা কলিজা কঁপিছে।
কুলিৰ সুৰলা মাতত মেঘৰ নাচোন,
ডাৱৰৰ বুকু ভেদি বৈ আহে
এজাক বহাগৰ বৰষুণ
তুমি নৈঃশব্দত হেৰাই যোৱা
শূন্যতাৰ গান
তুমি দিয়া প্ৰতিশ্ৰুতিবোৰ
বুকুৰ পথাৰ গচকি যোৱা
বাৰিষাৰ বলীয়া বান।



# ইতি, এই জীৱন

সুৰজিৎ মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক (কলা)

মানৱীকতা অবিমাননাত
হৈছা তুমি সৃতি,
অসমাপ্ত মানৱ জীৱনত
টানিলা তুমি ইতি।
এয়াতো নাছিল অন্ত তোমাৰ
তুমি প্ৰাণেৰে আছিলা জীৱন্ত
আজি ঘৰলৈ আহিছা,
উভতি তুমি,
প্ৰাণহীন অজীৱন্ত।
বাট চাই আছিল মাতৃ তোমাৰ
প্ৰিয়জন স্ত্ৰী-পুত্ৰ
তোমাৰ মনৰো বিৰাট আশাই
গঢ়িছিল নতুন সূত্ৰ
নিৰ্দোষী তুমি; পালাযে শাস্তি
দোষনো আছিল কাৰ?
অমানৱীয় হত্যালীলাৰ
হৈছা তুমি চকাৰ
চিৰবিৰহৰ দোষ লৈ বুকুত
কিহ'ব পৰিণতি
আজি অসমাপ্ত মানৱ জীৱনত
হৈছা তুমি ইতি...

# মই মূৰ্খ কবি

**মাধুৰী মৰাণ**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

নিজান ৰাতি ৰিণিকি ৰিণিকি শুনা
এটি বাঁহীৰ মাতে মোৰ হিয়া হৰি নিলে
নিলিখোঁ নিলিখোঁ বুলি ভাবিও
নিদ্ৰা দেৱীৰ কোলাৰ পৰা নামি
হাতত কলম তুলি ল'লোঁ
অবুজ হৃদয়ৰ আহ্বানত
হেৰাই গ'ল মোৰ আত্মসন্মানৰ বহল পৃথিৱী
হেৰাই গ'ল মোৰ
লাজ অপমানৰ পোছাক
এটা যুগৰ পাছত শুনা
সেই কৰুণ বাঁহীৰ মাতে
হৰি নিলে মোৰ সমস্ত নিদ্ৰা।
জোনাক চাবলৈ,
তৰা ভৰা আকাশ চাবলৈ
সমস্ত খিৰিকী খুলি থৈছোঁ
বহু প্ৰতীক্ষাৰে...
কলমৰ ফাঁকেৰে কাগজ হৰি পৰিছে
মধুৰ জোনাক,
এখন নীলা সুগভীৰ আকাশ
সেয়ে মোক মাজ নিশা কন্দা
কেতেকীয়ে ক'লে —
"তুমি জোনাক পাগল,
আকাশ পাগল
মস্ত মূৰ্খ কবি"। ■



# ডিগবৈ মহাবিদ্যালয়

**শিখাজ্যোতি মৰাণ**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

ডিগবৈ মহাবিদ্যালয়,
তই আজি জ্ঞানৰ সেউজীৰে প্ৰাণৱন্ত।

আৰু প্ৰাণৱন্ত হৈ উঠ,
ডিগবৈ মহাবিদ্যালয়।

শত সহস্ৰ ছাত্ৰৰ মনত
সিঁচি দে তই,
জ্ঞানৰ সেউজীয়া বীজ
সিঁচি দে জ্ঞানৰ সেউজীৰে
ঐক্য, শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ
সততা, ন্যায় আৰু নিষ্ঠা।

ডিগবৈ মহাবিদ্যালয়,
ছাত্ৰৰ জ্ঞানৰ নৈক
বোৱাই দে তই,
সমগ্ৰ বিশ্বলৈ...
আৰু উঠাই দে,
জ্ঞানৰ প্ৰবল জোৱাৰ।

জোৱাৰত প্ৰাণ পাই উঠক,
আৰু সহস্ৰজনৰ জ্ঞান।

ডিগবৈ মহাবিদ্যালয়,
ক্ষান্ত নহ'বি অলপো,
ক্ষান্ত নহ'বি।
আগুৱাই যা তই,
আগুৱাই যা...। ■

# আঘোণ আহিলেই মনত পৰে

**তৰুণ শইকীয়া**
প্ৰাক্তন ছাত্ৰ

শেৱালিয়ে শৰতক
বিদায় দিয়াৰ পাছতে আহে
আঘোণ...
আঘোণ আহিলেই
মোৰ মনত পৰে
কালৰ কৰাল গ্ৰাসত
এৰি অহা দিনবোৰলৈ...
আঘোণৰ পথাৰত
সোণোৱালী ৰঙেৰে
মাণিকী মাধুৰী, সুৱাগমণিডৰা
বা ৰিব্ ৰিব্ হালি-জালি থকা
মলয়া বতাহত
থোকবিলাকে ৰিঙিয়াই মাতে,
পথাৰৰ জীয়াৰী, বোৱাৰীহঁতে
ধানৰ কাচি মাৰোঁতে
কোনোবা প্ৰেয়সীয়ে
হিয়াৰ আমঠুজনৰ
বিহুসুৰীয়া সুহুৰি শুনি
কাণ পাতোঁতে
হাতৰ আঙুলি কাটি তেজ
সোণগুটিৰ লগত
মিলি যোৱা গমকে নাপায়।
তাকো আওকাণ কৰি
অবিৰাম গতিৰে কাটি যায় ধান
বান্ধি যায় ঘিলাচকলীয়া মুঠি,
কিজানিবা আহিছে
মোৰেই চেনাইধন
বিৰিয়াত ডাঙৰী নিবলৈ।
প্ৰতিটো ডাঙৰীৰ
খোজৰ লহৰত
আছে মাথোঁ আশা-আকাংক্ষাৰ
কিন্তু হায়, সকলো আকাংক্ষা
সময়ৰ প্ৰবল সোঁতত
লীন হৈ যায়।
আহিবনে আৰু সেইদিন
সেইবাবে মোৰ
আঘোণ আহিলেই
মনত পৰে। ■



# মুখা

**ঋষা দেৱ**
স্নাতক প্ৰথম ষান্মাসিক (বিজ্ঞান)

বীভৎস শব্দৰ কোলাহলৰ মাজত
এয়া ক্ষত-বিক্ষত দেহৰ বিবস্ত্ৰ অবাঞ্চনীয়তা ৰূপ...
ধোঁৱাময় চৌদিশে
ক'লা এখন সেউজ পৃথিৱী
এইখনেই নাৰীৰ প্ৰগতি হোৱা ৰাষ্ট্ৰ!

ভদ্ৰতাৰ মুখা পিন্ধা ব্যক্তিৰ
ব্যক্তিত্বই তাৰ পৰিচয়...
এন্ধাৰৰ মৃত্যু দেখি বেলি ওলালেই পোহৰ নহয়
তাতো এখন মুখা আছে ব্যক্তিত্বৰ,
এখন মুখাৰ মুখেদিয়েই নিগৰে অশ্লীলতা
নতুবা
শত কৰুণ সুৰৰ ৰাগিনী বহু কণ্ঠৰ।

আন এখন মুখাই এতিয়া কৈ যাব পাৰে
এখন মুখাৰ দুৰ্বলতা,
বিচিত্ৰ বিকৃত মুখাৰ আঁৰত থাকে
অসভ্যৰ মিতিৰালি...
মুখাৰ বাবেই কামনাৰ বলি হৈছিল সিদিনা
কামাতুৰ পিশাচৰ হাতত
টুখিং তিখাক। ■

# অনন্ত যাত্ৰা

বিপুল নাথ

অনন্তৰ অন্তত অন্ত নহয়
অন্তহীন যাত্ৰা
সপোনে গঢ়া জীৱনৰ
নাই লেখমাত্ৰ
স্মৃতিৰ বুৰঞ্জীত লিখা
তোমাৰ জীৱন কথা
অশ্ৰু নহ'লে জীৱনৰ
সোৱাদ নহয় মিঠা।

নাই যদি জীৱনত
অৱদান বিশেষ
অস্তিত্বহীন জীৱনৰ
ৰ'ব ভগ্নাৱশেষ
ধোঁৱা, ছাইত হয় যদি
স্তব্ধ জীৱন
তোমাৰ বাবে এদিন
হয় অগণন।

এন্ধাৰে কঢ়িয়াই আনে
বিষাদ অনন্ত
পোহৰে দেখুৱাই দিয়ে
বাট দিগন্ত।

আছে যদি অভিজ্ঞতা
কল্পনা গঢ়াৰ
স্তব্ধ নহ'বা তুমি
দিয়া বাস্তৱ আকাৰ
বুজা নিজৰ ভাষাৰে
বিশ্ব বিশাল
অকাল বৃদ্ধ নকৰিবা
বিষাক্ত কাল।

আবেগৰ মেঘে ঢকা
চকুহাল
অভিশপ্ত জীৱনৰ অন্তত
হ'ব ফৰকাল।
নিৰ্বাক হৈ অনন্তলৈ
আকৌ এবাৰ চাই
নিয়তিয়ে জানো কিবা
বাট দেখুৱাই।

অপেক্ষাৰ অন্তত আছে
নিৰাকাৰ জীৱন
সহজ-সৰল মনত কৰা
জীৱন যাপন। ■

# নাৰী তই জাগিবৰ হ'ল

গিতুমণি চেতিয়া
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)

জিৰজিৰকৈ বৈ অহা
তোৰ দুচকুৰ বিশাল সোঁত
আৰুনো কিমান বোৱাবি এনেকৈ...
পাৰ হৈ যোৱা কত বুকুৰ বেদনা
কত জীয়া যন্ত্ৰণা,
আৰু যে কত অন্যায়, অত্যাচাৰ, অবিচাৰ।

মাথোঁ বুকু পাতি দি...
কিয় অনুভৱ কৰ দুৰ্বলতাক
কিয় চাই দিয় বুকুত বিষাদবোৰক
কিয় নিমিষতে পাহৰি যাৱ...
তই যে এগৰাকী নিঃসংগ নাৰী।
আজি দানৱৰ বলি তই
কালিলৈ আন কোনোবা...
তোৰ দৰে তেওঁ কাৰোবাৰ...
পত্নী, ভগ্নী, মাতৃ, জীয়াৰী
বুকুত সাহস বান্ধি তই ওলাই আহ্
দুৰ্বল নাৰীৰ প্ৰেৰণা হৈ
বুকুত বান্ধি ল'...
আমি অকলশৰীয়া নহয়
সকলোৱে জাগ্ৰত হৈ হাতত হাত থৈ
আগুৱাই যাম একেলগে...
দানৱ নামৰ জাতিটো শেষ কৰিবলৈ।

# স্মৃতি

**বিজয় বিকাশ কোঁৱৰ**
স্নাতক তৃতীয় ষান্মাসিক (কলা)

ভাল লগা দিনবোৰ
হেৰাই গ'ল গভীৰলৈ
সম্পৰ্কৰ মিতিৰালি বিচ্ছেদ হ'ল
তোমাৰ আৰু মোৰ মাজত
বানে নিঃশেষ কৰাৰ দৰে
পথাৰৰ শস্য।
মই অযোগ্য তোমাৰ বাবে
তুমি আশা, বসন্তৰ সপোন
তুমি মায়াবিনী ৰহস্যময়ী
সম্ভ্রান্ত তুমি, খিলঞ্জীয়া মই
ক্ষণস্থায়ী ৰঙ্গমঞ্চত
প্ৰেমৰ অভিনয়ত
ডেউকা ভঙা পক্ষীৰ দৰে
জঠৰ হৈ পৰিল মোৰ হৃদয়
তোমাক লৈয়ে সজীৱ হৈছিল
সোণালী ভৱিষ্যতৰ ৰঙীন কল্পনা
সময়ৰ সমিধানত পুণ্যতাৰ সঁফুৰা
নিঃসাৰ মই
এতিয়া মাথোঁ স্পন্দনৰ কোঠাত
এটি মাথোঁ বিষাদৰ গীত
জীয়াই থকা তাড়নাত। ■



# বিষণ্ণ ৰাতি

**বিশ্বজিৎ গগৈ**
স্নাতক প্ৰথম ষান্মাসিক (বিজ্ঞান)

(এক)
যন্ত্ৰণাৰ তাড়নাত এতিয়া এপাহ শেৱালি
ধীৰে ধীৰে ৰাতিৰ হিম সজ্জাত,
ক্ষীণ পোহৰৰ
এই বিষণ্ণ ৰাতিত
নিসংগ এপাহ শেৱালি...
(দুই)
বিকৃত মুখৰ এখন মুখা
হাতত এটা লেম্প্
কাৰ সৈতে বাৰ্তালাপত ব্যস্ত সেই ছায়ামূৰ্তি
স্পষ্টকৰণত আজি আঁচলৰ ছাঁ
আৰু
এখন ভয়ানক মৃত্যুৰ সাগৰ,
সমুখত আঁক-বাঁক এডাল ভয়াল সাপ।
(তিনি)
নিস্তব্ধ আকাশৰ হাটীপটি
চৌপাশে দেখোন এতিয়া বিষণ্ণ ৰাতি...
কোনে বজালে তেজলগা তাঁৰৰ বেহেলা
মোৰ কথাবিহীন কবিতাত,
পুৰণি কিতাপৰ পাতৰ দৰে উঁৰলি গৈছে
পিয়াহৰ সেই শুকান ডাৱৰবোৰ,
আৰু বতাহত বিনাইছে বিষাদ...
এই বিষণ্ণ ৰাতিত।
(চাৰি)
প্ৰতিদ্বন্দ্বীতাহীন প্ৰতিধ্বনিৰে
যেতিয়া কবিৰ মাত ঠেকা খাই উভতি আহে
কবিৰ কলমেদি কঁপিব ধৰে
কবিতা আৰু কবিৰ সত্তা,
ভৱিষ্যতৰ অদ্ভুত পতাকাই দেহৰ ছন্দত
কঁপাই তোলে তেজৰ বাণী
আজিৰ এই বিষণ্ণ ৰাতিত।
এতিয়া নিৰিবিলি সন্ধ্যাৰ দৰেই
নিসংগ এপাহ শেৱালি
শৰতৰ বিষণ্ণ ৰাতিত। ■

# সেউজী ধৰণী

**চুমি চেতিয়া**
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

এই সেউজী ধৰণীখনি
কিমান যে মনোমোহা,
তোমাৰ দলিচাতেই যেন
প্ৰাণ পাই উঠিছে সকলো।
কি নাই তোমাৰ?
এই অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যই
আমাক কৰি তুলিছে বিস্মিত।
আমাৰ প্ৰাণস্বৰূপ,
শক্তিদায়িনী তুমি,
তোমাৰ অবিহনে নাই
কোনো অস্তিত্ব।
এই অস্তিত্ব কেতিয়াও
হ'বলৈ দিব নোৱাৰি বিলীন,
আমি তোমাক জীয়াই
ৰাখিবই লাগিব অনন্তকাললৈ।
হে প্ৰাণকৰ্তা,
ধন্য তুমি।
আহিলোঁ এদিন তোমাৰ ধৰালৈ
আৰু এদিন তোমাৰ বুকুতে
হ'ব লাগিব
চিৰদিন বিলীন।



# জ্ঞানৰ দেৱী

**পৰশুৰাম খাৰিয়া**
দ্বাদশ শ্ৰেণী (কলা)

জ্ঞানৰ দেৱী মোক জ্ঞানৰ
পোহৰলৈ লৈ ব'লা;
অন্ধকাৰত ডুবি যোৱা পৃথিৱীক
পোহৰৰ পথলৈ লৈ ব'লা।

মই হেন মানৱ জাতিৰ পোৱালি
একোকে নাজানো মই,
মোক তুমি জ্ঞানৰ পোহৰলৈ লৈ ব'লা।
সাহসৰ ডোলেৰে বান্ধিম বুকু
কৰি যাম নিজৰ কাম,
ৰাখি যাম দেশৰ নাম।
উন্নতি সাধিম এই মানৱ জাতিৰ
জ্ঞানৰ দেৱী মোক জ্ঞানৰ
পোহৰলৈ লৈ ব'লা।

জ্ঞানৰ পথৰ পৰা বিচ্যুত হৈ যোৱা
মানৱ জাতিক ওভতাই আনিম জ্ঞানৰ পথত
সাজি দিম নতুন ঘৰ
গঢ়ি দিম নতুনত্বৰ
জ্ঞানৰ দেৱী মোক জ্ঞানৰ
পোহৰলৈ লৈ ব'লা।

# সময়

**ঋতুপৰ্ণা শইকীয়া**
দ্বাদশ শ্ৰেণী

সময়বোৰ বিৰাট নিষ্ঠুৰতাৰে,
সন্দিহান হৈ,
উলটি-উভতি চাই হাঁহিছে,
হাঁ হাঁ হাঁ হাঁ কৈ...
ল'ৰালি কালত পঢ়িবলৈ পাইছিলোঁ
সময়ৰ টিকনিডাল, হেনো
আগফালে,
সময়ে...
ডাষ্টবিনত পেলনীয়া সামগ্ৰীৰ দৰে
দলিয়াই দিলে মোক।
এতিয়াতো মই স্বপ্নময় জীৱনত
দিন-ৰাতিৰ সন্ধিক্ষণত
জীয়াই আছোঁ...
কাৰোবাৰ কথা সুঁৱৰি।

# স্বপ্ন

**পিংকী দত্ত**
স্নাতক চতুর্থ ষান্মাসিক (কলা)

দেখেছি একটি স্বপ্ন,
গড়েছি একটি কল্প।
ভেবেছিলাম হব কবি।
লিখব কবিতার ভাষা কত, কি?
কবিতার ভাষায় কথা বলব,
কবিতাতেই জগৎ দেখব।
বসিলাম মিলাতে ছন্দ,
বহু ভাষার ভালো মন্দ।
অল্প লিখেই স্বপ্ন গড়লাম,
কবির রূপে নিজেকে দেখলাম।
অল্প দেখেই স্বপ্ন,
চক্ষু মেলেই দেখি সেতো! কল্প।
জল্পনা আল্পনাই কাটে দিনখানা,
কল্পনাই ভেসে গেল জীবনখানা।
মনে গড়লাম শুধু কল্পনা,
দেখলাম স্বপ্ন শুধু একখানা।
তাই কবি হোয়ার স্বপ্ন পুরো হলনা। ■

# कदर समय की

**नेहा गुप्ता**
भ्वीं सेम (विज्ञान)

कदर समय की जो करते हैं।
जीवन में आगे बढ़ते है।
समय पे पक्षी नित उठते हैं।
यहाँ वहाँ दाना चुगते हैं।
कभी नहीं आलस करते है।
खा भरपेट मस्त रहते है।
हर हालत में खुश रहते है।
कदय समय की जो करते हैं।
समय पे बोता बीज किसान।
भर उठता उसका खलिहान।
समय पे चलकर बायुयान,
पहुँचाते जापान या ईरान।
कभी न पीछे वो रहते हैं।
कदर समय की जो करते हैं।
कछुआ जीता धीमे चलकर।
खरगोश हैं हारा सोकर।
समय बिताते जो रो-धोकर।
जीवन में खाते वो ठोकर।
विजय सदा हासिल करते हैं।
कदर समय की जो करते हैं। ■

# मेरी प्यारी माँ

**रोशन गुप्ता**
कक्षा एकादश (विज्ञान)

गहरी नींद से रोज सबेरे,
प्यार से हमें जगाती माँ।
करती है तैयार नाश्ता,
बस पर हमें बिठाती माँ।

विद्यालय से घर आओ तो,
द्वार पे है मिल जाती माँ।
थोड़ी सी भी देर हुई तो,
चिंता में पड़ जाती है माँ।

कपड़े बदलो खाना खाओ,
करो आराम बताती माँ।
पूरा करना होमवर्क फिर,
यह भी याद दिलाती माँ।

जाओ खेलो बच्चों के संग,
पर आना जल्द सुझाती माँ।
सुबह सेलेकर देर रात तक,
हर पल साथ निभाती माँ।

माँ जैसा प्यार न कोई,
मेरे दिल को भाती माँ।
अच्छी बातें हमें बताती,
मन में ही बस जाती माँ।
मेरी प्यारी माँ
मेरी प्यारी माँ... ■

# माँ

**अंजु शर्मा**
कक्षा एकादश (कला)

माँ दुनिया में सबसे अच्छी
सुबह खिलाती हमें गरम-गरम रोटी
करती है, घर का सारा काम
पूजा-पाठ सुबह शाम॥
बाहर जब हमें करते बदमाशी
डंडा लेकर माँ आ जाती
प्यार से मना कर हमें घर में बिठाती
अच्छे-अच्छे खिलौने देकर हमारे
मन को बहलाती॥
पढ़ा-लिखा कर हमें अच्छा इंसान बनाती
बूढ़ापे की लाठी हमें बनाती
माँ दुनिया में सबसे अच्छी॥

चिड़ियों की अनोखी दुनिया

एक थी चिड़िया भोली-भाली
बच्चे थे उसके दो,
ढूंढते जाती खाना वो
नदी-नाले पाहाड़ को पार कर जाती वो
फल दिखता अगर उसे,
तो, लपट कर लाती वो
लकर अपने बच्चे को,
पेट भर खिलाती वो
खतरा दिखता तो उसे
बच्चों को बचाती वो
एक थी, चिड़िया भोल



# RAIN

**Rajnandini Gogoi**
B.A. 5th Semester

How beautiful is the rain?
After the dust and heat,
In the narrow lane
How beautiful is the rain!
How it clatters along the roof
Like the tramp of hoof
How it qushes and struggles out
From the threat of the overflowing sprout
Across the pale
It pours and pours
And soft and wide
With the muddy tide ■

# Mother to Daughter

**Menoka Powdel**
B.Com 2nd Semester

Where is my daughter?
I had lost her somewhere
Somewhere in the darkness
Our bond has been disappeared.
Always busy in her work
And have no time for me
Where is my daughter?
Someone please tell me.
At times when she was a little girl
She shared all her feelings with me
Now the nexus has vanished
And left a formal friendship only
With her success, I feel proud and happy
But I'm sad as she is not with me
She loves me a lot, I agree
But the gap between us deprived my gaiety
Where is my daughter?
Someone please tell me. ■

# To the world- A Hope

**Sumi Seal**
B.A. 6th Semester

The age of this earth is unlimited, centuries old
It has witnessed the rise and decline of civilization
Has seen death and destruction!
This old earth has seen Nature's fury
Plunged into an abysmal depth of darkness
Not to be forgotten in a hurry.
The earth rotates and revolves
It goes on its full circle.
We observe in awe and wonder at its marvel.
While we walk through the woodland
Of autumnal time,
Hope and despair controlled be the hands of divine.
Poets and authors had composed verses
Said mosaic vista of events
Unveiled hidden treasures of history
Stories of failure and of glory
We are the prisoners of the past
Our presence will not forever last
We will be swept away by the currents of time!
But the new generation of tomorrow
Don't look back in sorrow.
Time is moving on
From the womb of the earth
Will raise a seedling of humanity
To bring about newness to this world forlorn
The new generation will sing a ditty
Of give and take, mix and merge
On the strands of ocean of humanity
They will lift the veil of darkness and mistrust
Will look at the rainbow of friendship, love and trust
Peace, unity and equality
Learn to look at the vastness of humanity-
Beyond the horizon
And a rainbow of hope,
Dazzling in the rays of a NEW DAWN! ■



# Go with love

**Robin Boro**
B.A. 1st Semester

Let's move together with love
Let's make ourselves like a dove
Let's fill the color of red with white
And let's keep the cruel face in side

Raise your hands for peace
Come ahead and take promise
And make a world full of happiness
Where there is no sign of soulless

Love does not belong to the wealthy men!
You have to earn as many as you can
Not for you but for others
It is more than money, more than pleasure.

Don't make the lovely dreams sorrowful
The coming rays of hope are wonderful
Don't break it down
Listen to the voice roaming around

Come let's walk away
In the path where love say
Where we lose discrimination
And that will be our destination. ■

# Hope

**Smita Chetry**
H.S. 2nd Year (Arts)

Hope will never die, when you have positive mind
If anything wrong happens, never mind.
Far away went the past,
Future has not yet come.
Regrets are not bad,
Neither are mistakes.
Don't sink down and cry,
Just get up and try!
When dreams are high
And you are scared from them to break
Just work on them
Hard work and smart work
That's all you need.
You are a creation of god,
And you are one of your kinds
Believe in yourself and start a fire
Will power will touch the sky
And you will be where you want to be. ■



# Graduating...

Anjana Chetry
B.Com 2nd Semester

Well, friends and family, at last
I've registered the flight!
I will not be a slacker
And I want to do what's right,
They need me, and I'm going to go-
I have enlisted, as I said,
To work upon a farm!

Thus, at present the Sonowal are essentially a rural population, improved contact and spread of education is reflected clearly in an increasing range of personal contact of the people. Now a days they are in close touch with the urban settings and exchanges on a socio-economic sphere with various neighbouring communities including castes and cognate tribes is on. However, geographical promixity of the Sonowal, particularly with the Ahoms, Chutiyas, Mishings, and Kaibartas, lead to establishing and maintaining inter-cultural links. Inter-village and inter-community relation also remain firm when the preceptors (gosai) with his followers pay annual visits to them. All the neighboring villages come together to greet and honour the preceptors. Due to the recent spread of formal education, it has been observed that some remarkable changes have taken place among them. Some of them hold good positions in modern occupations. The activities of the agriculture department and also the awareness of the people towards the improved varieties of seeds, use of manure and improved farming methods seem to be confined to the educated Sonowal. ■



# আত্ম অহংকাৰ

– দীপেন কুমাৰ বড়া

সংসাৰ থাকিও একপ্ৰকাৰ বৈৰাগ্য জীৱন কটোৱা পদ্মই দুপৰীয়া ভাতকেইটা খাই বাহিৰৰ কোঠাৰ বিছনাখনৰ ওপৰত পৰি আছে। আজি অতবছৰে এইখন বিছনাই তাৰ শৰীৰৰ ভাগ আঁতৰাই আহিছে, নিশাৰ টোপনি আনিছে। দেওবাৰৰ দিনা বাৰী-ঘৰৰ কিছু কাম-বন কৰাটো এক অভ্যাসত পৰিণত হৈ আহিছে, সেয়েহে দেওবাৰে দিনৰ সাজ খাওঁতে অনিচ্ছাকৃতভাৱে পলম হয়। চিলমিলিয়া টোপনি এটাই পদ্মক হেঁচি ধৰিলে। কবৰীয়ে খোৱা বাচন-বৰ্তন ধুই মেলি পদ্মৰ কোঠা পালেহি। বিছনাৰ কাষতে থকা চকীখনত বহি পৰিল। কিমান সময় তেনেদৰে পাৰ হ'ল তাই গমকে নাপালে। টোপনিৰ পৰা সাৰ পাই পদ্মই কবৰীক দেখি কিছু অপ্ৰস্তুত হ'ল। অপ্ৰস্তুত কবৰীও। গিৰিয়েক ঘৈণীয়েকৰ মাজত এনেধৰণৰ অপ্ৰস্তুত অৱস্থা, সেয়া সাধাৰণতে ভবা নাযায়। কিছু সময় মৌনতাৰ পাছত কবৰীয়ে মুখ খুলিলে —

"কথা কেইটামান পাতিব পাৰোনে?" — কথাষাৰ কৈ কবৰী বৈ গ'ল। পদ্মই কবৰীলৈ চালে যদিও মুখেৰে একো নামাতিলে।

"মোক আৰু কিমান শাস্তি দিব, এইটো জীৱন মোৰ বাবে অসহনীয় হৈ পৰিছে। আজি অতবছৰে সংসাৰ কৰিও এনেকৈ নিঃসঙ্গ জীৱন এটা পাৰ কৰিছোঁ, আপুনি ইমান জেদী কিয়? মোৰ বাবে আপোনাৰ অকণমানো অনুকম্পা নাই।" — কবৰীৰ মাতষাৰ থোকাথুকি হৈ আহিল। পদ্মই কবৰীলৈ চালে কিবা এটা ক'ব খুজিও ৰৈ গ'ল। কি ক'ব কবৰীক... তাইৰ জীৱন-যৌৱনৰ ওপৰত কি নিৰ্মম প্ৰতিশোধ লৈছে। কবৰীৰ প্ৰতি তাৰ সহানুভূতি জাগিলেও সি প্ৰকাশ নকৰে।

"আপুনি মোৰ প্ৰতি ইমান কিয় নিৰ্দয় হ'ল। কি দুখ আছিল মোৰ, সামাজিকভাৱে পত্নীৰ মৰ্যাদা দিলেও, এগৰাকী বিবাহিত নাৰীয়ে যিখিনি আশা কৰে সেইখিনিৰ পৰা বঞ্চিত কৰি মোক এনেকৈ মানসিক-শাৰীৰিক কষ্ট দি আপুনি নিৰ্বিকাৰ হৈ থাকিব পাৰে। এগৰাকী বনকৰা মানুহৰ স'তে মোৰ কোনো পাৰ্থক্য নাই। মোৰ প্ৰতি আপোনাৰ ইমান অবিচাৰ কিয়?" — কবৰীয়ে পুনৰ কৈ উঠে।

"এই প্ৰশ্নৰ উত্তৰ বিবাহৰ পাছতেই তোমাক দিয়া হৈছিল। আজি অতবছৰৰ পাছত পুনৰ একেটা প্ৰশ্ন কিয় কৰিছা? মই তোমাক আগতে কৈছোঁ, তোমাক কপালৰ সেন্দুৰকণৰ বাদে মই একো দিব নোৱাৰোঁ। মোক, মোৰ আদৰ্শৰ পৰা বিচলিত কৰিব চেষ্টা নকৰিবা।" — পদ্মই খুব সংযতভাৱে ক'লে।

"তোমাৰ যিদৰে নিজৰ জীৱনটোক লৈ সপোন আছিল, মোৰ জানো নাছিল? কিন্তু কিয় মোক এনেদৰে মিছা অপবাদ দি, সমাজত লম্পট সজাই তোমাক মোৰ ওপৰত জাপি দিলে। এটা মিছা কথাক সঁচা বুলি সমাজৰ আগত প্ৰতিপন্ন কৰা, তোমাৰ মাৰাৰ কথাত তুমিওতো সেইদিনা কোনো প্ৰতিবাদ কৰা নাছিলা। তোমাৰ মৌনতাই সেইদিনা মোৰ চৰিত্ৰহীনতাৰ প্ৰমাণ কৰা নাছিল নে?" — পদ্ম কিছু উত্তেজিত হৈ পৰিছিল।

"কিন্তু সেইদিনা সেই পৰিৱেশত কিবা এষাৰ কোৱাৰ সুযোগ মোৰ আছিল জানো।" — কবৰীয়ে ক'লে।

"কি সুযোগ নাছিল?"

"আপুনি দেখোন সকলো নিজেই

প্ৰত্যক্ষ কৰিছিল। মানুহবোৰ কিমান উত্তেজিত হৈ পৰিছিল।"

"কৰিছিলোঁ, সেই উন্মত্ত মিচিলে যদি মোকা শাৰীৰিক প্ৰহাৰ কৰি পঙ্গু কৰিলেহেঁতেন বা মাৰি পেলালেহেঁতেন... তেতিয়া।" — পদ্মৰ চকুত যেন জুই জ্বলিছে। কিছু সময় মৌন হৈ থাকি কবৰীয়ে পুনৰ আৰম্ভ কৰে।

"এতিয়া সেইবোৰ কথাকে ধৰি থাকিব নেকি?" — কবৰীয়ে প্ৰসঙ্গ সলনি কৰিবৰ বাবে চেষ্টা কৰিলে।

"মোৰ এই সিদ্ধান্ত সলনি নহয়, ইচ্ছা কৰিলে তুমি তোমাৰ মতে চিন্তা কৰি সিদ্ধান্ত ল'বা। মোৰ কোনো বাধা নাই, মোৰ কোনো দাবী নাই।"— পদ্মই কয়।

"মানে..."

"কিছুমান কথা মুকলিকৈ কোৱাৰ প্ৰয়োজন নাই, তুমি শিক্ষিতা নাৰী, গতিকে মই নাভাবোঁ তুমি অপৈণতাৰে কথাবোৰ চিন্তা কৰিবা।" — পদ্মই কবৰীলৈ নোচোৱাকৈ কথাবোৰ কৈ যায়।

কিছুপৰ মৌনতাৰে পাৰ হয় সময়। এটা সময়ত কবৰীয়ে চকুহাল মোহাৰি নিজৰ কোঠালৈ আগবাঢ়িল।

বিছনাখনত পৰি থাকি চকুহাল মুদি টোপনি যোৱাৰ চেষ্টা কৰিলে। কিন্তু টোপনি জানো ইচ্ছা কৰিলেই আনিব পাৰি। মনত অজস্ৰ প্ৰশ্নই দোলা দি গ'ল। কবৰীক সি জানো অন্যায় কৰা নাই। নিজৰ পত্নীৰ স'তে কিমান সপোন দেখিব পাৰি, কিমান কথা পাতিব পাৰি, কিমান পৰিকল্পনা কৰিব পাৰি। জীৱনৰ প্ৰতিটো মুহূৰ্তৰ সুখ-দুখৰ সমভাগী একমাত্ৰ পত্নী গৰাকী, অথচ তাৰ পত্নী এগৰাকী থাকিও সি ভাল-বেয়া, মৰম-চেনেহ, সুখ-দুখৰ কথা এযাৰ পাতিব পৰা নাই। পোৱা নাই মনৰ উত্তাপ, পোৱা নাই দেহৰ উত্তাপ। সকলো কথা মনৰ ভিতৰতে শেষ হৈ গ'ল। বিনিময় কৰিব পৰা নাই নিজৰ সপোনৰ কথা, আশাৰ কথা। মাকৰ ভুলৰ বাবে এজনী নিৰীহ গাভৰুৱে শাস্তি ভোগ কৰিছে। হয়, চাওঁতে চাওঁতে কেইবাটাও বছৰো পাৰ হ'ল। কিন্তু তাৰ মনত সৌ সিদিনা ঘটা ঘটনা যেনহে লাগে। তাৰ জীৱনৰ সেই অভিশপ্ত দিনটোলৈ মনত পৰিল।

সেইদিনা পদ্মই টিফিনৰ ঘণ্টা পৰাৰ লগে লগে, শিক্ষকৰ জিৰণি কোঠালৈ আহি, বহি-পত্ৰবোৰ নিজৰ ড্ৰয়াৰত ভৰাই থৈ, মাজে-সময়ে যোৱাৰ দৰে বিদ্যালয়ৰ সন্মুখতে থকা প্ৰধান শিক্ষক নবীন বৰুৱাৰ ঘৰলৈ গৈছিল। স্কুলত যোগদান কৰা দিনৰেপৰা প্ৰধান শিক্ষক বৰুৱাছাৰৰ ঘৰখনৰ লগত এটা আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল। বৰুৱা ছাৰৰ তিনিজনী ছোৱালী, ল'ৰা নাই। ডাঙৰ দুজনী কলেজত, এজনী দশম শ্ৰেণীত। বৰুৱা ছাৰৰ বাইদেউ বৰ সাদৰীয়েই আছিল। কিন্তু সেইদিনা সি যাওঁতে ঘৰত কেৱল কবৰী আছিল। ছাৰৰ বাইদেউ ক'ৰবালৈ ওলাই গৈছিল চাগে। ঘৰখনত অকলশৰীয়া কবৰী থকাৰ বাবে পদ্ম বহাও নাছিল। কবৰীৰ লগত দুই-এযাৰ কথা পাতি সি ওলাই আহিব খোজোতেই হঠাৎ ঘটনাটো ঘটিছিল। ডাৱৰীয়া বতৰৰ বাবে কবৰী বাহিৰলৈ ওলাই আহোঁতে চোতালত পিছল খাই পৰিল। তাইৰ অসহায় অৱস্থাটো উপলব্ধি কৰি হাতখনত ধৰি উঠাই দিছিল। ভৰিখন বোধ হয় মোচোকা খোৱাৰ বাবে দুখ পোৱাৰ বাবে তাই খোজকাঢ়ি যোৱাত অসুবিধা হৈছিল। পদ্মই তাইক হাতত ধৰি লৈ গৈ বাহিৰত থকা বিছনাখনতে বহাই দি আঘাত পোৱা ঠাইডোখৰ চাইছিল। হঠাত বাইদেউ মানে বৰুৱা ছাৰৰ পত্নীৰ আকস্মিক আগমনৰ লগে লগে পৰিস্থিতি সলনি হৈ পৰিল। পদ্মৰ কোনো কথা শুনা নাছিল। হতবাক হৈ পৰিল পদ্ম। তেওঁ কি ভাবি, কি দেখি ইমান উত্তেজিত হৈ চিঞৰ-বাখৰ কৰিলে পদ্মই ততকে ধৰিব নোৱাৰিলে। লাহে লাহে দুই-এজনকে ওচৰৰ মানুহ গোট খালে, বৰুৱানী বাইদেউৰ কথা শুনি সকলোৱে পদ্মৰ ওপৰত খৰ্গহস্ত হৈ পৰিল। "ঘৰত মানুহ নথকাৰ সুযোগ লৈ এইলম্পটবোৰে সমাজখন ধ্বংস কৰিছে।' — কোনোবা এজনে ক'লে।

"ইহঁতক এনেকৈ এৰি দিয়া উচিত নহয়।" — আন এজনে ক'লে।

"মাষ্টৰৰ স্বভাৱ এনেকুৱা।" — কথাবোৰে শেলে বিন্ধাদি বিন্ধিলে পদ্মক। বুকুৰ ভিতৰত কিবা এটা অজান কঁপনি উঠিছে। মানুহবোৰৰ কথা শুনি পদ্ম হতভম্ব হৈ পৰে। পদ্মই প্ৰকৃত ঘটনাটো ক'ব খুজিছিল যদিও কোনো কথাই মানুহবোৰে শুনা নাছিল বৰঞ্চ যিমান পাৰে সিমান তিৰস্কাৰ কৰিব ধৰিলে। সেই ঠাইৰপৰা আঁতৰি আহিবৰ বাবেও তেওঁলোকে কোনো সুযোগ দিয়া নাছিল। কাৰোবাক সহায় কৰিব গৈ এনেদৰে বিপদত পৰিব লগা হ'ব বুলি কোনোদিনেই ভবা নাছিল। যিগৰাকী নাৰীক বাইদেউ বুলি মাতি শ্ৰদ্ধা-ভক্তি কৰিছিল, সেইগৰাকী নাৰীৰ ওপৰত মুহূৰ্ততে এক ঘৃণাই জন্ম ল'লে।

ঘটনাটোত সমাজখনে পদ্মক দোষীৰ সাজ পিন্ধাই এজনী নিৰীহ নিষ্পাপ ছোৱালীক তাৰ ডিঙিত জাপি দিলে। এটা কলংকৰ বোজা লৈ সি কবৰীক গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। কাৰণ সি সেই সময়ত অকলশৰীয়া। তাৰ হৈ মাত মাতোতা কোনো নাছিল। কোনেও তাৰ কোনো কথা, কোনো প্ৰতিবাদ কোনেও শুনিব নুখুজিলে। তেওঁলোকৰ বাবে সি এজন চৰিত্ৰহীন, লম্পট, নষ্ট চৰিত্ৰৰ শিক্ষক। সি নিজকে বুজনি দিব পৰা নাছিল। নতুনকৈ পোৱা চাকৰিটো যোগদানৰ বাবে ঘৰৰপৰা ওলাই আহোঁতে মাকে চকুলো টুকি কৈছিল, "যা বোপাই, ভালকৈ থাকিবি, ৰাতি-বিয়লি বৰকৈ নুঘূৰিবি, দিন দুনিয়া ঠিক নহয়। ঘৰলৈ খবৰ-খাটি দি থাকিব।" — মাকে থোকাথুকি মাতেৰে কোৱা কথাকেইযাৰ

আজিও মনত আছে। পিতাকে নিজকে লুকুৱাবৰ বাবে কান্ধৰ গামোচাখনে চকুহাল মচি পদূলি মুখৰ ফালে আগবাঢ়ি আহিছিল। আজি মাক আৰু পিতাকলৈ বৰকৈ মনত পৰিছে। এনে এটা অপবাদ লৈ কেনেকৈ তেওঁলোকৰ সন্মুখত থিয় হ'ব। ঘৰখনৰ মঙ্গলৰ বাবে পুৱা-গধূলি গেসাঁই থাপনাত বন্তি জ্বলোৱা মাকে কথাটো শুনি কি কৰিব? চকুৰ আগত সেই দিনটো ভাহি আহিল। মাক আৰু পিতাকক সেৱা কৰোঁতে তেওঁলোকে মুখেৰে মাতিব পৰা নাছিল। কেৱল মূৰত হাত ফুৰাই মুখৰ ভিতৰতে দুই-এষাৰ কৈছিল। সি নিজকে বুজাবৰ চেষ্টা কৰে। কলংক মোচনৰ বাবে বহুবাৰ আত্মহত্যাৰ কথাও নভবা নহয়। ...কিন্তু আত্মহত্যা নকৰিলে। সি ইমান দুৰ্বল হ'ব নোৱাৰে। তাৰ নিজস্ব আদৰ্শ আছে। তাৰ মনত প্ৰতিশোধৰ এক তীব্ৰ বাসনা জাগি উঠিল। সি এগৰাকী শিক্ষক। তাৰ শিক্ষা আছে। মাক-পিতাকৰ কষ্টৰ সপোন সি ভাঙি চুৰমাৰ হ'ব নিদিয়ে। সি জীয়াই থাকিবৰ বাবে সংকল্পবদ্ধ হ'ল।

কোনো কোনো মুহূৰ্তত কবৰীৰ প্ৰতি দুৰ্বল নোহোৱা নহয়। সিয়ো তেজ-মঙহেৰে গঢ়া মানুহহে। দেহত যৌৱনৰ উত্তাল তৰংগই দেও দি ফুৰা সময়। তাৰ শাৰীৰিক আকৃতিকো সজোৰে দমন কৰি সি নিজৰ স্থিতিত নিৰ্বিকাৰ হৈ আছে। কবৰীৰ প্ৰতি অন্যায় কৰিছে, সেয়া সিয়ো উপলব্ধি কৰিছে। কিন্তু কবৰীৰ মাকৰ প্ৰতি থকা চৰম ঘৃণাই তাক কবৰীক অন্যায় কৰিবলৈ বাধ্য কৰিছে। বহু সময়ত সি লক্ষ্য কৰিছে, কবৰীয়ে যেন প্ৰতি মুহূৰ্ত তাক আঁৰ চকুৰে চাই থাকে। সিয়ো আঁৰ চকুৰে কবৰীক নোচোৱা নহয়। সি বুজে কবৰীৰ মনৰ কথা। কিন্তু কিবা এটা আত্ম অহংকাৰৰ বাবে সি সৰু হ'ব নোখোজে, শিৰনত কৰিব নোখোজে। সিদিনা স্কুলৰপৰা আহি পাইছেহি মাত্ৰ। হাত-ভৰিকেইখন ধুই টেবুলত ঢাকি থোৱা ভাতকেইটা খাবলৈ বহিল। আনদিনাৰ দৰে আজিও কবৰী দুৱাৰৰ মুখত ৰৈ আছে। সি সেইবোৰ আওকাণ কৰি খোৱাত মনোযোগ দিলে। হাত-মুখ ধুই বঁটাৰ পৰা তামোল এখন মুখত ভৰাই বাৰাণ্ডাত বহিলহি।

"মই এটা সিদ্ধান্ত ল'ব খুজিছোঁ।" — কবৰীয়ে দুৱাৰ কাষত ৰৈ আৰম্ভ কৰিলে। সি কবৰীলৈ চালে। কিবা এটা ক'ব খুজি ৰৈ গ'ল। চাওঁ নেচাওঁকৈ কবৰীৰ ফালে চাই মুখখন ঘূৰাই আনিলে।

"আপুনি মোক সদায়ে এইদৰে অৱহেলা কৰি আহিছে, মোক আজিলৈকে নিজৰ তিৰোতা হিচাপে গ্ৰহণ কৰিব নোৱাৰিলে। এগৰাকী বিবাহিতা নাৰীৰ শিৰৰ সেন্দুৰকণেই সৰ্বস্ব নহয়। বহু প্ৰাপ্তি-অপ্ৰাপ্তিৰ সপোন থাকে। আপুনি আজি অতবছৰে মোক যিখিনি দিয়া নাই, যিখিন পোৱাৰ আশাত আজিও বন্দী হৈ আছো আপোনাৰ কাষত। আজি অতবছৰে কেৱল হাহাকাৰ কৰি ফুৰিছোঁ। মই ভাবিছিলোঁ, এদিন আপোনাৰ ভুল ভাগিব, মোৰ প্ৰতি অনুকম্পা জাগিব, মোক আঁকোৱালি ল'ব। আজিলৈকে কিন্তু সেয়া হৈ নুঠিল... আপুনি বৰ নিষ্ঠুৰ, অত্যন্ত জেদী, ...আপুনি মোক মুক্তি দিয়ক।" — কথাযাৰ কৈ তাই হুকহুকাই কান্দি উঠিল। নিৰ্বিকাৰ পদ্মপ্ৰাণ হাজৰিকা। নাৰীৰ চকুৰ পানীৰ ওচৰত যুগে যুগে বিচলিত হৈছে পুৰুষ। কিন্তু পদ্ম কিছু সুকীয়া, কিবা বেলেগ ধাতুৰে গঢ়া। সহজে তাক বিচলিত কৰিব নোৱাৰে।

"কি মুক্তি বিচাৰিছা তুমি? মইতো তোমাক কোনোদিনেই বান্ধি ৰখা নাই। এই ঘৰখনলৈ অহাৰ দিনাৰ পৰাই তোমাক স্পষ্টভাৱে স্বাধীন কৰি দিছিলোঁ, ময়ো তোমাৰ পৰা মুক্ত হ'ব বিচাৰোঁ।"

"অ'... সেইটোৱেই যদি শেষ কথা তেন্তে মই আপোনাক মুক্ত কৰি দিম। মই আপোনাৰ বোজা হৈ থাকিব নোখোজোঁ। মই ক'ৰবালৈ গুছি যাম।" — খুব আবেগিক হৈ পৰে কবৰী।

"সেইটো তোমাৰ কথা, তুমি বহু আগতেই যাব পাৰিলাহেঁতেন। অনাহকত তুমি পলম কৰিলা। তুমি তোমাৰ জীৱনটো নতুনকৈ আৰম্ভ কৰা।" — পদ্মও কিছু আবেগিক হৈ পৰে।

কিছু সময় এনেদৰে মৌন হৈ পৰে দুয়োটাই। ...পদ্মই বহাৰ পৰা উঠি পদূলিমুখলৈ খোজ দিলে।

নিশা ক্ৰমে গভীৰ হৈ আহিছে। কিন্তু পদ্মৰ চকুত টোপনি নাই, খুব অস্থিৰ হৈ পৰিছে। কি কৰিব, কি নকৰিব, পদ্মই একো ততকে ধৰিব পৰা নাই। কবৰীক বাৰু গ্ৰহণ কৰি ল'ব নেকি? নাই নোৱাৰে, কবৰীৰ প্ৰতি কিছু আন্তৰিকতা থাকিলেও মাকৰ কথা মনত পৰিলে সকলো শেষ হৈ যায়। সি বিছনাৰ পৰা নামি পানী গিলাচ খাই ল'লে। কাষৰ কোঠাত কবৰী শুই আছে। সি মন কৰিলে কবৰী কোঠাৰ লাইট এতিয়াও জ্বলি আছে। কবৰীৰ কোঠাৰ দুৱাৰখনৰ কাষলৈ গৈ ৰৈ গ'ল। ভিতৰৰ পৰা অহা উচুপনি তাৰ কাণত পৰিল। এনেকৈ তাই বাৰু সদায় উচুপি থাকে নেকি? কবৰীৰ উচুপনিয়ে তাক ভবাই তুলিলে, স্তব্ধ কৰি দিলে খন্তেকৰ বাবে। মুহূৰ্ততে যেন কবৰীক সাৱটি ধৰি তাই দুখবোৰ আঁতৰাই দিব? কিমান সময় তেনেদৰে ৰৈ থাকিল সি ক'ব নোৱাৰে। লাহে লাহে আঁতৰি আহি বাহিৰৰ দুৱাৰখন খুলি দিলে। বাহিৰত পুৱাৰ ফেহুঁজালি। এটা নতুন দিনৰ আৰম্ভণি হৈছে। সি চোতালখনত থিয় হৈ আকাশখনলৈ চালে। নিশাৰ আন্ধাৰ আঁতৰি আকাশখন পৰিষ্কাৰ হৈ পৰিছে। ■

As Jane Austen said in Pride and Prejudice, "Think only of the past as its remembrance gives you pleasure". Cherishing such memories I bid farewell to our college to step on a new journey of life. And I dedicate this piece of writing to those remarkable persons whom I have come across during those years of my college life, have stood by me, helped me to grow into better person-taught me not just as a teacher but as a guardian. And I feel blessed to have been under their guidance and hope to make them proud one day.

My journey as a Digboi College student began as a H.S.1st year student in 2011. Stepping inside the college gate on my first day all I could think was that I was like the fish that had swam into unknown water. But all that changed, when I met you (all the teachers of Digboi College Commerce department). When I first came to the college, I lacked confidence and courage, But all of you believed in me and it is due to you that I believe, if I work hard enough I can achieve anything; there isn't a mountain I can't climb not an ocean I can't swim across, if wish I can reach the sky; but this confidence and the will to work hard is all because of all of you. You have stood beside me when I needed you the most and helped without even asking, the journey with all of you in all these years has been an amazing and learning experience for me to keep on growing better and better in future. I thank all (the teachers) for accepting me as a part of your family and making me feel special not just in your eyes but in my eyes as well, and lit a fire in my heart to work hard.

In those years of my college life the bonding that you created with me, I promise I will never forget, I will never forget. All that you have done for me, how you have encourage me to take lead in every ocassion and also stood by me and supported me and how you rectified my mistakes. And I promise to all of you that with the fire thats burning in my heart I will work hard to make you proud in the years to come. And at last I end this writing with a few lines for my teachers and friends :

*The Giggles; the cheers;*
*the dreams of teenage years,*
*Moments of joy and laughter with friends and teachers;*
*Such were my Golden college years*
*The trees that once shaded our gossip,*
*the stairs that once we sat,*
*the rooms, the benches once filled with over laughter,*
*Now aren't the new -bees to end their despair,*
*Free like a bird to fly where I desire,*
*Beautiful were those days of my teenage years,*
*With memories of those pleasant times,*
*I say Good bye to my*
*Golden times* ■

# Golden Life

**Kishaloya Bhattacharjee**
B.Com 6th Semester





# Resource Allocation in Lepidopterans: An Outline

- Subhasis Arandhara

Lepidoptera, i.e. Moths and Butterflies allocate acquired food resources in a number of ways, depend on stage of development, quality of food resources, physiological condition, and metabolic demands of physiological processes (such as digestion and thermoregulation), activities (such as foraging and mating), and interactions with other organisms (including competitors, and predators). In addition to basic metabolism, foraging, growth, and reproduction, individual organisms also allocate resources to pathways that influence their interactions with other organisms and abiotic nutrient pools (Elser et al. 1996).

For example, the caterpillars are relatively inactive during their larval instars and expend energy primarily for feeding and defence, whereas adults Lepidopterans expend additional energy and nutrient resources for dispersal and reproduction.

**Resource Allocation in Resource Acquisition**

Foraging activity is necessary for resource acquisition. Movement in search of food requires energy expenditure thus the assimilated resources are allocated. Energy requirements vary among foraging strategies, depending on distances covered and the efficiency of orientation toward resource cues. The defensive capabilities of the food resource also require different levels of energy and nutrient investment. Flight is more efficient and efficiency increases with flight speed (Heinrich 1979), enabling lepidopterans to cover large areas with relatively small energy reserves. Dispersal activity is an extension of foraging activity and also constitutes an energy drain.

**Allocation in Mating Activity**

Mate attraction and courtship behaviour often are highly elaborated and ritualized and can be energetically costly. Nevertheless, such behaviours that distinguish species, especially sibling species, ensure appropriate mating and reproductive success and contribute to individual fitness through improved survival of offspring of sexual reproduction.

**Courtship Behaviour**

Courtship often involves an elaborate, highly ritualized sequence of stimulus and response actions that must be completed before copulation occurs. This provides an important mechanism that identifies species and sex, thereby enhancing reproductive isolation. Colour patterns, odours, and tactile stimuli are important aspects of courtship.

**Attraction**

Chemical, visual, and acoustic signalling are used to attract potential mates. Attraction of mates can be accomplished females of Lepidoptera that release sex pheromones.

**Reproductive and Parental Behaviour**

Lepidopterans, like other organisms, invest much of their assimilated energy and nutrient resources in the production of offspring. Reproductive behaviour includes varying degrees of parental investment in offspring that determines the survival of eggs. Selection of suitable sites for oviposition affects the exposure of eggs to biotic as well as abiotic conditions suitable for hatching. The choice of oviposition site also affects the exposure of hatching immatures to predators and parasites and their proximity to suitable food resources.

**Allocation in Defensive Behaviour**

Most Lepidopterans are capable of defending themselves against predators. Many caterpillars rear up and strike like a snake when alarmed.

Defence conferred by camouflage reduces the energy costs of active defence but may require greater efficiency in foraging or other activities that could attract attention of predators (Schultz 1983).

Camouflage or crypsis is resemblance of colour pattern of the wings, body, and appendages to the background on which they normally rest while restricting their movement. Majority of moths escape from predators by camouflaging itself, which is considered as one of the most striking adaptations to ensure survival and reproductive success.

Startle display is a special form of colour warning present in many Erebids where the aposematic coloured hindwings remain hidden beside the cryptically coloured forewings, when a predator detects the prey and approaches nearby the moth startle the predator displaying the bright hindwings confusing with a threatening animal.

Mimicry is resemblance to another, usually venomous or unpalatable, species and usually involves conspicuous, or aposematic, coloration. Mimicry can take two forms, Batesian and Müllerian. Batesian mimicry is resemblance of a palatable or innocuous species to a threatening species, whereas Müllerian mimicry is resemblance among threatening species.

They also produce a variety of defensive compounds that can deter predators. Many of these compounds are energetically expensive to produce and may be toxic to the producer as well as to predators, requiring special mechanisms for storage or delivery. Nevertheless, their production sufficiently improves the probability of survival and reproduction to represent a net benefit to the producer (Conner et al. 2000, Sillén-Tullberg 1985). Such species usually are conspicuously coloured (aposematic) to facilitate avoidance learning by predators.

**Resource Efficiency**

The efficiency with which assimilated resources are allocated to growth and reproduction determines fitness of any organism. However, except for sessile organisms, much of the assimilated energy and material must be allocated to activities pursuant to food acquisition, dispersal, mating, competition, and defence. The amount of assimilated resources allocated to these activities reduces relative growth efficiency (Schultz 1983, Zera

and Denno 1997). Clearly, the diversion of resources from growth and reproduction to these other pathways must represent a net benefit to the individual.

**Factors Affecting Efficiency**

Efficiency is affected by a number of constraints on energy and resource allocation. Clearly, selection should favour physiological and behavioural adaptations that improve overall efficiency

**Food Quality**

Food quality affects the amount of food required to obtain sufficient nutrition for growth and reproduction, and the energy and nutrients required for detoxification and digestion. The ones feeding on hosts with lower levels of defensive compounds invest fewer energy than do the ones feeding on better defended hosts.

**Size and Physiological Condition**

Body size is a major factor affecting efficiency of energy use. Larger organisms have greater energy requirements than do smaller organisms. However, smaller organisms with larger surface area-to-volume ratios are more vulnerable to heat loss than are larger organisms.

**Learning**

Learning is a powerful tool for improving efficiency of resource use. Learning reduces the effort wasted in unsuccessful trials. Learning to distinguish appropriate from inappropriate hosts to respond to cues associated with earlier success, and to improve foraging technique greatly facilitates energy and nutrient acquisition (Cunningham et al.1998).

The efficiency of foraging, reproductive, competitive, and defensive behaviour may be increased by use of visual, chemical, or acoustic signals that communicate information to recipients. Foraging and mating efficiency can be improved by orienting toward chemical cues produced by suitable resources or potential mates. Discovery of a potential mate initiates a courtship ritual that improves fitness by ensuring species recognition and receptivity. Competition for food or mates can be minimized by signals that deter other individuals

Competition and defence against predators often involve considerable expenditure of resources.

Environmental changes will affect the efficiency of resource acquisition and allocation strategies. For example, global warming will improve energy balance for some species (e.g., early season or high latitude pollinators) but increase respiration costs beyond ability to acquire energy and nutrients for others.

Ultimately, strategies for acquiring and allocating energy and nutrient resources affect community interactions, energy flow, and nutrient cycling processes. ■



# কুঁহিপাত

হেমেন শইকীয়া
প্ৰাক্তন ছাত্ৰ

"শ্ৰদ্ধাৰ

উপস্থিত সুধীবৃন্দ, গুৱাহাটীৰ পৰা প্ৰকাশিত মাহেকীয়া অসমীয়া আলোচনী 'কুঁহিপাত'ৰ দশম বৰ্ষপূৰ্তি উপলক্ষে অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অশেষ কষ্ট কৰি আপোনাসৱে এই অনুষ্ঠানত উপস্থিত হৈ আমাক যিদৰে উৎসাহিত কৰিছে, তাৰ বাবে আমি আপোনাসৱৰ ওচৰত চিৰকৃতজ্ঞ। 'কুঁহিপাত'ৰ সকলো লেখক-লেখিকা, পঢ়ুৱৈ, বিক্ৰেতা, বিজ্ঞাপনদাতা আৰু শুভাকাংক্ষী ব্যক্তিসকললৈ আদৰণি জনাই আজিৰ অনুষ্ঠানৰ পাতনি মেলিছো। প্ৰথমে পৰিচয় পৰ্ব অনুষ্ঠানটিৰ আঁত ধৰিবৰ বাবে 'কুঁহিপাত' প্ৰকাশনৰ স্বত্বাধিকাৰ মাননীয় অৰুনাভ ডেকা মহোদয়ক অনুৰোধ জনালোঁ।"

আজি ২০০১ চনৰ ২১ এপ্ৰিল। গুৱাহাটীৰ চানমাৰীৰ পৰা প্ৰকাশিত অসমীয়া আলোচনী 'কুঁহিপাত'ৰ দশম বৰ্ষপূৰ্তি অনুষ্ঠান 'কুঁহিপাত'ৰ নিজা কাৰ্যালয়ত অনুষ্ঠিত হৈছে। যোৱা দহ বছৰ ধৰি অৰুনাভ ডেকাই নিয়াৰিকৈ প্ৰকাশ কৰি আহিছে 'কুঁহিপাত'। অসমৰ উজনিৰ পৰা নামনিলৈকে প্ৰায়বোৰ ঠাইলৈ সম্প্ৰচাৰিত হৈছে 'কুঁহিপাত'। পাঠক সমাজৰ বিপুল সমাদৰ লাভ কৰিছে আলোচনীখনিয়ে। 'কুঁহিপাত'ৰ উদ্যোগত অসম ভিত্তিত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰি অহা হৈছে বিগত দহ বছৰে। এই বছৰো তাৰ ব্যতিক্ৰম ঘটা নাই। অনুষ্ঠানৰ মাজতে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই বছৰৰ শ্ৰেষ্ঠ বিক্ৰেতাৰ সন্মান লাভ কৰিছে নামৰূপৰ কবিতা ভৰালীয়ে। তেওঁলৈ আগবঢ়োৱা হৈছে পাঁচহাজাৰ টকা আৰু এখনি প্ৰশংসা পত্ৰ।

অনুষ্ঠান শেষ হোৱাৰ পিছত ওচৰৰ অতিথিসকল নিজ নিজ ঘৰলৈ গুচি গ'ল। দূৰৰ বুলিবলৈ প্ৰায় বিছজনমান ব্যক্তি থাকিল। তাৰে তিনিগৰাকী মহিলা। পুৰুষসকলৰ কেইজনমানে গুৱাহাটীৰ ওচৰৰ চিনাকি ব্যক্তিৰ ঘৰলৈ গুচি গ'ল। বাকীকেইজনৰ থকা-খোৱাৰ ব্যৱস্থা 'কুঁহিপাত'ৰ কাৰ্যালয়তে কৰি দিলে। মহিলা তিনিগৰাকীৰ দুগৰাকী নামৰূপৰ কবিতা ভৰালী আৰু ভনীয়েক ৰেখা ভৰালী। আনগৰাকী যোৰহাট কাকজানৰ বন্দিতা হাজৰিকা। এখেত বয়সস্থ মহিলা। অৰুনাভ ডেকাই তেওঁলোক তিনিওগৰাকীকে নিজৰ বাসগৃহলৈ লৈ গ'ল।

অৰুনাভৰ বয়স চল্লিছৰ উৰ্দ্ধত হ'ব লাগে। থাকে চানমাৰীৰ ৰাজগড় পথৰ এটি ঘৰত। পৰিয়াল বুলিবলৈ মাক-দেউতাক, ভনীয়ক দুজনী আৰু সি। কস্তুৰী আৰু অনামিকাই কটন কলেজত অধ্যাপনা কৰে। অৰুনাভে চাকৰি নকৰে। সি ব্যৱসায় কৰে। নিজা প্ৰচেষ্টাত আজি দহ বছৰে ধৰি 'কুঁহিপাত' প্ৰকাশন পৰিচালনা কৰি আছে।

ঘৰলৈ দূৰণিৰ আলহী অহা দেখি ঘৰখনৰ সকলোৱে বৰ ভাল পাইছে। বয়স হ'লেও অৰুনাভৰ মাকে নিজেই ৰন্ধা-বঢ়া কৰিব পাৰে। সেয়ে আলহীক বৰ শ্ৰদ্ধাৰে ৰান্ধি-বাঢ়ি খুৱালে, অতিথিপৰায়ণ বাক-দেউতাকে তিনিওগৰাকী অতিথিৰ লগত চা-চিনাকি হোৱাত লাগিল। কস্তুৰী আৰু অনামিকাইও সিহঁতৰ লগ লাগিল। সিফালে অৰুনাভে ব্যৱসায়ৰ হিচাপ-নিকাচ কৰিবৰ বাবে নিজৰ কোঠাত সোমাই কম্পিউটাৰটো 'অন' কৰি ল'লৈ। নতুন বছৰৰ পৰা নতুন হিচাপ-

নিকাচ হ'ব লাগে। সেয়ে সি পুৰণি ফাইলবোৰ বন্ধ কৰি নতুন ফাইল সাজু কৰি ল'লে। ব্যৱসায়ৰ লাভ-লোকচানৰ মাজতে নিজৰ মনটো সীমাবদ্ধ কৰি ৰাখিবলৈ বিচাৰিলে যদিও কাষৰ কোঠাত চলি থকা আলোচনা চক্ৰ ৰসাল শব্দবোৰ আহি তাৰ কাণত নোসোমোৱাকৈ নাথাকিল। সকলোৱে নিজা নিজা ঘৰুৱা পৰিৱেশ আৰু পৰিচয় দাঙি ধৰিছে। কবিতা ভৰালীয়ে কথা প্ৰসংগত মাকৰ নামটো ক'বলগীয়া হ'ল। তাইৰ মোমায়েক হৰি বৰশইকয়া এজন ৰেল বিভাগৰ বিষয়া, লাহোৱালত থাকে। তাই নামৰূপ মহাবিদ্যালয়ত স্নাতক মহলাত অধ্যয়ন কৰি আছে। বৰ নিমাখিত ছোৱালী। কথা-বতৰা, চাল-চলন সকলোতে গাম্ভীৰ্যতা আছে। প্ৰথমবাৰ কবিতাক দেখিয়েই অৰুনাভে চক্ খাই উঠিছিল। কিবা এক অজান চিন্তাৰ জালে তাৰ মগজুক ঢাকি ধৰিবলৈ চেষ্টা কৰিছিল। কিন্তু নিজৰ কৰণীয়খিনিৰ বাবে তৎক্ষণাত নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ল। কবিতাৰ কথাবোৰ শুনিবলৈ আগ্ৰহ থকাৰ বাবে সি কম্পিউটাৰটো বন্ধ কৰি লাহেকৈ বিছনাখনত বাগৰ মাৰিলে।

কি কৈছিল কবিতাই ? তাইৰ মোমায়েকৰ নাম হৰি বৰশইকীয়া। মাকৰ নাম কি বুলি ক'লে সি ভালকৈ শুনি পোৱা নাছিল। সেয়ে কবিতাৰ মুখৰ পৰা মাকৰ নামটো শুনিবলৈ তাৰ বৰ মন গ'ল। সি আৰু বৈ থাকিব নোৱাৰিলে, লাহেকৈ বিছনাৰ পৰা উঠি সিটো কোঠালৈ গ'ল। ইতিমধ্যে তাৰ মাক আৰু দেউতাকে আলোচনা ত্যাগ কৰি নিজ কোঠালৈ গ'ল। খালী হৈ থকা এখন চকীত বহি লাহেকৈ অৰুণাভে আলোচনাৰ আঁত বিচাৰিবলৈ চেষ্টা কৰিলে। সকলোৱে ঘৰুৱা পৰিচয় পুনৰাবৃত্তি কৰালে। সুযোগ বুজি কবিতাৰ মুখৰ পৰা মাক-দেউতাকৰ নামকেইটা সুধি উলিয়ালে। হয়, সি ঠিকেই অনুমান কৰিছিল। অৱশ্যে কবিতাক দেখি তাৰ মনলৈ যি ভাব আহিছিল সেয়া সম্পূৰ্ণ বাস্তৱ নহ'ল যদিও অনুমান মিছা নহ'ল। বেছি সময় সেই আলোচনা চক্ৰ চলি নাথাকিল। সকলোৱে শুবলৈ বুলি নিজ নিজ কোঠালৈ গ'ল। অৰুণাভেও নিজৰ কোঠালৈ পুনৰ সোমাই গ'ল। টোপনি অহা নাই যদিও ভাৱনাৰ সাগৰত ডুব গৈ অনিচ্ছাকৃতভাৱেই বিছনাত বাগৰি পৰিল, চকুহাল মুদিবলৈ তাৰ বৰ ভয় লাগিল। এটা পুৰণি সমস্যাই একুৰা ভয়ানক জুইৰ ৰূপ লৈ তাৰ ফালে জিভা মেলি লহ-লহকৈ আগবাঢ়ি আহিছে। যেন মুহূৰ্তৰ ভিতৰতে তাক দহি শেষ কৰিব। যি সমস্যাৰ কথা পাহৰি থশকিবৰ বাবেই এদিন সি আঁতৰি আহিছিল নিজৰ গাঁও, মাটি-বাৰী, আত্মীয়-কুটুম্ব সকলোকে এৰি গুৱাহাটীলৈ, সেই সমস্যাই খেদি আহি তাৰ বৰঘৰ সোমালহি। যোৱা বিছ বছৰে সি সেইবোৰ কথা পাহৰি আছিল। আজি কবিতাক দেখি আকৌ তাৰ উভতি যাবলৈ মন গ'ল অতীতলৈ। ককথাবোৰ লাহে লাহে তাৰ মনলৈ আহিবলৈ ধৰিলে।

আজিৰ পৰা বিছ বছৰৰ আগৰ কথা। ১২ ফাগুন, দেওবাৰ। সন্ধিয়া সাত বাজি প্ৰায় চল্লিছ মিনিটমান গৈছিল কি যে ভাবিব নোৱাৰা নাটকীয় ঘটনা। চিনেমাৰ কাহিনী হোৱা হ'লে কাহিনীটোৰ সামৰণি কিছু বেলেগ হ'লহেঁতেন। কিন্তু তাৰ জীৱনৰ সেই ঘটনা কেতিয়াও চিনেমাৰ কাহিনী হ'ব নোৱাৰে। কথাবোৰ আৰু অলপ আগৰ পৰা ভাবি চাবলৈ তাৰ মন গ'ল। অনিন্দিতা, কবিতা ভৰালীৰ মাকৰ নাম। অনিন্দিতাক ঘৰত আনকি ওচৰ-চুবুৰীয়াসকলে মাজনী বুলিহে মাতে।

ঃ অৰুণদা আহিলে, ইমান দেৰি কিয় কৰিলে ?

তাই অৰুণাভক অৰুণদা বুলিহে মাতে। স্কুলৰ পৰা আহি লৰালৰিকৈ কাপোৰ-কানি সলাই পদূলিলৈ ওলাই আহে। অৰুণাভ টিউচন কৰিবলৈ আহি পোৱাৰ পিছতহে তাই ভাত খাবলৈ যায়, সেয়ে অলপ দেৰি হ'লেই তাই কিয় দেৰি হ'ল সোধে। ভাতৰ কাঁহীখন লৈ অৰুণাভক দেখাকৈ ওচৰৰ কোঠালৈ আহি লয়। তাই ভায়েকক এনেদৰে বহিবলৈ দিয়ে যাতে তাই কাযেদি অহা-যোৱা কৰি থাকিলেও ভায়েকে গম নাপায় আৰু অৰুণাভৰ চকুত পৰে। দিন বাঢ়ি যোৱাৰ লগে লগে অৰুণাভো তাইৰ প্ৰতি আকৰ্ষিত হ'ল। সিহঁতৰ মাজত প্ৰেম বাঢ়িবলৈ ধৰিলে। পৰস্পৰে নেদেখাকৈ এপলকও থাকিব নোৱাৰা হ'ল। তাইৰ মাক-দেউতাকেও কিছুদিনৰ পৰা সিহঁতক লক্ষ্য কৰি আছিল। কিন্তু সিহঁতৰ আগত কেতিয়াও ধৰা পৰা কোনো কথা পতা নাছিল নাইবা অসন্তুষ্টি প্ৰকাশ কৰা নাছিল। বৰং এদিন তাইৰ মাক-দেউতাকে অৰুণাভক ভাত খাবলৈ দি ক'লে।

ঃ তুমি সোনকালে বিয়া নকৰাবাদেই। প্ৰথমে কিবা এটা কাম বিচাৰি লোৱা। ছোৱালী বিচাৰি হাবাথুৰি খাই নুফুৰিবা। আমি আছো নহয়। তোমাৰ বিয়াখন আমি ভালদৰে পাতি দিম বুলি ভাবিছো। তুমি আমাৰ ঘৰলৈ নহাকৈ নাথাকিবা। তোমাৰ নিজৰ কিতাপ-পত্ৰ দুখনমান আমাৰ ঘৰলৈকে লৈ আহিবা আমাৰ ইয়াক একেৰাহে পঢ়াই থাকিব নালাগে নহয়। তুমি বহি থাকিলেই পঢ়ি থাকিব। তুমি নিজৰ কিতাপ পঢ়ি থাকিব পাৰিবা। ৰাতি ঘৰলৈ অকলে আমাক নোকোৱাকৈ গুচি নাযাবা। আমাৰ কোনোবাই থৈ আহিবগৈ। তোমাকতো আমাৰ ঘৰতে থাকিবলৈ কৈয়ে থাকো। ৰাতিপুৱা সোনকালে ঘৰলৈ গুচি গ'লেই হ'ল।

সি সকলো সুবিধা নল'লেও তাৰ পৰীক্ষাৰ সময়ত পঢ়িবলগীয়া দুখনমান কিতাপ লগত লৈ যায়। তাতে কিছু সময় পঢ়ে। ৰূপেশ্বৰে অৰুণাভক এৰি এদিনো ভাত নাখায়। সদায় ভাত বাঢ়ি ৰৈ থাকে অৰুণাভলৈ। সিওসদায় আনৰ ঘৰত ভাত খাবলৈ ইচ্ছা নকৰে। সেয়ে অৰুণাভক ঘৰত আগবঢ়াই থবলৈ যাওঁতে ৰূপেশ্বৰে তাৰ দেউতাকক কৈ যায়।

ঃ দাদা আপুনি চিন্তা নকৰিব। ইয়াক মই সদায় থৈ যাম। ইয়াক মই আমাৰ ঘৰতে শুই থাকিবলৈ কৈছো। ইহে লাজ কৰে আৰু খুড়ী, আপুনি ইয়াৰ কাৰণে চাউল নল'ব। ই সদায় আমাৰ ঘৰতে ভাত খাই আহিব।

মাজনীৰ মোমায়েক থাকে শিৱসাগৰ চহৰত। চাকৰি কৰে। মাজে মাজে তেওঁ আহি মাজনীক সিহঁতৰ ঘৰলৈ প্ৰায় জোৰ কৰি লৈ যায়। তাইৰ ইচ্ছা নাথাকিলেও গালি-গালাজ খাই প্ৰায় এসপ্তাহমান মোমায়েকৰ ঘৰত থাকিবলগীয়া হয়। মোমায়েকে অৰুণাভক সিমান ভাল নাপায়। তেওঁ অৰুণাভক ওচৰত পালেও মাত-বোল নকৰে। বোধকৰো কিবা সন্দেহ কৰিয়ে তেওঁ মাজনীক ঘৰৰ পৰা আঁতৰাই ৰাখে। লাহে লাহে মাহেকত দুই-তিনিদিনহে ঘৰত থাকিবলৈ পোৱা হ'ল অনিন্দিতাই।

এদিন বুদ্ধি কৰি অনিন্দিতাৰ মাকে তাক টিউচন কৰিব নালাগে বুলি ক'লে। তেতিয়াৰ পৰা তাৰ আৰু অনিন্দিতাৰ ঘৰলৈ যোৱাৰ সুযোগ নাহিল। তাই ঘৰলৈ কেতিয়া আহে সি গমেই নাপায়। এইদৰে প্ৰায় দুবছৰ পাৰ হৈ গ'ল। এদিন তাৰ কাণত পৰিল অনিন্দিতাৰ বিয়া ঠিক হৈছে ডিব্ৰুগড়ৰ কোনোবা এখন গাঁৱলৈ। দৰাই কিবা চাকৰি কৰে। অৰুণাভে শেষবাৰৰ বাবে অনিন্দিতাক লগ পাবলৈ বৰ ইচ্ছা আছিল। কিন্তু অনিন্দিতা তেতিয়া মোমায়েকৰ ঘৰত। সি বলীয়া মানুহৰ নিচিনাকৈ কেইবাদিনো শিৱসাগৰ চহৰত তহল দিলে। কিন্তু অনিন্দিতাৰ মোমায়েকৰ ঘৰ বিচাৰি উলিয়াব নোৱাৰিলে। উপায়ন্তৰ হৈ সি এবুকু বেদনা বুকুত সাবটি লৈ দিন পাৰ কৰিবলৈ ধৰিলে। ফাগুন মাহ, বৰদৈচিলাই কেতিয়া আহি কাৰ ঘৰ উৰুৱাই নিয়ে কোনে জানে? আকাশখন তেতিয়া ডাৱৰীয়া হৈ আহিছিল। ফিৰফিৰিয়া বতাহ এজাকে বাহিৰৰ গছ-বনৰ পাতবোৰ কঁপাই তুলিছে। বাটৰ ধূলিবোৰ উৰি গৈছে যদিও আন্ধাৰৰ বাবে চকুত পৰা নাই। উত্তৰ দিশত মেঘে গিৰিজনি মাৰিছে। বিজুলীৰ পোহৰত মাজে মাজে বাহিৰৰ পৰিবেশটো পোহৰ হৈ পৰিছে। তেনেতে তাৰ কাণত পৰিল ডেকা কিছুমানৰ উকি আৰু হাঁহি শব্দ। কেতিয়ানো তাৰ ঘৰৰ কাষত কেইবাখনো গাড়ীয়ে শাৰী পাতিলে সি গমেই নাপালে। কাৰোবাৰ উচ্চস্বৰৰ কান্দোনৰ শব্দ আহি তাৰ কাণত পৰিল। সি লৰালৰিকৈ বাহিৰলৈ ওলাই গ'ল। ইতিমধ্যে কান্দোনৰ শব্দটো গাড়ীৰ ভিতৰত সোমাল। ওচৰৰ নামঘৰটোৰ পৰা এজাক মানুহ খৰখেদাকৈ গৈ ৰৈ থকা গাড়ীত উঠিল। সি গাড়ীকেইখনৰ ওচৰলৈ বেগাই খোজ দিলে। কিন্তু তাতকৈও বেগাই যাবলৈ ধৰিলে গাড়ীৰ শাৰীবোৰ। লাহে লাহে হেৰাই যাবলৈ ধৰিলে গাড়ীৰ পোহৰ। সি ৰাস্তাত অকলশৰে ৰৈ থাকিল। সি একো বুজি নাপালে। ইতিমধ্যে ধুমুহা বতহৰ বেগ বাঢ়ি আহিল, বাঢ়ি আহিল মেঘৰ গাজনি, বিজুলী-ঢেৰেকনি...। এনেতে তাৰ মোবাইলৰ ৰিং টিউন বাজি উঠিল —

ক'ম ক'ম বুলি ভাবোতে ঐ নাচনী
মনৰে ঐ কথাটি
মনতে ঐ মৰহি গ'ল....

সি বতাহ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ বেগাই দৌৰ মাৰিলে ঘৰলৈ। অসমীয়া মানুহৰ বিশ্বাস আছে মানুহে বতাহ-বৰষুণত তিনি-বুৰি দৌৰি নিজৰ বা আনৰ ঘৰত সোমাব নালাগে, নহ'লে বতাহে সেই ঘৰটো উৰুৱাই লৈ যায়। সি সেয়ে সিহঁতৰ ভঁৰালৰ চাংখনৰ তলতে সোমালে। বাৰে বাৰে বাজি থকা মোবাইলটো জেপৰ পৰা উলিয়াই চালে। তাৰ বন্ধু মনদ্বীপে ফোন কৰিছে।

ঃ হেল্লʼ, কিহে পাইছে তোক এতিয়া ফোন কৰিবলৈ, ইমান বতাহ-বৰষুণ....

ঃ তই ক'ত আছ?

ঃ ভঁৰালৰ চাং তলত।

ঃ কি কৰিছ তাত?

ঃ কঁপি আছো।

ঃ কিয়?

ঃ বতাহ-বৰষুণ দিছে। দেখা নাই।

ঃ তই খবৰটো পালিনে নাই?

ঃ কি খবৰ?

ঃ বিয়াৰ খবৰ।

ঃ কাৰ বিয়া?

ঃ অনিন্দিতাৰ।

ঃ নাই.....

সি বলীয়াৰ দৰে চিঞৰি উঠিল। তাৰ চিঞৰত কাষৰ কোঠাত শুই থকা তাৰ ভনীয়েক দুজনী সাৰ পাই গ'ল। সিহঁত খৰখেদাকৈ অৰুণাভৰ কোঠালৈ দৌৰি আহিল। পাছে কাছে কবিতা আৰু ঘৰৰ সকলো আহিল। তেতিয়াও বিছনাত বহি সি চিঞৰি থাকিল....

ঃ নাই, নাই.... মিছা কথা নক'বা। অনিন্দিতাৰ বিয়া কেতিয়াও হ'ব নোৱাৰে... তাইমোক এৰি যাব নোৱাৰে। তাই মোৰ ওচৰলৈ আহিবই....। ■

ঠিকনাঃ বৰজান, ডিগবৈ, সংযোগ - ৯৪০১৯৮৯৭৫৯



# মা

পাৰ্থ প্ৰতীম গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক (বিজ্ঞান)

'মা' কি যে এক মায়াময় শব্দ। হয়তো পৃথিৱীৰ আটাইতকৈ ধুনীয়া শব্দটোৱেই মা। সেয়েহে চাগৈ নৱজাতকৰ মুখৰ পৰা ওলোৱা প্ৰথম শব্দটোৱেই মা। যাৰ হাতত ধৰি আমি থিয় হ'বলৈ শিকোঁ, খোজ কাঢ়িবলৈ শিকোঁ। দুখ পালে বাগৰি পৰিলে যাৰ হাতৰ কোমল পৰশত পুনৰ সজীৱ হৈ উঠোঁ। এয়াই 'মা' যাৰ নিজৰ বুলিবলৈ একো নাথাকে সৰ্বস্ব ত্যাগ কৰে একমাত্ৰ নিজৰ সন্তানৰ বাবে।

কিন্তু সি কিতাপৰ পাতৰ বাহিৰে বাস্তৱ জীৱনত কেতিয়াও লাভ কৰা নাছিল মাকৰ মৰম। আন বেলেগৰ দৰে তাৰো মন গৈছিল মাকৰ কোলাত টোপনি যাবলৈ, মাকৰ হাতৰ পৰশত বিছনাৰ পৰা জাগিবলৈ। কিন্তু সি পোৱা নাছিল সেয়া। অনাথ আশ্ৰমৰ অন্য ল'ৰা-ছোৱালীৰ দৰে সিও মাথোঁ লাভ কৰিছিল মানুহৰ অকণমান সমবেদনা আৰু ইস্ ইস্, আস্-আস্বোৰ।

যেতিয়া তাৰ বয়সৰ ল'ৰা-ছোৱালীবোৰ মাক-বাপেকৰ হাতত ধৰি স্কুললৈ আহিছিল, সি মাথোঁ চাই ৰৈছিল, উপচি পৰিছিল তাৰ দুচকু। সেই ভিৰৰ মাজত সি সন্ধান কৰিছিল তাৰ মাকক, কিজানিবা তাৰ মাক আহি মৰমেৰে তাক দাঙি লয়, বুকুৰ মাজত 'মোৰ সোণটো' বুলি।

সি ভাবিছিল যেতিয়া তাৰ মাক আহিব তাক লৈ যাবলৈ সি যাবগৈ মাকৰ লগত। সদায় থাকিব মাকৰ লগতে, মাকৰ বুকুৰ মাজত। এৰি নিদিয়ে এক মুহূৰ্তৰ বাবেও। সি যেতিয়া খেলি খেলি ভাগৰি পৰিব, আলফুলে তাক শুৱাই দিব বিছনাত। কিন্তু, সম্ভৱ হৈ উঠা নাছিল সেয়া। তাৰ সপোন সদায় সপোন হৈয়েই ৰৈছিল।

সেয়েহে সি যেতিয়াই নিজকে অকলশৰীয়া বুলি অনুভৱ কৰিছিল, মাকক বিচাৰিছিল মাকৰ মৰমৰ হাতৰ পৰিৱৰ্তে পাইছিল মাত্ৰ চকুপানী। কান্দি কান্দি সি ভাগৰি পৰিছিল, ক্ষন্তেকৰ বাবে যেন তচ-নচ হৈ পৰিছিল তাৰ সপোনবোৰ, ক্ষন্তেকৰ বাবে যেন ৰুদ্ধ হৈ পৰিছিল মাকক বিচৰাৰ তাৰ সেই অভিযান। তথাপিও সি সদায় ভাবিছিল, সদায় বিশ্বাস কৰিছিল — এদিন আহিব তাৰ মৰমৰ মাক তাক লৈ যাবলৈ।

তাৰ বয়সৰ ল'ৰা-ছোৱালীবোৰ যেতিয়া মাক-দেউতাকৰ সৈতে ফুৰিবলৈ গৈছিল হাঁহি হাঁহি, তাৰ মনত হিংসা জন্মিছিল সিহঁতৰ প্ৰতি। কিন্তু এটা কথা ভাবি সি ক্ষন্তেকৰ বাবে হ'লেও আনন্দ লাভ কৰিছিল — কাৰণ যেতিয়া তাক নিবলৈ যাবলৈ তাৰ মাক আহিব, সিও আইচক্ৰীম বিচাৰিব মাকৰ পৰা, ঝুলনাত উঠিব আৰু অলপ অভিমান কৰিব এই অপেক্ষাৰ বাবে। সেয়েহে আলফুলে সযতনে সি বুকুৰ মাজত সাঁচি ৰাখিছিল মাকক লৈ দেখা এই সপোনবোৰ।

কিন্তু মাকৰ সেই নিভাঁজ মৰমৰ সলনি তাৰ বিশ্বাস আৰু অপেক্ষাক ইতিকিং কৰি সি কেতিয়াবা পাইছিল কাৰোবাৰ কটু ককৰ্থনা আৰু কেতিয়াবা ঠাণ্ডা দিনত ল'বলৈ এখন কম্বল, পিন্ধিবলৈ এটা ছুয়েটাৰ। তাৰ অপেক্ষা আৰু সাধনাৰ ফল হিচাপে লাভ কৰিছিল মাথোঁ সেয়াই।

আৰু সময় পাৰ হৈ যোৱাৰ লগে লগে সি বুজিব পাৰিছিল যে তাৰ এই প্ৰচেষ্টা মৰুভূমিত মৰীচিকা বিচৰাৰ বাদে আন একো নহয়।

সকলোবোৰ জনা আৰু বুজাৰ পাছতো কিয় জানো 'মা' নামৰ শব্দটোৰ প্ৰতি সি সদায় অনুভৱ কৰিছিল এক বুজাব নোৱাৰা দুৰ্বলতা। এদিন তাৰ লগৰ মণ্টুৱে তাক কৈছিল তাৰ মাক-দেউতাক বোলে ওপৰত আছে — আকাশত তৰাৰ ৰূপত।

মণ্টুৰ কথা শুনি সেইদিনা সিও ৰাতিৰ আকাশত সন্ধান কৰিছিল মৰমৰ মাকক। কিন্তু বিশাল আকাশৰ ইমানবোৰ তৰা দেখি সি বিভ্ৰান্তিত পৰিছিল। ক'ত বা আছে তাৰ মৰমৰ মাক।

কিন্তু সি হাৰ মনা নাছিল কেতিয়াও। সেয়েহে যেতিয়াই সি নিজকে অকলশৰীয়া বুলি ভাবিছিল, মাকৰ প্ৰয়োজন অনুভৱ কৰিছিল — বিশাল আকাশৰ তলত থিয় হৈ সন্ধান কৰিছিল তৰাৰূপী তাৰ মাকক, যাক সি ক'ব পাৰে তাৰ মনৰ সকলোবোৰ গোপন কথা, তাৰ সুখ-দুখ অভিমানবোৰৰ কথা আৰু সি সদায় বিচাৰি থাকিব কাৰণ মাকৰ অবিহনে সি জীয়াই থাকিব নোৱাৰে কেতিয়াও। ■

# চন্দ্ৰমাৰ চকুলো.. শেষত হাঁহি

মমিতা শইকীয়া

এখন ভিতৰুৱা গাঁও। গাঁৱৰ ব্যক্তিৰ পৰিয়ালবিলাক বৰ উন্নত মানদণ্ডৰ নাছিল। তাতোকৈ চন্দ্ৰমাহঁতৰ পৰিয়ালটো দৰিদ্ৰ সীমাৰেখাৰ তলৰ। চন্দ্ৰমাৰ দেউতাক ৰূপম আছিল এজন দিন হাজিৰা কৰা লোক। ৰূপমৰ পৰিয়ালটিত মাত্ৰ চাৰিটি প্ৰাণী। ৰূপম, পৰিবাৰ ৰূপা, চন্দ্ৰমা আৰু চন্দন।

লাহে লাহে চন্দ্ৰমা আৰু চন্দন ডাঙৰ হৈ আহিল। চন্দ্ৰমাৰ মাক-দেউতাকে কথাটো আলোচনা কৰি গাঁৱৰে এখন বিদ্যালয়ত নামভৰ্তি কৰি দিলে। চন্দ্ৰমা আৰু ভায়েক চন্দনৰ বাবে যেনে-তেনে কিতাপ-বহী যা-যোগাৰ কৰি দিলে। আনবিলাক ছাত্ৰ-ছাত্ৰীৰ দৰে সেইদিনা প্ৰথম বিদ্যালয়লৈ গ'ল। বিদ্যালয়ত প্ৰথম কেইদিনমান সিহঁতৰ মন বহা নাছিল। যিহেতু সিহঁত নতুন ছাত্ৰ-ছাত্ৰী। দুই-চাৰিদিন যোৱাৰ পিছত সিহঁতৰ মন বহিল। কাৰণ সিহঁতৰ লগৰীয়া ওলাল। তাতে আজিকালি চৰকাৰে দুপৰীয়া সাজ খোৱাৰ ব্যৱস্থা কৰি দিছে। বিদ্যালয়ত থকা সময়ছোৱাত চন্দ্ৰমাই বৰ গভীৰভাৱে মন দিছিল।

অতি কম দিনৰ ভিতৰতে শিক্ষাগুৰুক মেধাৱীৰ পৰিচয় দিছিল। গধূলি পঢ়া-শুনাত ব্যস্ত দেখি ৰূপম আৰু পৰিবাৰ ৰূপাই দিনৰ দিনটো কামৰ ভাগৰতো মুখত হাঁহি বিৰিঙিছিল।

এইদৰে চন্দ্ৰমা আৰু চন্দন বিদ্যালয়লৈ অহা-যোৱা কৰোঁতে কৰোঁতে বছৰ বাগৰি দশম শ্ৰেণী পালেগৈ। দশম শ্ৰেণী পোৱাত মাক-দেউতাকৰ বৰ চিন্তা হ'ল। যিহেতু চন্দ্ৰমাৰ দেউতাক ৰূপমে দিন হাজিৰা কৰি কোনোমতে দুবেলা দুমুঠিকৈ পেট প্ৰৱৰ্তাই আছে। চন্দ্ৰমা আৰু চন্দনে আনবিলাক লগৰীয়া টিউচন কৰিবলৈ যোৱা দেখি সিহঁতৰো যাবলৈ ইচ্ছা হৈছিল। চন্দ্ৰমাই মাক ৰূপাক কথাটো ক'ম ক'ম বুলি ক'ব পৰা নাছিল। তাই জানিছিল যে দেউতাকে দিন হাজিৰা কৰে। দুবেলা দুমুঠি খাবলৈ কোনোমতে যোগাৰ দিয়ে। ঘৰৰ আৰু অন্যান্য সামগ্ৰী আছেই। টিউচনৰ ফিজ দিব ক'ৰপৰা। তাতে এটাও নহয় দুটাক। এইবিলাক চিন্তাই চন্দ্ৰমাক দিনে-নিশাই ব্যাকুল কৰিছিল। বিদ্যালয়ৰ এজন অংক বিভাগৰ শিক্ষকে চন্দ্ৰমা আৰু চন্দনক সুধিছিল — তোমালোকে কাৰোবাৰ ওচৰত টিউচন কৰিছা নেকি? কিন্তু চন্দ্ৰমাই মুখেৰে নামাতিলে। কোনে কোনে টিউচন কৰিছা থিয় হোৱা বুলি কোৱাত সকলো ছাত্ৰ-ছাত্ৰী থিয় হ'ল। কিন্তু চন্দ্ৰমা আৰু চন্দন তললৈ মূৰকৈ বহি থাকিল। তেতিয়া দেৱব্ৰত দত্ত নামৰ শিক্ষকজনে চন্দ্ৰমা আৰু চন্দনক সুধিলে, চন্দ্ৰমা আৰু চন্দন তোমালোকে কিয় লোৱা নাই। আজিৰ দিনত টিউচন নহ'ষল মেট্ৰিক পাছ কৰিব নোৱাৰি। চন্দ্ৰমাই মুখৰ পৰা মাত ওলোৱাৰ আগতেই হুকহুকাই কান্দি পেলালে। তেতিয়া শিক্ষকজনে ক'লে মই সকলো বুজিছো চন্দ্ৰমা। মই সুধিহে চাইছিলো তুমি আৰু চন্দন কালিৰ পৰা মোৰ ওচৰত পঢ়িবলৈ আহিবা। মান্তি হ'বানে? চন্দ্ৰমা মান্তি হ'ল।

বিদ্যালয়ৰ পৰা ছুটী হৈ অহাৰ পিছত ঘৰত আহি চন্দ্ৰমাই ভাত নোখোৱাকৈ বিছনাত শুই পৰিল। মাকে চন্দ্ৰমাক সুধিলে, চন্দ্ৰ তই আজি একো নোখোৱাকৈ বিছনাত পৰিলিহি যে? কি তোৰ গা বেয়া নেকি?

চন্দ্ৰমাই কিন্তু মুখেৰে একো নামাতিলে। বিদ্যালয়ত হৈ যোৱা কথাবোৰে তাইৰ অন্তৰত বাৰে বাৰে খুন্দিয়াবলৈ ধৰিলে। দৰিদ্ৰ পৰিয়ালত জন্ম লোৱাত মোৰ কি দুখ, তাই ভাবি ভাবি চকুৰ পানীৰে গাৰু উপচাই পেলালে।

বাৰু যি কি নহওক, তাই মাকক টিউচনৰ কথাটো ভাঙি-পাতি ক'লে। তেতিয়া চন্দ্ৰমাৰ মাক ৰূপাই চন্দন আৰু চন্দ্ৰমাক টিউচনলৈ যাবলৈ অনুমতি দিলে। সেইদিনা বিদ্যালয়ৰ পৰা অহাৰ পিছত দুয়ো টিউচনলৈ গ'ল।

এইদৰে দিন বাগৰিল। এদিন সন্ধিয়া পৰত টিউচনৰ পৰা ঘৰৰ অভিমুখে আহি থাকোতে হঠাৎ এখন গাড়ীয়ে পিছফালৰ পৰা চন্দ্ৰমাৰ ভায়েক চন্দনক খুন্দা মাৰিলে। চন্দন মাটিত বাগৰি পৰিল। চন্দ্ৰমাই ভাইটি ভাইটি বুলি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। কান্দোন শুনি ওচৰে-পাঁজৰে থকা কিছুমান মানুহ কাষ চাপিল। ততাতৈয়াকৈ এখন গাড়ীত উঠাই চন্দনক হাস্পতাললৈ নিয়া হ'ল। কিন্তু ডাক্তৰে চন্দনক চাই-মেলি মৃত বুলি ঘোষণা কৰিলে। ওচৰৰে আন কেইজনমানে চন্দ্ৰমাৰ দেউতাক ৰূপম আৰু মাক ৰূপাক খবৰ দিলেগৈ। চন্দনৰ মৃতদেহটো ঘৰলৈ অনাৰ পিছত মাক-দেউতাক কান্দি কান্দি বলীয়াৰ দৰে হ'ল। চন্দ্ৰমাই মৰমৰ একমাত্ৰ ভায়েক চন্দনৰ মৃতদেহটো সাবটি ধৰি কান্দি কান্দি কৈছিল, তই আমাক এৰি গ'লিগৈ ভাইটি কিন্তু তোক আমি মৰিবলৈ নিদিওঁ। তোক মই আমাৰ চকুৰ আগত সদায় জীয়াই ৰাখিম। চন্দনক চোতালৰ আগত চিতা জ্বলোৱা হ'ল।

কিছুদিনৰ পিছত উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ল। চন্দ্ৰমাই বিদ্যালয়ৰ ভিতৰত প্ৰথম বিভাগত চাৰিটাত লেটাৰসহ উত্তীৰ্ণ হ'ল। সেইদিনা গাঁৱৰ মানুহে চন্দ্ৰমাৰ ঘৰ ভৰি পৰিল। চন্দ্ৰমাৰ মুখত হাঁহি আৰু চকুলোৰ মধুৰ মিলন হ'ল।

উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ কিছুদিনৰ পিছত চন্দ্ৰমাই এটা চৰকাৰী সৰু চাকৰিত যোগদান কৰিলে। চন্দ্ৰমাৰ মাক-দেউতাক সকলোৱে আনন্দ পালে। চন্দ্ৰমাই পিছত শেষ হাঁহি মাৰিলে। মৰমৰ একমাত্ৰ ভায়েক চন্দনক সদায় চকুৰ আগত জীয়াই ৰাখিবলৈ চন্দনৰ মৰিশালি পকী কৰি তাই চকুৰ আগত জীয়াই ৰাখিলে। ■



# সমাজ ব্যৱস্থা সলনি কৰাত যুৱ সমাজৰ ভূমিকা

ৰিদিপ বৰুৱা
স্নাতক ষষ্ঠ ষান্মাসিক (বাণিজ্য)

মানুহ সামাজিক জীৱ। এখন সমাজৰ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। গতিকে এখন সুস্থ সমাজ গঢ়িবলৈ আমাক যুৱ সমাজৰ অতি প্ৰয়োজন। যুৱ সমাজে এখন সুস্থ সমাজ গঢ়ি তোলাত সহায় কৰে।

সময় কাৰোৰে বাবে ৰৈ নাথাকে। দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন বাগৰি গৈ আছে। সময়ৰ লগে লগে আমাৰ যুৱ-সমাজৰ মনত বহুতো ধৰণৰ চিন্তাৰ ফাট মেলিছে। পূৰ্বৰ চিঠি-পত্ৰৰ সলনি মোবাইল হ'ল, টাইপ ৰাইটাৰ সলনি কম্পিউটাৰ হ'ল। এইবোৰৰ মূলতে যেন শিক্ষা। যিমানেঁই আমাৰ সমাজত এই পশ্চিমীয়া সংস্কৃতিবোৰে গা কৰি উঠিছে সিমানেই আমাৰ যুৱ সমাজ বেয়াৰ ফালে গতি কৰিছে। আজিকালি আমাৰ যুৱ-সমাজৰ মনত ফেচনৰ ৰূপতো ঠাই দখল কৰিছে। ভাল এযোৰ কাপোৰ, এখন বাইক, হাতত এটা মোবাইল আৰু পকেটত কেইটামান টকা থাকিলেই হ'ল। সেয়েহে কেইটামান টকাৰ বাবে আমাৰ আজি যুৱ-সমাজ যিকোনো কাম কৰিবলৈ সাজু।

আজিকালি টিভি, বাতৰি কাকতত কেৱল হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ আদি কথাবোৰে পৃষ্ঠা ভৰি পৰে। এনেবোৰ কামত আমাৰ যুৱ-সমাজ জড়িত থাকেই। টিভিৰ বাতৰিবোৰ যেন আজিকালি মাক-দেউতাক, ককাই-ভনী বহি একেলগে চাব নোৱাৰা হ'ল। কেৱল যৌতুকৰ বলি হৈ বোৱাৰীয়েকে আত্মহত্যা কৰা, ডিঙিত ফাঁচ লৈ উলমি থকা ইত্যাদি ইত্যাদি... কিন্তু এইবোৰ আকৌ এবাৰ নেদেখুৱাই একেটা দৃশ্যকে ৰেপি থাকিব। এইবোৰ হেনো নিউজ চেনেলবোৰৰ বাবে ব্ৰেকিং নিউজ। ফাষ্ট ভিজুৱেল ইত্যাদি। যি কি নহওক, এইবোৰৰ ক্ষেত্ৰত আমাৰ যুৱ সমাজ জড়িত থাকেই।

যিমানে ন ন পশ্চিমীয়া সংস্কৃতিবোৰ আহিছে সিমানেই আমাৰ যুৱ-সমাজৰ মনবোৰ বেয়াৰ ফালে গতি কৰিব ধৰিছে। ইয়াৰ কাৰণ কি? আজিৰ যুৱ সমাজে এইবোৰৰ ভাল ব্যৱহাৰ নকৰি বেয়া ব্যৱহাৰহে বেছিকৈ কৰিবলৈ ধৰিছে। আজিকালি জন্মৰ পাছৰ শিশুটোৱেও যেন মোবাইল লেপটপতহে খেল খেলে। যাৰ বাবে আজিকালি ছাত্ৰ-ছাত্ৰীৰ স্মৃতিশক্তিও কমি আহিছে।

এনেদৰে যদি দ্ৰুতগতিত আগবাঢ়ি গৈ থাকে তেন্তে আমাৰ সমাজখন এখন সুস্থ সমাজ ৰূপে গঢ়ি তুলিব পাৰিমনে? আমাৰ যুৱ সমাজ একত্ৰিত হ'ব লাগিব। এনেধৰণৰ ন ন পশ্চিমীয়া সংস্কৃতিবোৰ কু-ব্যৱহাৰ নকৰি তাৰ কামত ব্যৱহাৰ কৰিব লাগিব। নামঘৰ, মছজিদ, মন্দিৰ এইবোৰৰ সৎ ব্যৱহাৰ কৰিবলৈ ওলাই আহিব লাগিব। নিজকে মোবাইল ফোনত ব্যস্ত নাৰাখি বাহিৰৰ জগতলৈ ওলাই আহিব লাগিব। সমাজৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। অলপ হ'লেও নিজৰ পাঠদানৰ উপৰিও জ্ঞান-বিজ্ঞানৰ কথা, কমপিটিচন চাক্‌ছেচ, খেলৰ বতৰা ইত্যাদি পঢ়িব লাগিব। নিজক এজন সুদক্ষ ব্যক্তি ৰূপে চিনাকি দিব লাগিব। তেতিয়াহে আমাৰ উঠি অহা নৱ-প্ৰজন্মসকলক এখন সুন্দৰ সমাজ দিব পাৰিম। গতিকে আমি সকলোৰে এতিয়াৰ পৰাই সংকল্প ল'ব লাগিব তেতিয়াহে আমি আমাৰ এখন সুস্থ সমাজ ৰূপে সমাজত দিব পাৰিম। ■

# দৰিদ্ৰতা দূৰীকৰণত শিক্ষাৰ ভূমিকা

উৎপল শইকীয়া
স্নাতক প্ৰথম যান্মাসিক (কলা)

শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ। যাৰ অবিহনে জীৱনৰ কোনো কাম সুচাৰুৰূপে পৰিচালনা নহয়। শিক্ষাই মানৱ জীৱনৰ মূল অংগস্বৰূপ। জীৱই জন্মগ্ৰহণ কৰাৰ পৰা মৃত্যুলৈ শিক্ষা গ্ৰহণ কৰি থাকে। শিক্ষা হৈছে এক জীৱন ব্যাপী চলি থকা প্ৰক্ৰিয়া। বিশেষকৈ দৰিদ্ৰতা দূৰীকৰণত শিক্ষাই ভূমিকা গ্ৰহণ কৰিছে যদিও আজিৰ অসমত বা ভাৰতবৰ্ষত দৰিদ্ৰতা দূৰ হোৱা নাই। শিক্ষাৰ অবিহনে দৰিদ্ৰতা দূৰ কৰিব পৰা নাযায়। আজি যান্ত্ৰিক যুগত ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰাৰ পাছতো কাৰিকৰী শিক্ষা গ্ৰহণ কৰিব লগা হয় তাৰ পাছতহে কোনো জীৱিকা কৰিব পাৰে। পূৰ্বতে কেৱল প্ৰাথমিক অথবা উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পাছতে কোনো চাকৰি পাবলৈ সহজ হৈ পৰিছিল। কিন্তু আজি যান্ত্ৰিক যুগত উচ্চ শিক্ষাৰ লগতে কম্পিউটাৰ শিক্ষা, কাৰিকৰী শিক্ষা গ্ৰহণ কৰা পাছতো চাকৰি পাবলৈ টান হৈ পৰিছে। সেইবাবে শিক্ষাৰ পৰা কিছু পৰিমাণে দৰিদ্ৰতা দূৰ হৈছে যদিও বহুক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে এতিয়াও দৰিদ্ৰতাৰ সংখ্যা কমা নাই।

বৰ্তমান সময়ত বহু শিক্ষিত ব্যক্তিয়ে কোনো জীৱিকা নোহোৱাকৈ জীৱন নিৰ্বাহ কৰি আছে। প্ৰতিবছৰে অসমৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাত উত্তীৰ্ণ হৈয়ো কোনো কাম নাপাই ঘৰতে বহি থাকিবলগীয়া হৈছে। সেইবাবে ক'ব পাৰি যে শিক্ষাই দৰিদ্ৰতা দূৰ কৰিছে যদিও সম্পূৰ্ণৰূপে কৰিব পৰা নাই কিছুক্ষেত্ৰতহে কৰিছে অৰ্থাৎ কম পৰিমাণে। বৰ্তমান সময়ত চৰকাৰে বহুতো দৰিদ্ৰতা দূৰীকৰণৰ আঁচনি প্ৰস্তুত কৰিছে, যিয়ে বিভিন্ন অঞ্চলৰ নিবনুৱাক কাম দিছে।

সকলো দিশ পৰ্যবেক্ষণ কৰি ক'ব পাৰি যে দৰিদ্ৰতা দূৰীকৰণত কিছু পৰিমাণেহে শিক্ষাই ভূমিকা গ্ৰহণ কৰিছে। এই যান্ত্ৰিক যুগত দৰিদ্ৰতা দূৰ কৰিবলৈ হ'লে উচ্চ শিক্ষাৰ লগত কাৰিকৰী, কম্পিউটাৰ আৰু বহুতো শিক্ষা গ্ৰহণ কৰা পাছতহে কোনো জীৱিকাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ হ'ব পাৰিব। ■

# দৰিদ্ৰতা দূৰীকৰণত শিক্ষাৰ ভূমিকা

চুমি চেতিয়া
স্নাতক ষষ্ঠ যান্মাসিক (বিজ্ঞান)

দৰিদ্ৰতা দূৰীকৰণত শিক্ষাৰ ভূমিকা অতি অপৰিহাৰ্য। কিয়নো শিক্ষাই হৈছে জীৱশ্ৰেষ্ঠ মানৱক এটা ঢাপৰ পৰা আন এটা ঢাপলৈ আগুৱাই নিয়াৰ প্ৰক্ৰিয়া। এখন শিক্ষিত সমাজৰ অবিহনে আমি এখন উন্নত দেশ বা সমাজৰ কল্পনা কৰিব নোৱাৰোঁ। যেতিয়ালৈকে প্ৰত্যেকজন নাগৰিক শিক্ষিত নহয়, তেতিয়ালৈকে আমি ক'ব পাৰিম যে, সেই ৰাষ্ট্ৰখনত উন্নতি আশাতীত। কিয়নো শিক্ষাৰ জৰিয়তেহে প্ৰত্যেকজন নাগৰিক আত্মনিৰ্ভৰশীল তথা স্বাৱলম্বী হ'ব পাৰিব। যিকোনো ক্ষেত্ৰত বা দিশত শিক্ষাৰ দ্বাৰা জ্ঞানী হৈ পৰিব আৰু তাক যিকোনো স্বাৱলম্বী হ'ব পৰা কৰ্মত খটোৱাব পাৰিব। যেনে — খেতি-বাতিৰ ক্ষেত্ৰতো বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি স্বাৱলম্বী হ'ব পাৰিব। অন্যান্য কৰ্মতো পাকৈত হোৱাৰ সহায়ক হ'ব। তদুপৰি অন্যান্য ব্যৱহাৰিক ক্ষেত্ৰখনতো আত্মনিৰ্ভৰশীল হৈ স্বাৱলম্বী হ'ব পাৰি। উচ্চ শিক্ষাৰ দ্বাৰা শিক্ষিত হ'লেহে উচ্চপদস্থ পদত চৰকাৰী কৰ্মত নিয়োগ কৰা হয়। গতিকে তেনেক্ষেত্ৰত শিক্ষিত হোৱাতো অত্যন্ত আৱশ্যক। আমাৰ দেশত বেছিসংখ্যক লোক দৰিদ্ৰ হোৱাৰ মূল কাৰণ হ'ল নিৰক্ষৰতা। ফলত তেওঁলোকে জীৱন ধাৰণৰ প্ৰণালী ভালকৈ বোধগম্য নহয়। কোনোমতে দুবেলা-দুমুঠি খাই জীয়াই থকাই হ'ল তেওঁলোকৰ মূল লক্ষ্য। কিন্তু খাই-বৈ জীয়াই থকাৰ উপৰিও যে অন্য কিছুমান ক্ষেত্ৰতো যে তেওঁলোকৰ আগভাগ আছে সেই বিষয়ে তেওঁলোক জ্ঞাত নহয়। তেওঁলোক খোৱা-বোৱা বা অন্যান্য কৰ্মত কোনোধৰণে জ্ঞাত নহয়। গতিকে সকলোকে দৰিদ্ৰতাৰ পৰা মুক্ত কৰিবলৈ আমি বিভিন্ন ধৰণে সজাগতা আনিব লাগিব যে শিক্ষাৰ অবিহনে আজিৰ দিনত একোৱে সম্ভৱ নহয়। এইক্ষেত্ৰত চৰকাৰেও বিভিন্ন ধৰণে পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়াব পাৰে। গতিকে শিক্ষাক আমি এডাল লাখুটিৰ লগত তুলনা কৰিব পাৰোঁ।

শেষত শিক্ষাই হৈছে দৰিদ্ৰতা দূৰীকৰণত একমাত্ৰ উপায়। ■

# এ পি জে আব্দুল কালাম



উৎপল শইকীয়া
স্নাতক প্ৰথম ষান্মাসিক (কলা)

এ পি জে আব্দুল কালামৰ সম্পূৰ্ণ নাম হৈছে আবুল পকিৰ জয়নুলাব্দিন আব্দুল কালাম বা আবুল পকিৰ জয়নাল আবেদীন আব্দুল কালাম।

**পৰিচয় ঃ**

এ পি জে আব্দুল কালামৰ জন্ম হয় ইং ১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে তামিলনাডুৰ ৰামেশ্বৰম নামৰ এখন দ্বীপ নগৰীত। তেওঁৰ পিতৃৰ নাম জয়নুলব্দিন মাৰকায়াৰ আৰু মাতৃৰ নাম আছিয়াম্মা। তেওঁ ২০০2 চনৰ পৰা ২০07 চনলৈ ভাৰতৰ ৰাষ্ট্ৰপতি পদত আছিল। তেওঁ ভাৰতবৰ্ষৰ ১৪ নম্বৰ ৰাষ্ট্ৰপতি আছিল। কে আৰ নাৰায়ণৰ পাছতে ২০০২ চনৰ ২৫ জুলাই তাৰিখে ৰাষ্ট্ৰপতিৰ পদ অলংকৃত কৰে। বহুতে ভাৱে আব্দুল কালামৰ নামটো ইমান দীঘল কিয়? দক্ষিণ ভাৰতৰ পিনে কিছু কিছুৱে ককাৰ নাম আৰু কিছুমান লোকে নিজৰ নামৰ আগত জন্ম হোৱা ঠাই নাম লিখি নিজৰ নাম লিখে।

প্ৰকৃতাৰ্থত চমুকৈ তেখেতৰ নামটো আব্দুল কালামহে ককাকৰ নাম পকিৰ; আজোককাৰ নাম আব্দুল আৰু পিতৃৰ নাম জয়নাল আবেদীন। তিনিপুৰুষৰ নাম যুক্ত কৰি লিখাৰ বাবে তেওঁৰ নামটো ইমান দীঘল। তেওঁৰ পিতৃৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল আৰু মাকৰো নাছিল। পঢ়া-শুনা নাছিল যদিও ল'ৰা-ছোৱালীকেইটিৰ পৰিচৰ্যাত পঢ়া-শুনাত যত্নৰ ত্ৰুটি কৰা নাছিল। অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰিও যে মানুহে সততা আৰু শিক্ষাৰ বলত যশ, কীৰ্তি আৰু ক্ষমতাৰে উচ্চ স্থানত ঠাই ল'ব পাৰে তাৰ এক জ্বলন্ত সাক্ষী বিজ্ঞান আব্দুল কালাম। আব্দুল কালাম এজন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰযুক্তিবিদ সৰুৰে পৰা আছিল। আৰু এজন তীক্ষ্ণ-বুদ্ধিসম্পন্ন ছাত্ৰ। এজন ধৰ্মনিৰপেক্ষ ব্যক্তি হিচাপেও পৰিচিত।

আব্দুল কালামে ষাঠিৰ দশকত ভাৰতীয় বিজ্ঞানলৈ যি বৰঙনি আগবঢ়ালে সেয়া সঁচাকৈয়ে অবিস্মৰণীয় ষাঠিৰ দশকত ভাৰতৰ নিজৰ বুলিবলৈ এটা ৰকেট নাছিল। দূৰ লক্ষ্যভেদী ক্ষেপনাস্ত্ৰ কথাটো দূৰৰে কথা। ষাঠিৰ দশকৰ পাছতহে এইবোৰ সকলোৰে গৰাকী হ'ব ভাৰত আৰু ইয়াৰ একমাত্ৰ কাৰণ আব্দুল কালাম। কালামৰ মতে পিতৃ-মাতৃ আৰু শিক্ষাগুৰুসকলেহে শুভ বুদ্ধিৰ বীজ ৰোপণ কৰিব পাৰে। সমাজখন সৎ কৰিবলৈ এই তিনিওৰে লাগিব অশেষ প্ৰচেষ্টা। মানুহ পৰিৱেশৰ দাস। ৰাষ্ট্ৰপতি হোৱা পাছতো অতখেতক দেখা যায় নাঙঠ দৰিদ্ৰ শিশুৰ মাজত, নতুন দিল্লীৰ কোনোবা কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অথবা অসমৰ শিশু চেমনীয়া যুৱক-যুৱতীৰ মাজত, কেতিয়াবা তেজপুৰ আৰু কেতিয়াবা ডিব্ৰুগড়ত তেওঁক দেখিবলৈ পোৱা গৈছিল। খং নাই, ভেম নাই, নাই কোনো গৰ্ব ভাব।

তেওঁ মাকৰ বাবে ৰচা কবিতাৰ কিছু অংশ এনেধৰণৰ ঃ

মাজ নিশা সাৰ পাওঁ
চকুলো সৰে মোৰ চকুত
তুমিয়েইবুজিছিলা তোমাৰ সন্তানৰ দুখ
হে মোৰ মা।
তোমাৰ আকুল হাতৰ পৰশত
আঁতৰি পলায় মোৰ দুখ।
মোৰ শক্তিৰ উৎস তোমাৰ মৰম
আৰু তোমাৰ যতন।

আব্দুল কালামৰ পিতৃ আৰু পঞ্চায়তৰ সভাপতি। সৰুতে কালামে সাগৰৰ তীৰৰ পৰা বিক্ৰীৰ বাবে শামুক গোটাইছিল। পৰিয়ালৰ সবাতোকৈ সৰু হোৱা বাবে পৰিয়ালৰ মৰম-চেনেহ বেছি পাইছিল।

**শিক্ষা ঃ**

আব্দুল কালামে ৰামেশ্বৰম ছামিয়াৰ স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰে। স্কুলত আব্দুল কালামৰ প্ৰশংসাৰ কোনো কম নাছিল। তাৰ পাছত ৰামনাথ পুৰমৰ শ্বাজে হাইস্কুলত হাইস্কুলীয়া শিক্ষা সাং

কৰে। হাইস্কুলীয়া শিক্ষা সাং কৰি ত্ৰিচীনাপোল্লি ছেণ্ট জোছেফ কলেজৰ পৰা বিএছ চি পাছ কৰে। পদাৰ্থ বিজ্ঞান বিষয়টো কালামৰ প্ৰিয় আৰু সহজ বিষয় আছিল। ইয়াৰ পিছত মাদ্ৰাজ (চেন্নাই) ইনষ্টিটিউট অৱ টেক্‌নল'জীত নামভৰ্তি কৰে। নামভৰ্তিৰ সময়ত ভনীয়েক জোহৰাৰ হাতৰ সোণৰ খাৰু আৰু ডিঙিৰ চেইন বন্ধকত দি টকাৰ যোগাৰ কৰিছিল। ছাত্ৰ অৱস্থাতে তেওঁ চৰাইৰ দৰে উৰিব বিচাৰিছিল আৰু সেই কল্পনা বাস্তৱত পৰিণত হ'ল।

মাদ্ৰাজৰ উক্ত প্ৰতিষ্ঠানটোৰ (Madras Institute of Technology – MIT) ৰ পৰা তেওঁ বিমান বিদ্যা ইঞ্জিনীয়াৰিঙৰ ডিপ্লমা লাভ কৰে। ইয়াৰ পাছত ইং ১৯৫৭ চনত কালামে বাংগালোৰৰ হিন্দুস্তান এৰনটিক্‌চ লিমিটেডত এজন পৰীক্ষাৰ্থী হিচাপে যোগদান কৰে। ইয়াতেই তেওঁশ পিষ্টন আৰু টাৰবাইন ইঞ্জিন পৰীক্ষাৰ কামত লাগে। ইয়াতেই ৰেডিয়েল ইঞ্জিন-কাম্‌-ড্ৰাম চলোৱাৰ শিক্ষাও লয়। ১৯৫৮ চনত কালামে এইচ এ এলৰ পৰা বিমান বিদ্যাৰ ইঞ্জিনীয়াৰিঙৰ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াত বহুতো ত্ৰুটিৰ সংশোধন ঘটে।

আব্দুল কালামে উলম্ব উৰণ অৰ্থাৎ vertical flight আৰু অৰ্ধতৰণ প্লেটফৰ্ম আৰু হট ককপিটৰ আৰ্হি তৈয়াৰ কৰে। দিনটোৰ প্ৰায় ১৮ ঘণ্টা ব্যস্ত থাকে। ইয়াৰ মাজতে দুবাৰ নামাজ পঢ়ে। গীতাখন কালামৰ বুকুৰ মাজত থাকে। তেখেতৰ মতে ভগৱান শ্ৰীকৃষ্ণ বিশ্বৰ অতি সুন্দৰ কৰ্মপন্থা। অৰ্জুনক মাধ্যম হিচাপে লৈ কৃষ্ণই নিজৰ লক্ষ্যত উপনীত হৈছিল।

**চাকৰি জীৱন ঃ**

টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চৰ তেতিয়াৰ সঞ্চালক প্ৰফেচাৰ এম জি কে মেননেও তেওঁক লগ ধৰি ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানত যোগ দিয়াৰ পৰামৰ্শ দিয়ে। ইয়াত কিছুদিন কাম কৰাৰ পাছত কালামে থুম্বাৰ কৃত্ৰিম উপগ্ৰহ উৎপেক্ষণ যানৰ আঁচনিত যোগ দিয়ে। এছ এল ভি আঁচনিৰ সঞ্চালক নিযুক্ত হয়। এই আঁচনিত ৪৪টা মুখ্য উপপ্ৰণালী আৰ্হি তৈয়াৰ কৰা, উন্নতি কৰা গুণগত মান আৰু উৰণ পৰীক্ষা চোৱাৰ দায়িত্ব সঞ্চালক হিচাপে তেৱেঁই বহন কৰে। এই আঁচনিৰ মতেই ইং ১৯৮০ চনত বৈজ্ঞানিক উপগ্ৰহ ৰোহিণী উৎক্ষেপণ কৰে। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানত সুদীৰ্ঘ ঊনৈশ বছৰ চাকৰি কৰি তেওঁ প্ৰতিৰক্ষা গৱেষণা উন্নয়ন সংস্থাৰ মিছাইল উন্নয়ন প্ৰকল্পত যোগদান কৰে। ভাৰতৰ IGMDP আব্দুল কালামৰে কল্পনা। এই কল্পনা ভাৰতবৰ্ষৰ সামৰিক গৱেষণাৰ আটাইতকৈ কৃতকাৰ্য আঁচনি। তেওঁ এই প্ৰকল্পত পাঁচখন আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ মূল লক্ষ্য হ'ল প্ৰতিৰক্ষা বিভাগৰ অভাৱ পূৰণ কৰা আৰু মিছাইলৰ পুনৰ প্ৰৱেশ নিখুঁত কৰা। অৱশেষত তেওঁ আঁচনি সাৰ্থক হ'ল অগ্নি আৰু পৃথ্বী উৎক্ষেপণৰ জৰিয়তে। অগ্নি আৰু পৃথ্বীৰ মাধ্যম দূৰত্বৰ ক্ষেপণাস্ত্ৰ। এখেতৰ প্ৰচেষ্টাতেই DRDO অৰ্থাৎ ডিফেন্স ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট লেবটিৰ পুনৰ জীৱিত কৰা হয়। সেইজনা আব্দুল কালামেই অৱশেতে মিছাইল প্ৰগেমৰ ব্লু প্ৰিণ্ট তৈয়াৰ কৰিবলৈ সক্ষম হয়। েৰু তেতিয়া প্ৰতিৰক্ষা মন্ত্ৰীৰ বিজ্ঞান পৰামৰ্শদাতা ড° ভি এছ অৰুণাচলমৰ লগত আলোচনা কৰি প্ৰতিৰক্ষশ মন্ত্ৰী আৰু ৰেংকট ৰমনক এই ব্লু প্ৰিণ্ট অৰ্পণ কৰে। ইয়াৰ পাঁচটা ভাগ হৈছে —

(১) নাগ (NAG) — টেংক বিধ্বংসী ক্ষেপণাস্ত্ৰ

(২) পৃথ্বী (Prithvi) — পৃষ্ঠভাগৰ ওপৰেদি যোৱা যুদ্ধক্ষেত্ৰৰ ক্ষেপণাস্ত্ৰ

(৩) আকাশ (Akash) — পৃষ্ঠভাগৰ পৰা ওপৰলৈ মৰা ক্ষেপণাস্ত্ৰ

(৪) ত্ৰিশূল (Trisul) — কম দূৰত্বৰ তৎক্ষণাত ক্ৰিয়া কৰিব পৰা পৃষ্ঠভাগৰ পৰা ওপৰলৈ মৰা ক্ষেপণাস্ত্ৰ

(৫) অগ্নি (Agni) — ওপৰৰ আটাইতকৈ বেগী আৰু শক্তিশালী পৃষ্ঠভাগৰ পৰা ওপৰলৈ মৰা ক্ষেপণাস্ত্ৰ।

ইয়াৰ পাছত ১৯৯৯ চনৰ ২৫ নৱেম্বৰত কালামক ভাৰত চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা পদত নিযুক্তি পায়। তাৰ পাছত ২০০১ চনৰ নৱেম্বৰত এই পদ ইস্তিফা দি ISROৰ বিশিষ্ট অধ্যাপক হিচাপে যোগদান কৰে। ১৯৯৩ চনত প্ৰযুক্তি তথা আগজাননী আৰু নিৰ্ণায়ক পৰিষদৰ TIFACৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে।

ইয়াৰ উপৰিও ১৯৯০ চনত পদ্মভূষণ উপাধিৰে সন্মানিত কৰে। তাৰ পাছত আকৌ ১৯৯১ চনত ডি এছ চি উপাধিৰে সন্মানিত কৰে।

ইয়াৰ উপৰিও —

(১) নেচনেল জিজাইন এৱাৰ্ড

(২) ড° বীৰেন ৰয় স্পেছ এৱাৰ্ড

(৩) ওম প্ৰকাশ ভাচিল এৱাৰ্ড

(৪) প্ৰফেছৰ ৰাই নায়ুডম্মা স্মাৰক স্বৰ্ণ পদক

(৫) জি এম মেডি এৱাৰ্ড ফৰ ছায়েন্স

(৬) আৰ্যভট্ট এৱাৰ্ড

(৭) জাতীয় সংহতি ইন্দিৰা গান্ধী এৱাৰ্ড

(৮) ভাৰত ৰত্ন বঁটা ১৯৯৭ চনৰ ২৫ নৱেম্বৰত প্ৰদান কৰা হয়।

ইয়াৰ পাছত ২০০২ চনৰ ২৫ জুলাইত আবুল পকিৰ জয়নুল আবেদীন আব্দুল কালাম ভাৰতৰ সৰ্বোচ্চ সাংবিধানিক মুৰব্বী ৰাষ্ট্ৰপতি পদলৈ

নিৰ্বাচিত কৰে। আব্দুল কালাম হৈছে এগৰাকী সঁচা অৰ্থত শিশুপ্ৰাণ, মানৱদৰদী, কৰ্মযোগী সৎ ব্যক্তি, ধৰ্মনিৰপেক্ষতা প্ৰতিভু, বিজ্ঞানী, পৰোপকাৰী আৰু তীক্ষ্ণ বুদ্ধিসম্পন্ন ব্যক্তি আছিল। ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত প্ৰথমবাৰলৈ দেশখনৰ দুটা শীৰ্ষতম পদৱী দখল কৰিছে দুগৰাকী ৰাজনীতিৰ বাহিৰৰ অন্য জগতৰ ব্যক্তিত্বই। আব্দুল কালামৰ এনে কোনো কাৰ্য নাই যি কাৰ্যই মানুহক অপকাৰ কৰি সঁচাই তেওঁৰ তেওঁৰ কৰণীক কেতিয়াও নুই কৰিব নোৱাৰি।

২০০৪ চনৰ শেষৰ পিনে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য মহানগৰ গুৱাহাটীত শ্ৰীলংকাকে ধৰি ভাৰতৰ প্ৰত্যেকখন ৰাজ্যৰ পৰা আহি ছ্শ শিশু বিজ্ঞানী সমৱেত হৈছিল। ইয়াক শিশু বিজ্ঞান সমাৰোহ হিচাপে নামকৰণ কৰা হৈছিল। কটন কলেজৰ চৌহদত হোৱা শিশু বিজ্ঞানীসকলৰ পৰাই নিশ্চয় একো একোজন কল্পনা চাওলা, আব্দুল কালাম, চি ভি ৰমণ, ড° চন্দ্ৰশেখৰ, হৰগোবিন্দ ঘোৰানা নোলাব বুলি কোনেও ক'ব নোৱাৰে নিশ্চয়। ২০০৪ চনৰ ২৭ ডিচেম্বৰত আৰম্ভ হোৱা এই সমাৰোহত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৬১২ জন শিশু বিজ্ঞানীয়ে অংশগ্ৰহণ কৰি নিজৰ নিজৰ প্ৰকল্প উপস্থাপন কৰিছে। সকলো মিলি মুঠ ১২০০ জনমান লোকে আনুষ্ঠানিকভাৱে সমাৰোহখনিত অংশগ্ৰহণ কৰিছিল। দেশৰ ১০জন আগশাৰী বিজ্ঞানীয়ে এই সমাৰোহত অংশগ্ৰহণ কৰে।

এই সমাৰোহৰ অধ্যক্ষ ড° এম এছ ৰয়, ভাৰত চৰকাৰৰ বৈজ্ঞানিক ড° মধুফুল, ড° বি কে পাণ্ডে, ৰাষ্ট্ৰৰ আহ্বায়ক জয়দীপ বৰুৱা আৰু একাডেমী চেয়াৰমেন অৰূপ মিশ্ৰই সাংবাদিক মেল পাতি শিশু সমাৰোহৰ বিষয়ে অৱগত কৰায়।

**মিছাইল মানৱ হিচাপে কালাম ঃ**

ভাৰতবৰ্ষৰ বিজ্ঞান জগতৰ অন্যতম ব্যক্তি বা মিছাইল মানৱ নামে খ্যাত ব্যক্তিজনেই হৈছে এ পি জে আব্দুল কালাম। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিকনৰ দৰে কালামো দৰিদ্ৰ পৰিয়ালৰ পৰা আহি ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয়। লিংকনৰ দেউতাক আছিল কাঠমিস্ত্ৰি আৰু কালামৰ দেউতাক মাছমৰীয়া। তেওঁ সৰুতে দৃঢ় সংকল্প লৈছিল যে গাঁৱৰ হোজা ল'ৰা যদিও এদিন তেওঁ আকাশৰ সমান উচ্চতালৈ উধাব আৰু সঁচাকৈয়ে এই সপোন বাস্তৱত পৰিণত হ'ল। কালামৰ জীৱনত প্ৰভাৱান্বিত কৰা ব্যৎক্তসকলৰ ভিতৰত আহমেদ জালানুদ্দিন আছিল অন্যতম। জীৱনৰ খলা-বমা আৰু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি সফলতা আৰু খ্যাতিৰ শীৰ্ষত অৱতীৰ্ণ হোৱা এই অদ্বিতীয় মহাকাশ বিজ্ঞানীগৰাকীৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনচৰ্যা সকলোৰে অনুকৰণীয়। সৰুৰে পৰা কালামে এক অনাড়ম্বৰ জীৱন কটাইছিল। গুৰুত্বপূৰ্ণ কথা যে বৰ্তমান আমাৰ দেশৰ এই মহান ব্যক্তিজনে এসময়ত হকাৰৰ কাম কৰিছিল। মাথোঁ আঠ বছৰ বয়সত অৰ্থাৎ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেওঁ তেঁতেলীৰ গুটি বেচি দিনে এক অনাকৈ আৰ্জিছিল। তেওঁ এম আই টিত চিট পালত নাম লগাবলৈ প্ৰয়োজন হোৱা এক হাজাৰ টকাই যোগা কৰিব নোৱাৰি নপঢ়াৰ চিন্তা কৰাত ভনীয়েক জোহৰাই নিজৰ সোণৰ গহনা বন্ধকত থৈ তেওঁক পঢ়িবলৈ পঠিয়ায়। সেই কথাই তেওঁ অন্তৰ চুই গৈছিল। সেয়ে তেওঁ প্ৰতিজ্ঞা কৰিছিল যে তেওঁ যাতে ভালদৰে পঢ়া-শুনা কৰি নিজ উপাৰ্জনেৰে ভনীয়েকৰ গহনাখিনি মোকলাই আনিব পাৰে।

ভাৰতৰ উপগ্ৰহ উৎক্ষেপণৰ প্ৰবাদপুৰুষ ড° কালাম এগৰাকী নিৰহংকাৰ কবিও। তেখেতৰ জীৱনৰ দস্তাবেজ স্বৰূপ আত্মজীৱনী 'Wings of Fire'ৰ অসমীয়া অনুবাদ 'অগ্নিৰ ডেউকা' এই শতিকাৰ এখন লেখত ল'বলগীয়া গ্ৰন্থ। এজন নগণ্য নাও মালিকৰ পত্ৰ, যিজন ভাৰতৰ নামজ্বলা প্ৰযুক্তিবিদ, তেওঁৰ ব্যক্তিগত গভীৰ উদ্দীপনাময় কাহিনী, বিদেশৰ কোনো প্ৰশিক্ষণ বা ডিগ্ৰী নোহোৱাকৈও যে পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ হ'ব পাৰি, সেই কথা 'অগ্নিৰ ডেউকা' পঢ়িলে অনুধাৱন কৰিব পাৰি। উপনিষদত উল্লেখ থকাৰ দৰে পিতৃদেৱো ভৱ, মাতৃদেৱো ভৱ, আচাৰ্যদেৱো ভৱ, অতিথিদেৱো ভৱ এনে মহান পৰম্পৰাৰে উপলব্ধ ড° কালামৰ জীৱন। বিজ্ঞান জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে তেখেতক বিভিন্ন অনুষ্ঠান বিভিন্ন উপাধি প্ৰদান কৰি সন্মানিত কৰে। মাদ্ৰাজৰ তান্না বিশ্ববিদ্যালয়ে ক্ষেপণাস্ত্ৰ বিজ্ঞানৰ দিশত আগবঢ়োৱা অৱদানৰ বাবে সন্মানসূচক 'ডক্টৰ অৱ ছায়েন্স' উপাধি প্ৰদান কৰে। ১৯৯০ চনত মিছাইল কাৰ্যক্ৰমৰ সফলতাৰ বাবে 'পদ্ম বিভূষণ' উপাধিৰে বিভূষিত হয়। যোৱা বছৰৰে শেষণ ফালে যাদৱপুৰ বিশ্ববিদ্যালয়ে পতা বিশেষ সমাৱৰ্তনত তেওঁক 'ডক্টৰ অৱ ছায়েন্স' উপাধি প্ৰদান কৰে। ১৯৯১ চনত মুম্বাইৰ আই আই টিৰ পৰাও সন্মানসূচক 'ডক্টৰ অৱ ছায়েন্স' উপাধি লাভ কৰে। বিজ্ঞানৰ জয়যাত্ৰাত এই মিছাইল মানৱগৰাকীয়ে যি অভূতপূৰ্ব বৰঙনি আগবঢ়াইছে তাৰ বাবে তেওঁক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্ৰদান কৰা হৈছে। কিন্তু ইমান এটা ডাঙৰ সন্মান পোৱাৰ পিছতো তেওঁ অতি সাধাৰণভাৱেই জীৱন নিৰ্বাহ কৰে। শিশুক ভালপোৱাটো তেখেতৰ এটা প্ৰধান গুণ। এইজন ব্যক্তিৰ পৰা সফল হোৱাৰ প্ৰেৰণা লাভ কৰিব পাৰোঁ। ■



# অশান্ত হৃদয়ৰ ঊৰ্মিমালা

অশ্বিনী শইকীয়া

মোক নুসুধিবা তোমাক কিয় ভাল লাগে

মই ক'ব নোৱাৰো....

ফুলৰ সুবাসেৰে ভৰা বসন্ত ঋতু কিয় ভাল লাগে

আৰু...

আৰু মোক নুসুধিবা

খুঁটি খুঁটি তোমাৰ চকুত কি চাওঁ

মই ক'ব নোৱাৰিম... যেনেকৈ

আজিও ক'ব পৰা নাই

মই জোনৰ বুকুত বা পুৱতিৰ নিয়ৰত কি চাওঁ।

কোনোবা কবিয়ে হয়তো বাস্তৱ অভিজ্ঞতাৰ পৰাই কলমৰ কাপেদি নিগৰাইছিল কবিতাৰ কুঁকি এনেদৰে। সঁচা এতিয়াও, আজিও ক'ব নোৱাৰিম প্ৰীতিক কিয় ইমান ভাল লাগিছিল, কিয় বিচাৰিছিলোঁ তাইৰ দুচকুত পূৰ্ণিমাৰ জোন। স্বপ্নীল চিন্তাৰ ঢৌবোৰে খুন্দিয়াই গৈছিল মনটো। খুলি থোৱা খিৰিকীখনেদি শীতল বতাহ এছাটি সোমাই আহিল। গাটো অজানিতে কঁপি উঠিল। বাহিৰত তেতিয়া আন্ধাৰ আৰু আন্ধাৰ। ঘড়ীটোলৈ চালোঁ। আঢ়ৈ বাজিছে আৰু কেইঘণ্টামানৰ পিছতে পোহৰ হ'ব যি পোহৰ আন্ধাৰ হৈ ৰ'ব মোৰ চিৰকালৰ বাবে। পুৱাই হয়তো মানুহে গম পাব মোৰ আত্মহত্যাৰ খবৰ। হয়তো কাপুৰুষ বুলি ক'ব মোক, ধিক্কাৰ দিব। কিন্তু মই যে নিৰুপায়। যাৰ কাৰণে জীয়াই থাকিব খুজিছিলোঁ তাৰ হাততেই প্ৰতাৰিত হ'লোঁ বুলি প্ৰতিশোধৰ অগ্নিত জ্বলিছিলোঁ। প্ৰতিশোধো ল'লোঁ তাইক, মানে প্ৰীতিক হত্যা কৰি। কিন্তু পিছত গম পাইছিলোঁ মই ভুল কৰিলোঁ বুলি। এজনী নিষ্পাপ ছোৱালীক মৰণৰ মুখলৈ ঠেলি দিলোঁ। নাই... নাই মই প্ৰায়চিত্ত কৰিবই লাগিব। মৃত্যুয়েই একমাত্ৰ পথ খোলা আছে মোৰ বাবে। ধাৰাসাৰে চকুপানী ওলাই আহিল অজানিতে। বাৰে বাৰে প্ৰীতিৰ নিষ্পাপ কোমল মুখখন দুচকুৰ আগত ভাঁহি আহিল। মূৰটো টেবুলখনৰ ওপৰত থৈ জোৰেৰে হেঁচি ধৰিলোঁ। মগজুটো খেলি-মেলি লাগি গ'ল। কথাবোৰ পুনৰ প্ৰথমৰ পৰা ভাবিবলৈ মন গ'ল শেষবাৰৰ কাৰণে।

আজি কেইদিনমানৰ পৰা কলেজৰ ইউনিয়ন বৰ্ডৰ ইলেক্‌চনৰ কাৰণে শ্ৰেণী এটা-দুটাহে বহিছে। মোৰ লগত কেইজনমানেও নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মোৰ অন্তৰঙ্গ বন্ধু জীৎ, সিও গুৰুখেল বিভাগৰ সম্পাদক পদৰ প্ৰাৰ্থী হৈছিল। তাৰ হৈ আমি মানে আমাৰ ক্লাছৰ সকলোৰে জোৰদাৰ প্ৰচাৰ চলাই আছোঁ। কলেজ ইলেক্‌চনলৈ দুদিন বাকী থাকোঁতে জীৎ এদিন আমাৰ ঘৰত আহি ওলালহি। সি মোক তাৰ বেনাৰ আৰু কাৰ্ড বনোৱাত সহায় কৰি দিব লাগে বুলি কোৱাত মই মান্তি হ'লোঁ আৰু সেইদিনাই গধূলি তাৰ ভাড়াঘৰলৈ আহিলোঁ।

ঃ তই অলপ দেৰী বহচোন মই বজাৰৰ পৰা আহোঁগৈ। — জীতে ৰুমৰ বাল্বটো জ্বলাই ক'লে।

ঃ মইও যাম...

ঃ বেছি দেৰি নকৰোত'। এই যাম আৰু আহিম। তই নালাগে যাবলৈ তাতকৈ কাৰ্ডকে বনা।

ঃ বাৰু তই যা। বেছি দেৰি নকৰিবি।

সি ওলাই গ'লগৈ। হঠাতে তাৰ ৰুমৰ সোঁফালে থকা ৰুমটোত কোনোবা ছোৱালীৰ মাত শুনা যেন পালোঁ। কিবা অদ্ভুত ধৰণৰ ভাষাত কথা পাতিছে ৰ' চালা তাক ঘূৰি আহিব দে, দিম নহয় মজাতো। মনে মনে ভোৰভোৰালোঁ।

যথা সময়ত জীৎ আহি পালেহি। মই তাক দেখিয়ে কৈ উঠিলোঁ — "তই বৰ লাজকুৰীয়া অ'। ছোৱালীক ইমানেই ভয় কৰনে? সেই কেইজনীৰ এজনী মোৰ বাইদেউ আৰু এজনী মামাৰ ছোৱালী। ৰ' মাতি দিছোঁ চিনাকি কৰাই দিম।"

ঃ নেলাগে, এতিয়া মাতিব। ভাত খাই উঠাৰ পিছত চিনাকি হ'ম। — মই লগে লগে বাধা দি ক'লোঁ।

ঃ বাৰু হ'ব। পিছে চাওঁ কি আঁকিছ এইবোৰ। — জীতে কাঢ়ি নিয়াদি নিলে মই আঁকি ইতিমধ্যে শেষ কৰা কিছুমান কাৰ্টুন ছবি।

ঃ বাঃ ইমান মজা আঁকিছ। আবা, অ আবা, আংগাপু য়ু বাইদেউ, অ', বাইদেউ এই ফালে চাবি আহনা — সি চিঞৰিব ধৰিলে।

সি কি কৈছে তৎ ধৰিব নোৱাৰি তাক সুধিলোঁ — "আৰে গৰু, এইবোৰ কি বকিছ একো ধৰিবই পৰা নাই দেখোন।"

ঃ বুৰ্বুক, চিংফৌ মানুহে এনেকুৱা কথা নকৈ কি ক'ব? — সি হাঁহিলে।

ঃ তহঁতি চিংফৌ মানুহ। মই তোৰ লগত একেলগে ইমানদিন ঘূৰি ফুৰিছোঁ গম নাপাওঁ। — মই দস্তুৰমত অবাক হৈ গ'লোঁ। আৰু কিবা ক'বলৈ লওঁতেই দুৱাৰখন বাহিৰৰ পৰা কোনোবাই খুলিব বিচৰা যেন অনুমান হ'ল। মই সন্ত্ৰস্ত হৈ গ'লোঁ। দুৱাৰখন খুলি জীতৰ বায়েক ভিতৰলৈ সোমাই আহিল।

ঃ কি দেখুৱাব খুজিছিলি চাওঁ?

ঃ এইকেইখন চা না। ই আঁকিছে। — জীতে আঙুলি টোঁৱাই মোৰ ফালে দেখুৱাই বায়েকক ক'লে।

মই লাজতে তলমূৰ কৰি বহি থাকিলোঁ।

ঃ সঁচায়ে ভাল আঁকিছা দেই।

জীতৰ বায়েকে বাহিৰলৈ ওলাই গৈ কাৰোবাক মাতিলে। এইবাৰ দুৱাৰখন খুলি দুজনী সোমাই আহিল। হয়তো নতুনকৈ সোমাই অহা জীতৰ মামাৰ ছোৱালীয়ে হ'ব।

তাই কাৰ্ডকেইখন চাই জীতৰ বায়েকক ক'লে — "ভাফে মু কায়া চু ভু নো মোকো আঁকি দিব ক'না।

ঃ জান, তুমি এইজনীকো এনেকৈ আঁকি দিব লাগে বুলি কৈছে। — জীতৰ বায়েকে মোক উদ্দেশ্য কৰি কথাষাৰ ক'লে।

ঃ বাৰু। — মই মূৰ নোতোলাকৈয়ে ক'লো।

ঃ বুৰ্বক, তললৈ মূৰ কৰি কিতো কথা পাতিছ। তোৰ বুকুত অলপো সাহস নাই। — জীতে মোক কটাক্ষ কৰিলে।

এইবাৰ মই মূৰ তুলি চাবলৈ বাধ্য হৈ পৰিলোঁ, কিন্তু সেইযে এবাৰ মূৰ তুলি চাইছিলোঁ, তাৰ পিছত চায়ে থাকিলোঁ একেথিৰে। কি বা এক দুৰ্বাৰ আকৰ্ষণত মোৰ দুচকু প্ৰীতিৰ মুখনিত স্থিৰ হৈ ৰৈ গৈছিল। বাৰে বাৰে চেষ্টা কৰিও দুচকু নমাব পৰা নাছিলোঁ তাইৰ পৰা। হয়তো অনুৰক্ত হৈ পৰিছিলোঁ তাইৰ প্ৰতি।

আজি প্ৰীতি জীৎ আৰু তাৰ বায়েক প্ৰগতি আমাৰ ঘৰলৈ ফুৰিবলৈ আহিব। ময়ে মাতি থৈ আহিছিলোঁ। মই দেৰী হোৱা দেখি ভাবিছিলোঁ সিহঁত নাহিবই চাগে। প্ৰায় এঘাৰমান বজাত সিহঁতকেইটা ওলালহি।

ঃ বহাচোন, মই মাক মাতি দিছোঁ। — সিহঁতক বহিবলৈ দি ক'লোঁ।

মই মাৰ আগত সিহঁতৰ পৰিচয় দাঙি ধৰিলোঁ।

ঃ মা, এয়া প্ৰীতি আৰু এয়া জীতৰ বায়েক প্ৰগতি মোৰ লগত একেলগে পঢ়ে।

ঃ আৰে মই কোন, মোক চিনাকি কৰাই নিদিয়? — জীতে ঘপককৈ উঠি মোক সুধিলে।

ঃ অ', পাহৰিছিলোঁৰেই। বেয়া নেপাবি দেই। মা, এই বুৰ্বকটো মোৰ বন্ধু। অই গৰু মুখ মেলি কি চাই আছ, নমস্কাৰ কৰ চালা। — মই তালৈ চাই ভেঙুচালি কৰি উত্তৰ দিলোঁ।

ঃ ধেৎ, তহঁতি দুটাই কিনো কাজিয়া কৰি থাক অ'। — মায়ে মৃদুভাৱে ধমক দিলে মোক।

ঃ মা, আমি আপোনাক মা বুলিয়ে মাতিম, বেয়া নাপাব। — প্ৰগতিয়ে মাক উদ্দেশ্যি ক'লে।

ঃ বেয়া কেলেই পাম আক'। বুজিছা, মোৰ ছোৱালী নাই, তোমালোকে মা বুলি মাতিলে নিজৰ ছোৱালীৰ দৰে লাগিব। তোমালোকে একেবাৰে ভাত-পানী খায়ে যাবা। জান, তই বজাৰলৈ যাচোন। — মায়ে আৱেগেৰে ক'লে।

ঃ নালাগে মা, আমাৰ কাৰণে ইমান কষ্ট কৰিব, আমি ভাত খায়ে আহিছোঁ। — সিহঁত দুইজনীয়ে প্ৰায় একেলগে কৈ উঠিল।

ঃ কিয় নাখাবা? এদিনীয়াকৈ আহিছা একো এটা নোখোৱাকৈ যাবলৈ দিমনে? — এইবাৰ মায়ে মোৰ ফালে চাই ক'লে — "অই, তই অঁকৰাটোৰ দৰে কেলেই ৰৈ আছ, যা জীতৰ লগতে আৰু শুন সোনকালে আহিবি।"

মই শলাগি সকলোকে মাত লগাই জীতৰ লগত বজাৰলৈ ওলাই আহিলোঁ।

ঃ মা, এইজনীয়ে বৰ লাজ কৰে দেই। তই তাই ভাত খোৱাৰ সময়ত চাই নাথাকিবি। নহ'লে তাই ভাত নাখাই পানীহে খাব বেছিকৈ তেতিয়া। — মই প্ৰীতিক খোৱা টেবুলত মনে মনে বহি থকা দেখি ক'লোঁ।

ঃ মই লাজ নকৰো দেই। তুমি এনেয়ে কেলেই কৈছা। — প্ৰীতিয়ে তলমূৰ কৰিয়ে কথাষাৰ ক'লে।

ঃ খোৱা, খোৱা। লাজ নকৰিবা। — মায়ে হাঁহি মাৰি আঁতৰি গ'ল।

ঃ মই পিছে বৰকৈ লাজ-কাজ নকৰোঁ দেই। মই নিজৰ ঘৰতো যেনেকুৱা ইয়াতো তেনেকুৱা। — জীতে মাংস এটুকুৰা চোবাই চোবাই ক'লে।

ঃ ছিঃ লেতেৰা ক'ৰবাৰ, লালটি ওলাই যোৱাকৈ খাইছে, কেলেই, ঘিণ নালাগে নেকি? — প্ৰগতিয়ে তাৰ খোৱাৰ ধৰণ দেখি খঙেৰে ক'লে।

আমি সকলোৱে তাৰ ফালে চাই হাঁহি দিলোঁ। সি অপ্ৰস্তুত হ'ল। মই প্ৰীতিৰ ফালে আঁৰ চকুৰে চালোঁ। হঠাতে তাইৰ হাতৰ পৰা খোৱা পানীৰ গিলাচটো পৰি গ'ল। সকলোৱে চক্‌খাই উঠিল। তাই লাজত মৰি যোৱাৰ দৰে হ'ল। তাইৰ অৱস্থা দেখি মায়ে লগে লগে ক'লে, "একো নাই, হ'ব। কেতিয়াবা এনেকুৱা

হয়েই। ৰ'বা টেবুলৰ পানীখিনি মই মচি দিছোঁ। ভাততো পানী পৰিলে নেকি?"

ঃ না... নাইপৰা। — কোনোমতে মাতটো উলিয়াই প্ৰীতিয়ে ক'লে।

ঃ জানা প্ৰগতি, আজি প্ৰীতিয়ে কাৰ কথা চিন্তা কৰি আছে ক'ব পৰা নাই দেই। মই হ'লে ৰহস্যৰ গোন্ধ পাইছোঁ। — মই প্ৰীতিক জোকালোঁ।

ঃ মোৰ তেনেকৈ চিন্তা কৰিবলৈ কোনো নাই। — তাই মোৰ ফালে পেন্দোৱাকৈ চাই ক'লে।

ঃ আৰে, তই কি ৰহস্যৰ গোন্ধ পাইছ, মই তো চাৰিওফালে কেৱল মাংসৰ গোন্ধেই পাই আছোঁ। — জীতে মোৰ কাঁহীৰ পৰা মাংস এটুকুৰা নি ক'লে।

ঃ অই তোৰ লাজকাজ অলপো নাই নেকি? খঁকুৱাটো ক'ৰবাৰ। — প্ৰগতিয়ে তাৰ ফালে চাই খঙেৰে ক'লে।

ঃ ধেৎ, তাক খাব দিয়ানা। মোক দেখিছা নাই বাছি বাছি খাওঁ কাৰণে জেওৰা খুঁটিৰ দৰে হ'লোঁ। কেতিয়াবা ভয়েই হয় ধুমুহাই উৰুৱাই লৈ যায় বুলি। — পুনৰ ভিতৰফালে চাই চিঞৰিলোঁ, "মা, এইটোলৈ মাংস অলপ লৈ আনচোন।"

সিহঁতকেইটা যেতিয়া নিজৰ ভাড়াঘৰলৈ আগবাঢ়িছিল তেতিয়া আবেলি চাৰে চাৰিটা মানেই বাজিছিল চাগৈ। মই সিহঁতক আগবঢ়াই থৈ গুছি আহিলোঁ।

ঃ ছোৱালীকেইজনীৰ লগত কথা পাতি বৰ ভাল লাগিল। খালী সৰুজনী মানে প্ৰীতিয়ে অলপমান লাজ কৰে নহয়। — মায়ে মোক উদ্দেশ্যি ক'লে।

ঃ অলপমান নহয় বহুত বেছি লাজ কৰে। মই অলপমান শুই লওঁ বৰ ভাগৰ লাগিছে। — কৈয়েই মই বিচনাত পৰিলোঁগৈ।

ৰাতিৰ আন্ধাৰত
ৰাৰু কি বিচাৰিছোঁ মই
বুকুত হাত দি ক'ব পাৰিবানে
সেইয়া মই নহয় বুলি?

প্ৰেম বাৰু এনেকুৱাই নেকি যি গভীৰৰ পৰা গভীৰতলৈ যায়। সি খাবলৈও নিদিয়ে, শুবলৈও নিদিয়ে। মইও বাৰু প্ৰীতিৰ প্ৰেমত পৰিছোঁ নেকি? হয়তো সঁচা। সেয়েহে তাইৰ মুখখনিয়ে বাৰে বাৰে আমনি কৰেহি মোক। মই বাৰু তাইৰ সান্নিধ্য সঁচাকৈ কামনা কৰিছোঁ নেকি? অলেখ প্ৰশ্নই উত্তৰ বিচাৰি খেদি ফুৰিছে মোক। কেনেকৈ জনাম মনৰ কথাবোৰ তাইক। নাই, নাই সকলো কথা মই প্ৰীতিক লিখি জনাব লাগিব। কিন্তু... কিন্তু তাই যদি মোক বেয়া পায় তেতিয়া কি হ'ব? কিন্তু এনেকৈ থাকিলেতো মই এদিন পাগল হৈ যাম। নাই এনেকৈ থাকিলে নহ'ব কাইলৈ কলেজতে সকলো লিখি দিম। মনে মনে থিৰাং কৰিলোঁ মই।

ঃ অই জীৎ, শুন তোক কথা এটা ক'বলৈ আছে। আগতে তই মোক বেয়া নাপাওঁ বুলি ক' তেতিয়াহে ক'ম। — মই তাৰ ওচৰলৈ আহি ক'লো। তেতিয়া ওচৰত কোনো নাছিল।

ঃ কিনো কথা অ'। ক্লাছ নকৰ? যি কথা হ'লেও ক' মই অকণো বেয়া নাপাওঁ। — জীতে মোৰ ফালে চাই ক'লে।

ঃ মা... মানে... হেৰি হ'ল...

ঃ আৰে কি মানে মানে কৰি আছ সোনকালে ক'।

ঃ মই কাৰোবাক ভালপাব বিচাৰিছোঁ তই অলপমান সহায় কৰি দে না। — মই তাৰফালে নোচোৱাকৈয়ে ক'লো।

ঃ পাগল চালাা নামটো নক'লে কেনেকৈ সহায় কৰি দিম। — সি ভেকাহি মাৰি ক'লে।

ঃ প্ৰীতি...! — প্ৰীতি কোনোমতে মুখৰ পৰা নামটো ওলাই আহিল।

ঃ মই জানিছিলোঁৱেই তই সেইটো নাম ক'বি বুলি। মই কামটো কৰি দিলে তই মোক পাৰ্টী দিব লাগিব কিন্তু। কিবা লিখি আনিছ যদি দে মই দি দিম। — মোৰ ফালে চাই সুধিলে সি।

মই লাহেকৈ পকেটৰ পৰা চিঠিখন উলিয়াই তাক দিলোঁ।

ঃ মই যাওঁ ক্লাছ নকৰোঁ, তই কামটো কৰিলে পাৰ্টী পাই যাবি। — গুছি আহিলোঁ মই।

ভাবি পাৰ নাপাওঁ ইমান দিন হ'ল তাই মোক উত্তৰ দিয়া নাই কিয়? মইতো একো বেয়াকৈ লিখা নাছিলোঁ। নে মোক বেয়া পালে? কলেজত তাইক লগ পালেও সেইবোৰ কথা ক'ব নোৱাৰোঁ, তাইও একো নকয়। মোক দেখোন মাতেও, বেয়া পোৱা হ'লে নিশ্চয় নামাতিলেহেঁতেন। জীতক সুধিলে কয় মইতো দিয়া বস্তু দি দিছোঁ তাইহে জানে কিয় উত্তৰ দিয়া নাই। কি কৰিম কি নকৰোঁ ভাবি একো পাৰ নোপোৱা হ'লোঁ। নাই এইবাৰ শেষবাৰৰ কাৰণে লিখিম। এইবাৰ যদি প্ৰীতিয়ে উত্তৰ নিদিয়ে মোক আৰু কেতিয়াও মাতিবলৈ মানা কৰি লিখি জীতক দিবলৈ দিলোঁ।

আজি দুদিন হ'ল কলেজলৈ যোৱা নাই। ইচ্ছা কৰিয়ে যোৱা নাই। আচলতে প্ৰীতিৰ মুখামুখি হ'ব লাগিব বুলিয়ে যোৱা নাই। কিবা যেন এক ভয়ে গ্ৰাস কৰি আনিছে মোক। হয়তো কিবা হেৰুৱাৰ ভয়। এইবোৰ কথাই মনটোত প্ৰচণ্ড বা-মাৰলিৰ সৃষ্টি কৰিছে মোৰ। বেদনাহত হৈ বাৰাণ্ডাতে বহি আছোঁ। আন্ধাৰে ক্ৰমান্বয়ে পোহৰবোৰ খেদি পঠিয়াবলৈ আৰম্ভ কৰিছে। হঠাৎ আলিলৈ চকু গ'ল। কোনোবা এটা চাইকেল লৈ এইফালেই আহিছে। কোন হ'ব পাৰে বাৰু? আৰে এইটো জীৎ দেখোন।

ঃ ইয়াত আন্ধাৰে-মুন্ধাৰে কি ট্ৰেজেদী ফালি আছ? এইখন ল' প্ৰীতিয়ে দিছে তাই আজি ঘৰলৈ গ'ল। — সি মোৰ ফালে কাগজ এখন আগবঢ়াই দি ক'লে।

ঃ কিবা লিখিছে? — মই লৰালৰিকৈ খামটো খুলি পেলালোঁ।

ঃ আৰে মই কি জানো? পঢ়ি চা গম পাবি, মই যাওঁ দেৰি হৈছে।

ঃ বহ না অলপ দেৰি।

ঃ নাই নবহোঁ, বহুত আন্ধাৰ হ'ল। তইতো কলেজ যোৱাই নাই। অহা

চাৰিদিন কলেজ বন্ধ। শিক্ষকৰ আন্দোলন। মই যাওঁ।

সি গ'লগৈ। চিঠিখন পঢ়ি শেষ কৰিলোঁ। জানিছিলোঁৱেই তাই এনেকৈ লিখিব বুলি। তাই মোক বন্ধু হিচাপেহে লৈছে। আমি দুয়োটা বেলেগ ধৰ্মৰ বাবে আমাৰ মাজত এনে সম্পৰ্ক অসম্ভৱ আৰু এইবোৰ কৰিবলৈও তাই ভয় কৰে হেনো। মই নমতাকৈ থাকিলেও তাই মোক মাতি থাকিব। স্তব্ধ হৈ গ'লোঁ তাইৰ চিঠিখন পঢ়ি। এনে লাগিল যেন মোৰ সকলো সপোন ভাঙি-ছিঙি গ'ল। চিঞৰি চিঞৰি কান্দিবলৈ মন গ'ল। কিয় তাই এনেকুৱা কৰিলে। মইতো তাইক কোনোদিনে বেলেগ ধৰ্মৰ বুলি ঘিণ কৰা নাই আৰু... আৰু... তাইক মই বন্ধু হিচাপে কেতিয়াও গ্ৰহণ কৰিব নোৱাৰোঁ। যাক এবাৰ হৃদয় দিয়া যায় সি কেতিয়াও কেৱল বন্ধু হ'ব নোৱাৰে। এইবোৰ আকৌ এবাৰ তাইক জনাব লাগিব। মই ইমান কাপুৰুষ নহয় যে ধৰ্মৰ বাবেই প্ৰকৃত প্ৰেমৰ পৰা আঁতৰি আহিম। তাই যদি মোক নিবিচাৰে তেনেহ'লেও তাইক ভালপাই থাকিম।

যিমানেই প্ৰীতিয়ে উত্তৰ দিয়াত পলম কৰিব ধৰিলে সিমানে মোৰ উৎকণ্ঠা বাঢ়ি গৈছিল। এক অবুজ বেদনাত ছাটি-ফুটি কৰি মৰিব ধৰিলোঁ। একোতেই মন নবহা হৈ আহিব ধৰিলে দিনক দিনে। সেয়েহে গধূলি সদায় ওলাই যাব ধৰিলোঁ ঘৰৰ পৰা। আজিও তেনেকৈ গৈ বহুদেৰিৰ পিছত ঘৰত সোমাই ছোঁহি। এনেতে মায়ে মাত লগালে, "জান, জীৎ আহিছিল, তোলৈ কিবা বাৰ্থডে কাৰ্ড নে কি দি গৈছে।"

ঃ মোৰবাৰ্থডেকাইলৈ ১১ তাৰিখেহে আৰু মই চোন বাৰ্থডে নাপাতোৱেই। সি বহিছিলনে নে দিয়েই গ'লগৈ?

ঃ নবহিলে, দেৰি হৈছে বুলি কৈ গুছি গ'ল। তোৰ টেবুলত থৈ দিছোঁ।

ঃ বাৰু মা।

লাহে লাহে পঢ়া টেবুলৰ ওচৰ পালোঁগৈ। দুখন বাৰ্থডে কাৰ্ড টেবুলৰ ওপৰত পৰি আছিল। এখন জীতৰ বায়েক প্ৰগতিয়ে দিয়া আনখন প্ৰীতিয়ে দিয়া। হুঁহ, তাই কি বুলি দিছে মইতো তাইৰ বন্ধু নহওঁ। নাচাওঁ, নোখোলোঁ সেইখন। থেচেকা মাৰি টেবুলতে পেলাই দিলোঁ।

ৰাতি ক্ৰমান্বয়ে বেছি হৈ আহিব ধৰিলে। টোপনি অহা নাই, ইচাট-বিচাট কৰি আছোঁ। বাৰে বাৰে টেবুলখনলৈ চকু গৈ আছে। অৱশেষত ৰ'ব নোৱাৰি লাইটৰ চুইচ অন কৰি প্ৰীতিয়ে দিয়া কাৰ্ডখন খুলি পেলালোঁ। কাৰ্ডখন উলিয়াই লৈ পঢ়িবলৈ লওঁতেই আৰু এখন কাগজ ওলাই পৰিল। আচৰিত হৈ গ'লোঁ। কাৰ্ডখনত চকু ফুৰালোঁ। ক'তো চোন বন্ধু বুলি উল্লেখ কৰাই নাই। লৰালৰিকৈ কাগজখন পঢ়িব ধৰিলোঁ। মোৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। প্ৰীতিয়ে বহুত ভাবি-চিন্তি মোৰ প্ৰেমক স্বীকাৰ কৰিছে। মই উৎফুল্লিত হৈ পৰিলোঁ, আনন্দত চিঞৰি দিবলৈ মন গ'ল।

কেনেকৈ কওঁ মই তোমাক
তুমি মোৰ বাবে কি,
সপোনতো তুমি, ভাবতো তুমি
মোৰ হৃদয়ৰ কল্পনা তুমি

মই আজি খুউব সুখী, বুজাব নোৱাৰাকৈ সুখী। মই যি বিচাৰিছিলোঁ সেয়াই পালোঁ। মই প্ৰীতিক বুজাব নোৱাৰিম এতিয়াযে মোৰ সকলোতে তাই বিলীন হৈ গৈছে। মই কোনোপধ্যে হেৰুৱাব নোখোজো তাইক। তাই মোৰেই হৈ থকাটো বিচাৰো চিৰকাল। প্ৰতিপল, প্ৰতিক্ষণ যেন তাইৰ কাষতে থাকিম এনে লাগে মোৰ। কলেজলৈ গ'লেও ক্লাছত মন নবহে। আজিও ক্লাছতমন বহুৱাব পৰা নাছিলোঁ কাৰণে ওলাই আহিলোঁ। প্ৰীতিয়ে চাগৈ ক্লাছ কৰি আছে। ক্লাছ শেষ হ'লে ওপৰ মহলালৈ গৈ ফটোখিনি দি আহিব লাগিব। এতিয়া লাইব্ৰেৰীৰ পৰাই আহোঁগৈ। মনতে ভাবিলোঁ।

কেতিয়ানো পঞ্চলিছ মিনিট পাৰ হৈ গ'ল গমকে নাপালোঁ। লৰালৰিকৈ লাইব্ৰেৰীৰ পৰা ওলাই আহি ওপৰ মহলালৈ গ'লোঁ। কিন্তু প্ৰীতি চোন নাই... ক'লৈ যাব পাৰে। মইতো তাইক লগ কৰিম বুলি কৈছিলোঁ। অলপমান আগুৱাই গ'লোঁ আৰু ওচৰৰ ক্লাছ ৰুমটোত ভুমুকি মাৰি চালোঁ। মই নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান লাগিল। তাইৰ লগত সেইটো কোন বহি আছে আৰু... আৰু... তাইক তাৰ লগত বহি কথা পাতিবলৈ কিহে পাইছে। আৰু মোক দেখিও তাই উঠি অহা নাই কিয়? খঙে মূৰৰ চুলিৰ আগ পালেগৈ। খংটো দমাব নোৱাৰা হ'লোঁ। দপদপাই সোমাই গ'লোঁ। সিহঁত সকলোৱে মই তেনেকৈ যোৱা দেখি চক্‌খাই উঠিল। মই মনেই কৰা নাছিলোঁ প্ৰীতিৰ লগত আৰু দুজনী ছোৱালী আছিল।

ঃ ব'লা তোমাৰ লগত কথা আছে। — মই প্ৰীতিৰ হাতত ধৰি ক'লোঁ। তাইক একো ক'বৰ সুযোগ নিদি টানি আনিব ধৰিলোঁ মই। তাই মোৰ হাতখন এৰুৱাবলৈ যত্ন কৰিলে। হঠাৎ কোনোবাই পিছফালে চোলাত ধৰি টনাত মই ৰৈ যাবলৈ বাধ্য হ'লোঁ। ঘূৰি চাই দেখিলোঁ সেই ল'ৰাটো। ক্ৰোধিত দৃষ্টিৰে তাৰফালে চালোঁ।

ঃ তুমি প্ৰীতিক এনেকৈ কিয় টানিছা? ছোৱালীক কেনেকৈ... কৰিব লাগে নাজানা নেকি?

ঃ তই মোক কেনেকৈ... কৰিব লাগে শিকাব আহিছ? — প্ৰচণ্ড খঙত মোৰ হিতাহিত জ্ঞান শূন্য হৈ গ'ল। সজোৰে তাৰ মুখতে ঘোঁচা এটা বহুৱাই দিলোঁ। তাৰ নাক ফাটি হুলহুলাই তেজ ওলাই আহিল। নাকটো ধৰি সি মজিয়াত বহি পৰিল। তাৰ অৱস্থা দেখি আৰু মাৰিবলৈ মন নগ'ল। মোৰ কাণ্ড দেখি

সিহঁত আটাইকেইজনী ভয়ত কঁপিব ধৰিলে। মই প্ৰীতিৰ ফালে খঙেৰে চালোঁ। দেখিলো তাই ভয়াৰ্ত দৃষ্টিৰে মোৰ ফালে চাই আছে।

ঃ তু... তুমি তাক কিয় মাৰিলা?

ঃ তাক মই মাৰি পেলাম। সি কিয় তোমাৰ লগত বহি একেলগে কথা পাতিব? খঙত চিঞৰি উঠিলোঁ মই — আৰু... আৰু তোমাৰ কি দৰকাৰ তাৰ লগত কথা পাতিবলৈ হাঁ? কি দৰকাৰ??

ঃ কথা পাতিলে কিবা হ'ব নেকি? আৰু মই তাৰ লগত কথা পতা মানেই বেলেগ কিবা থকাতো বুজায় নেকি? এইজনী... মোৰ লগৰ ছোৱালী, তাই চিনাকি কৰাই দিয়াৰ কাৰণেহে কথা পাতিছিলোঁ। তুমি ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰিলা? — উচুপি উঠিল তাই।

ঃ অঁ অঁ মই নিষ্ঠুৰ। চালা সকলোকে খতম কৰি দিম। শুনা প্ৰীতি তুমি মোৰ বাহিৰে বেলেগক ভালপাব নোৱাৰা। তুমি যিদিনাই মোক ঠগিবা জানিবা সেইদিনাই তোমাকো মাৰিম মই নিজেও মৰিম। তুমি যদি মোৰ হ'ব নোৱাৰা তেনেহ'লে আনৰো হ'ব নিদিওঁ মই। — কৈয়েই দপদপাই যেনেকৈ সোমাই ছিলোঁ তেনেকৈ ওলাই আহিলোঁ।

মই কিয় এনেকুৱা কৰিলোঁ ভাবি পাৰ নাপালোঁ। ইমান খং হয়তো কৰিব নালাগিছিল। কিন্তু কি কৰিম প্ৰীতিক যে সঁচাকৈ খুউব ভালপাওঁ। মই জানো ল'ৰাটোৰ গাত হাত তুলি মই ভুল কাম কৰিলোঁ। কিন্তু তাই জানো মোৰ কথা বুজিব। তাই আনৰ লগত বহি থকাটো দূৰৈৰ কথা, কথা পতাটোৰেই মই সহ্য কৰিব নোৱাৰোঁ। তাইৰ হয়তো মোৰ ওপৰত খং উঠি আছে। মই তাইৰ ওচৰত ক্ষমা বিচাৰিব লাগিব। মই জানো তাই মোক ক্ষমা কৰিব।

এইমাত্ৰ মেজৰ ক্লাছটো শেষ হৈছে। ইয়াৰ পাছৰ পিৰিয়ড অফ আছে। মই আৰু জীৎ দুয়োটা ক্লাছৰ পৰা ওলাই আহিলোঁ। আজি যেনে-তেনে প্ৰীতিক লগ কৰিব লাগিব।

ঃ অই জীৎ শুন না, তই প্ৰীতিক মই মাতিছোঁ বুলি ক'গৈ যা না, মই ওপৰ মহলাৰ ৯ নম্বৰ ৰূমত আছোঁ বুলি ক'বি।

ঃ বাৰু তই যা, মই তাইক মাতি দিছোঁ।

৯ নম্বৰ ৰূমটোত কোনো নাছিল। ভালেই পালোঁ। ডেস্কতে মূৰটো থৈ চকু মুদি ফেনৰ তলতে বহিলোঁ।

ঃ কি ক'বলগীয়া আছে সোনকালে কোৱা নহ'লে মই যাওঁ। — কেতিয়ানো প্ৰীতি ভিতৰলৈ সোমাই আহিল গমকে নাপালোঁ।

ঃ বহাচোন। ইমান খং কেলেই কৰিছা? মই তোমাৰ পৰা ক্ষমা খুজিছোঁ। মই বুজিছোঁ মোৰ ভুল হৈছিল। তুমি জানো মোক ক্ষমা কৰি নিদিবা? প্লিজ এইবাৰলৈ ক্ষমা কৰি দিয়ানা। — মই কাতৰভাৱে তাইৰ মুখলৈ চাই ক'লোঁ।

ঃ তুমি কিয় মোক মিছাকৈ তাৰ লগত এনেবোৰ কথা ক'লা। মোৰ বহুত খং উঠিছে। — তাই মোৰ ওচৰতে ঘপককৈ বহি ক'লে।

ঃ এয়া চোৱা কাণত ধৰিছোঁ আজিৰ পৰা নকওঁ। — মই সঁচাকৈ কাণত ধৰি ক'লোঁ।

ঃ মোৰ ফটোখিনি কি হ'ল? তাৰ পৰা এখন ফটো থৈ বাকীখিনি দিয়া। — তাই মোৰ ফালে চাই সুধিলে।

ঃ মাত্ৰ একপি ফটো। তোমাৰ নিজৰ ফটো তুমি কি কৰিবা? নে বেলেগ কাৰোবাক দিবলৈ থৈছা?

ঃ এইখিনি ফটোৰ নিগেটিভ মোৰ ওচৰত নাই মাহীৰ ছোৱালীজনীয়ে লৈ গ'ল। মোক এইখিনি লাগিব ঘৰলৈ নিবলৈ। মা-দেউতাই মোৰ ফটোবোৰ চাই থাকে।

ঃ মোক দিলে গোটেইখিনি দিব লাগিব নহ'লে এখনো নালাগে। — মই মুখখন তাইৰ পৰা ঘূৰাই বাহিৰলৈ চাই ক'লোঁ।

ঃ নোলোৱা যদি মোক খুজিছিলা কিয়? চব ফালি পেলাম মই। তাই ফটোখিনি হাতত লৈ ক'লে।

ঃ ঠিক আছে, তুমি নিজেই একপি বাচি দিয়া। — মই তেনেকৈ নোকোৱা হ'লে তাই চাগৈ সঁচাকৈ ফালি পেলালেহেঁতেন যিহে ছোৱালী।

প্ৰীতিয়ে ফটো একপি উলিয়াই মোক দিলে।

ঃ তোমালোকৰ যে কিবা এটা উৎসৱ হয় কেতিয়া হয়? হ'লে মোকো মাতিবা মোৰ তোমালোকৰ সংস্কৃতিৰ বিষয়ে জানিবলৈ খুউব মন গৈছে। — মই বৰ আগ্ৰহেৰে তাইক সুধিলোঁ। নাজানো নিজেই যাম বুলি কোৱাৰ কাৰণে তাই ভালেই পালেনে বেয়াই পালে।

ঃ বহুত দিন আছে সেইটো হ'বলৈ। সঁচাই যাবানে? গ'লে দুদিনমানৰ আগতে থকাকৈ যাবা তেতিয়াহে চব চাব পাৰিবা।

ঃ মাতিলেতো যামেই। তুমিহে নামাতা।

ঃ ঠিক আছে। এইবাৰ মাতিম। নগ'লেহে মজাতো পাবা।

ইতিমধ্যে বেল পৰিছিল। পিছৰ ক্লাছটো কৰিবলৈ দুয়োটা ওপৰ মহলাৰ পৰা নামি আহিলোঁ।

তাত,
কেঁচা মাটিৰ গোন্ধ
ঘামৰ গোন্ধ
ডেউকা ফালি ওলাই অহা
সোণগুটিৰ গাত
এইয়াওতো এখন পৃথিৱী।

গাঁওখন সঁচাকৈ ধুনীয়া। প্ৰথমবাৰৰ বাবে আহিছো যদিও, সকলোতে আপোন আপোন ভাব এটা লাগি আছে। ইয়াৰ ধূলিকণা, গছ-বিৰিখ অথবা গাঁওখনৰ কাষেদি বৈ যোৱা নৈখনৰ সকলোবোৰেই যেন অতি চিনাকি মোৰ। সৌৱা শাৰী শাৰী চাংঘৰবোৰ, বুকুত মেঠনী মৰা তিৰোতাবোৰ এয়া যে এখন চিংফৌ

গাঁৱৰ চিনাকি দৃশ্য। অথবা ক'ব পাৰি প্ৰীতি-জীতহঁতৰ আপোন গাঁওখন। অন্য এক পৃথিৱী, অন্য এক ধৰা আৰু অনন্য তাৰ ৰূপ। য'ত সোণগুটিৰ দৰে পকা ধানবোৰে হালি-জালি তাৰ মানুহৰ পৰিচয় দাঙি ধৰে। সৃষ্টিশীল ৰূপৰ অপৰূপ নিদৰ্শন।

এক উৎসৱমুখৰ পৰিৱেশ বিৰাজমান গাঁওখনত। দুদিনৰ আগতেই অহা ইয়ালৈ চাংকেন চাবলৈ, জীতহঁতৰ ঘৰতে আছোঁহি। ইয়াৰ মানুহবোৰ সঁচাকৈয়ে খুউব আপোনভোলা। জীতৰ মা-দেউতা, তাৰ ডাঙৰ বায়েক সকলোৱে মোক এই দুদিনতে আপোন কৰি ল'লে। আজি চাংকেন চাবলৈ ওচৰৰ পৰা উপভোগ কৰিবলৈ সুযোগ পাম। কাইলৈ যামগৈ সেয়েহে আজিয়ে প্ৰীতিহঁতৰ ঘৰলৈ যাব লাগিব, তাই চাগৈ কি যে কৰিব দুদিনৰ আগতে অহা অথচ আজিলৈকে তাইৰ ঘৰলৈ যাব পৰা নাই। আচলতে ক'ৰবালৈ যাবলৈও জীতৰ মাক-দেউতাকেও এৰিয়ে নিদিয়ে। আজি উৎসৱ চাবলৈ যাম বুলি কোৰাতহে আহিবলৈ দিছে। প্ৰীতিক বুজাই ক'ব লাগিব কথাটো, যিহে ছোৱালী এনেও মোক ভালকৈ নামাতেই, দুদিনৰ আগতে আহিছোঁ বুলি ক'লে চাগৈ খঙতে নামাতিবই।

আনু ঙাই খিফে য়া চাংকেন য়ংচয় নূলঙাৰে ৰায়ং দেৰিমা, প্ৰীতি ইনটেইমু শ্বাং ৰি ৰা মা।

(মা, মই ইয়াক চাংকেন দেখাবলৈ লৈ যাওঁ। আহোঁতে হয়তো দেৰি হ'ব। প্ৰীতিহঁতৰ তাতো সোমাই আহিম।)

জীতে চিংফৌ ভাষাতে মাকৰ পৰা যোৱাৰ অনুমতি ল'লে।

ঃ মা, বাইদেউ থাকক দেই। আপোনালেকৰ বিহু চাই আহোঁগৈ। প্ৰগতি তুমি নোযোৱা? — মই প্ৰগতিলৈ চাই সুধিলোঁ।

ঃ এতিয়া নাযাওঁ, অলপ পিছত যাম। প্ৰীতিও চাগৈ তালৈকে আহিব। তোমালোকে লগ পাই যাবা কিজানি।

ঃ বাৰু আহিছোঁ দেই।

আমি দুয়োটা খোজকাঢ়িয়েই ওলাই আহিলোঁ।

গাঁওখনৰ দৃশ্যৰাজিয়ে মোৰ মনটোক শৈশৱলৈ ওভতাই লৈ গ'ল। বোকা-পানী গছকি এনে এখন গাঁৱত ল'ৰালিৰ ধেমালি কৰিছিলোঁ। উমলিছিলোঁ চৰাই-চিৰিকটি, গছ-বিৰিখৰ স'তে। মোৰ দুচকুৱে সেই ল'ৰালিৰ ওমলা গাঁওখনৰ সাদৃশ্য ইয়াতো বিচাৰি ফুৰিব ধৰিলে।

ঃ জীৎ সৌটো বৌদ্ধ বিহাৰ নহয়নে? তহঁতি চাগৈ কিবা উৎসৱ-পাৰ্বণ হ'লে তালৈ গৈ সেৱা কৰগৈ। মই অলপ দূৰৈত অৱস্থিত মন্দিৰটোলৈ দেখুৱাই তাক সুধিলোঁ।

ঃ ওঁ, হয়। যাবি নেকি তালৈ? দুয়োটাই সেৱা কৰিম ব'ল।

ঃ ধেৎ, মই গ'লে কিবা কয় যদি? ইমান মানুহ আহিছে তালৈ। এতিয়া নোসোমাওঁ দে, বেলেগ এদিন আহিম আকৌ তেতিয়া সোমাম।

ঃ একো নকৰে অ'। বাৰু তোৰ যি ইচ্ছা।

ঃ তহঁতৰ চাংকেন হোৱা ঠাইলৈ আৰু কিমান দূৰ অছে অ'? — মই তাৰফালে চাই সুধিলোঁ।

ঃ আৰু অলপ আছে। কি হ'ল ভৰি বিষাইছে নেকি? এইকণ আহোঁতেই এই অৱস্থা, তইযে ইয়ালৈ পিছত আহিয়ে থাকিব লাগিব প্ৰীতিৰ কাৰণে গম পাইছনে নাই? — সি মোৰ খোজকঢ়াৰ ধৰণ দেখি হাঁহি হাঁহি ক'লে।

ঃ গৰ, য'তে-ত'তে যি টি কথাবোৰ কেলেই কৈ থাকনো? ভৰি-চৰি নাই বিষোৱা। খোজকাঢ়িবহে মন যোৱা নাই। — মই ভেকাহি মাৰি ক'লো তাক।

ঃ এয়া চা, কথা পাতি আহি থাকোঁতে পালোঁহিয়ে।

তাৰ কথা শুনি সন্মুখলৈ চাই দেখিলোঁ আমি আহি থকা ৰাস্তাটোৰ পৰা এটা সৰু ৰাস্তা ফালৰি কাটি এখন পথাৰৰ মাজেদি গৈ এখন এচলীয়া ঠাইত শেষ হৈছে আৰু তাতে ৰং-বিৰঙৰ পোচাক পিন্ধা চিংফৌ ডেকা-গাভৰুৰ জাক ব্যস্ততাৰে ইফাল-সিফাল কৰি ফুৰিছে। মনটো ভাল লাগি গ'ল। আমি দুয়োটাই ক্ৰমান্বয়ে কাষ চাপি গ'লোঁ।

ঃ অই জীৎ য়াহে দূৰে, নোম মাংৰা গ্যায়ে? অই জিৎ এতিয়া আহি পাইছ। লগত এইটো কোন?

কোনোবা এটাই জীতক কিবা ক'লে।

ঃ নাং গ্লইমা কোন পুহা। খি ঙে না নুমনা, ৰৌ স্প্রিননে। তই কেতিয়াবাই আহিলি নেকি? ই মোৰ লগৰে। একেলগে পঢ়ে।

ঃ স্পা, ইনদেৰিয়া বেছি দেৰি হোৱা নাই। আপুনি ইয়াৰ লগত গধূলি আমাৰ ঘৰলৈ যাব দেই। নগ'লে বেয়া পাম। মই এফালে যাবলগীয়া আছে সেয়েহে খৰধৰ কৰিছোঁ বেয়া নাপাব দেই। ল'ৰাজনে মোক কথাটো কৈয়ে লৰালৰিকৈ আন এফালে গ'লগৈ।

ঃ কোন আছিল জানো এইটো? ইমান খৰকৈ গ'লগৈ। যাব পাৰিমনে নোৱাৰিম একো ক'বলৈকে নাপালোঁ।

ঃ হাইস্কুলতে পঢ়িছিলোঁ ইয়াৰ লগত। লগৰে বুলিব পাৰি। বাদ দে না তাৰ কথা সৌজনী প্ৰীতি এইফালেই আহি আছে চা না। — জীতে দূৰলৈ আঙুলি টোঁৱাই দেখুৱালে। সঁচাকৈ খৰখোজেৰে প্ৰীতিয়ে আমাৰ ফালেই আহি আছিল। আমি দুয়ো ৰৈ দিলোঁ। তাই আহি ওচৰ পালেহি।

ঃ তোমাক আজি খুউব ধুনীয়া লাগিছে দেই। পৰা হ'লে আজিয়েই লৈ গ'লোঁহেঁতেন। — মই তাইক জোকাই চালোঁ।

ঃ মোৰ মূৰটো লাগিছে। তুমি ইয়ালৈ কেতিয়া আহিলা কোৱাচোন

সঁচাকৈ? — তাই আহিয়েই কৈফিয়ৎ বিচাৰিলে মোৰপৰা।

প্ৰমাদ গণিলোঁ। এহ্ এইবাৰচোন শেনৰ এজাত। বুজি পালোঁ মই দুদিনৰ আগত আহিও তাইৰ ঘৰলৈ নোযোৱাৰ কাৰণে খং উঠিছে। কেনেকৈ গম পালে ধৰিব নোৱাৰিলোঁ। হঠাৎ মনত পৰি গ'ল আজি ৰাতিপুৱাই প্ৰগতি প্ৰীতিহঁতৰ ঘৰলৈ গৈছিল। তাইয়ে হয়তো ক'লে।

ঃ ৰ'বা না, ইমান খং কৰিছা কেলেই? আজি যাম নহয় তোমালোকৰ তালৈ জীতৰ মাক-দেউতাকে মোক এৰিয়ে নিদিয়ে। আজি তোমালোকৰ চাংকেন চাবলৈ আহিব বুলি কোৱাৰ কাৰণেহে আহিব দিলে। মিছা কৈছোঁ যদি জীতক সুধি চোৱা। — মই তাইক পতিয়ন নিয়াবলৈ চেষ্টা কৰিলোঁ।

ঃ নালাগে আমাৰ ঘৰলৈ যাবলৈ। আমাৰ ঘৰলৈ কোন যায়? কোনো নাযায়, তুমিও নালাগে যাবলৈ। — প্ৰীতিয়ে খঙতে ইফালে মুখখন ঘূৰাই ক'লে।

ঃ এহ্, তহঁতি কাজিয়া কৰ কি কৰ কৰি থাক দেই। মই অলপমান আগৰ পৰা আহোঁগৈ। — জীতে আমাক এৰি আগলৈ খোজ ল'লে।

সোনকালে আহিবি। নহ'লে এইজনীক দেখিছই কেনেকৈ গৰম হৈ আছে মোক পৰি মাৰিব। — মই পিছফালৰ পৰা চিঞৰি তাক ক'লোঁ। এইবাৰ পুনৰ ঘূৰি প্ৰীতিৰ ফালে চাই ক'লো, "ইমান খং নে তোমাৰ। একেবাৰে তোমালোকৰ ঘৰতে থাকি যাম গম পাবা তেতিয়া। তোমাৰ মা-দেউতাই তেতিয়া মোক খেদাইও তৎ নেপাব।"

ঃ আজি থাকিব লাগিব আমাৰ ঘৰত। তেতিয়াহে তোমাক ক্ষমা কৰিম।

ঃ কিন্তু জীতৰ মাক-দেউতাকক যে ঘূৰি আহিম বুলি কৈ আহিছোঁ।

ঃ নহ'ব, আজি থাকিবই লাগিব। মই প্ৰগতি আহিলে সিহঁতৰ ঘৰত ক'বলৈ পঠিয়াই দিম। — তাই জিদ ধৰি ক'লে।

ঃ হ'ব বাৰু। — উপায় নাপাই ক'লোঁ।

ঃ তালৈ যাওঁ ব'লা। — প্ৰীতিয়ে জীত যোৱাৰ ফালে দেখুৱাই ক'লে।

ঃ ধেৎ নাযাওঁ। তুমি যে কৈছিলা চাংকেন হ'লে তোমালোকে পৰস্পৰৰ গাত পানী ছটিওৱা। তালৈ গ'লে মোৰ গাতো ছটিয়াব।

ঃ মই আছো নহয়। নছটিয়ায়। ব'লা। — তাই মোৰ হাতত ধৰি টানি লৈ গ'ল।

চাৰিওফালে মানুহেই মানুহ। জীতক বিচাৰিলোঁ। তাৰ একো দেখা দেখিয়েই নাই। মানুহবোৰে পানীত নামি পৰস্পৰে পৰস্পৰৰ গাত পানী ছটিয়াই ধেমালি কৰাত লাগিছে। এয়াই 'পানী বিহু' বা চিংফৌ ভাষাত চাংকেন, চিংফৌ মানুহৰ বুকুৰ আপোন উৎসৱ।

ঃ প্ৰীতি জান তহঁত দুটাক অথনিৰে পৰা বিচাৰি ফুৰিছোঁ। ক'তনো ঘূৰি ফুৰিছ?

কোনে মাতিছে বুলি পিছফালে ঘূৰি চাই দেখিলোঁ প্ৰগতি আহি আমাৰ পিছফালে থিয় হৈ আছে।

ঃ নাং কায় দেৰি মাৰে? ঙাই গ্লইমা কুন দুহালো। জান্‌ফে দানি ইন্টাই ঙা চুঙুন চয় লুৱাঙাৰে।

(তই ইমান দেৰি কৰিলি? মই কেতিয়াবাই আহিলোঁ। জানক আমাৰ ঘৰত থাকিবলৈ লৈ যাম।)

প্ৰীতিয়ে নিজৰ ভাষাতে প্ৰগতিক কিবা ক'লে।

ঃ তোমালোকে কিযে কথা পাতা, মই একোকেই বুজি নাপাওঁ। অসমীয়াত কোৱানা। — মই একো বুজি নাপাই দুইজনীকে উদ্দেশ্যি ক'লোঁ।

ঃ ইহ্ এতিয়াহে বুজি পোৱা নাই আৰু কেইদিনমানৰ পিছত আমাতকৈ ভালকৈ ক'ব পৰা হ'বাগৈ। — প্ৰগতিয়ে লগে লগে উত্তৰ দিলে।

তাই কি ইঙ্গিত কৰিছে মোৰ বুজি পাবলৈ অসুবিধা নহ'ল। আমি ইতিমধ্যে কথা পাতি পাতি পানীখিনিৰ একেবাৰে ওচৰ পাইছিলোঁগৈ। মই কিবা তৰ্কিব পৰাৰ আগতেই প্ৰীতিয়ে পানীত নামি গৈ মোৰ গাত এসোপা পানী ছটিয়াই দিলে। মই চক্‌খাই গ'লোঁ। সিহঁত দুইজনীয়ে হাঁহিব ধৰিলে। মোৰ গাৰ এফাল তিতি গ'ল। উপায় নাপাই মইও পানীলৈ নামি গৈ সিহঁত দুইজনীৰ গাত পানী ছটিয়াব ধৰিলোঁ।

জীৎ, প্ৰীতি আৰু মই গোটেইকেইটা তিতি জুৰুলী-জুপুৰী হৈ প্ৰীতিহঁতৰ ঘৰ ওলালোগৈ। তেতিয়া গধূলি পাঁচটামান বাজিছিল।

ঃ ইমান গধূলি আহিছোঁ, তোমালোকৰ মা-দেউতাই কিবা নকয়তো? — মই প্ৰীতিক সুধিলোঁ।

ঃ তুমি ভয় কৰিব নালাগে। তুমি আহিবা বুলি মা-দেউতাই জানেই। মই কৈ থৈছোঁ। — তাই নঙলাডাল খুলি খুলি ক'লে।

আমি চাংঘৰটোৰ ওপৰলৈ উঠি গ'লোঁ। তাইৰ মাক-দেউতাকে আমাক দেখি ভিতৰৰ পৰা ওলাই আহিল।

ঃ আনু ঙাই চাৰনাৰি দ্বামে ঙাইফং চিৰিংৰে। মা, মই যে কৈছিলোঁ মোৰ লগত পঢ়ে বুলি এয়াই। — প্ৰীতিয়ে মোক দেখুৱাই মাকক ক'লে।

ঃ বাহিৰতে ৰ'লা যে আহঁা আহঁা ভিতৰলৈ। জীৎ, নাং মো পু হায়ি স্পায়া উম পুৰি গাজাহা। জীৎ তয়ো আহিলি, ভালেই হ'ল বহুতদিন অহা নাছিলি।

আমি ভিতৰলৈ সোমাই গ'লোঁ।

ঃ তোমালোকে কাপোৰ-কানিবোৰ সলাই লোৱা। প্ৰীতি এওঁলোকক পিন্ধিবলৈ বাকা চিংফৌ লুঙ্গী আনি দেচোন। — প্ৰীতিৰ মাকে কথাষাৰ কৈ ভিতৰলৈ সোমাই গ'ল।

তাই ভিতৰৰ পৰা আমাৰ দুয়োটাকে দুখন বাকা আনি দিলে।

ঃ ছিঃ লাজ নাই। তুমি ইয়াৰ পৰা যোৱানা। মই এইখন পিন্ধি লওঁ। — মই প্ৰীতিক ওচৰত ৰৈ থকা দেখি ক'লোঁ।

ঃ এ, থ, কিতো লাজ কৰিছ। পিন্ধ, পিন্ধ। নিজৰ মানুহজনীৰ আগতো লাজ কৰে নেকি? — জীতে কৈ কৈ কাপোৰ সলালে।

ঃ নাযাওঁ মই, তুমি কেনেকৈ বাকা পিন্ধা চাম আজি। — প্ৰীতিয়ে মোৰ একেবাৰে ওচৰলৈ আহি ক'লে।

উপায় নাপাই মই তাইৰ আগতে সেইখন পিন্ধিলোঁ।

ঃ ...এতিয়াহে তোমাক একেবাৰে চিংফৌ দাদাৰ দৰে লাগিছে। — তাইআমাৰ তিতা কাপোৰবোৰ লৈ যাওঁতে কৈ গ'ল।

খাই-বৈ উঠোঁতে ৰাতি প্ৰায় চাৰে দহ মান বাজিছিল। আমি সকলোৰে আহি আগফালৰ বাৰাণ্ডাত বহিলোঁহি।

ঃ ডেকা ল'ৰা, ইয়াত থাকি এইকেইদিন কেনেকুৱা লাগিছে? গাঁৱলীয়া ঠাই যে বেয়া লাগিছে কিজানি নহয়? — প্ৰীতিৰ দেউতাকে মোক সুধিলে।

ঃ ওঁহো, ইয়াত থাকি সঁচায়ে খুউব ভাল লাগিছে। গাঁও যদিও আগতে নেদেখা বহুত কিবাকিবিয়ে চাবলৈ পাইছোঁ, আপোনালোকক লগ পাইছোঁ। মোৰ বাবে এয়াই বহুত। — মই বিনম্ৰভাৱে উত্তৰ দিলোঁ।

ঃ খুউব ভাল কথা। তেনেহ'লে আৰু দুদিনমান থাকি যোৱা, ভালকৈ গাঁওখন চাই যাব পাৰিবা।

ঃ থাকিব পৰা হ'লেতো ভালেই লাগিলহেঁতেন, গাঁওখনো চাব পাৰিলোঁহেঁতেন। কিন্তু কালিলৈ যাব লাগিব মই। বিশেষ এটা জৰুৰী কাম আছে। পিছত কেতিয়াবা আহিব লাগিব। এইবাৰ প্ৰীতিৰ ফালে চাই ক'লো, "কালিলৈ ৰাতিপুৱা তুমি মোক সোনকালে জগাই দিবা। জীতৰ ঘৰত পুৱাই গৈ, বাহিৰে বাহিৰে যামগৈ। পাৰিবানে নাই?"

তাই মুখেৰে একো মাত নেমাতিলে। মই বুজি পালোঁ এদিনহে থকাৰ কাৰণে তাই বেয়া পাইছে বুলি। তাইক বুজাব লাগিব মই যে নগ'লেই নহয়।

ডিগবৈ অভিমুখী বাছখনত উঠি খালী চিট্ এটা পাই তাতে বহি পৰিলোঁ। মনটো কিবা উৰুঙা উৰুঙা লাগি গ'ল। আহিবৰ সময়ত প্ৰীতিয়ে উচুপি কন্দা দৃশ্যটো বাৰে বাৰে দুচকুৰ আগত ভাঁহি আহিল। কিট্ বেগটোৰ পৰা তাই দিয়া গামোচাখন উলিয়াই লৈ সেমেকি অহা চকু দুটা হেঁচি ধৰিলোঁ। এটি চিনাকি গোন্ধ গামোচাখনৰ পৰা ওলাই আহি মনটো ভৰাই পেলালেহি।

গীতৰ সেই গুঞ্জন
কবিতাৰ গুণ গুণনি
সৌন্দৰ্য সিক্ত কথোপকথনবোৰ
আবেলিৰ বেলিৰ দৰে ডুবগৈ
আজি মোক ছালি ধৰিছে
দুখৰ ৰাতিৰ আন্ধাৰে

খকমককৈ সৰ পাই গ'লোঁ। খোলা খিৰিকীখনেদি সোমাই অহা বৰষুণৰ এচাৰকনিয়ে মোৰ দেহৰ এফাল ধুই নিলে। মূৰটো টেবুলখনৰ পৰা উঠাই বাহিৰলৈ চালোঁ। বাহিৰত তেতিয়া এসোপা এন্ধাৰে চৌপাশে আৱৰি আছে। বৰষুণৰ ক্ৰমবৰ্ধমান গতিৰ লগে লগে খিৰিকীখনেদি পানী সোমোৱাতোও বাঢ়ি আহিবলৈ ধৰিলে। সেইখন বন্ধ কৰি দিবলৈ মন নগ'ল। থাকক খোলা হৈ। আৰু কেইঘণ্টামানৰ পিছতে এই দেহৰ সজাৰ পৰা মুক্ত হৈ ওলাই যাম কোনোবা অচিন দেশলৈ। ইতিমধ্যে ভাবি অহা কথাবোৰে মগজুত তীব্ৰ আলোড়ন তুলিবলৈ ধৰিলে। কিয় বাৰু এনে হ'ল মোৰ? কাৰোবাক সঁচাকৈ ভালপালে, সঁচাকৈ বিচাৰিলেই সি আঁতৰি যায়, কিয় এনে হয়? পাইও হেৰুৱাৰ বেদনা কিমান — কোনেনো বুজিব?

ধুমুহা গতিৰে ঘটনাবোৰ ঘটিব ধৰিছিল। কলেজীয়া জীৱন শেষ হ'বলৈ আৰু বেছি দিন নাছিল, কাৰণ তৃতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষা আৰম্ভ হ'বলৈ কেইদিনমানহে বাকী আছিল। ক্লাছ প্ৰায় নহয়েই। আজি কেইবাদিনৰ পৰা প্ৰীতি অহা নাছিল। জীতক সোধাত সি ঘৰলৈ গ'ল বুলি ক'লে। ঘৰতেই পঢ়িছে চাগৈ তাই।

আচৰিত হ'লোঁ আজি মেজৰৰ ষষ্ঠ কাকতৰ পৰীক্ষা, অথচ প্ৰীতি অহা নাই। মই পৰীক্ষাত একেবাৰে মন বহুৱাব নোৱাৰিলোঁ। চিন্তাত একোৱেই লিখিব নোৱাৰিলোঁ। দুঘণ্টা সময় কোনোমতে শেষ কৰি বাহিৰলৈ ওলাই আহিলোঁ। এতিয়া জীতৰ কাৰণে অপেক্ষা কৰিব লাগিব। সিয়েই হয়তো ক'ব পাৰিব তাইৰ কথা। পৰীক্ষা আৰম্ভ হোৱাৰ আগতে তাক সুধিবলৈও সি ফাইনেল বেল মৰাৰ সময়তহে পৰীক্ষা গৃহত আহি সোমাইছিলহি।

সম্পূৰ্ণ এঘণ্টা সময় জীতৰ কাৰণে ৰ'ব লগা হ'ল। সি ওলাই অহাৰ লগে লগে তাক সুদিলোঁ, "প্ৰীতি দেখোন পৰীক্ষা দিবলৈও নাহিল। কি হ'ল কিবা বেমাৰ-চেমাৰ হৈছে নেকি?"

ঃ তোৰ পৰীক্ষা কেনেকুৱা হ'ল? পেপাৰখন খুউব টাফ্ আহিছে নহয়? মই যে থাৰ্টি পাৰ্চেণ্টো নম্বৰ পামনে নাই সন্দেহ।

সি মোৰ কথাৰ উত্তৰ নিদি বেলেগ প্ৰশ্নৰ অৱতাৰণা কৰা দেখি মোৰ সন্দেহ হ'ল। সি জৰুৰ মোৰ পৰা কিবা এটা লুকুৱাইছে।

ঃ তই মোৰ কথা উত্তৰ দিয়া নাই কিয়? তই মোৰ পৰা কিবা লুকুৱাইছ? সঁচা কথা ক'। — মই খঙেৰে তাৰ গাটো জোকাৰি দিলোঁ।

ঃ তো... তোৰ পৰা কি... কিনো লুকুৱাম। তই মিছাতে মোক সন্দেহ কৰিছ। — তাৰ কথা কোৱাৰ ধৰণ দেখি মই এইবাৰ নিশ্চিত হৈ গ'লোঁ সি মোৰ পৰা কিবা লুকুৱাইছে বুলি।

ঃ চা তই যদি নকৰ নাই কিন্তু তই জানি ল'বি তোৰ লগত আজিৰ পৰা মোৰ কোনো সম্পৰ্ক নাই। — ভীষণ উষ্মাৰে ক'লো তাক।

ঃ শেষত তই মোক কোৱাইহে এৰিলি।

এইবোৰ শুনিলে তোৰ পৰীক্ষা বেয়া হ'ব বুলিহে একো কোৱা নাছিলোঁ। তয়েই জিদ ধৰিছ যেতিয়া অনিচ্ছা সত্ত্বেও ক'বলৈ বাধ্য হৈ পৰিছোঁ। — মোৰ খং উঠা বুলি জানি জীতে ক'বলৈ বাধ্য হৈ পৰিল।

ঃ তই এইবোৰ বকলা এৰ। আচল কথাটো ক' প্ৰীতি কিয় অহা নাই? — মোৰ ধৈৰ্যৰ বান্ধ সুলকি গ'ল।

ঃ প্ৰীতিৰ বিয়া হৈ গ'ল। গিৰিয়েক কিবা চেলচ্ টেক্স অফিচাৰ নেকি বুলি কোৱা শুনিছোঁ। — সি কওঁ নকওঁকৈ কথাবোৰ ক'লে।

ঃ কি!!! ত...তই... এইবোৰ কি কৈছ? মই জীতৰ বুকুত সজোৰে খামুচি ধৰি জোকাৰি দিলোঁ।

ঃ অঁ, যি কৈছোঁ সঁচা কৈছোঁ। মই জানো তই অন্তৰত বহুত আঘাত পাবি। সেইকাৰণে একো ক'ব খোজা নাছিলোঁ। — সি সেমেকা চকুৰে ক'লে।

ঃ প্লীজ, তই এইবোৰ মিছাকৈ কৈছোঁ বুলি কৈ দে না এবাৰ... ম... মই শুনিব নোখোজোঁ... এনে... কথা... শুনিব নোখোজোঁ...।

তাৰ চোলাটোৰ পৰা লাহে লাহে হাত দুখন নিজে নিজে তললৈ নামি আহিল। মগজুৰ ভাৰসাম্য যেন হেৰুৱাই পেলাইছোঁ এনে লাগি গ'ল। ভৰিৰ তলৰ মাটিখিনিও যেন আঁতৰি গ'ল। ঢলংপলংকৈ মদ খোৱা মানুহৰ দৰে খোজকাঢ়ি গুছি আহিলোঁ জীতৰ কাষৰ পৰা একো নোকোৱাকৈ।

কিয় তাই এনেকুৱা কৰিলে ভাবি পাৰ নোপোৱা হ'লোঁ। মই কি দোষ কৰিছিলোঁ যে তাই মোক এনেদৰে শাস্তি দিলে। এয়াই কি তাইৰ প্ৰকৃত প্ৰেম আছিল? অথবা প্ৰেমৰ নামত খেল খেলিছিল তাই। হ'ব পাৰে... নহয়... নহয় হয়েই। আজিকালি নিজৰ বাহিৰে কাকো বিশ্বাস কৰিব নালাগে। চালা চবেই একে। খঙৰ কোবত মূৰটো দুহাতেৰে জোৰেৰে চেপি ধৰিলোঁ। প্ৰতিশোধ ল'ম মই ভীষণ প্ৰতিশোধ। চিনি পোৱা নাই মোক। মোক প্ৰতাৰণা কৰি ক'ত সাৰি যাব? জীয়াই থাকো মানে তাইৰ পিছ নেৰোঁ। এটা তাৎক্ষণিক সিদ্ধান্ত লৈ পেলালোঁ।

বহুদিন অনুসন্ধান কৰাৰ পাছত গম পাইছিলোঁ প্ৰীতি তাইৰ গিৰিয়েকৰ সৈতে বৰ্তমান নাগালেণ্ডৰ কহিমাত। খবৰটো পায়ে লৰালৰিকৈ যোৰহাটলৈ আহিলোঁ লগৰ ল'ৰা এটাক লগ কৰিবলৈ। বহুত বিচৰাৰ পাছতহে তাৰ থকা ঘৰটো চিনেমা হলৰ সমীপত থকা ঠেক গলিয়েদি সোমাই পালোঁগৈ। বৰ আচহুৱা পৰিৱেশত থাকে সি, চাৰিওফালে চাই অনুমান কৰিলোঁ। অৱশ্যে তাৰ দৰে স্মাগ্‌লাৰ এটাৰ বাবে এনেবোৰ পৰিৱেশেই হয়তো কাম্য। এইটো ধান্দাত সোমোৱাৰ পিছৰ পৰাই তাৰ লগত মোৰ সম্পৰ্ক একেবাৰে নোহোৱা হৈ আহিছিল। আজি বাধ্যত পৰি আহিবলগীয়া হৈছে। হয়তো মোক দেখিলে সি চিনিয়ে নপাব। বন্ধ দুৱাৰখনৰ ওচৰলৈ গৈ টুকুৰিয়াই দিলোঁ।

ঃ কোন? — ভিতৰৰ পৰা গলগলীয়া মাত এটা ভাঁহি আহিল।

ঃ মই জান। ছিদ্দিক, দুৱাৰ খোল।

ঃ আবে কোন জান? — পুনৰ প্ৰশ্ন কৰিলে সি।

ঃ মূৰ্খ, দুৱাৰখন খুলিলেহে গম পাবি কোন জান। প্ৰথমে দুৱাৰখন খোল। — উঠি অহা খংটো দমাই ক'লোঁ।

বিকট শব্দ কৰি দুৱাৰখন খোল খাই গ'ল। লুঙী পিন্ধা মোতকৈ বয়সত ডাঙৰ যেন দেখা মানুহ এটা ওলাই আহিল। অলপ চায়েই ধৰিব পাৰিলোঁ ইয়েই ছিদ্দিক বুলি। মুখত কটা দাগটোৱে বীভৎস দেখাইছে তাক। সি অলপপৰ মৌলৈ তভক মাৰি চায়েই চিঞৰি উঠিল, "আৰে চোঁৰৰৰ বাচ্চা, ইমান দিনৰ মূৰত। তইতো শ্বৰীফ মানুহ ক'ত আহিবি আমাৰবোৰৰ ওচৰলৈ। আহ্, আহ্ ভিতৰলৈ আহ্।"

ভগাছিগা মূঢ়া এটা আগবঢ়াই দিলে বহিবলৈ। তাৰ পিছত পুনৰ ক'লে, "তই ইমান খীণাইছ কেলেই? এনি প্ৰব্লেম? কোনোবাই কিবা কৰিছে যদি ক' খতম কৰি দিম।"

মই তাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়োজনবোধ নকৰি সুধিলো, "তোৰ ওচৰত এটা ৰিভলভাৰ হ'ব?"

সি আচৰিত হৈ মোৰ মুখলৈ চালে, তাৰ পিছত ক'লে, "আছেৰ' আনিছোঁ।" সি ভিতৰলৈ সোমাই গ'ল।

ঃ এইটো ল'। পূৰা ছয় ৰাউণ্ড আছে। নতুন ইউ এছ এ মেড উইথ চাইলেঞ্চাৰ। — সি এটা ক'লা ৰঙৰ ৰিভলভাৰ মোৰ হাতত তুলি দিলে। এক অনামী শিহৰণ অনুভৱ কৰিলোঁ ৰিভলভাৰটোৰ শীতল স্পৰ্শত।

ঃ তই এইটো এসপ্তাহ পিছত ঘূৰাই পাবি। মই যাওঁ। নথকাৰ কাৰণে বেয়া নাপাবি। — মই তাক একো সুধিবৰ সুযোগ নিদি ওলাই আহিলোঁ। সি আচৰিত হৈ প্ৰস্তৰ মূৰ্তিৰ দৰে পিছফালৰ পৰা চাই থাকিল।

এইকেইদিন ক'হিমাত থাকিও প্ৰীতিহঁতৰ একো শুংসূত্ৰ উলিয়াব পৰা নাই। প্ৰচণ্ড আক্ৰোশত জ্বলি-পুৰি মৰিছোঁ। আজি আকৌ গোটেই ক'হিমা চলাথ কৰিব লাগিব। হোটেলৰ কোঠাত সোমাই এইবেৰ কথাকেই ভাবি আছোঁ। সন্মুখৰ টেবুলত পৰি থকা বাতৰি কাকতখনত এনেয়ে চকু ফুৰালোঁ, অকস্মাতে এটা বাতৰিলৈ চকু গ'ল। উগ্ৰপন্থীৰ দ্বাৰা ধন দাবী, কোনোবা চেলচ্ টেক্স অফিচাৰক। কথাটো মনত পৰাৰ লগে লগে মগজুৰ তেজবোৰ উতলি আহিল। হোটেলৰ পৰা ওলাই পি চি অ' এটাত সোমালোঁগৈ, উদ্দেশ্য, ফোন কৰি প্ৰীতিক ঘৰৰ পৰা উলিয়াই অনা। টেলিফোন ডাইৰেক্টৰীৰ পৰা অলপ দেৰি বিচৰাৰ পাছতে নিৰ্দিষ্ট ফোন নম্বৰটো পাই গ'লোঁ। অলপ দেৰি ৰিং কৰাৰ

পিছত লাইনো পাই গ'লোঁ।

ঃ হেল্ল' কেন আই স্পীক টু মিচেছ প্ৰীতি শইকীয়া।

ঃ ইয়েচ, আই এম মিচেছ শইকীয়া স্পীকিং।

ঃ প্ৰীতি, মই তোমাৰ জান।

ঃ জান! তুমি!!

ঃ কি হ'ল উচপ খাই উঠিলা দেখোন। যিজনী ছোৱালীয়ে মোক নেদেখিলে থাকিব নোৱাৰিছিল তাই আজি মোৰ মাত শুনি আচৰিত হৈ গৈছে। নিয়তিৰ কি পৰিহাস নহয়নে? — শ্লেষপূৰ্ণভাৱে কথাষাৰ ক'লোঁ।

ঃ তুমি ইয়ালৈ কি বিচাৰি আহিছা? তোমাৰ লগত থকা সকলো সম্পৰ্কই শেষ হৈ গ'ল। যি সময়ত বিচাৰি আহিব লাগিছিল সেই সময়ত নাহিলা। এতিয়া... এতিয়া কিয় আহিছা? মই এতিয়া আনৰ হৈ গ'লোঁ। — উচুপি উঠিল তাই।

ঃ জানো। সেয়েহে মাত্ৰ এবাৰৰ কাৰণে লগ পাব বিচাৰিছোঁ, চাব বিচাৰিছোঁ তোমাক। প্লিজ, তুমি এবাৰৰ কাৰণে আহাঁনা। মোৰ শেষ অনুৰোধো তুমি নাৰাখিবানে? আৰু সুধিব পাৰিলোঁহেঁতেন তাইক সময়ত বিচাৰি যাবলৈ তুমি জানো খবৰ দিছিলা বুলি, নুসুধিলোঁ। এইদৰে তৰ্ক কৰি থাকিলে মগজুটোৰে আৰু কাম নকৰা হ'ব।

ঃ বাৰু। মই বাহিৰলৈ যাব নোৱাৰোঁ কোনোবাই সন্দেহ কৰিব। পেপাৰততো পঢ়িব পাইছাই ছাগৈ ধন দাবী কৰা কথাটো। তেখেত নাই অফিচলৈ গৈছে তুমি ইয়ালৈকে আহাঁ।

মই একো নকৈ ফোনটো ক্ৰেডেলত থৈ দিলোঁ। মোৰ বিবেক মৰি শেষ হৈ গ'ল। যিজনী ছোৱালীক প্ৰাণতকৈ বেছি ভাল পাইছিলোঁ তাইকো হত্যা কৰিবলৈ ব্যাকুল হৈ পৰিছোঁ আজি।

অট্টালিকা সদৃশ ঘৰটোৰ গেটখন খুলি সোমাই গ'লোঁ ভিতৰলৈ। দুজন বন্দুকধাৰী চিপাহীয়ে বাৰাণ্ডাখনৰ আগত পায়চাৰী কৰি আছিল। মোক দেখি ৰ'বলৈ সংকেত দিলে। ৰৈ গ'লোঁ। হয়তো ধৰা পৰি যাম। এজন চিপাহী আগবাঢ়ি আহিল মোৰ তালাচী ল'বলৈ। কিন্তু সেই সময়তে কোনোবাই ভিতৰৰ পৰা সিহঁতক তালাচী চলাবলৈ মানা কৰিলে। মাতটো শুনি ধৰণা হ'ল প্ৰীতিয়ে হ'ব সেয়া। মই আগবাঢ়ি গ'লোঁ।

ঃ ভিতৰলৈ সোমাই আহাঁ।

ভিতৰলৈ সোমাই গৈ সন্মুখতে প্ৰীতিক দেখিলোঁ। স্তব্ধ হৈ চাই ৰ'লোঁ তাইক আগতকৈ বহুত খীণালে তাই। কিয় জানো এনে লাগিল তাই যেন এইমাত্ৰ কান্দিছিল। মোৰ চকুৰ চাৱনি সহ্য কৰিব নোৱাৰি চকু তললৈ নমাই আনিলে তাই। তাই লাহে লাহে গৈ দুৱাৰখনৰ হুকটো লগাই দিলে। মই নিজকে কঠোৰ কৰি ল'লোঁ।

ঃ প্ৰীতি তোমাক মাত্ৰ এটা কথা সুধিম মই। কোৱা, তোমাক মই এদিন কৈছিলোঁ মোক যদি প্ৰতাৰণা কৰিব মন গৈছে, ঠগিব মন গৈছে এই মুহূৰ্ততে প্ৰতাৰণা কৰা, পিছত যদি এনে কৰা তোমাক মই সুদাই নেৰোঁ। তুমি জানি-বুজিও কিয় এনে ভুল কৰিলা? কোৱা আজি মোক ইয়াৰ উত্তৰ লাগে। — অত্যন্ত ৰুক্ষভাৱেই ক'লোঁ তাইক।

ঃ মই জানো, মই দোষ কৰিছোঁ, পাপ কৰিছোঁ। মইও এদিন তোমাক তোমাক কৈছিলোঁ তোমাকেই ভালপাই থাকিম চিৰদিন বুলি, সেয়া আজিও আছে। আৰু... তাইৰ কথা শেষ হ'বলৈকে নিদিলোঁ, প্ৰচণ্ড খঙত চিঞৰি উঠিলোঁ, "চুপ! তুমি যদি মোৰ হ'ব নোৱাৰা আনৰো হ'ব নিদিওঁ মই কেতিয়াও নিদিওঁ।" ৰিভলভাৰটো পকেটৰ পৰা উলিয়াই প্ৰীতিৰ কপালত লগাই ক'লোঁ, " তোমাক মই সঁচাকৈ খুউব ভালপাওঁ।"

দুটোপাল অশ্ৰু বিৰিঙি উঠিল তাইৰ চকুৰ কোণত। নিমাতে ৰৈ গ'ল তাই। চকু দুটা মুদি ট্ৰিগাৰটো টানি দিলোঁ। চাইলেঞ্চাৰ থকাৰ কাৰণে মৃদু শব্দ এটা হ'ল। কোনো শব্দ নোহোৱাকৈ প্ৰীতিৰ দেহাটো মোৰ ফালে হালি পৰিল। সাৱট মাৰি ধৰি তাইৰ দেহাটো চোফাখনত শুৱাই দিলোঁ। ধাৰাসাৰে চকুপানী ওলাই আহিল মোৰ দুচকুৰ পৰা। তাইৰ গুলপীয়া ওঁঠযুৰিত চুমা এটা আঁকি দিলোঁ আলফুলকৈ। তাৰপিছত খৰখোজেৰে তাৰপৰা ওলাই আহিলোঁ। চিপাহী দুটাই একো সন্দেহেই নকৰিলে।

পিছদিনা বাতৰি কাকতত প্ৰীতিক হত্যা কৰাৰ খবৰ ওলাইছিল, ধন দাবী কৰিব অহা উগ্ৰপন্থীৰ হাতত চেলচ্ টেক্স অফিচাৰৰ পত্নীৰ মৃত্যু বুলি। ভাবিছিলোঁ পুলিচে ধৰক মোক ফাঁচী দিয়ক। সিহঁতেও ধৰিব নোৱাৰিলে মোক।

কিয় ইমান নিষ্ঠুৰ হৈছিলোঁ মই, যিজনী ছোৱালীৰ বাবে মই প্ৰাণ দিবলৈকো সাজু আছিলোঁ তাইক মাৰিবলৈ মোৰ হাত অকণো নকঁপিল। প্ৰতিশোধৰ দাবানলে মোৰ বিবেকক অসাৰ কৰি তুলিছিল। মই আজি মৰিবলৈ ওলাইছোঁ, কাৰণ মোৰ বাবে এয়াই একমাত্ৰ পথ খোলা আছে, সেই পাপৰ প্ৰায়চিত্ত কৰিবলৈ। তাইক হত্যা কৰিলোঁ প্ৰতিশোধ ল'বলৈ কিন্তু... কিন্তু... তাৰ আগলৈকে মই জনা নাছিলোঁ যে প্ৰীতিয়ে নিজৰ ইচ্ছামতে বিয়া হোৱা নাছিল। মাক-দেউতাকৰ জিদৰ আগত পৰিহে বিয়া কৰাবলগীয়া হৈছিল। তাই মোৰ কথাও ঘৰত কৈছিল আৰু কৈছিল মোৰ বাহিৰে তাই আন কাৰো সৈতে বিয়া নহয়, মোৰ বাবে তাই ৰ'বলৈ বিচাৰিছিল। আৰু... আৰু... মই জনা নাছিলোঁ তাই মোলৈ খবৰো পঠাইছিল কাৰোবাৰ হাতত। কিন্তু কাৰ হাতত পঠিয়াইছিল এতিয়া জনাৰো উপায় নাই। কাৰণ তাই আন কাকো কোৱা নাছিল সেই কথা। এইবোৰ কথা মই পিছত গম পাইছিলোঁ।

প্ৰীতি নিষ্পাক আছিল, তাইৰ গাত অকণো দোষ নাছিল। তাই হয়তো ক'ব বিচাৰিছিল সেই কথা, ময়েই ক'বলৈ সুযোগ নিদিলোঁ। কিন্তু এতিয়া যে সকলো শেষ হৈ গ'ল। ইমান দিনে মানসিক অন্তৰ্দ্বন্দ্বত ভুগি, আজিয়েই শেষ সিদ্ধান্ত ল'লোঁ, মোৰ মৃত্যুৰ বাহিৰে একো পথেই খোলা নাই। মই জীয়াই থাকিম কাৰ বাবে? হৃদয়ৰ স্পন্দনেই যাৰ বন্ধ হৈ যায় সি জানো জীয়াই থাকে? তাক জানো জীৱিত বুলি ক'ব পাৰি? প্ৰীতিয়েইতো মোৰ হিয়াৰ স্পন্দন আছিল। শেষবাৰৰ কাৰণে প্ৰীতিৰ ফটোখন চাই ল'লোঁ। এনে লাগিল যেন তাই এইমাত্ৰ মোক ক'ব, "জান তুমি চাংকেন চাবলৈ আকৌ আহিবা আমাৰ ঘৰলৈ।" চকুৰ পানীবোৰ টোপ টোপকৈ পৰি ফটোখন তিয়াই পেলালে। এইবাৰ বটলটোৰ সকলো বিষ মুখত বাকি বিচনাখনত শুই পৰিলোঁ বুকুত প্ৰীতিৰ ফটোখন লৈ। লাহে লাহে চকুৰ পতা জাপ খাই আহিব ধৰিলে।

(মৰমৰ মামনিলৈ মৰমেৰে)

লেখকঃ স্নাতক দ্বিতীয় বৰ্ষ 'কলা' শাখা। ■

# THE WOLFMAN AND THE FLESH-WOMAN POWER-NATURE AND THE QUESTION OF HUMANITY




**- Palitra Bharali**

Prof. Ashok Choudhury catches a wolf-boy in Ramsang forest, brings him home and sears with his own daughter Reema. He sends this wolf-boy whom he names Romu to the reputed great Heart school with a view to make him a perfect human being. Afterwards due to the complaints from guardians and opposition from the managing board headed by MP Nripati Baruah, Romu is taken away from school and taught at home by Prof Choudhury. Romu and Reema acquire maturity in age and in learning. Romu became a co-researcher in the private laboratory of Prof. Choudhury. He enjoys Reema's presence when he is alone in the laboratory. Meanwhile Nripati Baruah engages his son Dilip, an M.Sc., as a co-researcher in Prof. Choudhury's lab. Following it is the marriage arranged between Reema and Dilip. Though Dilip cannot help much in the research, Romu works hard to complete the project and make it a wedding gift to Reema. Romu becomes successful one night. Of course, Dilip was absent that night. The success of the project is reported in the next day's newspaper. Prof. Choudhury is shocked to find that only Dilip's photo is published and only Dilip has been credited for the discovery and to win the national award. It is all the doing of Nripati Baruah. Prof. Choudhury wants to protest but can't because Reema is engaged to Dilip. Aggrieved Romu takes hold of the piece of stone he brought with him at the moment Prof. Choudhury caught him.

Jaisingh Jadav is a journalist in an English daily at Delhi. Having report of women-auction, he goes to Luhardega Bazar in Bihar and buys a flesh-woman called Kamala for two hundred and fifty rupees. He presents her at a press conference to prove his former report that women-auction is a reality. Kakasaheb, uncle of Sarita, Jaisingh's wife, who himself a senior journalist and owner of a vernacular (Marathi) daily, is critical of the sensationalism and mercenary

motive in Jaisingh's journalism. Jaisingh retires to his bed, but Sasita stays back and is sleepless. Kamala, she too being sleepless, comes out of the bedroom. The two woman have a talk. Thinking that she will remain in that house for good, Kamala makes a pact with Sarita with a view to serve the master the best. Next morning the report of Kamala's presentation at the press conference comes out. As buying Kamala in an auction is a criminal offence, Jaising arranges a 'Women Home' and puts her there inspite of Kamala's unwillingness to leave his house, and also, inspite of Sarita's insistence of on keeping Kamala back in the house. In the evening, Jaising goes to a party. His colleague Jain comes and informs Sasita that Jaisingh has been dismissed from job due to pressure on the proprietor from some 'very big people'. Jaisingh is called back home and informed of the mishappening. He losses control and collapses on to the sofa Sarita promises to stop being a slave. Of course, she sympathises with Jaising his misfortune.

These are the contents of two notable Indian dramas one Assamese – named 'Kukurnechai manuh' (1965) (The Wolfman) and the other Marathi entitled 'Kamala' (1981). The first is the work of Arun Sharma, acclaimed as a great talent in modernist Assamese drama while the second is the product of Vijay Tendulkar, regarded as one of the four great dramatists (the other three being Mohan Rakesh in Hindi, Badal Sircar in Bengali and Girish Karnad in Kannada) to bring modernity into the sphere of Indian drama and theatre in 1960's.

The basic theme in 'Kukurnechia manuh' is the plight of the rootless man. In the introduction to the play, the dramatist himself says, "...attempt is to make the wolf boy represent the minority community in the world... also to present the condition of the rootless man when they become a minority. A man once rootless, is very difficult to be re-established as he is not welcome in the newland, and even if he chances to return to the origin, his voice is always repressed."

Tendulkar's 'Kamala' on the otherhand deals with sensationalism in contemporary journalism. Jaising risked buying Kamala for professional gains and so he does not stop to think about the aftermatch of her expose at the press conference. Presenting Kakasaheb, Tendulkar brings in the contrast between true ideals of journalism and modern sensationalism of the press. Jaisingh's English paper because of its sensationalism and elitist nature becomes the burr of attack.

Thematially, then the dramas under discussion are incompatible. They are more so from the technical point of view, because while Sharma's play is experimental[2], Tendulkar's is naturalistic[3]. Of course, there are certain things, particularly the ironic representation of power-nature and the humanitarian concern / vision, that apply to both, for which, it seems, they can be clubbed together.

To start with the texts, both Romu – the wolfboy / man, and Kamala-the flesh-woman, are the stepping stones for achievement of the privileged class. Prof. Choudhury had good intention of making Romu a perfect human being, but he gets defeated and Dilip gets the credit of the findings of the research completed by Romu. In Tendulkar's play, Jaising was to be promoted because of Kamala who was presented at the press conference in all her attired state. Romu and Kamala are art-objects exploited by universal colonisers.

Secondly, both the plays can be called studies on power-mechanisms. It is politics that has the pull of control. The report of the discovery of a new

scientific theory crediting only Dilip and depriving Romu was all the doing of the politician Nripati Baruah. Shocked at the report, Prof. Choudhury asks Baruah :

**Choudhury :** But why is Romu not in picture ?

**Baruah :** I am sorry. I couldn't help Romu.

**Choudhury :** Help Romu ? How could Romu need your help ?

**Baruah :** This publicity in the press-in the newspapers-helping for the national award - I had to do all-all these.

In 'Kamala', though Jaising was to be promoted for unfolding truth, he is dismissed from job due to pressures on the proprietor from 'some very big people' involved in the flesh racket. These big people are either politicians or persons with political backing. These aspects in the plays establish the fact that the so-called fourth pillar of democracy has political involvement and hence the unreliability of the press.

Both the plays present gentle and dominated women (Notably, both the dramatists have represented the other class women too-i.e. the assertive or the new women, as Ibsen said. This assertive women is represented by Nandini in 'Sri Nivaran Bhattacharya' and 'Agnigarh', Aditi in 'Aditir Atmakatha', 'Hiramoni in 'Purush' of Arun Sharma; and by Champa in 'Sukharam Binder', Manik in 'The Vultures'/'Gidhade', Vijaya in 'Encounter in Umbugland / Dambadwipcha Mukabala', Sumitra/Mitra in 'A friend's story / Mitrachi Goshta' of Vijay Tendulkar etc.etc.) Reema is tender and considerate towards decisions. She has no say in the marriage arranged. She meekly accepts the decisions of her father, her fiance and the fiance's father.

Kamala is just a doll in Jaisingh's hand. He bought her, presented at the press conference, directed heer behaviour and them put her in a 'Women Home' inspite of her unwillingness to leave his home. This unwillingness is not to assert her position but to serve the master. Sarita's position is no better than Kamala. She is an object that provides physical enjoyment, social compansionship and domestic comfort to Jaisingh. Kamala's entry into the household opens her eyes and she realises her insignificant position. When Kakasaheb, observing the sensational drama of Jaising, says, "Kamala is just a pawn in his game of chess", Sarita immediately says, "Not just Kamala, Kakasaheb. Me too... me too."[5] Though Sarita does nothave the spirit to rebel, she promises to stop being a slave. Of course, being a devoted wife, She tries to soothe, and so remains with Jaisingh when the latter has been treacherously deprived of his job. In Sharma's play, Reema too cannot rebel; she feels helpless; like Sarita to some extent, she tries to soothe the agonized Romu by granting him to call her Atlanta, the name with which Romu wanted to christen her. Of course unlike in Sarita, there is no moral awakening in Reema. Sarita stays with the 'unfortunate' 'innocent' husband; Reema is getting married to a prosperous, morally depraved family.

Both the dramas focus on the humanitarian concernts of the dramatists. The value system of modern success-oriented society is such that it is ready to sacrifice human values even in the name of humanity itself. Human plight is a reality. Rootless or uprooted, dalits like Romu, Sarita, Kamala, Reema, suffer always. The dramatists make the characters realise it. Nripati, Dilip, the 'very big people' referred to in 'Kamala' enjoying the top-most place in the mercenary society are the killers of humanity and are, therefore, criticised by the dramatists. Prof. Choudhury and Jaisingh are both the killers and the killed. Painfully for the

audience, Prof. Choudhury is also a character with double-standard. Romu says to Prof. Choudhury, "..Your are selfish..you are a very intelligent, a very kind person... but you lack the courage to plunge into the conflict to establish the real human right putting the selfish interests of the racists at bay."[6] Likewise, about Jaisingh Sarita says, "He doesn't consider a slave a human being-just a useful object."

Thus both the dramatists are humanitarian in their aporoach. They want to present that human-culture suffer due to power-nature. Humanity is at stake. When power is at the hands of the dark forces, the need is a revolution. Romu's determination to keep and make use of the piece of stone and Sarita's promise not to remain a slave are indicative of this revolution. ¢

**References :**

1. Arun Sharmar Birbachita Natak, Natasurya Memorial Celebration Committee, 2001, P. 166. Translation is mine.
2. Mohendra Bora — Sahitya Aru Sahitya, Banalata, Dibrugarh, 1988. P. 214
3.Arundhati Banerjee — Introduction to 'five plays' (1992), reproduced in 'collected plays in Translation' OUP, 2005. P. 580
4. Arun Sharma — The wolf man. Translated from Assamese, by Pritim Sharma in "Indian Literature" No. 213, Jan-Feb, 2003. P. 127
5. Vijay Tendulkar — Kamala. Translated by Priya Adarkar in "Collected plays in Translation, OUP - 2005. P. 43
6. Arun Sharma; P. 133
7. Vijay Tendulkar; P. 46.



# মাজ নিশাৰ সাক্ষাৎকাৰ

- প্ৰফুল্ল কুমাৰ দাস

মাজনিশাৰ সময়বোৰ তেতিয়া ঘড়ীৰ কাঁটাৰ আক্ৰমণত বাগৰি পৰিছিল...।

